ষষ্ঠদশ অসম বিধানসভাৰ

বাজেট অধিবেশন

কাৰ্যবিৰৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ১৫/০৭/২০২৬ বুধবাৰ

**আজি ইংৰাজী ১৫ জুলাই, ২০২৬ তাৰিখে ৰাতিপুৱা ০৯:৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰী ৰণজিৎ কুমাৰ দাস ডাঙৰীয়াৰ অধ্যক্ষতাত ষষ্ঠদশ অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাম কাজ আৰম্ভ হয়**

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ১৪১, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টি ভিত্তিক চাৰ্কোলৰ কাজ-কৰ্মখিনি হ'ব এই তথ্যখিনি দাঙি ধৰাৰ বাবে সমষ্টিৰ ৰাইজ খুব বেছি উপকৃত হ'ব । তাৰবাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰটো পালো । এই উত্তৰটো লৈ Government is very much concern. অধ্যক্ষ মহোদয়, আপুনিও জানে যিহেতু আপুনি পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী আছিল। Delimitation যেতিয়া হ'ল, গাওঁ পঞ্চায়তৰ নতুন বাউণ্ডেৰী হ'ল, জিলা পৰিষদৰ নতুন বাউণ্ডেৰী হৈছে । কিন্তু কিছুমান অঞ্চল আহি নতুন গাওঁ পঞ্চায়তত সোমাইছে আৰু কিছুমান অঞ্চল এটা গাওঁ পঞ্চায়তৰ পৰা ওলাই গৈছে। তাৰ কাৰণে জব কাৰ্ড, PMAY House, `5th Finance ৰ যিখিনি কাম আছে সেইখিনি কাম ইটো গাওঁ পঞ্চায়তলৈ ট্ৰেন্সফাৰ হোৱা নাই। ইয়াৰ বাবে মানুহবিলাকৰ বহুত অসুবিধা হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা যিটো উত্তৰ পালো, তাত কথাখিনি positively দিছে । লগতে building ৰ কথাখিনিও কৈছে । মই মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট হৈছো । আমাৰ পঞ্চায়তৰ যিখিনি সমস্যা আছে

সেইখিনি সেই সমস্যা সমূহৰ যাতে সমাধান হয়। গাওঁ পঞ্চায়তৰ গৃহৰ কথাটো কোৱা হৈছে, তাত কিছুমান building বেয়া হৈ গৈছে। নতুন যিবিলাক গাওঁ পঞ্চায়ত হৈছে তাত মাননীয় মন্ত্ৰী মহোদয়ে তৎপৰতা ল'ব বুলি উত্তৰত মই পাইছো। তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক মই ধন্যবাদ জনাইছো। তেখেত সন্তুষ্ট বুলি কৈছে। যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেটৰ আলোচনাত ঘোষণা কৰিছে যে Revenue Circle বৃদ্ধি হ'ব আৰু প্ৰতিটো সমষ্টিতে থাকিব। আটাইতকৈ ডাঙৰ কথা যে সমষ্টি Delimitation ৰ পিছত বিধান সভা সমষ্টি সমূহৰ ভৌগোলিক অৱস্থান সলনি হোৱাৰ লগে লগে পঞ্চায়ত, জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰো আমি সীমা বিলাক পৰিৱৰ্ত্তন কৰিবলগীয়া হ'ল। সন্মানীয় সদস্য গৰকীয়ে যিখিনি কথা কৈছে যে কাম-কাজ বিলাক কৰোতে যিবিলাক অসুবিধা সেই অসুবিধা বিলাক দূৰ কৰিবৰ কাৰণে আমি ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছো। কাৰণ বৰ্তমানৰ যি গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়তৰ মাজত স্থানান্তৰিত গাঁৱৰ ক্ষেত্ৰত আৰম্ভ নোহোৱা অথবা আংশিক ভাৱে যিবিলাক আৰম্ভ হৈছিল আৰু বৰ্তমান যিসমূহ কাম মূল গাওঁ পঞ্চায়ত বা আঞ্চলিক পঞ্চায়তৰ অধীনত নাই সেই কামসমূহ পৰিত্যক্ত বুলি গণ্য কৰা হ'ব আৰু এনে কাম সমূহৰ বাবে প্ৰয়োজনীয় ধন bank to bank transfer ৰ জৰিয়তে মূল গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়তলৈ স্থানান্তৰিত কৰা হ'ব। গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়তে eGramSwaraj portal ত Membership Entry ৰ জৰিয়তে দহ নং ঘৰৰ হিচাপ লিপিবদ্ধ কৰি নিৰ্ধাৰিত নিৰ্দ্দেশনা অনুসৰি supplementary plan প্ৰস্তুত কৰি কাম সম্পূৰ্ণ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী সুৰেন ফুকন।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** মাননীয় অধ্যক্ষ মহোদয়, সমষ্টি Delimitation, পঞ্চায়ত Delimitation ৰ পিছত মোৰ ডিগবৈ সমষ্টিত ১৩ খন গাওঁ পঞ্চায়ত আছে আৰু তাৰ এখন গুৰুত্বপূৰ্ণ আৰু বৃহৎ পঞ্চায়ত বৰহাপজান । এই বৰহাপজানৰ যিটো পঞ্চায়ত কাৰ্য্যালয় সেই কাৰ্য্যালয়টো ইতিমধ্যে সমষ্টি পুনৰনিৰ্ধাৰণৰ ফলত মাকুম সমষ্টিত অন্তৰ্ভুক্ত হ'ল । গতিকে আমাৰ বৰহাপজান গাওঁ পঞ্চায়তৰ যিটো গাওঁ পঞ্চায়তৰ কাৰ্য্যালয় আছিল সেই কাৰ্য্যালয়টো নথকাত আমাৰ পঞ্চায়তখন চলোৱাত অসুবিধা হৈছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো যে অতি শীঘ্ৰে পঞ্চায়তখন পুনৰ নিৰ্মাণ হ'ব লাগে আৰু তাৰ কাৰণে ১ বিঘা মাটিৰ allotment ইতিমধ্যে পাইছো। যোৱাকালি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমত ১৪ টা চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ নতুনকৈ অনুমোদন দিছে তাৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ সমষ্টি হ'ল ডিগবৈ সমষ্টি। তাৰবাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানো বৰহাপজান এটা বৃহৎ এলেকা আৰু এটা ডাঙৰ গাওঁ পঞ্চায়ত। মই সদনৰ মজিয়াত জনাবলৈ পালে সুখী হ'ম যে সীমা পুনৰ নিৰ্ধাৰণৰ পিছত ৫৪ টা গাওঁ পঞ্চায়তৰ কাৰ্য্যালয় আছে য'ত ভৱন সমূহ ক্ষতিগ্ৰস্ত হোৱাৰ ফলত পঞ্চায়ত ৰাজ প্ৰতিষ্ঠান কাৰ্য্যালয় সমূহ সুস্থভাৱে চলোৱাটো সম্ভৱ হৈ উঠা নাই। তদুপৰি শেহতীয়াকৈ যি সীমা পুনৰ নিৰ্ধাৰণ হ'ল এই প্ৰক্ৰিয়াৰ ফলত ১০২ খন গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ৰ স্থান পৰিৱৰ্তন কৰা হৈছে। সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগে বিষয়টো বিবেচনা কৰি মুঠ ১৫৬ খন গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ৰ ভৱন নিৰ্মাণৰ বাবে পৰামৰ্শ দিছে। যাৰ ফলত গাওঁ পঞ্চায়ত সমূহে মৰ্য্যদা আৰু যত্ন সহকাৰে নিজৰ কাম সমূহ সম্পাদন কৰিব পাৰিব। ইয়াৰ উপিৰও ষষ্ঠ ৰাজ্যিক বিত্ত আয়োগে গাওঁ পঞ্চায়ত সমূহৰ কাৰ্য্যালয়ৰ ভৱন নিৰ্মাণৰ বাবে প্ৰতিটো

ভৱনৰ ব্যয় ৪০ লাখ টকা অনুমোদন কৰিছিল। কিন্তু বৰ্তমান আয়োগে ইয়াৰ ব্যয়ৰ পুঁজিৰ পৰিমাণ বৃদ্ধি কৰিছে। Cost escalation ৰ বিবেচনা কৰিয়েই প্ৰতিখন গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ৰ ভৱনৰ বাবদ ৫০ লাখ টকালৈ বৃদ্ধি কৰিছে আৰু সেই অনুসাৰে ১৫৬ টা কাৰ্য্যালয় ভৱনৰ বাবে মুঠ ৭৮ কোটি টকা অৰ্থাৎ ৫ বছৰৰ প্ৰতিটো বছৰেই ১৫.৬০ কোটি টকাকৈ ধৰা হৈছে। গতিকে ইয়াত নিশ্চয়কৈ বৰহাপজান গাওঁ পঞ্চায়তটো অন্তৰ্ভুক্ত হ'ব।

**শ্ৰী সুৰেন ফুকন, ডিগবৈঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় গ্ৰাম্য স্বৰাজ অভিযানৰ অধীনত ২০ লাখ টকাকৈ কাৰ্য্যালয় নথকা পঞ্চায়ত সমূহলৈ যি পুঁজিৰ অনুমোদন দিছিল, সেই পুঁজি আপুনি যেতিয়া এই বিভাগৰ মন্ত্ৰী আছিল তেতিয়াই আহিছিল। কিন্তু চৰকাৰ গ'ল আৰু নতুন চৰকাৰ আহিল আৰু বহুদিন পাৰ হৈ ও গ'ল। কিন্তু এতিয়ালৈকে এই ক্ষেত্ৰত কোনো পদক্ষেপ লোৱা নাই। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ প্ৰশ্ন কৰিছো যে নতুন কৈ গঠন হোৱা পঞ্চায়ত সমূহৰ যিবোৰৰ কাৰ্য্যালয় নাই সেই কাৰ্য্যালয় সমূহ গঠন কৰাৰ ক্ষেত্ৰত বিভাগে কিবা সময়-সীমা দিব নেকি যে ইমান দিনৰ ভিতৰত কাৰ্য্যালয় গঠন হ'ব। এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। লগতে নতুনকৈ Development Block ও হৈছে আৰু বহুত Development Block ৰ কাৰ্য্যালয় আছে আৰু বহুতৰ নাই বা কাৰ্য্যালয় থাকিলেও সেইবোৰ জৰাজীৰ্ণ হৈ আছে। যিবোৰ নতুনকৈ Development Block হৈছে আৰু জৰাজীৰ্ণ হৈ থকা কাৰ্য্যালয় সমূহ পুনৰ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত বিভাগে কি পদক্ষেপ ল'ব আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই উল্লেখ কৰি গৈছো যে সীমাৰ পুনৰ নিৰ্ধাৰণ হোৱাৰ ফলস্বৰূপে বহু ঠাইত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত সমূহৰ কেইবাটাও প্ৰশাসনিক সীমা ইতিমধ্যে পৰিৱৰ্ত্তন হৈছে। মাননীয় সদস্য গৰাকীয়ে কৈছে যে ব্লক পঞ্চায়ত নিৰ্মাণ কৰাৰ যিটো প্ৰক্ৰিয়া আছিল সেইটো ইতিমধ্যে আৰম্ভ হৈছে । এতিয়া আমি Standard Operating Procedure বিলাক ঠিক কৰি ইতিমধ্যে জিলা আয়ুক্ত সকললৈ প্ৰেৰণ কৰা হৈছে আৰু এই কামখিনি ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবৰ কাৰণে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষঃ** মৌখিক প্ৰশ্ন নং ১৪২। মাননীয় সদস্যা শ্ৰীমতী বেবী বেগম।

**শ্ৰী সুশান্ত বুঢ়াগোঁহাই, জলসম্পদ বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীমতী বেবী বেগম, ধুবুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰখিনি পালো। মোৰ ধাৰণা যে মাননীয় মন্ত্ৰী মহোদয় অত্যন্ত দায়িত্বশীল। তথাপিও ১৯৬১ চনৰ পূৰ্বে ব্ৰহ্মপুত্ৰ নদী অসমৰ কোনো ঠাইতে ডেৰ কিলোমিটাৰতকৈ বেছি বহল নাছিল। কিন্তু সম্প্ৰতি পঞ্চৰত্নৰ পৰা বাংলাদেশ সীমান্তৰ শিশুমাৰালৈ ৫৪ কিলোমিটাৰ দৈৰ্ঘ্য এলেকাত ব্ৰহ্মপুত্ৰ নদীৰ বহলতা গড় হিচাপত ৩৭ কিলোমিটাৰলৈ বৃদ্ধি পাইছে। এনেস্থলত পুৰণি গোৱালাপাৰা জিলাতে ১৮,১১৭ বৰ্গ কিলোমিটাৰ এলেকা ভূমি ব্ৰহ্মপুত্ৰৰ বুকুত জাঁহ গৈছে। ফলত লাখ লাখ লোক নিজৰ ভেটি মাটিৰ পৰা উচ্ছেদিত হৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ গৈ বসতি স্থাপন কৰিব লগীয়া হৈছে। এই সকল লোককেই বহু সময়ত বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ নামত অন্যায় অত্যাচাৰৰ বলি কৰা হয়। এনে পৰিস্থিতিৰ পৰা ৰাজ্যখনক পৰিত্ৰাণ দিবলৈ ব্ৰহ্মপুত্ৰ নদীনখন দুই-তিনি কিলোমিটাৰ বহল ৰাখি সমগ্ৰ অসমতে নদীবান্ধ নিৰ্মাণ কৰি নদীৰ বুকুত জাহ যোৱা লাখ লাখ বিঘা ভূমি উদ্ধাৰৰ ব্যৱস্থা কৰা হ'ব নে?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী সুশান্ত বৰগোহাঁই, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদস্যা গৰাকীয়ে যি ব্ৰহ্মপুত্ৰৰ কথা কৈছে তাত আমি সংলগ্ন কৰি কেইটামান নিৰ্দিষ্ট point হে দিয়া আছে। কাৰণ গোটেই ব্ৰহ্মপুত্ৰ খনৰ কথা ইয়াত উল্লেখ কৰাটো সম্ভৱ নহয়। তেখেতে যদি আমাৰ মুখ্য অভিযন্তাৰ লগত কথা পাতে তেতিয়া তেখেতক নিৰ্দিষ্টকৈ ব্ৰহ্মপুত্ৰৰ কোনটো ঠাইৰ বহলতা লাগে সেইটো গম পাব। দ্বিতীয়তে, আমাৰ যিখিনি আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল তাত আমাৰ বিশ্ব বেংক বা ADB য়ে দিয়া সাহাৰ্য্যৰ জৰিয়তে আমি মথাউৰি সমূহ নিৰ্মাণ কৰো বা গৰাখহনীয়া ৰোধ কৰো। এই অঞ্চল বিলাকত সেই প্ৰকল্প বিলাক সাধাৰণতে লোৱা নাযায়। সেইহে আমি SOPD ৰ জৰিয়তে যিমান খিনি পাৰো কৰি আছো। সাধাৰণতে নদীয়ে ভঙা মানুহ বিলাকৰ অসুবিধা বেচি হয়। মথাউৰিৰ বাহিৰত যিখিনি মানুহ থাকে তেওঁলোকৰ বেচি অসুবিধা নহয়। ব্ৰহ্মপুত্ৰত বহুতো সুঁতি থাকে তাৰ কিছুমান সুঁতি ভিতৰলৈ সুমাই আহে আৰু কিছুমানৰ ক্ষেত্ৰত আমি Porcupine ব্যৱহাৰ কৰি সুতি বিলাকক বাধা দিও । কিন্তু তথাপিও আপোনালোকৰ এই অঞ্চল খিনিত বহুতো সমস্যা আছে। সেই সমস্যা সমূহ আমি কেনেধৰণে সমাধানৰ বাবে ব্ৰহ্মপুত্ৰৰ সুঁতি বিলাকক কিদৰে Streamline কৰিব পৰা যায় তাৰ আলোচনা কৰি বিহিত ব্যৱস্থা লোৱা হ'ব। ইয়াৰ পিছত আপুনি যি খিনি ক্ষতিগ্ৰস্ত মানুহৰ কথা কৈছে সেইখিনি আমাৰ বিভাগত নপৰে, সেইখিনি ৰাজহ বিভাগত পৰে তাৰ পৰা আপুনি উত্তৰবোৰ ল'ব পাৰিব।

**শ্ৰীমতী বেবী বেগম, ধুবুৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিগত এমাহ ধৰি ধুবুৰী বিধানসভা সমষ্টিৰ বাংলাদেশ সীমান্তৰ বিন্যাছৰা, নালিয়া অঞ্চলত গঙ্গাধৰ নদীৰ গৰাখহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ নদীয়ে বাংলাদেশ সীমান্তৰ পাটামাৰী, ভোগডহৰ অঞ্চলত কালৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ নদীয়ে আয়ৰণজংলা, হাওৰাৰপাৰ অঞ্চলত ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে। একেদৰে ব্ৰহ্মপুত্ৰৰ খহনীয়াই ফলিমাৰী গাঁও পঞ্চায়তৰ মাজেৰচৰ, কুন্তিৰচৰ, টিপকাই নদীয়ে ১১ নং নদী ব্লকত ভয়াৱহ খহনীয়াৰ সৃষ্টি কৰিছে। মাজেৰচৰ চলাকুৰা গাওঁ পঞ্চায়ত এলেকাৰ মাজেৰচৰ চলাকুৰা গাঁৱৰ লগতে টাংভিঠাত ব্যাপক

গৰাখহনীয়াৰ সৃষ্টি কৰিছে।পদ্মেৰ আলগা গাওঁ পঞ্চায়তৰ ৪ নং কাতলামাৰী আৰু ৫ নং ৰিভাৰ ব্লকত ভয়ংকৰ খহনীয়াৰ সৃষ্টি কৰিছে ব্ৰহ্মপুত্ৰ নদীয়ে। এই ধৰণৰ খহনীয়া প্ৰতিৰোধৰ বাবে জৰুৰীকালীনভাৱে কিছু ব্যৱস্থা কৰা হ'ব নে? সমষ্টিটোত যিবোৰ ঠাইত গৰাখহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে সেইবোৰ ঠাইত গৰাখহনীয়া প্ৰতিৰোধৰ স্থায়ী কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব নে? যদি হয়, কেতিয়াৰ পৰা এই কাম আৰম্ভ আৰু সম্পূৰ্ণ কৰা হ'ব?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী সুশান্ত বৰগোহাঁই, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত আমাৰ আন এগৰাকী বিধায়ক শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰেও প্ৰশ্ন কৰিছে । ইয়াত দুইটা উত্তৰ সংলগ্ন হৈ আছে । ইতিমধ্যে ধুবুৰী জিলাত প্ৰায় ২৫ কোটি টকাৰ কাম চলি আছে আৰু তাৰে প্ৰায় সংখ্যক কাম সম্পূৰ্ণ হৈছে । Anti erosion measures to protect the most vulnerable beaches of river Gangadhar and its both banks under Dhubri District ৰ ইতিমধ্যে নিবিদা দিয়া হৈ গ'ল আৰু অতি কম সময়ৰ ভিতৰত ইয়াৰ কাম আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী ওয়াজেদ আলী চৌধুৰী।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতি, বিৰসিং জৰুৱাঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভিতৰতে ধুবুৰী জিলাত ব্ৰহ্মপুত্ৰৰ গতি বেগ বেছি । তাৰ কাৰণ হ'ল প্ৰতিবছৰে ২/৪ কিঃ মিঃ কৈ ব্ৰহ্মপুত্ৰ নদীয়ে খহায় মেঘালয়ৰ ফালে গৈ আছে । ফকিৰগঞ্জ, আৰু তাৰ দাঁতিকাষৰীয়া অঞ্চল ৰক্ষা কৰিবৰ কাৰণে ADB ৰ পৰা এটা আঁচনি গ্ৰহণ কৰা হৈছিল । আৰু এই আঁচনি ইতিমধ্যে আৰু অনুমোদন হোৱা বুলি গম পাইছো যদিও কি কাৰণে এই আঁচনি খনৰ কামটো এতিয়ালৈকে আৰম্ভ হোৱা নাই, আৰু আনহাতে গৰাখহনীয়া হৈ আছে। এই কথাটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী সুশান্ত বৰগোহাঁই, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াই যিখিনি অঞ্চলৰ কথা কৈছে আমি বানপানী শেষ হোৱাৰ লগে লগে কাম আৰম্ভ কৰিম। এই প্ৰশ্নটো যোৱাবাৰ বিধান সভাটো যেতিয়া পীযুষ হাজৰিকা ডাঙৰীয়া জলসম্পদ মন্ত্ৰী আছিল তেতিয়াও আপুনি কৰিছিল। আৰু তাৰ ফলস্বৰূপে মাননীয় হাজৰিকা দেৱে তালৈ দল এটা পঠিওৱাৰ কথাও মোৰ মনত আছে। আৰু এই বস্তুটো অধ্যয়ন কৰাৰ পিছত Pro siltation measure to protect এই কামখিনি কম দিনৰ ভিতৰতে কৰা হ'ব। ফকিৰগঞ্জ, পামপাৰা, চাকিলাপাৰ বুলি ৭০০ মিঃ এটা অঞ্চল। পামপাৰা চটলাৰ পাৰৰ পৰা বেগী বুলি এটা অঞ্চলৰ ৫০০ মিঃ এটা কাম অনুমোদন হৈছে। চাটাৰীপাৰাৰ সোনাই চেনেল প্ৰায় ৪০০৪ কিঃ মিঃ আৰু বৰকলীয়া আৰু সুন্দৰপাৰাৰ প্ৰায় ২ কিঃ মিঃ কাম ইতিমধ্যে অনুমোদন হৈছে আৰু ৯৫ কোটি টকাৰে এই কামখিনি হ'ব। এই ক্ষেত্ৰত মই আগৰ মন্ত্ৰী মহোদয়কো ধন্যবাদ জনাম যে এই কামখিনিৰ বাবে এই ঠাই খিনি বিপদৰ পৰা ৰক্ষা পৰিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভূপেন বৰা।

**শ্ৰী ভূপেন বৰা, বিহপুৰীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গৰাখহনীয়া প্ৰতিৰোধ এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা দুটা মান কথা জানিব বিচাৰিছো। উপনৈ বুলি ডিব্ৰুগড়ৰ পৰা ধুবুৰী লৈকে বহু উপনৈ আছে তাৰ ভিতৰত মই কেইখন মান উপনৈৰ কথা কৈছো – ডিক্ৰম, দুপাম, দিহিংৰী, চেচা, পিচলা, সোনতুলী, ৰঙানদী, শিঙৰা, সোৱনশিৰি এই উপনৈ সমূহৰ চৰিত্ৰ আৰু বৈশিষ্ট্য বহুত বেলেগ। ইয়াতো গৰাখহনীয়া আছে ইয়াতো বানপানী আছে কিন্তু ইয়াৰ চৰিত্ৰ বেলেগ। ইয়াৰ লগত কেইদিন মান আগতে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদনত কৈছিলে যে যোৱা ৫ বছৰত এটাও মথাউৰি ভঙা নাই। কথাটো সঁচা। মথাউৰি ভঙা নাই। কিন্তু দ্ৰপাং যিখন নদী সেই নদী খন অৰুনাচলৰ পৰা আহি ব্ৰহ্মপুত্ৰত পৰা লৈকে মাজত অসমৰ এটা বৃহত অঞ্চল পথাৰতকৈ নদী খন ২ মিঃ ওখ হৈ আছে। মথাউৰি ভাঙিব পৰা নাই যদিও মথাউৰিৰ মাজতে অৰুণাচলৰ পৰা হোৱা পাহাৰ স্খলনৰ ফলত মথাউৰি দুটাৰ

মাজেৰে নদী খন গৈ আছে যদিও পথাৰত কৈ বহুত ওখ হ'ল। দ্বিতীয়তে ডিক্রম নদীৰ দলং যিখন বিহপুৰীয়া চহৰৰ কাষতে আছে আৰু সেই দলং খন যেতিয়া বনাইছিল ১৯৭২ চনত তেতিয়া খুটাটোৰ উচ্চতা আছিল ১১ মিঃ এতিয়া খুটা মাত্র ৩ মিঃ উলাই আছে। আমাৰ ইয়াত মাননীয় সংসদীয় পৰিক্রমা মন্ত্রী আছে এইটো অকল বিত্তিয় ক্ষমতাৰ কথা নহয় ইয়াত ইচ্ছা শক্তিও লাগিব। মই এটা অনুৰোধ কৰিছো আৰু চৰকাৰৰ পৰা এটা উত্তৰ বিচাৰিছো যে অৰুনাচলত হোৱা ভূমিস্খলন আৰু অবাধ গছ কটাৰ ফলত তাত যিটো ভূমিস্খলন হৈ আছে তাৰ গোটেই ভৰটো অসমৰ এই ১১/১২ খন নদীয়ে বহন কৰিবলগীয়া হৈছে। গতিকে এইটো হয় ভাৰত চৰকাৰৰ লগত নহয় অসম চৰকাৰে অৰুনাচল চৰকাৰৰ লগত কথা পাতি ইয়াৰ এটা দীৰ্ঘম্যাদী ফলপ্ৰসূ উপায় উলিয়াব লাগে। মথাউৰি আমি যিমানে শক্তিশালী কৈ নবনাও কিয় যদি নদীৰ পৃষ্ঠ ভূভাগত কৈ ওখ হয় তেতিয়া এটা প্ৰত্যাহবান থাকিব। সেই কাৰণে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে পাহাৰ স্খলন বন্ধ কৰি নদীৰ স্খলন বন্ধ কৰা এটা সমাধান সূত্র উলিয়াবলৈ।

**মাননীয় অধ্যক্ষঃ** তাৰ মানে নদীৰ পৃষ্ঠ উফন্দি আছে। সেই সম্পৰ্কে, মাননীয় মন্ত্রী।

**শ্রী সুশান্ত বৰগোহাঁই, মন্ত্রীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জ্যেষ্ঠ বিধায়ক ভূপেন কুমাৰ বৰা ডাঙৰীয়াই যিখিনি প্ৰশ্ন কৰিলে তাৰ উত্তৰ হিচাপে মই ক'ম যে আমাৰ উপনৈ সমূহৰ চৰিত্র বিলাক বেলেগ বেলেগ আৰু অৰুনাচলৰ পৰা যিবোৰ উপনৈ আহে সেই বিলাকত siltation বেছিকৈ আহে আৰু নাগালেণ্ডৰ পৰা যিখনি আহে তাত siltationৰ পৰিমান কম। গতিকে অৰুনাচলৰ যিখিনি নদী কম সময়ৰ কাৰণে আহে আৰু তাত বহুত পৰিমাণে পলস পৰা আৰম্ভ কৰি বালি আদি আহি আমাৰ downstream ত জমা হৈ যায়। যিহেতু এই পানীখিনি সদায় নাথাকে পানীখিনি শুকাই যোৱাৰ লগে লগে নদীৰ পৃষ্ঠ উফন্দি থাকে। এই কথাটো এইবাৰ মই নিজে দেখিলো ডিক্রং আদি অঞ্চলত। আমাৰ মাননীয় সদস্য উৎপল বৰা ডাঙৰীয়া আছে, আমি এখন নদীলৈ গৈছিলো আৰু নদীখন

ঘৰৰ মাজেৰে বৈ যোৱাৰ নিচিনাকৈ এটা পৰিবেশ হ'ল। তাৰ কাৰণটো হ'ল অৰুনাচলৰ বিমানবন্দৰটো নিৰ্মাণ কৰাৰ কাৰণে তাৰ নদীৰ সুঁতি সমূহ বেলেগ ফালে বৈ গ'ল। আমাৰ ইয়াত চিন্তা কৰিবলগীয়া কাৰণ আছে আমি কিছু বিজ্ঞান সন্মত পৰিকল্পনা কৰিব লাগিব। আৰু আমি এই নদীসমূহত চেক বান্ধ আদি দি siltation টো কমাব পাৰো, পানীখিনি আনিব পৰা যায়, তেনেকুৱা কৰিব পাৰো নেকি, সেইখিনি আমাৰ যিসকলে ইয়াক লৈ জৰিত হৈ আছে, যি technical team য়ে এই কথাবিলাক চোৱা চিতা কৰি আছে, তাৰ এটা ডাঙৰ আলোচনা হোৱাৰ খুৱ প্ৰয়োজন আছে। কাৰণ অকল মথাউৰিয়ে এখন নদীৰ বানপানীৰ সমস্যা সমাধান কৰিব নোৱাৰে। মথাউৰিৰ লগতে river bank টো কেনেকৈ কি ধৰণে আমি ৰাখিব পাৰো, বা siltation নোহোৱা নদীসমূহ কেনেধৰণে নদীখনো জীয়াই ৰাখিব লাগিব আৰু বাকী যিবিলাক আছে, সেইখিনিও যাতে কাম কৰিব পাৰো, কি পৰিকল্পনা কৰিব লাগিব আমি তাৰ বাবে নিশ্চয় আলোচনা কৰিম। আমাৰ কৰিবলগীয়া বহুখিনি fund আছে। কাৰণ, PDN ৰ পৰা আৰম্ভ কৰি World Bank আৰু আপোনালোকে জানে যে এইবাৰ World Bank যথেষ্ট সহায় কৰি আছে, কাৰণ আমাৰ বিভাগটোৰ কাৰ্যক্ষমতা বহুতখিনি বৃদ্ধি কৰিবৰ বাবে World Bank য়ে আমাক সহায় কৰি আছে। আমি ভাবিছোঁ যে অনাগত দিনত আপুনি কোৱা যিখিনি সমস্যা, সেই সমস্যাবিলাক কেনেধৰণে সমাধান কৰিব পাৰোঁ আৰু এতিয়া MGNREGA-ৰ জৰিয়তেও আমি বহুখিনি খনন কৰিব পাৰোঁ। এতিয়া MGNREGA নহয়, VB-G-RAM-G ৰ জৰিয়তে আমি কৰিব পাৰোঁ। সেই কথাবিলাক সন্মানীয় সদস্য উৎপল বৰা ডাঙৰীয়াৰ লগত আমি এটা আলোচনা কৰিছিলোঁ। কেনেকৈ কৰিব পাৰোঁ, তাৰ এটা সমাধানৰ সূত্ৰ নিশ্চিতভাৱে উলিয়াব লাগিব। কাৰণ এই সমস্যাবিলাক বানপানী বা বৰষুণৰ দিনকেইটাত যথেষ্ট এটা ডাঙৰ সমস্যা আমি দেখা পাইছো, আৰু মই মাননীয় সদস্য গৰাকীক আশ্বস্ত কৰিব বিচাৰিছোঁ যে তেখেতৰ সমষ্টিত ডিক্ৰুং নদীৰ আমি বহুকেইটা প্ৰজেক্ট হাতত লৈছোঁৰেই। এইকেইটা সম্পূৰ্ণ হোৱাৰ পাছত, আপুনি আজি

আমাক দিয়া যিখিনি suggestion দিলে, সেইখিনিও কৰিব পাৰিলে অন্ততঃ ৰাইজ যথেষ্টখিনি সকাহ পাব বুলি আমি আশা কৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ১৪৩, সন্মানীয় সদস্য শ্ৰী আব্দুছ ছোৱাহান আলি সৰকাৰ।

**শ্ৰী সুশান্ত বৰগোহাঁই, ( জলসম্পদ ইত্যাদি মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আব্দুছ ছোৱাহান আলি সৰকাৰ, (গৌৰীপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন উত্থাপন কৰিছিলোঁ, তাৰ উত্তৰত বিভাগে উল্লেখ কৰিছে যে মোৰ সমষ্টিৰ অন্তৰ্গত বৰাইবাৰী, বাগমৰা আৰু উত্তৰ টোকৰাচৰা, শিঙিমাৰী আদি অঞ্চলসমূহত গড়াখহনীয়া সংঘটিত হৈ আছে। মন্ত্ৰী মহোদয়ৰ নিৰ্দেশ মৰ্মে ইয়াত আংশিকভাৱে পৰকুপাইন )Porcupine) ৰ কামো কৰাইছে। কিন্তু এই বাৰিষাৰ সময়ত পৰকুপাইনৰ কাম যথেষ্ট নহয়; ই কেৱল পানীৰ গতিপথ কিছু পৰিমাণে ডাইভাৰ্ট কৰিব পাৰে। মই সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে বিশেষকৈ বৰাইবাৰী পাৰ্ট৫-, বাগমৰা অঞ্চল আৰু টোকৰাছৰা, এই তিনিটা অঞ্চল আজিৰ দিনত ভয়াবহ অৱস্থাত আছে আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ )ASDMA) বিভাগৰ পৰা জনোৱা হৈছে, যে গড়াখহনীয়াৰ ফলত বহুখিনি অঞ্চল, কেইবা ঠাইত প্ৰায় এখন গাওঁ নোহোৱা হৈ গৈছে আৰু বিধানসভা চলি থকা অৱস্থাত মই নিজে যাব লগা হৈছে, পৰিদৰ্শন কৰিবলগীয়া হৈছে। গতিকে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে বিশেষকৈ এই তিনিটা অঞ্চল বৰাইবাৰী পাৰ্ট৫-, বাগমৰা অঞ্চল আৰু উত্তৰ টোকৰাছৰা, এই তিনিটা অঞ্চলত NABARD য়ে হওঁক, World Bank য়ে হওঁক বা SOPD ৰ জৰিয়তে হওঁক, স্থায়ী কাম কৰাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ। এই বিষয়ত মন্ত্ৰী মহোদয়ে উত্তৰ দিলে ভাল পাম।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সুশান্ত বৰগোহাঁই, ( জলসম্পদ ইত্যাদি মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই উল্লেখ কৰা বৰাইবাৰী (চতুৰ্থ আৰু পঞ্চম খণ্ড), বাগমৰা আৰু উত্তৰ টোকৰাৰছৰা, শিঙিমাৰী এই অঞ্চলসমূহত immediate এটা flood drill ৰ যোগেদি আমি কিছু কাম কৰিছোঁ যাতে অন্তত বিপদত নপৰে। কিন্তু স্থায়ী সমাধানৰ বাবে আমি আৰু আগবাঢ়িব লাগিব আৰু তাৰ কাৰণে আমি বিহিত ব্যৱস্থা লম। কিন্তু আমি Anti Erosion Measures ৰ কাৰণে এটা ডাঙৰ টেণ্ডাৰ ইতিমধ্যে আপোনালোকৰ তাত হৈ গৈছে। আপুনি নিশ্চয় সেই বিষয়ে জানে আৰু তাৰ লগতে আপুনি যি এই তিনিটা অঞ্চলৰ কথা কৈছে, তাত permanent structure ৰ কামটো অনাগত সময়ত আমি কেনেদৰে কৰিব পাৰো, অতি সোনকালে এই সন্দৰ্ভত আপোনালোকক অৱগত কৰিম আৰু মই নিজেও এবাৰ তাত গৈ চাই আহিম যে সেই অঞ্চলটোত আমি কেনেধৰণে আৰু অধিক সহায় কৰিলে অন্তত ভৱিষ্যতে যাতে বানপানী আৰু গড়াখহনীয়াৰ কবলত তেওঁলোক নপৰে, কেনেধৰণে তেওঁলোকক ৰক্ষা কৰিব পাৰি তাৰ মই নিজে এই বিধানসভাৰ অধিবেশন শেষ হোৱাৰ পিছত তাত গৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰিম আৰু তাত যি ধৰণৰ আঁচনিৰ ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন হয়, তেনেধৰণে আঁচনি লৈ ৰাইজক সকাহ দিব পৰাকৈ আমি কাম হাতত লম বুলি মই মাননীয় বিধায়কজনক আপোনাৰ জৰিয়তে জনাব বিচাৰিছোঁ।

**শ্ৰী আব্দুছ ছোৱাহান আলি সৰকাৰ, (গৌৰীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় supplementary টো হ'ল, আপোনালোকে জানে যে যোৱা দিনত মই বিধায়ক হিচাপে গোলকগঞ্জ সমষ্টিৰ পৰা আহিছিলোঁ। ডিলিমিটেশ্যনৰ ফলত এতিয়া মোৰ সমষ্টি গৌৰীপুৰ হৈছে। আজিৰ দিনত আমাৰ গোলকগঞ্জ সমষ্টিৰ মাননীয় বিধায়কজন মন্ত্ৰী হয় আৰু গংগাধৰ নৈখন আজিৰ দিনত তিনিটা সমষ্টিৰ মাজেৰে বৈ আছে। কথাটো এনেকুৱা যে কোনোৱা অঞ্চল আছে গোলকগঞ্জ, তাৰ পিছৰ গাঁওখন গৌৰীপুৰ সমষ্টিত, তাৰ পিছৰ গাঁওখন আকৌ গোলকগঞ্জ, তাৰ পিছৰ গাওঁখনে গৌৰীপুৰ। এইদৰে গৈ শেষত গোলকগঞ্জ টাউনৰ ডাউনষ্ট্ৰীম অংশটো হৈছে ধুবুৰী, ধুমাছেৰা। আমাৰ

মন্ত্ৰী মহোদয়ে এটা আঁচনিৰ লোৱাৰ কথা কৈছে, ঠিক কোনটো আঁচনি লৈছে মই নাজানো। কিন্তু ইয়াৰ আগতে 15th Finance Commission ৰ জৰিয়তে আমাৰ তেতিয়াৰ জলসম্পদ মন্ত্ৰী তথা বৰ্তমান সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই প্ৰায় ২৪ কোটি টকাৰ এটা আঁচনি লোৱাৰ কথা ঘোষণা কৰিছিল যে অহা দিনত কৰা হ'ব। এইটো কোন পৰ্য্যায়ত আছে, আৰু বিশেষকৈ টোকৰাৰছৰা কথাটো আকৌ মই লৈ আহিম আমাৰ গোলকগঞ্জ সমষ্টিৰ সন্মানীয় বিধায়ক তথা মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত আছে, যে গোলকগঞ্জ সমষ্টিৰ গোলকগঞ্জ চহৰখন যদি বচাবলৈ যাওঁ, আগতে টোকৰাৰছৰাৰ কামখিনি কৰিব লাগিব। তেতিয়াহলে গোলকগঞ্জ চহৰখনো বাচিব আৰু গাইখোৱা খনো বাচিব। মই কেইদিনমান আগত সামাজিক মাধ্যমত পাইছিলো, যে মন্ত্ৰী মহোদয়ে গাইখোৱা অঞ্চলত পৰিদৰ্শন কৰি ইতিমধ্যে ঘোষণা কৰি আহিছে, কিন্তু যদি অকল গাইখোৱাৰ কামখিনি হয়, গোলকগঞ্জ চহৰখন একেবাৰে নিৰাপত্তা নহ'ব। সেই কাৰণে আগৰ পৰা কৰিব লাগিব, সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ, আমাৰ তাত যিহেতু মন্ত্ৰী মহোদয় যোৱাৰ কথা কৈছে, মই বহুত বহুত ধন্যবাদ জনাইছো মন্ত্ৰী মহোদয়ক, যে সমষ্ঠি গোলকগঞ্জ লৈ বিশেষকৈ গংগাধৰ অঞ্চল পৰিদৰ্শন কৰিব বিচাৰিছে। আমি ভাল পাম, আগতে সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয় গৈছিল, গতিকে এই চেগতে মই কৈছে যে কামখিনি এনে ধৰণে কৰিব লাগে যাতে গোলকগঞ্জ, গৌৰীপুৰ আৰু ধুবুৰীৰো কাম হয়, এইখিনি বিষয়ত মই অৱগত কৰাৰ বাবে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আগৰ পৰা কৰি আহিব লাগিব।

**শ্ৰী সুশান্ত বৰগোহাঁই, ( জলসম্পদ ইত্যাদি মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাবে গোটেই অসমখনেই নিজৰ আচলতে। আমি কোনো সমষ্টিক বিশেষকৈ তেনেকুৱা ধৰণে নেচাওঁ। আমি যি কাম কৰিম, যাতে ৰাইজৰ সুবিধা হয়, অসমখনৰ সুবিধা হয়, অসমীয়া মানুহৰ যাতে সুবিধা হয়, তাৰ বাবে আমি সদায় কাম কৰি যাওঁ। এতিয়াৰ আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া যেতিয়া জলসম্পদ মন্ত্ৰী আছিল, তেতিয়াই আমাৰ 15th Finance ৰ

Anti Erosion measures to protect most Vulnerable মই যি কৈছিলো, এই ঠাইত প্ৰায় ২৪.৫ কোটি টকাৰ ব্যয় সাপেক্ষে তেতিয়া প্ৰস্তুত কৰিছিলে, ইতিমধ্যে tender হৈ গ'ল, আৰু অতি সোনকালেই কাম আৰম্ভ হ'ব।

দ্বিতীয়ত কথাটো হ'ল যে, গোলকগঞ্জ টাউন সুৰক্ষাৰ বাবে যিটো নাবাৰ্ডৰ অধীনত প্ৰায় ৮ কোটি টকাৰ আন এটা প্ৰকল্প প্ৰস্তুত কৰা হৈছে। আশা কৰোঁ, অহা দুমাহৰ ভিতৰতে ইয়াৰ কাম আৰম্ভ কৰিব পাৰিম। যাতে গোলকগঞ্জ টাউনখনো যাতে সুৰক্ষিত হ'য়, তাৰ বাবে মই আজি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আপোনাক এই ভাল খবৰটো জনাইছোঁ।

আৰু আপুনি যিখিনি কথা কৈছে, 15th Finance ত কি অৱস্থাত আছে ? সেই কথাটো, মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে পুনৰ জনাব বিচাৰিছোঁ, যে এই 15th Finance ৰ কামটো আমি অতি কম দিনৰ ভিতৰতে শুভ আৰম্ভ কৰিব পাৰিম আৰু প্ৰায় এটা বছৰৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰিব পাৰিম বুলি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আপোনাক জনাব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ১৪৪, সন্মানীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী পীযুষ হাজৰিকা, (কৃষি মন্ত্ৰী, ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াৰ ৰখা আছে।

**শ্ৰী চক্ৰধৰ গগৈ, ( খোৱাং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৮৯ নং খোৱাং সমষ্টি, আপুনি নিশ্চয় অৱগত যে কৃষি জীৱি মানুহৰে ভৰপুৰ কৃষি প্ৰধান এটা সমষ্টি আৰু মই নিজেও এজন কৃষক পৰিয়ালৰ সন্তান হিচাপে কৃষকৰ সৈতে জড়িত এটা প্ৰশ্ন মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ জানিব বিচাৰিছিলোঁ।

উত্তৰত তেখেতে বহুখিনি কথা উল্লেখ কৰিছে। কিন্তু মই পাতনিতে দেশৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জনাব খুজিছোঁ বিশেষভাৱে যে PM-KISAN আঁচনিৰ অধীনত ভাৰতবৰ্ষৰ প্ৰায় ৯ কোটি ৪৪ লাখ কৃষকক প্ৰতি বছৰত ৬ হাজাৰ টকাকৈ তেখেতে প্ৰদান কৰি আছে ।

যিটো আমাৰ কাৰণে খুব আনন্দৰ কথা বিশেষকৈ কৃষক পৰিয়াল বিলাকৰ বাবে। তাৰ মাজতে আৰু এটা কথা, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত উল্লেখ কৰিছে, যে অসমত কিমান কৃষকে পাই, তেখেতে জনাইছে যে ১৮ লাখ ৫৯ হাজাৰ কৃষকে ইতিমধ্যে PM-KISAN আঁচনিৰ সুবিধা লাভ কৰি আছে। এই তথ্যত আমি আনন্দিত। এই মুহূৰ্তত মোৰ এটা প্ৰশ্ন আহিছে মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত যে যি সময়ত আমি অসমত অৰুণোদয় ৪০ লাখ মহিলাক দি আছো , ৪০ লাখ মহিলা মানে ৪০ লাখ পৰিয়ালক আমি দি আছো। কিন্তু আমাৰ কৃষকৰ সংখ্যাতো কিয় ইমান কম হৈ আছে, যিটো চাৰে ১৮ লাখহে হৈছে মাত্ৰ , মানে ১৯ লাখ হোৱাগৈ নাই। গতিকে এইটো এটা ভাৱিবলগা বিষয় যে আমি ক'ত কি কৰিব লগা আছে। এই বিষয়ত মাননীয় মন্ত্ৰী মহোদয়ে কি ভাৱিছে মই উত্তৰ বিচাৰিম, তাৰ পাছতে আৰু দ্বিতীয় প্ৰশ্নতো আছিলে মোৰ যে ইয়াৰ যোগ্যতাৰ সম্পৰ্কত PM Kisan পাবৰ কাৰণে আমাৰ কি কি যোগ্যতা থাকিব লাগে। কাৰণ যোগ্যতাটো বেছি কিবা বিচৰাৰ কাৰণে হয়তো এনেকেধৰনে অৰুণোদয় সমান সমানকে আমি যাবগৈ পৰা নাই নেকি বা কমি গৈছে নেকি ? এই ক্ষেত্ৰত মই বহু সময়ত বা বিভিন্ন সমস্যা মই নিজে মুখামুখি হৈ থাকো , মোৰ ঘৰলৈ কিছুমান PM Kisan পোৱা মানুহ আহে কয় যে চাৰ, আমি এক বছৰ হ'ল PM Kisan পাই আছিলো, কিন্তু এতিয়া মই পোৱা নাই। মই তেখেতক লগে লগে সুধিলো আপুনি KYC কৰিলে নাই ? তেখেতে কৈছে ছাৰ মই যোৱা তিনি মাহৰ আগতে কৰিলো ,চাৰি মাহৰ আগতে কৰিলো তাৰ পাছতো পইচা পাইছে কিন্তু মই পোৱা নাই। গতিকে এনেকুৱা ধৰণৰ কিছুমান প্ৰশ্ন উত্থাপন হয়। গতিকে যোগ্যতাৰ ক্ষেত্ৰতো মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ মহোদয়ঃ-** Please Minister .

**শ্ৰী পীয়ুষ হাজৰিকা ,( কৃষি মন্ত্ৰী)ঃ-** সম্মানীয় অধ্যক্ষ ডাঙৰীয়া, সম্মানীয় সদস্য চক্ৰধৰ গগৈ ডাঙৰীয়াই অতি এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন অৱতাৰনা কৰিছে , মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ ডাঙৰীয়া তেখেতে কিবা খুব ভাল

উদাহৰণ দিছে, যে অসমত ৪০ লাখ পৰিয়ালে অৰুণোদয় পাই, কিন্তু ১৮ লাখ ৬০ হাজাৰ জনহে কৃষক আছে বা কৃষকৰ PM Kisan পাই। অধ্যক্ষ ডাঙৰীয়া, এই বিষয়ে আমি অবগত কিন্তু ইয়াতে first and foremost criteria হ'ল মাটিৰ পট্ৰা, অধ্যক্ষ ডাঙৰীয়া বহু ক্ষেত্ৰত মাটিৰ পট্ৰা নোহোৱা কাৰণে আমি কৃষকক PM kisan দিব পৰা নাই। অধ্যক্ষ ডাঙৰীয়া যিখিনি অৰুণোদয় criteria, আমাৰ PM kisan ৰ বাছনিও almost একে criteria আছে। কিন্তু তাত লগত লগাই থৈছে যে মাটি থাকিব লাগিব, অলপ হ'লেও মাটি থাকিব লাগিব। কিন্তু আমাৰ অধ্যক্ষ ডাঙৰীয়া মাটি যিহেতু বহু ব্যক্তিৰ নাই সেই কাৰণে আমাক কিছু সমস্যা হৈছে, অধ্যক্ষ ডাঙৰীয়া তাৰ পিছটো আমি আজি প্ৰায় ১৫ দিন Farmer registration সমগ্ৰ অসমতে অতি তীব্ৰ গতিত কৰিছো । অধ্যক্ষ ডাঙৰীয়া প্ৰথমে Farmer registration হ'ব লাগিব। তাৰ পাছত অধ্যক্ষ ডাঙৰীয়া ID creation হ'ব লাগিব, তাৰ পাছত অধ্যক্ষ ডাঙৰীয়া ক'ত যাব লাগিব PM Kisan portal ত গৈ apply কৰিব লাগিব । অধ্যক্ষ ডাঙৰীয়া এই কামখিনি যথেষ্ট ভালকৈ হৈছিলে কাৰণে ১৮ লাখ ৫৯ হাজাৰে অসমত বৰ্তমানে PM Kisan পাই আছে আৰু PM Kisan ৰ অধীনত বছৰত ৬০০০ হাজাৰকৈ তিনিটা installment ত ২০০০ হাজাৰকৈ টকা আমাৰ কৃষকসকলে লাভ কৰিছে। অধ্যক্ষ ডাঙৰীয়া তাৰ পাছতো আমি দেখিছো যোৱা ১৫ জুনত আমি যোৱা কালি কথা কৈছো অধ্যক্ষ ডাঙৰীয়াই , যোৱা কালি অসমত ৭৯০০ গৰাকী ব্যক্তিয়ে Farmer registration কৰিছে । তেওঁলোকক আমি অসমৰ পঞ্চায়তে পঞ্চায়তে গৈ অসমৰ সমগ্ৰ জিলাৰ পঞ্চায়তে পঞ্চায়তে গৈ আমি Farmer registration কৰি আছো। প্ৰত্যেক দিনা আবেলি মোৰ Facebook post ত আজি অসমত কিমান Farmer registration হ'ল, কোন জিলাত ৰাজহুৱাকৈ জনাম , যোৱা কালি আছিলে অধ্যক্ষ ডাঙৰীয়া ৭,৯০০, যোৱা পৰহি আছিলে অধ্যক্ষ ডাঙৰীয়া ৮,০৭৮ টা তাৰ আগৰ দিনা অধ্যক্ষ ডাঙৰীয়া আছিলে ৪,৭০৭ টা তাৰ আগৰ দিনা অধ্যক্ষ ডাঙৰীয়া আছিলে ৭,৫১৩ টা তেনেকে অধ্যক্ষ ডাঙৰীয়া তাৰ আগৰখিনি আছিলে ৮,৪৩২ টা। অধ্যক্ষ ডাঙৰীয়া আমি প্ৰত্যেক দিনা, শনিবাৰে

দেওবাৰে সকলোৰে যায়, কিন্তু এটা interesting ঘটনা অধ্যক্ষ ডাঙৰীয়া Second Saturday, fourth Saturday আৰু দেওবাৰেও আমাৰ কৃষি বিভাগৰ বিষয়া কৰ্মচাৰী সকলে গৈ গাঁৱে গাঁৱে কৰিছে সেইদিনাখন ১৫০০ মান হয়। সকলো নাযায় ১৫০০ , ১৭০০ হয়। কিন্তু মই আগতে এনেকুৱা দেখা নাই যে মই এটা আমাৰ Assam Agriculture Department বুলি এটা Group আছে। তাত Group টোত অধ্যক্ষ ডাঙৰীয়া মই এটা post, Message লিখি থৈ দিছো যে আমি কাকো holiday দিনা কাম কৰিবলৈ force কৰাম । গতিকে আপোনালোকে holiday ৰ বন্ধ, আপোনালোক বন্ধ entitled আপোনালোক । গতিকে আপোনালোকে কাম কৰা নকৰাতো আপোনালোকৰ ওপৰত নিৰ্ভশীল। আমি আপোনালোক force কৰা নাই যে শনিবাৰে দেওবাৰে গৈ আপোনালোকে কাম কৰিব লাগিব। তাৰ পাছতো অধ্যক্ষ ডাঙৰীয়া শনিবাৰে, দেওবাৰে শনিবাৰে মানে Second Saturday, fourth Saturday দেওবাৰে চাৰিটা বন্ধ এই গোটেইকেটা দিনত আমাৰ কৃষি বিভাগৰ বিষয়া কৰ্মচাৰী সকল গাঁৱে গাঁৱে গৈ এই Farmer registration কৰিছে আৰু এতিয়া মই ক'ব পাৰো যে শনিবাৰ, দেওবাৰ গৈ কৰি আহিলে ৫ হাজাৰ একেলগে অধ্যক্ষ ডাঙৰীয়া Farmer registration চলি আছে। গতিকে অধ্যক্ষ ডাঙৰীয়া Farmer registration পাছত মই আকৌ কৈছো 2nd কামতো হ'ব ID creation photo . যদি অত্যন্ত প্ৰয়োজনীয়, তাত ID creation হ'লেহে PM Kisan য়ে নহয় আৰু যি আমাৰ ট্ৰেক্টৰ Powertiller যি যি সুবিধা থাকে এই সুবিধা সমূহ Farmer registration ID creation য়ে পাব আৰু অধ্যক্ষ ডাঙৰীয়া প্ৰথমে Farmer registration তাৰ পিছত ID creation, তাৰ পিছত 3rd যাব লাগিব PM Kisan portal ত application তেতিয়া অধ্যক্ষ ডাঙৰীয়া, আমাৰ এই সংখ্যাটো বাঢ়িব , মই ভাৱো যে আনাগত দুবছৰৰ ভিতৰত আমি ৫/৭ লাখৰ সংখ্যা পাৰ হ'ব পাৰিম। Minimum 25 /26 লাখ আমি target কৰিছো PM Kisan beneficiary সংখ্যা বঢ়োৱাত।

**শ্ৰী ধীৰাজ গোৱালা, (তিতাবৰ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা কথা জানিব আছে, মাননীয় মন্ত্ৰী মহোদয়েক মই এটা কথা সুবিছিলো যে একেটা

পৰিয়ালত দুজন কৃষকে পাব পাৰোনে  নোৱাৰে? তেখেতে কৈছে যে একেটা পৰিয়ালত এজনেহে পাব পাৰে । উদাহৰণ হিচাপে মোৰ সমষ্টিত একেটা পৰিয়ালত মই অৱশ্যে বেয়া পোৱা নাই  বৰঞ্চ আনন্দিতহে হৈছো যে আৰু কৃষকে পাওঁক। সেইটো মাননীয় মন্ত্ৰী মহোদয়ে নিৰ্ণয় কৰিব। কিন্তু , এই ক্ষেত্ৰত আৰু দুটা কথা মই Just ক'ব  খুজিছো যে এই মাটিৰ বন্ধবস্তীৰ যিটো কথা মোৰ তাতে কিছুমান Monkey Village  খেতিয়ক বিলাকে এতিয়াওঁ  এইবোৰ পাব পৰা নাই। কাৰণ তেওঁলোকৰ মাটি বন্দোবস্তটো এতিয়ালৈকে আমি দিবলৈ পৰা নাই। সেইটো এটা আমাৰ বিভাগীয় মন্ত্ৰীৰ লগত তেখেতে পাতিলে ভাল হয় আৰু আমাৰ কিছুমান খতিয়ান খোৱা মাটি আছে, তাহানীৰ পুৰনি দিনৰ কোনোবা সত্ৰৰ মাটি , কিবা মাটি, খতিয়ান খায় ৬০-৭০ বছৰত বয়স হৈ গ'ল, খায়ে আছে তেওঁলোকে৷ সেই মাটিবিলাক বন্দোবস্ত  নথকা কৃষক সকলক আমি এই পইচাতো বা এই আঁচনি খনত অন্তভূক্ত কৰিব পৰা নাই। আৰু এটা কথা হ'ল মই মাননীয় মন্ত্ৰী মহোদয়ক উল্লেখ কৰি থৈছো আৰু তেখেতৰ পৰা উত্তৰ বিচাৰিছো যে আমাৰ যিবিলাক কৃষকে এবছৰ পায়, ছয় মাহ পায়, দুইবছৰ পায় আকৌ নোপোৱা হৈছে , এই ক্ষেত্ৰত শেষৰ বাৰত পাওঁতে বিভাগীয় বিষয়া সকলে চাব লাগে যে যোৱা বাৰত মোৰ জিলাখনত কিমান কৃষকে পাইছিলে ? যোৱাবাৰ বোলে  ৫০ হাজাৰ পাইছে, এইবাৰ ৪৯ হাজাৰে পাইছে, এহেজাৰ কৃষক ক'লৈ গ'ল ? সেইটো এটা অধ্যয়ন চলাই লোকৰ ওচৰলৈ গৈ কি দুখৰ কাৰণে তেওঁলোকে এইবাৰ নাপালে এহেজাৰ মানুহে ? সেইটো অধ্যয়ন  কৰা কিবা ব্যৱস্থা কৰিব নেকি? এইটো মই জানিব খুজিছো, ধন্যবাদ৷

**মাননীয় অধ্যক্ষ মহোদয়ঃ-** এই  Supplementary ত দিলে হ'ল৷

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি কেইটামান কাম কৰিছো আমি মৰিগাওঁ জিলাত এটা কাম কৰিছো, মাননীয় কেশৱ মহন্ত ডাঙৰীয়া roll উঠিলে nutration সপ্তাহ কৰিছো, অধ্যক্ষ ডাঙৰীয়া, আমাৰ অসমৰ এনেকুৱা বহু ব্যক্তি আছে , যি ৩০ বছৰ আগতে দেউতাক ঢুকালে আনকি  ককাকৰ মাটি  নাতিয়েক নাতিনীয়েকৰ লৈকে আহে৷ গতিকে

nutration কৰা আৰম্ভ কৰিছে আধ্যক্ষ ডাঙৰীয়া, বিধায়ক সকলে নিজৰ নিজৰ সমষ্টিত যি nutration প্ৰক্ৰিয়া আগবঢ়াই তেতিয়া হ'লে আমি আৰু অলপ কৃষকৰ registration কৰিব পাৰিম আৰু salmon industry ৫৫ PM Kisan বিচাৰিব পাব। অধ্যক্ষ ডাঙৰীয়া আমি অলপ দিন আগতে ১৫ দিন মানত কেন্দ্ৰীয় চৰকাৰৰ পৰা কি অনুমতি পালো আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলেও PM Kisan Farmer registration পোৱা ব্যৱস্থা কৰা হ'ল। তেওঁলোকৰও কোনোবা legisleries শুদ্ধ চাহ খেতিয়কে PM Kisan পাব। গতিকে অধ্যক্ষ ডাঙৰীয়া আমি এইবিলাক কাম কৰি আছো সম্মানীয় সদস্যা গৰাকীয়ে আৰু এটা কথা কৈছে যে যদি কৰবাত বাদ পৰি গৈ মই তেখেতক অনুৰোধ কৰিছো। তেখেতৰ সমষ্টিত যদি কৰবাত বাদ পোৱা List দিয়ে মই এটা এটা চেক কৰিম আৰু তেওঁলোকে যাতে পূৰ্ণৰ বাৰ তাৰ কাৰণে ব্যৱস্থা কৰি দিম।

**মাননীয় অধ্যক্ষ মহোদয়ঃ-** পৰৱৰ্তী প্ৰশ্ন লৈ।

**শ্ৰী ধীৰাজ গোৱালা, (তিতাবৰ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, সৰু Farmer registration related ওপৰত সৰু প্ৰশ্ন এটা আছিল। মই আপোনাৰ অনুমতি হ'লে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, মোৰ বিধান সভাত সমষ্টিত তিতাবৰত revenue circle যিবোৰ দেবোত্তৰ ভূমি আছে তাতে প্ৰায় ১ হাজাৰ ৩০ গৰাকী কৃষকৰ দেবোত্তৰ ভূমি অন্তৰ্গত। এতিয়া কথা হ'ল যে এই মানুহখিনিয়ে প্ৰায় ১ হাজাৰ ৩০ জন কৃষক তেওঁলোকে এতিয়া Farmer Farmer registration কৰিবলৈ অক্ষম হোৱা নাই। তেওঁলোকে আগতে কৃষৰ বিভাগৰ পৰা যিখিনি সুবিধা পাই আছিলে, এতিয়া তেওঁলোকে এই registration নোহোৱা ফলত পৰৱৰ্তী সময়ত তেওঁলোকে এক কেজি হাউ ধানও কিনিব নোৱাৰা অৱস্থা হ'ব। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে দেবোত্তৰ ভূমি ক্ষেত্ৰত যিসকল কৃষক প্ৰায় ১ হাজাৰ ৩০ জন কৃষক ইয়াত জড়িত হৈ আছে তেওঁলোকৰ ক্ষেত্ৰত কিবা ব্যৱস্থা কৰিব পৰা যাব নেকি ?

**শ্ৰী পীযুষ হাজৰিকা,( মন্ত্ৰী ) ঃ-** অধ্যক্ষ ডাঙৰীয়া, আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো tenant certificate দিলে farmer registration হ'ব নেকি। আমাৰ অসমত আজি গোটেই কেইটা প্ৰশ্ন ভালেই হৈছে, গোটেইখিনিয়ে ক'ব পাৰিছো। অধ্যক্ষ ডাঙৰীয়া, এটা ডাঙৰ সমস্যা যে বহু ব্যক্তিয়ে খেতি কৰে কিন্তু নিজৰ নামত খেতি মাটি নাই। অধ্যক্ষ ডাঙৰীয়া, মই এদিন ক্ষেত্ৰীৰ মালৈবাৰীলৈ গৈছিলোঁ, এজন কৃষকে ক'লে, মই 90 bigha মাটিত খেতি কৰোঁ। এইবাৰ ১৭০০ নো ১৮০০ মোন ধান পোৱা বুলি কলে। কিন্তু তেওঁৰ নিজৰ খেতি-মাটি নাই, অধ্যক্ষ ডাঙৰীয়া। আমি এতিয়া কি কৰিব খুজিছো কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছোঁ যদি tenant certificate খন দিয়ে, তাৰমানে মই কাৰোবাৰ মাটিত খেতি কৰি আছো মাটিৰ মালিকে যদি লিখি দিয়ে যে "মই ইমান মাটি অমুকক খেতি কেৱল খেতি কৰিবলৈহে দিছোঁ" তেতিয়া হয়তো অধ্যক্ষ ডাঙৰীয়া, হৈ যাব। তেনেকুৱা অধ্যক্ষ ডাঙৰীয়া আমি যোগাযোগ কৰি আছো কেন্দ্ৰীয় চৰকাৰৰ লগত। Debottar land হৈছে অধ্যক্ষ ডাঙৰীয়া, সত্ৰ, মন্দিৰ তেওঁলোকৰ হয়তো মাটি। গতিকে Debottar landত কোনে দিব যে মোৰ আমাৰ debottar মাটিত খেতি কৰি আছে ? এইখিনিত অলপ confusion আছে, অধ্যক্ষ ডাঙৰীয়া। এই বিষয়টো আমি চিন্তা-চৰ্চা কৰা হ'ব।

**মাননীয় অধ্যক্ষ** :- এতিয়া পৰৱৰ্তী প্ৰশ্ন ১৪৫, ড০ পৰমানন্দ ৰাজবংশী।

**শ্ৰীসুশান্ত বৰগোহাঁই, ( মন্ত্ৰী, জলসম্পদ ইত্যাদি) :-** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ড০ পৰমানন্দ ৰাজবংশী,(ছিপাঝাৰ)** :- সন্মানীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ৰ যিখিনি উত্তৰ, সেয়া মোটামুটি ঠিকেই আছে। কিন্তু ছিপাঝাৰ সমজিলাত, যিহেতু পোনপ্ৰথমবাৰৰ বাবে ৫ খন গাঁও পঞ্চায়ত সংযোগ হৈছে আৰু সেইবাবে নৈমাতৃক এই সমষ্টিত কমেও ইয়াত দেখুওৱা হৈছে যে ইয়াত ৭ খন নৈ জলসম্পদেৰে পৰিপুষ্ট বুলি । কিন্তু চাবলৈ গ'লে দীগছ, নোৱানৈ, কুলশীকে আদি কৰি কেইবাখনো উপনৈও সেই অঞ্চলৰ সমজিলাৰ মাজেৰে বৈ

গৈছে। এতিয়া এই নৈসমূহৰ যি মথউৰি নিৰ্মাণ, এই মথাউৰি নিৰ্মাণৰ ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছোঁ যে যোৱাবেলি ২০২২-২৩ চনৰ যি ভয়াবহ বান, সেই বানত আমাৰ পূৰ্বৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়া গৈ তেখেতে নিজে প্ৰত্যক্ষ কৰিছিল। দীমিলা আৰু আমাৰ কালপানী এই দুখন নৈৰ বানে আমাক একেবাৰে পশ্চিম দৰঙক বিধ্বস্ত কৰে আৰু তেতিয়া তেখেতে কৈছিল যে এইবাৰ আমি দীমিলা খনৰ আমি মানে 7 kilometer পথ আমি দুয়োফালে মথাউৰি নিৰ্মাণ কৰিম, তাৰপিছত আমি পিছৰ বছৰত কাম কৰিম। গতিকে দীমিলা আৰু কালপানী যিহেতু পিছত কৰিম বুলি কৈছে বিজ্ঞানসম্মতভাৱে, গতিকে দীমিলা নৈখনৰ আচলতে ৯৫ শতাংশ কামটো যে মানে শেষ হও হও বুলি কৈছে, সোহৈটা সত্য নহয়। আচলতে 7 kilometer পথতহে দুয়োফালে মথাউৰি নিৰ্মাণ হৈছে বাবে তাৰ হে ৯৫ শতাংশ কাম শেষ হোৱা বুলি কৈছে। কিন্তু গোটেই নৈখনৰ মথাউৰি যদি নিৰ্মাণ কৰা নহয় সম্পূৰ্ণভাৱে, তেতিয়াহ'লে কিন্তু আমাৰ সেই আধৰুৱা মথাউৰি নিৰ্মাণ কৰি কোনো লাভ নহ'ব। গতিকে এইক্ষেত্ৰত আমি তেখেতৰ ওচৰত অনুৰোধ জনাইছোঁ যে অন্তত এই বছৰত যাতে এই কামখিনি হয় আৰু শাকটোলাও আৰু বিশেষকৈ কালপানীত যাতে কামখিনিও অহা বছৰ বা এই বছৰ আৰম্ভ হয়, সেইটো কাৰণে মই অনুৰোধ জনাইছোঁ। লগতে এটা গুৰুত্বপূৰ্ণ কথা, যে শাকটোলাৰ নৈৰ কথা সকলোৱে জানে যে আমাৰ মংগলদৈ বিধানসভা সমষ্টি আৰু ছিপাঝাৰ বিধানসভা সমষ্টিৰ মাজেৰে বৈ গৈছে। কিন্তু এই শাকটোলাৰ নৈত 2023 বৰ্ষত যি ভয়াবহ বান হৈছিল, সেই ভয়াবহ বানে কেনেকৈ মংগলদৈ চহৰকে প্ৰমুখ্য কৰি সম্পূৰ্ণকৈ বিধ্বস্ত কৰিছিল, সেই কথা নিশ্চয় মনত আছে। কিন্তু সেয়া আছিল পূব পাৰৰ মথাউৰিটো ভাঙি যোৱাৰ কাৰণে। কিন্তু এতিয়া পশ্চিম পাৰত যিটো মথাউৰি আছে, য'ত গোটেই ছিপাঝাৰ সমষ্টিটো নিহিত হৈ আছে, আজি সেই মথাউৰিটো দুৰ্বল হৈ আছে। আৰু একে ধৰণে যদি ভয়াবহ বান আহে, তেতিয়াহ'লে কিন্তু কোন মুহূৰ্তত সেই মথাউৰিয়ে শাকটোলা আৰু পশ্চিম পাৰৰ মথাউৰিয়ে ছিপাঝাৰ সমষ্টিটোক বিধ্বস্ত কৰে তাৰ ভয়ত মানুহৰ কিন্তু শান্তি নাই।

সেইকাৰণে এই দিশটোলৈ মই মাননীয় আমাৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। আৰু লগতে মই আৰু এটা মাথো ইয়াত বিচাৰোঁ।

**মাননীয় অধ্যক্ষ** :- নাই আৰু নালাগে, আপুনি ৩ টা, ৪ টা  সুধিলে, নাই নাই পিছত সুধিব।

**ড০ পৰমানন্দ ৰাজবংশী,(ছিপাঝাৰ)** :-  এইটোৰ উত্তৰ দিয়াৰ পিছত আৰু এটা গুৰুত্বপূৰ্ণ কথা ক’ম৷

**মাননীয় অধ্যক্ষ** :- আপুনি পৰিপূৰক পাব নহয় এটা। মাননীয় মন্ত্ৰী অনুগ্ৰহ কৰি উত্তৰ দিয়ক।

**শ্ৰীসুশান্ত বৰগোহাঁই, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) :-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই যিখিনি ক'লে, তাৰে ভিতৰতে শাকটোলা নদীৰ দুয়োপাৰৰ মথাউৰিৰ নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হ’লেই আৰু বেছি দীঘল নাই আৰু অকণমান হ'লে হয়তো শাকটোলাৰ মথাউৰিখিনি সম্পূৰ্ণ হ'ব।

**ড০ পৰমানন্দ ৰাজবংশী,(ছিপাঝাৰ)** :-  হয়, কিন্তু পশ্চিমৰটো আৰম্ভ হোৱা নাই। পশ্চিম পাৰৰ যিটো, এটা পাৰৰ আৰম্ভ হৈছে।

**শ্ৰীসুশান্ত বৰগোহাঁই, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) :-** এটা পাৰ সম্পূৰ্ণ হৈছে, আৰু এটা কৰিবলগীয়া হৈ আছে। এইটো আমাৰ হয়তো খুব কম সময়ৰ ভিতৰত কৰা হ'ব। দীমিলা নৈৰ দুইপাৰৰ মথাউৰি প্ৰায় ৯৫ শতাংশ বুলি আছে। আপুনি কৈছে যে ইয়াৰ আৰু 7 kilometer মান নিৰ্মাণ কৰিবলৈ বাকী আছে।

**মাননীয় অধ্যক্ষ** :- আপুনি মোৰ ফালে চাই কওক।

**শ্ৰীসুশান্ত বৰগোহাঁই, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) :-** আৰু ৯৫ শতাংশ কাম সম্পূৰ্ণ হৈছে বুলি কৈছে, আৰু অকণমান কাম বাকী আছে। সেইখিনি আমি মাননীয় বিধায়কজনৰ পৰা জানি লম যে আৰু কোনডোখৰৰ পৰা

কোনডোখৰলৈ। কাৰণ যিহেতু খুব কম দিন হৈছে মই বিভাগটোৰ দায়িত্ব লোৱা আৰু এতিয়ালৈকে নিজে তাত গৈ যিহেতু চোৱা হোৱা নাই, সেইকাৰণে আমি তাত গৈ চাই গম পাম বা তেখেতৰ লগত আলোচনা কৰিম যে কেনেধৰণে কি হ'ব। কালপানী নৈত জলসম্পদ বিভাগে ইতিমধ্যে মথাউৰি নিৰ্মাণৰ কাম হাতত এই কাৰণে লোৱা নাই, তাত অসুবিধা কিছুমান আছে জনবসতি আৰু অন্যক লৈ আৰু বিজ্ঞানসন্মত সমাধানৰ আমি ইতিমধ্যে আলোচনা কৰিছোঁ। আমি যদি অনুমোদন পাওঁ, আমি পুঁজি সাপেক্ষে এই কামখিনি কৰাৰ এটা ইতিমধ্যে আমি তাতে সিদ্ধান্ত লোৱা কথাটো মই মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি আমাৰ মাননীয় সদস্য গৰাকীক জনাইছোঁ। ইয়াৰ উপৰিও  যোৱা সময়ছোৱাত আমাৰ প্ৰায় 200 কোটিৰ ওচৰত আমাৰ তাতে মথাউৰি নিৰ্মাণৰ আৰু গড়াখহনীয়াৰ কাম আমাৰ ছিপাঝাৰ সমষ্টিত হৈছে। তাৰ বাবে এইবাৰ আমি বানপানীৰ তেনেধৰণৰ ভয়াবহতা সেই অঞ্চলত দেখা নাই, যি আজিৰ পৰা প্ৰায় 2 years আগতে দেখিছিলোঁ। সেই কাৰণে Flood Control Departmentয়ে যেনেধৰণে কৰিব লাগে কাম, তেনে ধৰণে কামখিনি কৰি আছে। আৰু বহুখিনি কৰিবলৈ বাকী থাকে কাৰণ আপুনি জানে মাননীয় অধ্যক্ষ মহোদয়, যে আমাৰ নদীসমূহে কেনেধৰণে বিভিন্ন সময়ত বিভিন্ন বানপানীৰ জৰিয়তে গতিপথ সলায় বা erosion আনে। সেইখিনি আমি সময়ে সময়ে যাতে কামখিনি কৰি যাব পাৰোঁ তাৰ বাবে আমি বিভাগীয় কৰ্তৃপক্ষ সদায় সাজু থাকোঁ। আৰু মাননীয় সদস্য গৰাকীৰ লগত আলোচনা কৰি ল'ম যে আৰু কোনখিনি কাম কৰিলে সম্পূৰ্ণভাৱে বানপানীমুক্ত সেই অঞ্চলটো হ'ব পাৰে, তাৰ বাবে মই অধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় সদস্যক জনাইছোঁ।

**মাননীয় অধ্যক্ষ** :- ধন্যবাদ। পৰৱৰ্তী পৰিপূৰক কি আছে ?

**ড০ পৰমানন্দ ৰাজবংশী,(ছিপাঝাৰ)** :-   সন্মানীয় অধ্যক্ষ মহোদয়, আমি এই সম্পৰ্কত অৱশ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ সৈতে বহিছোঁ যাতে সম্পূৰ্ণভাৱে বান নিয়ন্ত্ৰিত সমষ্টি হিচাপে যাতে গঢ়ি তুলিব পাৰি। কাৰণ আপোনালোকে সকলোৱে জানে যে আমাৰ এই ছিপাঝাৰ সমষ্টিটো এতিয়া গুৱাহাটী মহানগৰীৰ উপ-কণ্ঠ

হিচাপে পৰিগণিত হৈছে। তাৎপৰ্যপূৰ্ণভাৱে আমাৰ ৰঙামাটিৰ পৰা কুৰুৱালৈ যিটো মথাউৰি পথ, সেই পথছোৱা যদি সুন্দৰভাৱে Paver Block ৰে যদি কৰা হয়, আধৰুৱা হৈ আছে এতিয়া, সেই খিনি সম্পূৰ্ণ কৰিব লাগে। আৰু ন-নৈৰ দুয়োপাৰৰ মথাউৰি যদি সুন্দৰভাৱে Public Works Departmentৰ জৰিয়তে কৰা হয়, তেতিয়া হ'লে মই ভাবোঁ যে আমাৰ একেবাৰে কুৰুৱালৈকে দুটা পথ নিৰ্মাণ হৈ গ'লে মানুহৰ বহুত যাতায়াতৰ সা-সুবিধা হ'ব। এতিয়া মই আহিছো এটা গুৰুত্বপূৰ্ণ কথাৰ বাবে যে এই মথাউৰি যেতিয়া ৰঙামাটি আৰু কুৰুৱা মথাউৰিৰ ঠিক উপৰিকাষ গৰুখুতি প্ৰকল্পৰ আগমুহূৰ্তত, সেই ওপৰিকাষৰ দাঁতিত অসংখ্য দোকান-বজাৰ বহিছে। সেই সম্পৰ্কত আমি দৃষ্টিগোচৰ কৰিছিলোঁ আৰু আমাৰ প্ৰশাসনে সেই মথাউৰিৰ দাঁতিত থকা দোকানবোৰ উচ্ছেদ কৰাৰ কাৰণে বিধিগতভাৱে তেখেত সকলে কামখিনি কৰিছিল। কিন্তু সেই কামখিনি কৰাৰ পাছতো আজিলৈকে কিয় সেই দোকানসমূহ সম্পূৰ্ণভাৱে উচ্ছেদ কৰা হোৱা নাই। সেই তথ্যটোৰ ক্ষেত্ৰত মই এইখিনি কথা মই ইয়াতে কবলগীয়া হ'ল যিহেতু মথাউৰিৰ ওপৰত বা দাঁতিত এডাল প্ৰকাণ্ড গছ আছিল। আৰু গছজোপা এতিয়াও আছে। কিন্তু যোৱা 7 April তাৰিখে, নিৰ্বাচনৰ আগমুহূৰ্তত তাত যেতিয়া আমাৰ সমৰ্থকসকলে সেই গছডালত যেতিয়া তেওঁলোকে প্ৰচাৰৰ বাবে কাগজ-পত্ৰ আঁৰিবলৈ গৈছিল, তেতিয়া তাত থকা মাতব্বৰ কেইগৰাকীমানে ক'লে, যে সেই গছডালত আপোনালোকে কিয় মাৰিছে? প্ৰচাৰ-পত্ৰ কিয় আঁৰিছে? তেতিয়া তেওঁলোকে ক'লে যে ইয়াত এইডাল গছহে, মথাউৰিৰ দাঁতিত থকা এডাল গছ। সেই গছৰ ওপৰত আমি কিয় কাগজ মাৰিব নোৱাৰো ? তেওঁলোকে কৈছে যে এয়া মছজিদৰ গছ, গতিকে এই গোটেই ঠাইখিনি আমাৰ মছজিদৰ। কৈছে যে মথাউৰি পথ কেনেকৈ মছজিদৰ হ'ব পাৰে? এইটো গুৰুত্বপূৰ্ণ কথা। তাৎপৰ্যপূৰ্ণ ভাৱে তাত কিন্তু আপোনালোকে মন কৰিব, সেই মথাউৰিৰ দাঁতিত থকা দোকান সমূহত হিন্দু মানুহৰো দোকানো আছে দুখন। তাৎপৰ্যপূৰ্ণ ভাৱে আৰু এটা কথা কৈছো। গুৰুত্বপূৰ্ণ কথা হৈছে, তাত মাতব্বৰসকলে সেই ৪ জন ল'ৰাক এনেকুৱাকৈ মাৰিছে।

..............(সদনত হুলস্থূল)...............

**মাননীয় অধ্যক্ষ** :- বিষয়টোলৈ আহক।

**ড° পৰমানন্দ ৰাজবংশী,(ছিপাঝাৰ)**:- এই সম্পৰ্কত দোকান-বজাৰসমূহ উচ্ছেদ কৰাৰ বাবে ইতিমধ্যে আজি প্ৰায় 27 তাৰিখৰ পৰা আজিলৈকে কিয় উচ্ছেদ কৰা হোৱা নাই? সেই ক্ষেত্ৰত যিহেতু তেখেতৰ দায়িত্ব আছে, যদি মথাউৰৰ ওপৰত যদি দাতীত যদি এই ধৰণৰ দোকান-বজাৰ বহি থাকে, তেতিয়াহ'লে আমাৰ মূল্য কি থাকিল? মোক এইটোৰ উত্তৰ লাগে।

**মাননীয় অধ্যক্ষ** :- মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সুশান্ত বৰগোহাঁই,মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মথাউৰিৰ ওপৰত বা দাঁতিত কোনো পক্ষ বা ব্যক্তিয়ে ঘৰ-দুৱাৰ আদি নিৰ্মাণ কৰিব পৰা নিৰ্দেশনা থাকিব নোৱাৰে। কেতিয়াবা কেতিয়াবা encroachment হোৱা দেখা যায়। সময়ে সময়ে আমি কিছুমান পত্ৰ লিখো। কাৰণ eviction টো আমাৰ হাতত নাথাকে। আমি মাত্ৰ মথাউৰিসমূহ যাতে সুৰক্ষিত হৈ থাকিব পাৰে আৰু তাত যাতে কোনো ব্যক্তিয়ে ঘৰ বা যিকোনো ধৰ্মীয় অনুষ্ঠান বা দোকান আদি কৰিব নোৱাৰে তাৰবাবে আমি লিখো। ইতিমধ্যে আমি ১৮-০৫-২০২৬ ত এখন চিঠি দিছিলো ৰাজহ চক্ৰ বিষয়া মহোদয়ক  এই বিষয়ে। উক্ত চিঠিখনৰ প্ৰতিলিপি মই আপোনালোকক দি দিম। আমি উচ্ছেদ কৰিব নোৱাৰো, আমি যদি উচ্ছেদ কৰিব পাৰিলোহেতেন তেতিয়াহ’লে বেলেগ বিভাগ নালাগে। উচ্ছেদ কৰা বিভাগ হ’ল জিলা আয়ুক্ত, চক্ৰ বিষয়া আদি। কিন্তু আমি যিখন চিঠি লিখিছো, য’ত আমি চিন্তিত যে মথাউৰিৰ কিনাৰত এনে ধৰণৰ বহুখিনি অনুষ্ঠান গঢ় লৈ উঠিছে। কাৰণ মথাউৰিৰ কিনাৰত এনেধৰণৰ পকী অনুষ্ঠান বা নিৰ্মাণ কাৰ্য্য কৰিব নোৱাৰে। তাৰ বিষয়ে ইতিমধ্যে আমি জিলা কৰ্তৃপক্ষক সকলোখিনি জনাইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-১৪৬। শ্ৰী নুৰুল হুদা।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষ দুটাত MGNREGA ৰ অনুমোদিত ৰূপহীহাট বিধান সভা সমষ্টিৰ বগৰিগুৰি ব্লকৰ ঢাকলি গাওঁ পঞ্চায়তৰ তিনিটা চিমেন্ট concrete পথ নিৰ্মাণ কৰা হৈছে আৰু বগৰিগুৰি ব্লকৰে চতিয়ান গাওঁ পঞ্চায়তৰ ১৫ টা আঁচনি, চিমেন্ট concrete পথ, community land development ৰ কাম সম্পূৰ্ণ কৰি শেষ হৈছে। কিন্তু তেওঁলোকে বিল পোৱা নাই। বিল নোপোৱাৰ কাৰণ হ'ল এই আঁচনিবিলাক লিখোঁতে প্ৰথমতে ব্যৱহাৰ কৰিছে Raising of the lowland.এই শব্দটো থকাৰ কাৰণে এইখিনি non permissible বুলি কৈ বিলটো আদায় কৰা নাই। গতিকে এইক্ষেত্ৰত নগাওঁ জিলাৰ মুখ্য কাৰ্য্যবাহী বিষয়াই verify কৰি এটা justification report যোৱা ০৩-০৬-২০২৬ তাৰিখে P&RD office ৰ বিষয়াৰ ওচৰলৈ পঠিয়াইছে যে এইটো permissible work বুলি গণ্য কৰি বিলটো আদায় দিয়াৰ কাৰণে। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে P&RD Commissioner ক নিৰ্দেশ দি অতি সোনকালে বিলটো আদায় দিয়াৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে ২০২৬ চনৰ ৩০ জুনত MGNREGA আঁচনিখন আৰম্ভ হৈছিল গ্ৰাম্য কৰ্ম সংস্থাপন সৃষ্টি, মহিলাৰ সৱলীকৰণ আৰু স্থায়ী সম্পদ সৃষ্টিৰ বাবে। দেখা গ'ল মই যোৱা দিনকেইটাত দায়িত্ব লোৱাৰ পাছত আমাৰ ৰাজ্যখনত MGNREGA ৰ য'ত য'ত যিবোৰ কাম হৈ আছিল সেই সম্পৰ্কে জানিবলৈ বিচাৰিছিলো। মই গম পাইছো যে এতিয়াও বহুতে এই কামৰ ধনৰাশি পোৱা নাই বা উলিয়াব পৰা নাই। তাত কিছু সমস্যাও আছিল। এতিয়া সন্মানীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে চিমেন্ট concrete কাম কৰাৰ কাৰণে বিল পোৱা নাই বুলি কৈছে, গতিকে যেনেধৰণে কাম কৰিব লাগিছিল তেনেধৰণে নকৰাৰ কাৰণেও কিন্তু বহু ঠাইত বিল পোৱা নাই। তেওঁলোকে পইচা পোৱা নাই। এই কামটো ইতিমধ্যে সমাপ্তও হৈছে, তথাপিও সন্মানীয় সদস্য গৰাকীয়ে যিহেতু আমাক বিষয়টো দৃষ্টিগোচৰ

কৰিছে আমি নিশ্চয় এই কথাখিনি জানিবলৈ চেষ্টা কৰিম আৰু যাৱতীয় ব্যৱস্থা ল'বলৈ ক'ম। কাৰণ MGNREGA আঁচনিৰ অধীনত যিবিলাক material ৰ কাম হৈছে, মই ইতিমধ্যে উল্লেখ কৰি গৈছো যে তাৰ টকা বহুতেই পোৱা নাই। সেইবিলাক material liability বুলিয়েই ধৰা হ'ব আৰু সেইসমূহ আঁচনি material component fund ৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ যি instruction আছে, নিৰ্দেশনা আছে আৰু সেই ধন পোৱাৰ পিছত সেই উপলব্ধ ধনৰ ওপৰত ভিত্তি কৰি বিত্তীয় আৰু প্ৰশাসনিক নিয়ম অনুসৰি পৰিশোধ কৰাৰ ব্যৱস্থা কৰা হ'ব।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো আছিলে MGNREGA ৰ অনুমোদিত আঁচনি আৰু as per estimate কাম সম্পূৰ্ণ কৰিছে আৰু বিলটো নোপোৱাৰ একমাত্ৰ কাৰণটো হৈছে আঁচনিখনৰ আৰম্ভণিতে লিখিছে raising of lowland. এই raising of lowland লিখাৰ কাৰণে এই ধনটো পৰিশোধ কৰা নাই। গতিকে এইটোৰ justification report এটা জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়াই এখন পত্ৰ পঠাইছে commissioner লৈ যে এইটো permissible কৰি দিব লাগে, তেওঁলোকে ধনটো পাব লাগে। গতিকে এইটো মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই কামখিনি, আমাৰ এই ১৮ টা আঁচনি বগৰিগুৰি ব্লকৰ যে তেওঁলোকে ধনটো পোৱাৰ ব্যৱস্থা কৰি দিব লাগে।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, গণ্ডগোলটো সেইখিনিতে। লিখোঁতে গণ্ডগোল কৰিব নালাগিছিল। যিয়ে নহওক, তাৰ পৰা যদি তেনে ধৰণৰ ৰিপোৰ্ট আহিছে এই কথাখিনি আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী আফতাব উদ্দিন মোল্লা।

**শ্ৰী আফতাব উদ্দিন মোল্লা,জলেশ্বৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো খুব চুটিকৈ কম কাৰণ মোৰ প্ৰশ্নটো প্ৰায় নুৰুল হুদা ডাঙৰীয়াৰ লগত মিলি গ'ল। মোৰ সমষ্টিৰ ঘাগুৱা নদীৰ এটা irrigation canal আছিল। যেতিয়া canal টোৰ কাষেৰে ভাঙণি আৰম্ভ হ'ল, সেইসময়ত ব'ল্ডাৰ pitching এখন আঁচনি কৰিছিলে MGNREGA ৰ পৰা। কিন্তু সেই টকাটো আজিলৈকে পোৱা নাই। তাৰ

কাৰণটো এইবুলি দিছে যে বোল্ডাৰ pitching কৰিলে টকা MGNREGA ৰ পৰা নিদিয়ে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো বিপদৰ সময়ত এজন ল'ৰাই এই কামটো কৰিছিলে MGNREGA ৰ পৰা। এতিয়া যদি ল'ৰাজনে এই টকাটো নাপায়, তেওঁৰ কি অৱস্থা হ'ব ? কামটো কৰা আজি প্ৰায় ৪ বছৰ হ'ল। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো ঘাগুৰা নদী, জলেশ্বৰ।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এই কেইদিন মই আলোচনা কৰি গম পাইছো যে কাম নকৰাকৈয়ো বহুতে বহুত ঠাইত তেনেদৰে বিল দিছিল। সেইবিলাক চোৰা-চিতা কৰি থকা হৈছে। নিয়মমতে যদি তেওঁ কাম কৰিছে এই টকাটো দিয়াৰ ব্যৱস্থা কৰা হ'ব। সন্মানীয় সকলো সদস্যই এই কথাটো গম পাইছে যদিও মই বহলভাৱে এই কথাটো ক'বলৈ পালে ভাল পাম যে পূৰ্বৰ যি MGNREGA আছিল, এই MGNREGA ৰ পৰিৱৰ্তে MGNREGA ৰ যি সফলতা, তাক শক্তিশালী আৰু ত্বৰান্বিত কৰাৰ লক্ষ্যৰে নতুনকৈ এইবাৰ 'বিকশিত ভাৰত ২০৪৭' আৰম্ভ হৈছে ১ জুলাইৰ পৰা। ইয়াৰ মূল লক্ষ্য হৈছে জীৱিকাৰ সুৰক্ষা, স্থায়ী সম্পদ সৃষ্টি আৰু সমন্বিত গ্ৰাম্য উন্নয়ন। গতিকে তাত ৩১৮ ধৰণৰ কাম কৰিব পৰা সুবিধাটো আছে। গতিকে মই ভাৱো যিবিলাক আধৰুৱা কাম MGNREGA ৰ থাকি গ'ল, এতিয়া নতুনকৈ আমাৰ সন্মানীয় সদস্য সকলে চকু দিব লাগে যাতে এই আঁচনিৰ জৰিয়তে পূৰণ কৰিব পৰা যায়। তাৰকাৰণে এখন sub-committee য়ো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৰি দিছে। আমি বিবেচনা কৰি আছো অগ্ৰাধিকাৰ ভিত্তিত কোনবোৰ কাম কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১৪৭। শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসময়ত অসম চৰকাৰ, মুখ্যমন্ত্ৰী মহোদয় আৰু পুলিচ বিভাগে ড্ৰাগছৰ ওপৰত যথেষ্ট তৎপৰতাৰে ড্ৰাগছৰ সমস্যা সমাধানৰ ওপৰত কাম কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে, সেই সময়ত আমি জধে-মধে বিলাতী সুৰা বিপনীৰ অনুজ্ঞাপত্ৰ দি আৰু

On Shop ৰ যি অনুজ্ঞাপত্ৰ দিয়া হৈছে, তাৰ জৰিয়তে যুৱ প্ৰজন্ম ধ্বংশ হৈছে নেকি ?

অধ্যক্ষ মহোদয়, মোৰ যিহেতু সময় একেবাৰে নাই মই একেলগে মোৰ দ্বিতীয়টো supplementary কৈ গৈছো । পৌৰ নিগম এলেকাত স্কুল-কলেজ, ধৰ্মীয় অনুষ্ঠান আদিৰ পৰা ৫০ মিটাৰ আঁতৰত বাৰ-সুৰাৰ বিপনী স্থাপন কৰিব পাৰি। পৌৰ সভা নগৰ সমিতিত স্কুল-কলেজ, ধৰ্মীয় অনুষ্ঠান আদিৰ পৰা ১০০ মিটাৰ, গাওঁ পঞ্চায়ত সমিতিত ১৫০ মিটাৰ আঁতৰত বাৰ-সুৰাৰ বিপনী স্থাপন কৰিব পাৰি। অধ্যক্ষ মহোদয়, এইটো পৰ্য্যালোচনা কৰি যুৱ প্ৰজন্ম আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কাৰণে আমি ৫০০ মিটাৰ দূৰত্বত ব্যৱস্থা কৰিব পাৰো নেকি আৰু মাদক দ্ৰব্য নিবাৰণৰ কাৰণে, যুৱ প্ৰজন্ম ৰক্ষাৰ কাৰণে বা ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে আমি কিবা বিশেষ ব্যৱস্থা ল'ব পাৰো নেকি, মন্ত্ৰী মহোদয়ৰ পৰা মই উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** Minister, Excise.

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য গৰাকীক জনাবলৈ পাই সুখী হ'ম যে আমাৰ চৰকাৰে জধে-মধে এনেধৰণৰ off licence বা on licence অনুজ্ঞাপত্ৰ প্ৰদান কৰা নাই আৰু নিয়ম-নীতিৰ আধাৰতেই এই বিপনীসমূহ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিছে। আমাৰ চৰকাৰে ড্ৰাগচৰ ক্ষেত্ৰত অতি কঠোৰ হৈছে। লগে লগে অবৈধ চুলাই যি অবাধ প্ৰচলন ৰাজ্যখনত আছে, তাৰ বিৰুদ্ধে চৰকাৰখন সজাগ হৈছে আৰু আমি দেখিছো যে consumption ইয়াত বহুত হয়। মদ খোৱা ব্যক্তি যথেষ্ট আমাৰ ৰাজ্যখনত আছে। আমি যদি বাৰ নিদিওঁ, আমি যদি off license নিদিওঁ চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা ইয়ালৈ অবাধে কিন্তু আহিয়েই থাকে। চুবুৰীয়া ৰাজ্যৰ পৰা আহে আৰু সেইবিলাক বন্ধ কৰিবৰ কাৰণেও আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ঠিকে আছে, কিন্তু মই যিটো মন্ত্ৰী মহোদয়ক ক'লো যে স্কুল-কলেজ, শিক্ষানুষ্ঠানৰ পৰা

আৰু কিছু দূৰত ব্যৱস্থা কৰিব পৰা যায় নেকি এইটো পৰ্য্যালোচনা কৰিব পাৰি নেকি অধ্যক্ষ মহোদয় ?

**শ্ৰী অতুল বৰা, ( মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ন, সীমান্ত সুৰক্ষা ইত্যাদি)** ঃ হয়, অধ্যক্ষ মহোদয়,এই কথাটো আমি বিবেচনা কৰিম তেখেত দৃষ্টি আকৰ্ষণ কৰিছে যেতিয়া। কিন্তু এই বিষয়ত খুব চকু ৰাখিহে নিয়ম- নীতিৰ আধাৰতহে কামখিনি কৰা হয়।

**(প্ৰশ্নকালীন ঘন্টা সমাপ্ত হয়)**

**মাননীয় অধ্যক্ষঃ** Point of Order, Unstarred Question ৩৯৫ নুৰুল হুদা কওঁক।

**মোঃ নুৰুল হুদা, ৰূপহীহাট** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে মুখ্যমন্ত্ৰী মহিলা উদ্দ্যমিতা অভিযান আঁচনিৰ পৰা কোনোবা সমষ্টি বাদ পৰিছে নেকি ? কিন্তু মন্ত্ৰী উত্তৰত পালো যে ৰূপহীহাট সমষ্টিকে আদি কৰি ৮ টা সমষ্টি বাদ পৰি আছে। গতিকে এই ৮ টা সমষ্টিত কেতিয়ালৈ এই আঁচনিৰ ধনখিনি পাব বা মহিলা সকলক দিব এই কথাটো উল্লেখ নাই, গতিকে মই আপোনাৰ জৰিয়তে সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যাতে মহিলা উদ্যমিতা আঁচনি ৰূপহী সমষ্টিৰ লগতে ধিং বা চামগুৰীকে আদি কৰি ৮ টা সমষ্টিয়ে পায়।

**শ্ৰী পীযুষ হাজৰিকা, ( মন্ত্ৰী, জলসিঞ্চন, সংসদীয় পৰিক্ৰমা, কৃষি )** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে প্ৰশ্ন টো অনাৰ কথাটো যে আমি আজিৰ পৰা একসপ্তাহৰ আগত decide কৰিছো। কিন্তু তেখেতে যে কিবা এটা বাঃ বাঃ ল'ব লাগিব সেইকাৰণেহে প্ৰশ্নটো কৰিছে। আমি ইতিমধ্যে এক সপ্তাহৰ আগতে সিদ্ধান্ত লৈছো ধিং, ৰূপহীহাট, চামগুৰিত অহা ২১, ২২ তাৰিখে তিনিটা কাৰ্য্যসূচীত মহিলা উদ্যমিতা আঁচনি আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষঃ** পইন্ট অৱ অৰ্ডাৰ জাকিৰ হুছেইন সিকদাৰ কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, starred Question ১৪৬ অলপ আগতে আলোচনা হৈছে, VB-G-RAM- G ৰ আঁচনিৰ ক্ষেত্ৰত কি কি আঁচনি কৰিব পাৰি তাৰে এখন তালিকা দিছে, আৰু এই গোটেই আঁচনিখন বা MGNREGA ৰ পৰা পৰিবৰ্তন কৰি VB-G-RAM- G কৰিছে, গোটেই দেশখনৰ কাৰণে কৰিছে। কিন্তু অসমৰ ক্ষেত্ৰত বেলেগ ৰাজ্যৰ লগত আমাৰ তুলনা নাই। ইয়াত আমাৰ ৰাস্তা লাগিব, Earth filling লাগিব মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই লিষ্টটোত অসমৰ ক্ষেত্ৰত নতুন ৰাস্তা road connectivity আৰু Earth filling বহুত দ ঠাই আছে, এইবিলাক ইয়াতে নাই গতিকে এইখিনি চাব লাগে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Adjournment Motion আছিল ছাৰ। আমাৰ দুয়োজনৰে একেলগে আছে।

**মাননীয় অধ্যক্ষঃ** Adjournment Motion ৰ Notice আপুনি দিছিল নে?

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** হয় ছাৰ।

**মাননীয় অধ্যক্ষঃ** দুয়োজনে চহী কৰিছে নে এজনে কৰিছে **?**

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** দুয়োজনে চহী কৰিছো ছাৰ ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে ,বহক এতিয়া, মই কৈ আছো। আপোনাৰ সভা স্থগিত প্ৰস্তাৱ যি আগবঢ়াইছে, সেইটো মই পাইছো। মই পঢ়িছো। মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ পৰা সভা স্থগিত প্ৰস্তাৱৰ এখন জাননী লাভ কৰা হৈছে। সভা স্থগিত প্ৰস্তাৱৰ গ্ৰহণ যোগ্যতা সম্পৰ্কত '' Practice And Procedure of Parliament '' সপ্তম সংস্কৰণৰ ৫৬৭ নং পৃষ্ঠাত স্পষ্টকৈ উল্লেখ আছে যে '' It has been held that an adjournment motion on a matter which can be raised during the debate on the Motion of Thanks on the President's Address, budget discussion, motion on international

situation, motion regarding a matter of public importance such as food policy, etc. to be held in the same Session is not in order".

সেই অনুসৰি বাজেটৰ ওপৰত সাধাৰণ আলোচনা অথবা ৰাজ্যপালৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ কালচোৱাত সভা স্থগিত প্ৰস্তাৱৰ গ্ৰহণ যোগ্যতা নিয়মানুকুল নহয়। এই পৰিপ্ৰেক্ষিতত সভা স্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰিব পৰা নগ'ল আৰু অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম ৬০ (১) ৰ আওঁতাত মই জাননীখন অগ্ৰাহ্য কৰিলো।

এতিয়া শূণ্যকালীন ঘন্টা আৰম্ভ হ'ব। এতিয়া মই মাননীয় সদস্য তুলিৰাম ৰংহাং ডাঙৰীয়াক The Sentinel বাতৰি কাকতত প্ৰকাশিত " Plummeting prices deal a blow to Kekang –Adong Pineapple farmers" ওপৰত তেওঁলোকৰ Price টো কমি গৈছে সেই সন্দৰ্ভত দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়,জাননীখন কি আছিল ? ছাৰ আজিলৈকে নিয়ম এইটোৱে । জাননীখন পঢ়ি দিবৰ কাৰণে অনুমতি দিয়ে ছাৰ। গুৱাহাটী মহানগৰৰ যি বিশাল বানপানী, এইটোৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ দিব লাগিব। গুৱাহাটী মহানগৰীৰ যি বিশাল বানপানীৰ সমস্যা, গুৱাহাটী মহানগৰীত প্ৰত্যেকদিনাই বানপানী হৈ থাকে। Adjournment Motion ত যদি নিদিয়ে বেলেগ ডিভাইচত আলোচনা কৰিবৰ বাবে সুযোগ দিয়ে যেন।

(ইত্যাদি কথা অখিল গগৈ ডাঙৰীয়াই কৈ থাকে)

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ ডাঙৰীয়াৰ বক্তব্য ৰেকৰ্ড কৰা ন'হব। অখিল গগৈ ডাঙৰীয়া আপুনি বেলেগ বিভাগত আনক। বাজেটৰ ওপৰত আলোচনাৰ সময়ত আনিব নোৱাৰে। আপুনি বেলেগ বিভাগত আনক। অন্য ডিভাইচত আপুনি আনক। আপুনি অন্য ডিভাইচত আনিব মই অগ্ৰাহ্য কৰা নাই। আপুনি ৩০১ ত আনক বা ৫৪ ত আনক। মই গ্ৰাহ্য কৰিম কিন্তু সেই বুলি আপুনি

সাধাৰণ বাজেটৰ ওপৰত আলোচনাৰ সময়ত সভা স্থগিত প্ৰস্তাৱ আনিব নোৱাৰে।

(সদনত হুলস্থুল)

**শ্ৰী তুলিৰাম ৰংহাং(পশ্চিম কাৰ্বি আংলং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Sentinel বাতৰি কাকতত প্ৰকাশিত " Plummeting prices deal a blow to Kekang–Adong Pineapple farmers" এই সন্দৰ্ভত আপুনি ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে দিশপুৰ আৰু কাৰ্বি আংলং অটোন'মাচ কাউন্সিল gives us processing factories to manufacture products such as jam, jelly etc. from pineapple since 1990 then remained closed as insurgence have taken it অধ্যক্ষ মহোদয়, আপুনি জানে Karbi Anglong Autonomous Council Jurisdiction, এই Jurisdiction ত অধ্যক্ষ মহোদয়ে increase of impotential area Karbi Anglong is the largest district in the Country with a geographical area of 10,434 square K.M. above অধ্যক্ষ মহোদয় bigger than Goa, Sikkim and Tripura also ইয়াতে মানুহে বসবাস কৰা maximum মানুহে তাত horticulture কৰে আৰু Agriculture ৰ পৰা খাই আছে। অধ্যক্ষ মহোদয় যে 2021, 4th September প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আশীৰ্বাদ গৃহমন্ত্ৰী অমৃতশ্বাহ ডাঙৰীয়াৰ আশীৰ্বাদত Central Government, State Government আৰু ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ প্ৰচেষ্টাৰ ফলত ৬ militant Groups ৰ লগত আলাপ আলোচনা কৰি শান্তি চুক্তি কৰা হৈছে, Memorandum of Settlement সেই Memorandum of Settlement এতিয়া Settle কৰা হৈছে। District had entered a phase of peace and development, resulting in a renewal of agricultural peak & increase in participation of local farmers. crops area 1 lakh 10 thousand per month, Growth crop 1 lakh 65 thousand hector, forest area four thousand hector. অধ্যক্ষ মহোদয় আপুনি শুনি ভাল পাব যে কাৰ্বি আংলংত Organic Horticulture তাত Products

হয় আৰু আমি Karbi Anglong Autonomous Council ৰ পৰা সিদ্ধান্ত লৈছো যে কাৰ্বি আংলংক Organic জিলা হিচাপে অসমৰ ভিতৰত পৰিচয় দিবৰ কাৰণে আমি চেষ্টা কৰিম। কাৰ্বি আংলঙত ৮,৬২,০৪০০ আনাৰস production হয় আৰু পশ্চিম কাৰ্বি আংলঙত ১,৯৩,৬৪,০০০ আনাৰস production হয়। সকলোবোৰ লগ হৈ মুঠ ১০ কোটি ৬৫ লাখ আনাৰস production হয়। লগতে আপোনালোকে জানিব পাৰিব যে আদা East কাৰ্বি আংলঙত ৪০,০২৭ মেট্ৰিক টন আৰু West কাৰ্বি আংলঙত ১৫,৭৩০, মেট্ৰিক টন। লগত turmeric East কাৰ্বি আংলঙত ১১,৬৬৪ মেট্ৰিক টন আৰু West কাৰ্বি আংলঙত ৮৮৩৪ মেট্ৰিক টন। এনে ধৰণৰ তাত বহুত উৎপাদন হয়। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিম যে কাৰ্বি আংলঙক Horticulture Hub বনাব বিচাৰিছো। যোৱা ৫ বছৰত মন্ত্ৰী মহোদয় পীযুষ হাজৰিকা দেৱেও কথাৰে নহয় কামেৰে পৰিচয় দিছে। জলসম্পদ বিভাগত তেখেতে দায়িত্ব লোৱাৰ পিছত কাৰ্বি আংলঙক বানপানী মুক্ত কৰিবৰ কাৰণে ৮০ শতাংশ কাম তেখেতে কৰিছে। গতিকে কাৰ্বি আংলঙত খেতিয়ক সকলক সুবিধা প্ৰদানৰ স্বাৰ্থত আৰু ডিমা হাছাও খেতিয়ক সকলৰ স্বাৰ্থত কাৰ্বি আংলঙৰ ডিমা হাছাওত ৬০ শতাংশ মানুহে Horticulture ৰ কাম কৰে। অধ্যক্ষ মহোদয়, তাত cold storage লাগে, West আৰু East কাৰ্বি আংলং ডিমা হাছাওত। এই তিনি খন জিলাত মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো তাত যাতে cold storage ৰ ব্যৱস্থা কৰি দিয়ে খেতিয়ক সকলৰ সুবিধাৰ বাবে। অধ্যক্ষ মহোদয়, মই এটা কথা অনুৰোধ কৰিব বিচাৰিম যে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক ২৬-০৪-২০২২ তাৰিখে কাৰ্বি আংলঙত আহিছিল আৰু ইয়ালৈ আহি Loringthepi Agriculture College ৰ foundation stone lay কৰিছিল। সেই Agriculture College ৰ foundation stone lay কৰাৰ পিছত tender হৈ গ'ল, Administrative approval হৈ গ'ল, এতিয়া অকল contractor ৰ allotment কৰি কাম আৰম্ভ কৰিব লাগে। গতিকে অধ্যক্ষ মহেদয়, মন্ত্ৰী মহোদয়ে সেই কাম খিনি যাতে সোনকালে কৰে

তাৰ কাৰণে আপোনাৰ জৰিয়তে মই তেখেতক অনুৰোধ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, কাৰ্বি আংলং, East কাৰ্বি আংলং , West কাৰ্বি আংলং আৰু ডিমা হাছাওত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আশীৰ্বাদ, গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ আশীৰ্বাদ আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ চেষ্টাৰ ফলত কাৰ্বি আংলং আৰু ডিমা হাছাওত এখন স্থায়ী শান্তি হৈছে। এতিয়া ইয়াত work culture ৰ establish হৈছে। গতিকে অধ্যক্ষ মহোদয়, কাৰ্বি আংলং, West কাৰ্বি আংলং আৰু ডিমা হাছাওক যাতে বেছি পুঁজি দিয়ে, তাৰ কাৰণে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। সন্মানীয় কৃষি মন্ত্ৰী। আনাৰসৰ মূল্যৰ ওপৰত।

**পীযুষ হাজৰিকা, কৃষি মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য তুলিৰাম ৰংহাং ডাঙৰীয়াই যিকেইটা কথা কৈছে অত্যন্ত গুৰুত্বপূৰ্ণ, অধ্যক্ষ ডাঙৰীয়া আমাৰ কাৰ্বি আংলং জিলা বা দুইখন কাৰ্বি আংলং জিলাত ডিমা হাছাওত Organic খেতি কৰাৰ অপাৰ সম্ভাৱনা আছে, আৰু বহুতে কৰি আছে। অধ্যক্ষ ডাঙৰীয়া এই কৃষকসকলক সহায় কৰাটো আমাৰ দায়িত্ব। তুলিৰাম ৰাংহাং ডাঙৰীয়াই চি. ই এম পদত আজিও নিয়োজিত হৈ আছে, যথেষ্ট কাম কৰিছে আৰু তেখেতৰ কাম কৰাৰ বহুত আগ্ৰহ আছে। অধ্যক্ষ ডাঙৰীয়া মই নিজেও কাৰ্বি আংলংৰ দুয়োখন জিলাৰ অভিভাৱক মন্ত্ৰী, গতিকে তেখেতৰ লগত এই অঞ্চলসমূহলৈকে যাম আৰু কেনেকৈ আদা খেতিয়ক সকলক, আনাৰস খেতিয়ক সকলক সহায় কৰিব পাৰো, তাৰ কাৰণে আমি চেষ্টা চলাম। অধ্যক্ষ ডাঙৰীয়া কাৰ্বি আংলং খন প্ৰায় ১১ হাজাৰ square kilometre কিন্তু তাত বেলেগ ঠাইৰ তুলনাত জনসংখ্যা কম। তাৰমানে অধ্যক্ষ ডাঙৰীয়া যদিও পাহাৰ হয় তাত মাটি বহুত খালী আছে। অধ্যক্ষ ডাঙৰীয়া যিহেতু বানপানী নহয় তাত গতিকে অলপ যদি ইৰিগেশ্যনৰ ব্যৱস্থা কৰিব পাৰো, খেতি কৰাৰ কাৰণে বহুত ঠাই আছে. সেইকাৰণে মই কৈছো অধ্যক্ষ ডাঙৰীয়া সম্ভাৱনা অপাৰ। আমাৰ কাৰ্বিসকলৰ ডিমাছাসকলৰ এটা ট্ৰেডিশ্যন যে তেখেতসকলে কি কৰে? তেখেতসকলে Organic খেতি কৰে, Organic খেতি কৰাটো Organic খাদ্য

আমাৰ কাৰণে অত্যন্ত ভাল। ফাৰ্টিলাইজাৰ ব্যৱহাৰ কৰা পেষ্টিচাইড ব্যৱহাৰ কৰা খাদ্যৰ পৰা বিভিন্ন বেমাৰ হয় বুলি আমি সকলোৱে জানো। গতিকে অধ্যক্ষ ডাঙৰীয়া আমি Organic খেতিক অগ্ৰাধিকাৰ দিব লাগে, তাতে কিন্তু এটা টুইষ্ট আছে অধ্যক্ষ ডাঙৰীয়া । কেইদিনমান আগতে এগৰাকী exporter মোৰ ওচৰলৈ আহিছিল আৰু তেখেতে মোক ক'লে যে তেখেতে বৰ্তমানো কাৰ্বি আংলংৰ পৰা আদা বিদেশলৈকে মানে ইউৰোপলৈকে আৰৱলৈকে export কৰি আছে। মই যেতিয়া কথাই কথাই তেখেতক সুধিলো যে আপুনি কাৰ্বি আংলংৰ পৰা আদা এক্সপ'ৰ্ট কৰি আছে , কিন্তু অধ্যক্ষ ডাঙৰীয়া এটা কথা পেষ্টিচাইড যদি আমি use নকৰো, ফাৰ্টিলাইজাৰ যদি use নকৰো তেতিয়া উৎপাদন কম হয়, উৎপাদন কম হ'লেও বহু বেছি গুণ সম্পন্ন হয়, বেমাৰ আজাৰ নহয়। গতিকে কিছুমান মানুহে পেষ্টিচাইড আৰু সাৰ নিদিয়া শাক-পাচলিয়ে খাব, কিন্তু অধ্যক্ষ ডাঙৰীয়া যদি পেষ্টিচাইড নিদিয়াকৈ কোনোবাই ফাৰ্টিলাইজাৰ নিদিয়াকৈ খেতি কৰিছে তেওঁটো উচিত মূল্য পাব লাগিব কাৰণ যিখিনি পেষ্টিচাইড নিদিয়া বা সাৰ নিদিয়া Organic শাক পাচলি হয়, Organic খোৱা বস্তু হয় মই ভালদৰে জানো, আমি সকলোৱে জানো বজাৰত তাৰ দাম বেছি। কিন্তু অধ্যক্ষ ডাঙৰীয়া আমাৰ কাৰ্বি আংলংৰ যিসকল Organic খেতি কৰা ব্যক্তি, ডিমা হাছাওৰ Organic খেতি কৰা ব্যক্তি বা অসমৰে Organic খেতি কৰা ব্যক্তিয়ে উচিত মূল্য পাইছে নাই এই বিষয়ে আমি নিশ্চয় চিন্তা চৰ্চা কৰিব লাগিব। যদি আমি চিন্তা চৰ্চা নকৰো তেতিয়া মাজৰ মানুহখিনিয়ে লাভ পাব আৰু খেতিয়কৰ লোকচানেহে হ'ব। গতিকে এই ক্ষেত্ৰটোত আমি চিন্তা চৰ্চা কৰি আছো অধ্যক্ষ ডাঙৰীয়া বাজেট চলি থকাৰ কাৰণে অলপ ব্যস্ত আছো। মোৰ এটা ইচ্ছা যে অসমৰ প্ৰত্যেকখন জিলাৰ, অতি কমেও ২০ জনকৈ Progressive farmer ক গুৱাহাটীলৈকে মাতি আনিম আৰু একেটা plateform তে অধ্যক্ষ ডাঙৰীয়া আমি Exporter সকলকো মাতিম। Exporter আৰু কৃষকৰ মাজত আমি coordination কৰিবলৈ চেষ্টা কৰি আছো। এইখিনি নিশ্চয়কৈ কৰা হ'ব কৰিবলৈ চেষ্টা কৰা হ'ব। কেকাং আদং অঞ্চলৰ কথা তেখেতে কৈছে, তাত এটা সৰু সমস্যা আছে, তাত খুব ভাল

আনাৰস খেতি হয়, তাত কমিউনিকেশ্যনৰ এটা সমস্যা আছে, তেখেত যিহেতু নিজে কাৰ্বি আংলংৰ চি ই এম, তাৰ ৰাস্তাখিনি যদি কৰি দিয়ে, আমাৰ মানুহ তাত সহজে গৈ পোৱাতো সুবিধা হ'ব বা Exporter য়ে হওঁক বা অন্য বেপাৰীয়ে হওঁক, তাত ভালকৈ সোনকালে সহজে যাব পাৰিব আৰু তাৰ পৰা বস্তুখিনি উলিয়াই আনিব পৰা যাব। অধ্যক্ষ ডাঙৰীয়া তেখেতে লোৰিংথিপিৰ কথাটো ক'লে, য'ত  প্ৰধানমন্ত্ৰী ডাঙৰীয়া আহিছিল এগ্ৰিকালচাৰ কলেজৰ আধাৰশিলা আছিল । সেই কামটো অতি সোনকালে কৰিবলৈকে যত্ন কৰিম আপোনাৰ জৰিয়তে আশ্বস্ত কৰিছো। অধ্যক্ষ ডাঙৰীয়া  ১ মিনিট দিলে মই বেলেগ এটা কথা কওঁ, মানে মই তেতিয়া কম সময় পালো কাৰণে নকলো। অধ্যক্ষ ডাঙৰীয়া অহা ২৫ তাৰিখে গুৱাহাটী জ্যোতি বিষ্ণু অডিট'ৰিয়ামত  পাঁচ হাজাৰ Agripreneur কলৈ আমি এখন সভা কৰিম। অধ্যক্ষ ডাঙৰীয়া এটা ফাণ্ড আছে কেন্দ্ৰীয় চৰকাৰৰ, এগ্ৰিকালচাৰ ইনফ্ৰাষ্ট্ৰাক্টাৰ ফাণ্ড, অধ্যক্ষ ডাঙৰীয়া সেই ফাণ্ডত যদি কোনোবাই লোন লয়, লোনটো ল'বলৈ অলপ সহজ, কাৰণ collateral দিব নালাগে, কোনো কাগজপত্ৰ, কোনো মাটি সম্পত্তি বন্ধকত দিব নালাগে, collateral দিব নালাগে, মাত্ৰ cibil ভালে থাকিব লাগে, এটা প'ৰ্টেললৈ গৈ উদ্যোক্তা সকলে লোনটো apply কৰিব পাৰে সেই প'ৰ্টেলৰ পৰা বেংকলৈ গুচি যায়। Cibil ভাল থাকিলে লোণটো দি দিয়ে, কিন্তু আকৌ কৈছো collateral দিব নালাগে। অধ্যক্ষ ডাঙৰীয়া কেন্দ্ৰীয় চৰকাৰে এই আঁচনিৰ অধীনত 3% ইণ্টাৰেষ্ট subvention দিয়ে, যদি এজন আমাৰ Agripreneur য়ে ২ কোটি টকা লোন লয়,  maximum দুই কোটি টকালৈ লোন দিয়ে। দুই কোটি টকা লোন ল'লে তেওঁ যিমান দিনলৈকে লোন মাৰিব, তাত যদি 8% ত ধৰি ল'লো ইণ্টাৰেষ্ট ফিক্স হ'ল, তেওঁ দিব লাগিব 5% আৰু লোনটো ল'বলে সহজ, collateral দিব নালাগে, মাত্ৰ cibil ভালে থাকিব লাগিব। আগতে যাৰ NPA হৈ আছে তেওঁ নাপাব । গতিকে এই মিটিংখন আমি অহা ২৫ তাৰিখে জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহত কৰিছো য'ত অসমৰ ৫০০০ entrepreneurs থাকিব । এই টকাখিনি agricultural infrastructure ত খৰচ কৰিব পাৰিব, অন্য ক্ষেত্ৰত নোৱাৰিব। যেনে- cold

storage, ধান বনা মিল আদি এনেধৰণৰ কামবোৰ কৰিব লাগিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আগ্ৰহত এই কামটো কৰিছো, তেখেত নিজেও তাত উপস্থিত থাকিব। মাননীয় বিধায়কসকলক মই জনাব বিচাৰিছো যে আপোনালোকৰ অঞ্চলতো যদি এনেকুৱা entrepreneur আছে যিয়ে টকাৰ অভাৱত কাম কৰিব পৰা নাই, তেওঁলোকক উক্ত সভালৈ পঠিয়াব। বিধায়কসকলো আহিলে অত্যন্ত ভাল পাম। কাৰণ এই টকা পাবলৈ কিছু সহজ কাৰণ 3% interest subvention আছে, গতিকে হিচাপ কৰি চাইছিলো যে এজন ব্যক্তিয়ে যদি ২ কোটি টকা লোন লয় আৰু ৭-৮ বছৰত সেই লোনটো মাৰি দিয়াৰ বাবে সময় নিৰ্ধাৰণ কৰে তেতিয়া ৩০ লাখৰ পৰা ৪০ লাখ টকা ব্যক্তিজনে লাভ পাব। সেয়ে এইক্ষেত্ৰত বিধায়কসকলে যাতে সহযোগিতা কৰে তাৰ বাবে মই অনুৰোধ জনালো। পুনৰবাৰ কৈছো যে তুলিৰাম ৰংহাং ডাঙৰীয়াৰ কামখিনি গুৰুত্ব সহকাৰে কৰা হ'ব।

**মাননীয় অধ্যক্ষ :** মই আপোনাক এটা অনুৰোধ জনাব বিচাৰিছো। যিহেতু কাৰ্বি আংলঙৰ organic farming টো খুব ভাল হয়, এই organic farming টো promote কৰাৰ কাৰণে আপুনি যদি তাত এখন exhibition ৰ লগতে আমাৰ exporter সকলক মাতে আৰু organic farmer সকলক মাতি এখন সভা অনুষ্ঠিত কৰি awareness create কৰিলে গোটেই ভাৰতবৰ্ষতে promote হ'ব পাৰিব আৰু NPM market টো যদি আমি farmer ক দিব পাৰো তেতিয়াহ'লে তেওঁলোকৰ production টো বাঢ়িব। তেনেকুৱা এটা মডেল ৰ ব্যৱস্থা কৰিব পাৰি নেকি চাবচোন।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** অধ্যক্ষ মহোদয়, আপোনাৰ পৰামৰ্শটো গুৰুত্ব সহকাৰে বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ।

এতিয়া, calling attention under Rule 54. এতিয়া মাননীয় সদস্য শ্ৰী মহিবুৰ ৰহমান ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ

নিয়মাৱলীৰ ৫৪ নং দফাৰ অধীনত “Extremely Poor Healthcare Support in South Salmara-Mankachar District and the Urgent Need for Strengthening the District Healthcare System.” শীৰ্ষক বিষয়টোৰ প্ৰতি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**ম: মহিবুৰ ৰহমান (মানকাছাৰ) :** ধন্যবাদ, মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ :** ৫ মিনিটত ক'ব।

**ম: মহিবুৰ ৰহমান (মানকাছাৰ) :** মই আমাৰ জিলাৰ স্বাস্থ্য ব্যৱস্থাৰ ওপৰত কোৱাৰ আগতে জিলাখনৰ বিষয়ে অলপ ক'ব........

**মাননীয় অধ্যক্ষ :** নালাগে, আপুনি বিষয়টোৰ ওপৰত কওঁক। জিলাখনৰ বিষয়ে আমি সকলোৱে জানো।

**ম: মহিবুৰ ৰহমান (মানকাছাৰ) :** আমাৰ জিলাৰ এফালে ব্ৰহ্মপুত্ৰ নদী, এফালে বাংলাদেশ, এফালে মেঘালয় আৰু আমাৰ জিলাৰ পৰা main land অসমৰ ৰাস্তাটো মেঘালয়ৰ মাজেৰে গৈছে। আমাৰ জিলাৰ health care facility খিনি চালে দেখিব, এফালে আছে ধুবুৰী, এফালে গোৱালপাৰা আৰু third option হ'ল গুৱাহাটী। গুৱাহাটী আহি পাওঁতে আমাৰ সময় লাগে প্ৰায় ৮ ঘন্টা আৰু google ৰ data মতে distance হ'ল ২৫০ কিমি। আজিৰ দিনত প্ৰায় ১০ ঘন্টা সময় লাগি যায়। ধুবুৰীলৈ যাওঁতে ৭ ঘন্টা লাগে আৰু distance হ'ল ২৪০ কিমি আৰু গোৱালপাৰালৈ ১২০ কিমি যদিও google ৰ data মতে আমাৰ প্ৰায় ৫ ঘন্টা মান লাগে। গতিকে আমাৰ বাবে অত্যন্ত জৰুৰী যে জিলাখনৰ স্বাস্থ্য ব্যৱস্থা ভাল হ'ব লাগে। দেখা গৈছে যে গুৱাহাটী, ধুবুৰী বা গোৱালপাৰাৰ হস্পিতাললৈ লৈ যোৱাৰ পথতে ৰোগীৰ মৃত্যু হয়। আমাৰ health care strength টো হ'ল District Hospital এখন আৰু লগতে ২খন CHC, ৫০খন sub-center আৰু ৯খন PHC আছে । কিন্তু সেইখিনি আমাৰ বাবে sufficient নহয়। IPHS ৰ গাইডলাইন মতে প্ৰত্যেক ৫০০০ মানুহৰ বিপৰীতে এখনকৈ sub-center থাকিব লাগে। সেই

হিচাপত আমাৰ তাত  ১৩০ খন মান sub-center থাকিব লাগে য'ত আমাৰ কেৱল ৫০খন হে আছে। গতিকে আমাৰ স্বাস্থ্য ব্যৱস্থাৰ পৰিস্থিতিটো খুবেই ভয়ানক। মই বেছিকৈ নহয়, আমাৰ ৩ টা সমস্যা আপোনালোকৰ আগত ডাঙি ধৰিম আৰু তাৰ পৰা এটা আভাস ল'ব পাৰিব যে জিলাখনৰ স্বাস্থ্য ব্যৱস্থাটো কেনেকুৱা। নতুন জিলা ঘোষণা হোৱাৰ প্ৰায় ১০ বছৰ হ'ল। কিন্তু আজিলৈকে আমাৰ জিলাখনত post mortem ৰ facility নাই, কোনোবা যদি মৃত্যু মুখত পৰে বা কোনোবাই যদি আত্মহত্যা কৰে বা কিবা দূৰ্ঘটনাত কাৰোবাৰ যদি মৃত্যু হয় তেতিয়াহ'লে তেওঁৰ মৃতদেহটো ধুবুৰীলৈ লৈ যাব লাগে। তাৰ কাৰণে নাৱেৰে বা ৰাস্তাৰে গ'লে ৮-৯ ঘন্টা লাগে আৰু post mortem কৰি ঘূৰি আহি পাওঁতে ২ দিন সময় লাগি যায়। আপোনালোকে ভাবি আচৰিত হ'ব যে এইক্ষেত্ৰত আমি বহুত দিনৰপৰা লাগি আছো কিন্তু কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ কাৰণত আমি কামটো আৰম্ভ কৰিব পৰা নাই। আমাৰ infrastructure almost ready হৈছে, কিন্তু আমাক forensic doctor এজন লাগে আৰু কিছু সাধাৰণ সমস্যা আছে যিবোৰৰ বিষয়ে ইতিমধ্যে স্বাস্থ্য বিভাগলৈ লিখা হৈছে, কিন্তু এতিয়ালৈকে আমি তাৰ প্ৰত্যুত্তৰ  পোৱা নাই। গতিকে সেইখিনি কৰিবলৈ আপোনাক আহ্বান জনাইছো। এতিয়ালৈকে আমাৰ blood bank নাই, blood bank নথকাৰ কাৰণে বহুখিনি অপাৰেশ্যন কৰিব পৰা নাই, যদিও কিছুদিন আগতে আমাৰ তাত cesarean ৰ সুবিধা কৰা হৈছে, আৰু এনেকুৱা বহু কেচ আছে য'ত sufficient blood নথকাৰ বাবে  cesarean ও কৰিব নোৱাৰে। গতিকে আন অপাৰেশ্যন বোৰো তেনেকুৱা পৰিস্থিতিতে আছে। blood bank ৰ যি অসুবিধা আছে সেই বিষয়ে  Health Department ৰ Director মহোদয়লৈ চিঠি পঠিওৱা হৈছে আৰু আশা ৰাখিছো যে সেইখিনি আপোনালোকে সোনকালে সমাধান কৰি দিব। তৃতীয়তে হ'ল ICU ৰ সমস্যা। এইটো হয়তো ভাবিলে বা কওঁতেও আচৰিত লাগে যে আমাৰ District Hospital খনত কোনো ICU ৰ সুবিধা নাই। যদিও ২টা ICU সাজু আছে, ডাক্তৰ বা sufficient staff নথকাৰ কাৰণে ICU কাৰ্য্যক্ষম কৰিব পৰা নাই। গতিকে তাৰো ব্যৱস্থা খুব সোনকালে কৰি দিবলৈ অধ্যক্ষ মহোদয়ক আহ্বান জনালো। অধ্যক্ষ

মহোদয়, বাকী যিখিনি আমাৰ দাবী আছে সেইখিনি ইতিমধ্যে আমি পঠিয়াইছো। সেইখিনি হ'ল যে আমাৰ যিটো বজাৰিকান্দি Block PHC আছে তাক model hospital লৈ উন্নিতকৰণ কৰিবলৈ আবেদন জনাইছো। মানকাছাৰৰ যিটো CHC আছে সেইটোক FRU কৰি দিব লাগে, তুন্নীৰ CHC টোও তেনেদৰে FRU কৰি দিবলৈ অনুৰোধ জনাইছো। বাগাবৰৰ যিটো PHC আছে সেইটো CHC কৰি দিব লাগে আৰু হাজিৰহাটৰ যিটো rural PHC আছে তাৰ permanent building নাই, গতিকে তাৰ এটা permanent building আমাক লাগে। লগতে পাকাঘাটৰ এটা SSC আছে সেইটো mini PHC লৈ উন্নিতকৰণ কৰিবলৈ আবেদন জনাইছো। বৰ্তমান আমি 50% less post ৰ জৰিয়তে health care চলাই আছো, আমাৰ আৰু কেইটামান দাবী আছিল সেইখিনি আমি ইতিমধ্যে উঠাইছো- সেয়া হ'ল Joint Director of Health Service ৰ বিল্ডিংটোৰ কাম এতিয়ালৈ আৰম্ভ হোৱা নাই, কিবা technical অসুবিধাৰ কাৰণে কাম আৰম্ভ কৰিব পৰা নাই। সেইখিনি অনতিপলমে সমাধান কৰিব লাগে। লগতে যিবোৰ essential post আছে সেইখিনি এতিয়ালৈকে create কৰা হোৱা নাই। তাৰ ভিতৰত আটাইতকৈ ডাঙৰ কথা হ'ল যে আমাৰ District Hospital খনত Superintendent জনেই in-charge হৈ আছে। তাত আমাক permanent post লাগে। আমাৰ জিলাত tuber culosis ৰ officer ৰ পোষ্ট নাই, food safety officer, medical officer ৰো পোষ্ট নাই। লগতে বহুত পোষ্ট আছে যাৰ সবিশেষ জনাই ইতিমধ্যে বিভাগলৈ চিঠি পঠিওৱা হৈছে। লগতে অত্যন্ত দৰকাৰী এটা trauma care centre এতিয়ালৈকে আমাৰ নাই। ইয়াৰ বিষয়ে ইতিমধ্যে জনোৱা হৈছে কিন্তু এতিয়ালৈকে কোনো ধৰণৰ সমাধান পোৱা নাই। আমাৰ GNM ৰ অভাৱ হৈ আছে, আমাক আৰু ৩০ -৪০ জন GNM ৰ প্ৰয়োজন। অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি গম পাওঁ যে গোটেই অসমতে GNM ৰ অভাৱ হৈ আছে, সেইকাৰণে GNM ৰ এটা training institute আমাৰ জিলাত খুলি দিবলৈ আহ্বান জনাইছো। লগতে আমাৰ যিটো operation theatre আছে তাত আমাক general surgery, ENT surgery, orthopaedics surgery, gynaecology special surgery আৰু লগতে trauma

and emergency surgery ৰ special branches লাগে। আমাৰ emergency medical service ত  advanced live support ambulance ৰ লগতে basic live support ambulance  এখনকৈ লাগে। ১০৮ ৰ যিটো  service, সেইটো sufficient নহয়। বিশেষকৈ চৰ এলেকাত  যি service ৰ প্ৰয়োজন সেইটো  sufficient নহয়। Boat Clinic আছে যদিও সেই emergency service  sufficient নহয়। অৱশেষত মই ক'ব বিচাৰিম যে আমাৰ যিখিনি লাগতিয়াল আছে, ইতিমধ্যে সেইখিনি আমি Director ৰ ওচৰলৈ পঠিয়াইছো আৰু সেইখিনি যদি আপোনালোকে অনতি পলমে কৰি দিয়ে আমি অত্যন্ত সুখী হ'ম, ধন্যবাদ।

**মাননীয় অধ্যক্ষ মহোদয় :** Thank you. Minister, Parliamentary Affairs.

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) :** সন্মানীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে তেখেতৰ সমষ্টি তথা জিলাৰ বিষয়ে কিছু কথা আমাৰ আগত ডাঙি ধৰিছে । তেখেতে এটা কথা কৈছে যে তেওঁলোকক ধুবুৰীলৈ যাবলৈ ৭ ঘন্টা লাগে। কিন্তু মই যিমানখিনি জানো অতি সোনকালে, অহা ২ বছৰ মানৰ ভিতৰত ধুবুৰী ফুলবাৰী ব্ৰীজখন সম্পূৰ্ণ হৈ যাব। তেতিয়া হয়তো মানকাছাৰৰ পৰা ধুবুৰীলৈ ২০ মিনিট লাগিব । গতিকে বহু সমস্যা এইখিনিতে সমাধান হৈ যাব। আমাৰ ধুবুৰীত ইতিমধ্যে মেডিকেল কলেজ চলি আছে আৰু মেডিকেল কলেজৰ upgradation ৰ কামো চলি আছে। গতিকে সমস্যা সমাধান হ'ব। মাননীয় সদস্য গৰাকীয়ে বহু সমস্যাৰ কথা কৈছে আৰু এই বিষয়ে আমি সকলোৱে অৱগত। এই গোটেই সমস্যাটোৰ মূল কাৰণটো কি ? মই স্বাস্থ্যবিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিলো, সেয়েহে মোৰ অলপ অভিজ্ঞতা আছে। এই গোটেই বিষয়টোৰ মূল কাৰণটো হৈছে অসমত মেডিকেল কলেজ নাছিল। স্বাধীনতাৰ ৭০ বছৰ পিছত অসমত মাত্ৰ ৬ খন মেডিকেল কলেজ হ'ল । যোৱা ১১ বছৰত অসমত ১৮ খন মেডিকেল কলেজ হ'ল। মেডিকেল কলেজ বনালেও বহুতে ইতিকিং কৰে। তেওঁলোকে কয় যে আগৰ কেইখনকে ঠিক কৰি ৰাখিব পৰা নাই। এতিয়া আকৌ মেডিকেল কলেজ বনাই আছে। এনেকুৱাধৰণৰ কথাবিলাক তেওঁলোকে কয়। যেতিয়া মেডিকেল কলেজ নাথাকে আমি ডাক্তৰ

উলিয়াব নোৱাৰো । ২০১৭ চনলৈকে অসমত ৭২৬ জনে প্ৰত্যেক বছৰে মেডিকেল পঢ়িব পাৰিছিল । এতিয়া প্ৰায় ১৭০০-১৮০০ জনে প্ৰত্যেক বছৰে পঢ়িব পাৰে। কেইদিনমান আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ৩-৪ বছৰৰ ভিতৰত ২৩০০-২৪০০ ডাক্তৰ অসমৰ পৰা পঢ়ি ওলাব । তেতিয়া সমস্যাসমূহ নাইকিয়া হৈ যাব। তেখেতে কৈছে যে, তেখেতৰ District Hospital ত ICU আছে । কিন্তু কোন বিশেষজ্ঞ সেই ICU লৈ যাব ? কাৰণ আমাৰ বিশেষজ্ঞৰ সংখ্যা কম। মেডিকেল কলেজ হ'লেহে বিশেষজ্ঞ হ'ব। PHE, CHE ত ডাক্তৰ নাই । কাৰণ আমি আগতে ডাক্তৰ তৈয়াৰ নকৰিলো । গোটেই গণ্ডগোলটো ৭০ বছৰত হ'ল যেতিয়া গোটেই অসমত মেডিকেল কলেজ নবনালো। এতিয়া মেডিকেল কলেজ জিলাই জিলাই হৈছে। অসমত অনাগত ১০ বছৰত প্ৰত্যেক জিলাতে মেডিকেল কলেজ হ'ব আৰু অসমে ৩০০০-৩,৫০০ হাজাৰ ডাক্তৰ প্ৰত্যেক বছৰে পঢ়ি ওলাব পাৰিব। আগতে বিশেষজ্ঞৰ সংখ্যা ১৫০ আছিল। এতিয়া হয়তো ৩০০-৩৫০ হৈছে। কিন্তু অনাগত দিনত ইয়াৰ সংখ্যাও ১০০০ হ'ব । আমাৰ যিহেতু আন্তঃগাঁথনি আছে সেয়েহে বিশেষজ্ঞসকল যাব পাৰিব । আপুনিও কৈছে যে আপোনাৰ তাত চিভিল হস্পিতালৰ আন্তঃগাঁথনি আছে, ২ খন ICU bed আছে। কিন্তু মই পুনৰ কৈছো, যে আমাৰ কিছুমান অসুবিধা আছে আৰু আমি এইবোৰ অস্বীকাৰ কৰাৰ উপায় নাই। আমাৰ পৰ্য্যাপ্ত ডাক্তৰ নাই। কাৰণ যোৱা ৭০ বছৰত আমি মেডিকেল কলেজ নবনালো। কিন্তু আমাৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন এখন জিলাত একোখনকৈ মেডিকেল কলেজ বনাব বুলি ঘোষণা কৰিছে। এইটো কথা ভালকৈ মনত আছে। মই যেতিয়া স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিলো, তেতিয়া মাননীয় সদস্য গৰাকীৰ সমষ্টিৰ এজন ডাক্তৰক লগ পাইছিলো । তেখেতক posting তেখেতৰ গাওঁৰ ওচৰৰ মানকাচাৰ জিলাত দিয়া হৈছিল । কিন্তু তেখেতে ধুবুৰীৰ বেলেগ hospital ত posting দিব লাগে বুলি কৈছিল। মই তেখেতক তেখেতৰ গাওঁলৈ গৈ গাওঁৰ মানুহখিনিক সহায় কৰিবলৈ কৈছিলো। কিন্তু তেখেত নাযায় আৰু কিয় নাযায় সেই বিষয়ে মই নাজানো। মই মাননীয়

সদস্য ডাঙৰীয়াক অনুৰোধ কৰিছো, যে আপোনাৰ সমষ্টিত যদি কোনো ডাক্তৰ পঢ়ি ওলাইছে তেন্তে তেখেতসকলক অলপ দিনৰ কাৰণে আহি নিজৰ গাওঁত চাকৰিত নিয়োজিত হ'বৰ বাবে অনুৰোধ কৰক । তেতিয়া বহু সমস্যা নিজে নিজে সমাধান হ'ব। মই পুনৰ কৈছো যে মাননীয় সদস্য গৰাকীয়ে যিখিনি প্ৰশ্নৰ অৱতাৰণা কৰিছে মই গুৰুত্বসহকাৰে চিন্তা-চৰ্চ্চা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ । এতিয়া Special Mention Under Rule-301. মাননীয় সদস্য শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই '' অসমীয়া সংস্কৃতি, পৰম্পৰা আৰু স্বকীয়তাৰ এক অনন্য প্ৰতীক অসমীয়া জাপিৰ সংৰক্ষণ আৰু জাপি শিল্পীসকলৰ জীৱন আৰু জীৱিকাৰ উন্নীতকৰণ ।'' শীৰ্ষক বিষয়টো উত্থাপনৰ জৰিয়তে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব। আপুনি ৫ মিনিটত বক্তব্য শেষ কৰিব আৰু মাননীয় মন্ত্ৰী ডাঙৰীয়াই ও ৫ মিনিটত উত্তৰ দিব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছমৰীয়া) :** মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া সংস্কৃতিৰ অনন্য প্ৰতীক জাপিক অসম বিধান সভাৰ সদন কক্ষত স্থান দি মাননীয় অধ্যক্ষ শ্ৰী ৰণজিৎ কুমাৰ দাস ডাঙৰীয়াই অসমীয়া ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা প্ৰকাশ কৰা আমি দেখিবলৈ পাইছো। এই পদক্ষেপ কেৱল সৌন্দৰ্য্যবৰ্ধনৰ ব্যৱস্থাই নহয়, বৰঞ্চ অসমীয়াৰ গৌৰৱময় ঐতিহ্যক গণতন্ত্ৰৰ সৰ্ব্বোচ্চ মন্দিৰ আমাৰ সদনত সন্মাজনক স্থান দিয়াটো এটা ঐতিহাসিক  পদক্ষেপ। এই দূৰদৰ্শী, প্ৰশংসনীয় পদক্ষেপৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক হৃদয়ৰ পৰা অভিনন্দন জনাইছো । জাপি অসমৰ লোক সংস্কৃতিৰ এক বিশেষ ভূমিকা লৈ আছে। শতাব্দী প্ৰাচীন এই শিল্পটোৱে অসমৰ কাৰু শিল্পীসকলৰ নিপুণতা, ঐতিহ্যতাক প্ৰতিনিধত্ব কৰে। জাপি অসমৰ গ্ৰাম্য অৰ্থনীতিৰ এক বিশেষ অংশ । জাপি অসমীয়া সমাজৰ জীৱনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে । অসমৰ প্ৰায়ভাগ জিলাতে কম-বেছি পৰিমাণে জাপি নিৰ্মাণ কৰা হয় । নলবাৰী, বৰপেটা, কামৰূপ, বজালী, দৰং, শোণিতপুৰ, নগাওঁ, মৰিগাওঁ আদি জিলাকেইখনৰ নাম বিশেষকৈ ল'ব পাৰি ।

কিন্তু নলবাৰী, বৰপেটা, কামৰূপ, বজালী এই অঞ্চলকেইটাত এই সংস্কৃতিটো বেছিকৈ জীয়াই আছে। পুৰণি কালত যেতিয়া ছাতিৰ ব্যৱহাৰ নাছিল, তেতিয়াৰ পৰাই কৃষক সকলে ৰ'দ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ জাপিৰ ব্যৱহাৰ কৰিছিল। প্ৰাচীন কালত ৰজা-মহাৰজাৰ সময়তো জাপিৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়। কেৱল অসমেই নহয়, অসমৰ প্ৰান্তীয় যিবোৰ ৰাষ্ট্ৰ আছে তেওঁলোকৰ গান-নাচসমূহত আমি প্ৰতীয়মান দেখা পাওঁ যে আমাৰ যি জাপি আছে সেই আকাৰটো অলপ বেলেগকৈ হ'লেও তেওঁলোকেও ব্যৱহাৰ কৰে। অৰ্থাৎ প্ৰাচীন সময়ৰ পৰাই বিশ্বৰ মঞ্চত ফুলাম জাপিয়ে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। বিহু নৃত্যৰ বিভন্ন গীতত জাপিৰ প্ৰায় ব্যৱহাৰ আছে আৰু বিহু নৃত্যৰ প্ৰথম বা শেষৰ ফালে ল'ৰা-ছোৱালী সকলে জাপি ব্যৱহাৰ কৰে। আমাৰ ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় অতিথি সকলক ফুলাম গামোচা আৰু মখমলেৰে লগোৱা জাপি বা সাধাৰণ জাপিৰে সম্বৰ্ধনা জনাওঁ। জাপিয়ে ২০২৪ চনৰ ৩০ মাৰ্চত ভাৰত চৰকাৰৰ পৰা GI Tag লাভ কৰাটো অসমৰ বাবে এক গৌৰৱময় অধ্যায়। বাঁহ-বেত আৰু টকৌ পাতেৰে জাপি বনোৱা হয়। কেঁচা সামগ্ৰী সহজতে উপলব্ধ হোৱাৰ বাবে গ্ৰাম্যাঞ্চলত জাপি ব্যৱহাৰ হয়। জাপি বিভিন্নধৰণৰ আছে। যেনে-উৎসৱ, অনুষ্ঠান আদিত ব্যৱহাৰ হোৱা জাপি আৰু কৃষক শ্ৰমিকে ৰ'দ-বৰষুণত ব্যৱহাৰ কৰা জাপি। মাননীয় অধ্যক্ষ মহোদয়, জাপিয়ে GI Tag ৰ জৰিয়তে আইনগত স্বীকৃতি পাইছে। কিন্তু শিল্পীসকলে অসমৰ সমাজত প্ৰকৃত সন্মান পাইছেনে ? আমি লক্ষ্য কৰো যে গাওঁৰ শিল্পীসকলে জাপিৰ ব্যৱহাৰ কৰে, জাপি বনায়। বহু যুৱক-যুৱতী এই শিল্পৰ লগত জড়িত হৈ আছে, অসমৰ সমাজত শিল্পীসকলে তেওঁলোকৰ ব্যৱসায়, Trading, marketing, presentation আদি বিশ্ব দৰবাৰত আগুৱাই নিয়াৰ বাবে অসম চৰকাৰে পদক্ষেপ লোৱা মই দেখিবলৈ পাইছো। মই আজি সদনত মাননীয় মুখ্যমন্ত্ৰী মহোদয় বহি থকা দেখিবলৈ পাইছো। জাপি শিল্পীসকলৰ এটা অনাগত ভৱিষ্যতৰ কাৰণে ভাল ব্যৱস্থা, তেওঁলোকক উৎসাহিত কৰা আৰু জাপি শিল্পক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত অসম চৰকাৰে যাতে এক বিশেষ ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। দৈনন্দিন জীৱনৰ ক্ষেত্ৰত এই  শিল্পীসকল আগুৱাই যোৱাৰ বাবে  অসম চৰকাৰে যাতে এক বিশেষ ভূমিকা গ্ৰহণ কৰে । ইয়াৰ লগতে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই জাপি শিল্পীসকলক উৎসাহিত কৰিবলৈ আৰু অনাগত ভৱিষ্যতত জাপি শিল্পটোক অমূল্য সম্পদ হিচাপে স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ।  এতিয়া মাননীয় মন্ত্ৰী বিমল বৰা ডাঙৰীয়াই উত্তৰ দিব ।

**শ্ৰী বিমল বড়া, ( মন্ত্ৰী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি):** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে অসমীয়া সংস্কৃতি, পৰম্পৰাৰ লগত জড়িত এটা বিষয় বিধান সভাৰ মজিয়াত উত্থাপন কৰিছে , সেইয়া হৈছে জাপি । জাপি অসমৰ ঐতিহ্যবাহী হস্তশিল্প আৰু ৰাজ্যখনৰ সাংস্কৃতিক পৰিচয়ৰ এক অনন্য প্ৰতীক। পূৰ্বতে এই জাপি কৃষিজীৱী সমাজে ৰ'দ আৰু বৰষুণৰ পৰা সুৰক্ষা পাবৰ কাৰণে কৃষি কাৰ্যত তেখেতসকলে এই জাপি ব্যৱহাৰ কৰিছিল। কিন্তু বৰ্তমান সময়ত ইয়াৰ যি ব্যৱহাৰৰ যি মূল কাৰণ আছিল, এই পৰম্পৰাগত উদ্দেশ্যৰ সীমা অতিক্ৰম কৰি আজি আমাৰ সমাজৰ সাংস্কৃতিক, সামাজিক, পৰ্যটন ইত্যাদি ক্ষেত্ৰসমূহলৈও জাপিৰ ব্যৱহাৰ সম্প্ৰসাৰিত হৈছে। সেয়ে আমি ৰাজ্য অথবা ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন চৰকাৰী অনুষ্ঠান, আমাৰ বিহু উৎসৱ, সাংস্কৃতিক সমাৰোহ, শৈক্ষিক অনুষ্ঠান, পৰ্যটন ইত্যাদি বিভিন্ন কামত আমি সন্মানসূচক এক বস্তু হিচাপে আমি জাপিক ব্যৱহাৰ কৰোঁ আৰু লগতে ঘৰ সজ্জাৰ পৰা আৰম্ভ কৰি বিভিন্ন সুদৃশ্যপূৰ্ণ পৰিৱেশ নিৰ্মাণ কৰিবৰ কাৰণেও জাপি আমি ব্যৱহাৰ কৰি আহিছো। আমাৰ এই পবিত্ৰ সদনতো এটা সুন্দৰ জাপি স্থাপনেৰে সুন্দৰ্য্য বৃদ্ধি কৰিবৰ কাৰণে মাননীয় অধ্যক্ষ ডাঙৰীয়া আপুনি উদ্যোগ গ্ৰহণ কৰিছে। তাৰ কাৰণে মই ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আপোনাক ধন্যবাদ জনাবলৈ কৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই জাপি, ৰাজ্যখনৰ যি

পৰম্পৰাগত হস্তশিল্প আছে এই হস্তশিল্পসমূহৰ ভিতৰত অন্যতম হিচাপে গণ্য কৰা হয়। জাপি প্ৰকৃততে কেইবা প্ৰকাৰৰো জাপি আছে। এবিধ জাপি আছে হালুৱা জাপি বুলি কয়। পানীদৈ জাপি, হালবোৱা কাৰ্যত কৃষকে এই জাপি ৰ'দ আৰু বৰষুণৰ পৰা ৰক্ষা পাবৰ বাবে দুইখন হাত যাতে উন্মুক্ত হৈ থাকে তাৰ কাৰণে এই জাপি ব্যৱহাৰ কৰে। ঠিক তেনেধৰণে গৰখীয়া জাপি বুলি এটা জাপি আছে। সেই জাপি যেতিয়া আমাৰ গৰখীয়া সকলে গৰু-ম'হ চৰায় তেতিয়া তেওঁলোকে সেইটো ব্যৱহাৰ কৰে। পিঠা জাপি বুলি এটা জাপি আছে। সেই জাপিটো মূৰ আৰু পিঠিখন ঢাকি ৰাখে আৰু হাত দুখন মুকলি হৈ থাকে আৰু তেওঁলোকে খেতি কৰ্মত সেই পিঠা জাপি ব্যৱহাৰ কৰে। ঠিক তেনেধৰণে আৰু এটা কৃষি কাৰ্যতে ব্যৱহাৰ হোৱা এটা জাপি টুপি বা বৰুণ জাপি বুলি কয়। সেই গোটেই বিৱৰণটো মুখেৰে দিলে হয়তো বুজি পাবলৈ অসুবিধা হ'ব। ঠিক তেনেধৰণে ডাং জাপি বা পানী জাপি বুলি এবিধ জাপি আছে। আমাৰ লোক-সংস্কৃতিত উল্লেখ থকা পুৰণি যি পৰম্পৰা কৰ্মজীৱী সকলে এই জাপি ব্যৱহাৰ কৰিছিল আৰু পৰৱৰ্তী সময়ত ইয়াৰ ৰূপো লাহে লাহে সলনি হ'ল। সৰুদয়া জাপি এইটো এটা আমাৰ গীততো থাকে ভূপেনদাই এটা লিখিছিলে সৰুদয়া জাপি নে বৰদৈয়া জাপি বুলি এনেকে বুলি গীতত আছিলে আৰু এই জাপিটো মহিলা সকলে বিশেষভাৱে ব্যৱহাৰ কৰে, কন্যা সকলে যেতিয়া বিয়া-দিয়া হোৱা সময়ত এই কন্যা সকলকো আলংকৰিক জাপি হিচাপে তেওঁলোকক দিয়া হয় আৰু ইয়াত ৰঙা, বগা, সেউজীয়া ইত্যাদি বিভিন্ন ৰঙেৰে, সুতাৰে নক্সা ইয়াতে তৈয়াৰ কৰে আৰু এতিয়া আমি যি সমূহ জাপি দেখোঁ এতিয়া আমি বিভিন্ন ধৰণৰ বস্ত্ৰৰ জৰিয়তেও সুন্দৰ ৰূপত গঢ়ি তোলা হয়। ঠিক তেনেধৰণৰ এটা আছে বৰদৈয়া জাপি, এই বৰদয়া জাপি কামৰূপৰ ৰাজপৰিয়ালৰ লগত সকলৰ হৈতে জড়িত হৈ আছিল। এই জড়িত এই জাপিটো অলপ ডাঙৰ আৰু অলংকাৰৰে পৰিপূৰ্ণ। পৰৱৰ্তী সময়ত সোণ-ৰূপেৰেও এই জাপিটো নিৰ্মাণ কৰি সম্ভ্ৰান্ত লোক সকলে বিশেষভাৱে ৰাজপৰিয়ালৰ উচ্চপদস্থ বিষয়াসকলে ব্যৱহাৰ কৰিছিল। গাঁৱৰ বয়োজ্যেষ্ঠ নামঘৰৰ মুখ্য ব্যক্তি সকলেও এই জাপি ব্যৱহাৰ

কৰিছিল। ঠিক তেনেদৰে  ফুলাম জাপি আছে, ফুলৰ নক্সাযুক্ত এক আলংকৰিক এইটো জাপি। ঠিক তেনে টঙালী হাসতী, তকৌপতীয়া জাপি ঠিক তেনেধৰণে কুপ-মিউং-খাম চুতীয়া ৰজাসকলৰ সোণ আৰু ৰূপৰ কামেৰে এই জাপি তেওঁলোকে নিৰ্মাণ কৰিছিল। তেনেধৰণে কাম জাপি আছে, কেন জাপি আছে, খফ্ৰী বুলি এটা জাপি আছে বড়ো-কছাৰী সমাজত এই পৰম্পৰাগতভাৱে এই জাপি ব্যৱহাৰ কৰিছিল। এনেধৰণৰ বহু আমাৰ জাপিৰ নাম আমি জানো। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এই জাপিয়ে ২০২৪ চনৰ ৩০ মাৰ্চত ভাৰত চৰকাৰৰ ভৌগোলিক যি সূচক Geographical Indication পাবলৈ সক্ষম হৈছে, তাৰ ফলত এই শিল্পটোৰ লগত জড়িত বহু উৎপাদকৰ জীৱিকাক ই পৰোক্ষভাৱে সমৰ্থন জনাইছে। জাপিক অন্যতম অসমৰ হস্তশিল্প হিচাপে গঢ়ি তুলিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা বিভিন্ন সময়ত বিভিন্ন পদক্ষেপ আমি গ্ৰহণ কৰিছোঁ। মূলতঃ আমাৰ যদি ক'বলৈ যাওঁ যে নলবাৰী, বৰপেটা, কামৰূপ, বজালী, দৰং ইত্যাদি এই জিলাসমূহতে জাপিৰ অধিক নিৰ্মাণ হয়। মাননীয় অধ্যক্ষ মহোদয়, মূলতঃ নলবাৰী জিলাত বিখ্যাত এই জাপি। এই জাপি নিৰ্মাণৰ জৰিয়তে আমাৰ নলবাৰী জিলাৰ পূব নলবাৰী উন্নয়ন খণ্ডৰ অধীনৰ তিলামাৰা, জাপাৰকুছি, মাছদিয়া, কৰদৈতুলা, সুতাৰকুছি, বালিলেছা, মুগকুছি আদি গাঁৱৰ বহু লোকে এই জাপিক তেওঁলোকৰ জীৱিকা হিচাপে গ্ৰহণ কৰি আহিছে। প্ৰায় ১৫০০ শ মান পৰিয়াল এই জাপি নিৰ্মাণৰ জৰিয়তে তেওঁলোকে জীৱন নিৰ্বাহ কৰে। আমাৰ এই জাপি, এই শিল্পটোক Entrepreneur হিচাপে গঢ় দিয়াৰ কাৰণে আমি অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে বিভিন্ন ধৰণৰ সময়ে সময়ে আমি কাম কৰি আহিছোঁ। আমি জাপি ক্লাষ্টাৰ আমি গঠন কৰিছোঁ। মুখ্যমন্ত্ৰী থলুৱা উদ্যোগ বিকাশ আঁচনিৰ জৰিয়তে আমি ক'ভিডৰ সমস্যাটোতো প্ৰায় ১০০ জন শিল্পীক ১০,৫০০ টকাকৈ প্ৰায় ১০,৫০০০০.০০ লাখ টকা আমি প্ৰদান কৰিছোঁ। আমি নলবাৰী জিলা গ্ৰামোন্নয়ন অভিকৰণ আৰু বন বিভাগৰ যৌথ প্ৰচেষ্টাত দুখন টকৌ গছৰ নাৰ্ছাৰী ব্যৱস্থা কৰাৰ লগতে টকৌ গছ ৰোপণ কৰিবৰ কাৰণেও আমি ব্যৱস্থা কৰিছোঁ। তাৰোপৰি DRDA নলবাৰীৰ সহায়ত মুগকুছি

আদি গাঁৱত সমূহীয়া কৰ্মগৃহ নিৰ্মাণ কৰা হৈছে যাতে এই কৰ্মগৃহত সমূহীয়া ভাৱে জাপি প্ৰস্তুত আৰু প্ৰশিক্ষণ কাৰ্য সম্পন্ন কৰিব পাৰে। এই গাঁৱসমূহত আমি উদ্যম Registration ৰ সজাগতা শিবিৰ আমি আয়োজন কৰি আমি এই ক্ষেত্ৰত তেওঁলোকক Entrepreneur হিচাপে গঢ়ি তুলিবৰ কাৰণে আমি প্ৰয়াস কৰিছোঁ। কিছুসংখ্যক শিল্পীক আমি Flipkart ৰ জৰিয়তেও জাপিৰ অনলাইন ব্যৱসায় যাতে তেওঁলোকে কৰিব পাৰে, তাৰ কাৰণেও আমি কিছু শিল্পীক Artisan Card দিয়াৰ ব্যৱস্থা আমি কৰিছোঁ। এই কাৰ্ডে শিল্পীসকলক চৰকাৰীভাৱে স্বীকৃত হস্তশিল্পী হিচাপে পৰিচয় প্ৰদান কৰাৰ লগতে দক্ষতা প্ৰশিক্ষণ, আধুনিক ডিজাইন, প্ৰযুক্তিগত সহায়, উন্নত সঁজুলি, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় হস্তশিল্প মেলাত প্ৰদৰ্শনীত অংশগ্ৰহণ, বিপণন, প্ৰচাৰৰ সুবিধা এইসমূহ সুবিধা তেওঁলোকে লাভ কৰিব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি এখন অভিলাষী আঁচনি অসমৰ উদ্যমী যুৱক-যুৱতীসকলৰ কাৰণে প্ৰৱৰ্তন কৰিছে CMAAA মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান যাৰ জৰিয়তে আমাৰ যুৱক-যুৱতীসকলক ২ লাখকৈ টকা প্ৰদান কৰা হয়, মই ভাবোঁ যে আমি Value Addition ৰ জৰিয়তে আমাৰ এই CMAAA ৰ অধীনৰ আমাৰ উদ্যমী যুৱক-যুৱতীসকলে যদি এই জাপি প্ৰস্তুতকৰণৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰে, নিশ্চয় তেওঁলোকে এখন ভাল বজাৰ পাবলৈ সক্ষম হ'ব। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক পৰামৰ্শ আগবঢ়াইছে, আমাৰ থলুৱা ভাৱে প্ৰস্তুত হোৱা যিসমূহ আমাৰ সংস্কৃতিৰ লগত জড়িত যিসমূহ দ্ৰব্য আছে, সেয়া গামোচাই হওক বা জাপিয়েই হওক বা কাঁহৰ বাচন-বৰ্তনেই হওক, কাৰণ এইবাৰ আমাৰ দলৰ সংকল্প পত্ৰটোতো আমাৰ এই বিষয়টো উল্লেখ আছে যে Bell metal Promotion ৰ কাৰণে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষ উদ্যোগ গ্ৰহণ কৰিছে। গতিকে আমি এখন নতুন বজাৰ আমি সৃষ্টি কৰাৰ যথেষ্ট অৱকাশ আছে, কাৰণ আমাৰ যেতিয়া কোনোবা পৰ্যটক অসম পৰিভ্ৰমণ কৰিবলৈ আহে, তেওঁলোকে প্ৰথম হোটেলত থাকে। তেওঁলোকে তাৰ পিছতে আমাৰ ঐতিহাসিক স্থানসমূহ পৰিদৰ্শন কৰাৰ লগে লগে এটা আমাৰ সচৰাচৰ এটা আমাৰ অভ্যাস

ওচৰৰ এটা মললৈ যাওঁ। গতিকে আমি আমাৰ অসমত এতিয়া নিৰ্মাণ হৈ আছে বহুত ফাইভ ষ্টাৰ হোটেল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰিছে, আজি কাজিৰঙাত, আজি গুৱাহাটীত। গতিকে ফাইভ ষ্টাৰ হোটেলসমূহত যদি আমি এটা আসাম কৰ্ণাৰ বনাওঁ, আমি যদি মল সমূহত যদি আমি অসম কৰ্ণাৰ বনাওঁ আৰু সেই অসম কৰ্ণাৰত আমাৰ যি থলুৱাভাৱে উৎপাদিত যিসমূহ সংস্কৃতিৰ লগত জড়িত বস্তু আছে, সেইবিলাক যদি আমি প্ৰমোট কৰোঁ, ডেফিনেটলি পৰ্যটকসকলৰ আকৰ্ষণৰ এটা কেন্দ্ৰও হ'ব আৰু লগতে আমাৰ থলুৱা শিল্পীসকলেও এখন নতুন বজাৰ পাবলৈ সক্ষম হ'ব। গতিকে মই ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াক এটা নতুন চিন্তা আজি বিধানসভাৰ মজিয়ালৈ নতুন চিন্তা নহয়, আমাৰ পৰম্পৰাগত এটা আমাৰ সম্পদ, এই সম্পদক চৰ্চালৈ অনাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** আপুনি সাংস্কৃতিক বিভাগৰ দায়িত্বতো আছে, শিল্পী পেঞ্চন যিহেতু দিয়া হয়, মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছোঁ।

**ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** অধ্যক্ষ মহোদয়, মইয়ো এটা কথা ক'ব খুজিছোঁ।

**মাননীয় অধ্যক্ষঃ** যিহেতু মুখ্যমন্ত্ৰী ডাঙৰীয়াও আছে আৰু আপুনিও আছে, আমি আমাৰ জাপি শিল্পী সকলক, বছৰৰ অন্তত এজনকৈ হ'লেও শিল্পী পেঞ্চন দিব পৰা যাব নেকি ?

**শ্ৰী বিমল বড়া, ( মন্ত্ৰী, উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি সকল হস্তশিল্পৰ লগত জড়িত, craft আদি শিল্পী সকলক দিয়া হয়।

**মাননীয় অধ্যক্ষঃ** জাপি শিল্পী সকলক দিয়া হয় নে?

**শ্ৰী বিমল বড়া, ( মন্ত্ৰী, উদ্যোগ বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয় ওপৰত মই নিশ্চয় বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ।

**ৰেকিবুদ্দিন আহমেদ, ছমৰীয়াঃ** এইটো ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বিশেষভাৱে যাতে ব্যৱস্থা লয়, তেওঁলোকক স্বীকৃতি দিয়াৰ কাৰণে আৰু পৰ্য্যায়ক্ৰমে সময়ত যাতে আগুৱাই লৈ যাব পাৰে।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াই গুৱাহাটী মহানগৰক Purple City ধাৰণাৰে এক সুপৰিকল্পিত নগৰ বিকাশৰ দিশত চৰকাৰে গ্ৰহণ কৰিব লগীয়া পদক্ষেপ সমূহৰ বিষয়ে সদনত অৱগত কৰা শীৰ্ষক বিষয়টো মাননীয় গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰী প্ৰদ্যুৎ বৰদলৈ, দিশপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ । অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে মইও গুৱাহাটী মহানগৰীক প্ৰতিনিধিত্ব কৰো আৰু মোৰ বিধানসভাৰ সমষ্টিয়ে গুৱাহাটীৰ মহানগৰীৰ এটা বৃহৎ অংশ সামৰি লৈছে। যোৱা ১২ আৰু ১৩ জুলাইৰ দিনাখন দুপৰীয়াৰ পৰা বৰষুণ আৰম্ভ হ'ল আৰু এই দুদিনত মোৰ দিশপুৰ সমষ্টিত যোৰাবাট অঞ্চললৈকে ২২ টা এলেকা জলমগ্ন হৈ পৰিল, বানপানীৰ ঢল আহিল। আমি সকলোৱে জানো যে গুৱাহাটী মহানগৰী সম্প্ৰসাৰিত হৈছে । গুৱাহাটী মহানগৰীত যিবিলাক জলাশয় আছিলে, পানী ওলাই যোৱা যিবিলাক নলা আছিল, যিবিলাক সৰু সৰু নদী আছিল, গুৱাহাটী মহানগৰী সম্প্ৰসাৰণ হোৱাৰ লগে লগে জনসাধাৰণৰ যিটো বসতি হৈছে, এই বসতিৰ বাবে বিভিন্ন প্ৰকাৰে জলাশয় বিলাক বহুত সংকুচিত হৈছে, বহু জেগাত বেদখলো হৈছে, এইবিলাক কাৰণটো আছে, কিন্তু মই এইটো কথা ক'ব খুজিছো যে ১৮৭৪ চনত গুৱাহাটী মহানগৰীৰ পৰিসৰ আছিল মাত্ৰ ৬ বৰ্গ কিলোমিটাৰ। এই ৬ বৰ্গ কিলোমিটাৰৰ পৰা ২০১১ চনত ৩২৪ বৰ্গ কিলোমিটাৰ হ'ল গৈ। এতিয়া সম্প্ৰসাৰিত হৈ প্ৰায় ৫০০বৰ্গ কিলোমিটাৰ হৈছে গৈ । ১৯৫০ চনত গুৱাহাটী মহানগৰীৰ বাসিন্দা আছিল মাত্ৰ ৪২০০০ হাজাৰ । ২০১১ চনৰ census ত প্ৰায় ১০ লাখ বাসিন্দা আছিল আৰু এতিয়া ২০২৬ ত প্ৰায় ১৪ লাখ বাসিন্দা হৈছে। ইয়াৰ জলাশয়

বিলাক যেনে দীপৰ বিল, হাঁহচৰা বিল, নাৰেঙ্গী বিল, শিলসাঁকো বিল, বৰচলা বিল, সৰুচলা বিল, এইবিলাক জলাশয় বিভিন্ন প্ৰকাৰে বেদখল বা অইন অইন কাৰণত সংকুচিত হৈছে। পানী ওলাই যোৱা ভৰলু, মৰাভৰলু, বাহিনী নদী, বশিষ্ঠ এই বিলাকতো থকা প্ৰাকৃতিক সুঁতি আৰু নলাবিলাকো সংকুচিত হৈছে। ১৯৫০ চনৰ হিচাপ মতে দীঘলীপুখুৰী, শিলপুখুৰীৰ দৰে গুৱাহাটী মহানগৰীত প্ৰায় ৪১৬ টা মান বিভিন্ন আকাৰৰ আৰু বিভিন্ন ধৰণৰ পুখুৰী আছিল, সেইবিলাকো পুতি পেলোৱা হ'ল। আজি মোৰ দিশপুৰ সমষ্টিটো এনে কিছুমান প্ৰাকৃতিক নলা যেনে হাতিনলা, লখিমীজান, বশিষ্ঠপুৰ নলা, এইবিলাক নলা মানুহে সংকুচিত কৰিছে বা সেইবিলাক বন্ধ হৈ গৈছে। এতিয়া কথাটো হ'ল এই পবিত্ৰ বিধানসভাৰ নেতা আৰু আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বজন শ্ৰদ্ধেয় শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই শ্বিলঙৰ পৰা ৰাজধানী আনি ইয়াত পাতিছিল, এটা চাহ গুদামত আৰম্ভ কৰিছিল। ১৯৭৫ চনত তেওঁ মুখ্যমন্ত্ৰী আছিলে। তেওঁৰ ঘৰ আছিল জু-ৰোডৰ আজিৰ অপূৰ্ব সিংহা পথত। ১৯৭৫ চনত এদিন এনেকুৱা বানপানী হ'ল যে তেওঁ বিধানসভালৈ আহিব নোৱাৰিলে, কিয়নো তেওঁ গুৱাহাটীৰ জু-ৰোডত আবদ্ধ হৈ থাকিলে। তেতিয়া তেওঁ এষাৰ কথা কৈছিল যে আমি গুৱাহাটীৰ বানপানীৰ লগত সহাৱস্থান কৰিব লাগিব। সেই সময়ত বহুতে কটুক্তি কৰিছিল, ইতিকিং কৰিছিল, কিন্তু আজি মই এটা কথাই আঙুলিয়াই দিব খুজিছো যে যিটো এলেকাত সেই সময়ত প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰী শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া আছিল, তেওঁৰ অপূৰ্ব সিংহা পথত থকা ঘৰটো ভাঙি পেলাই সুউচ্চ অট্টালিকা বনোৱা হ'ল। তেওঁ ১৯৭৫ ৰ বানপানীত আবদ্ধ হোৱা এলেকাটোত এতিয়া পানী নহয়। এই কাৰণেই নহয় যে যোৱা কেইবছৰমানত চৰকাৰে চূণশালি পাহাৰৰ পৰা, নুনমাটিৰ পৰা Storm water drainage কৰি গোটেই জু-ৰোডত যিখিনি পানী আহিছিল সেইখিনি উলিয়াই পেলাই নিষ্কাশন কৰাৰ ব্যৱস্থা কৰিছে। ঠিক তেনেদৰে এই বানপানীৰ ক্ষেত্ৰতো আমি ব্যৱস্থা ল'ব লাগিব। আমাৰ যিবিলাক প্ৰাকৃতিক সম্পদ আছে সেইখিনিক সংবৰ্ধন কৰিব লাগিব আৰু কঠোৰভাৱে এই পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিব লাগিব, এই বিষয়ে মোৰ কোনো সন্দেহ নাই। কিন্তু

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাই ক'ব খুজিছোঁ যে গুৱাহাটীখন সম্প্ৰসাৰিত হৈছে গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰদলি। গুৱাহাটীক আমি কেৱল বানপানীৰ চহৰ বা বানপানীৰ মহানগৰী হিচাপেহে জানিম নে ? গুৱাহাটীৰ যিটো সত্তা, সেই সত্তাটোক আমি বুজিবলৈ চেষ্টা কৰিম আৰু সেই সত্তাটোক আমি বিজ্ঞানসুলভভাৱে আৰু উদ্ভাৱনী চিন্তাৰ সৈতে উপস্থাপন কৰিম ? মই এই কথাটো এইকাৰণেই কৈছোঁ যে গুৱাহাটীত যুগে-যুগে যিটো সত্তা আছে, তেতিয়াৰ কালিকা পুৰাণ, যোগিনী তন্ত্ৰ আৰু আমাৰ মহাভাৰততো গুৱাহাটীৰ কথা উল্লেখ কৰা আছে । গুৱাহাটী সেই সময়ত প্ৰাগজ্যোতিষপুৰ হিচাপে জনাজাত আছিল। নৰকাসুৰৰ ৰাজধানী আছিল গুৱাহাটী। কিৰাত ৰজা, তাৰ পিছতো যুগে-যুগে ইয়াত বাস কৰিছে বৰ্মন বংশই আৰু তেওঁলোকৰ ইয়াত ৰাজ্য আছিল। পাল বংশৰো ইয়াত ৰাজ্য আছিল। আনকি আহোম ৰজাসকলো পিছত আহি পেলাই আটাইতকৈ গুৰুত্বপূৰ্ণ ৰূপ দিলে গুৱাহাটীক আৰু এই গোটেই কথাবিলাক কোঁচনাগ বংশ, ৰাজবংশ, ৰঘুবংশ আনকি ভাস্কৰ বৰ্মনৰ ৰাজত্বৰ সময়ত হিউৱেন চাঙে আহি পেলাই সকলো কথা লিপিবদ্ধ কৰিছিল । ইয়াত এজন ইষ্ট ইণ্ডিয়া কোম্পানীৰ চিভিল চাৰ্জন আহিছিল। তেওঁৰ নামটো হ'ল Dr. John McCosh. তেওঁ গুৱাহাটীৰ ওপৰত এটা ৰিপৰ্ট দিছিল, Topography of Assam. এই ৰিপৰ্টটো, ১৮৩৭ চনতেই প্ৰকাশ পাইছিল । তাত তেওঁ কি লিখিছিল ? তেওঁ লিখিছিল যে, "Almost every hill around Guwahati is crowned with one or two little temples. In zila of Kamrup, there are no less than 37 temples, all endowed." ইয়াত বিভিন্ন শাসনাধিষ্ঠ আছিল আৰু তেওঁলোকৰ তত্ত্বাৱধানত ইয়াত উদগনি দিছিল আৰু এনে ধৰণৰ গুৱাহাটী এটা চাৰিওফালে ওলাই গৈছিলে। আপুনি জানে যে গুৱাহাটীৰ যিটো পৰিচয়, নীলাচল পাহাৰত কামাখ্যা, চিত্ৰাচলত নৱগ্ৰহ, সন্ধ্যাচলত বশিষ্ঠাশ্ৰম, ঠিক তেনেধৰণে গুৱাহাটীৰ চাৰিওফালে উমানন্দ, উগ্ৰতাৰা, অশ্বক্লান্ত, দৌল গোবিন্দ আৰু ক'ত-ক'ত যে বেলেগ-বেলেগ মন্দিৰ নাই। গুৱাহাটী হ'ল গোটেই অসমৰ, উত্তৰ-পূৰ্বাঞ্চলৰ আৰু ভাৰতৰ শাক্তি, শৈৱ-তন্ত্ৰ আৰু জ্যোতিষৰ স্নায়ু কেন্দ্ৰ আছিল।

গতিকে গুৱাহাটীৰ যিটো চৰিত্ৰগত যিটো বৈশিষ্ট্য, সেই বৈশিষ্ট্যক আমি সদায় উদগনি জনাব লাগিব আৰু গুৱাহাটীৰ যিটো চাৰিত্ৰিক বৈশিষ্ট্য, তাক আমি দাঙি ধৰিব লাগিব। মই এইখিনি কথা এইকাৰণে কৈছোঁ, কাৰণ আমাৰ মাননীয় মুখ্যমন্ত্ৰীদেৱৰ প্ৰচেষ্টাত গুৱাহাটীৰ পৰিসৰ বৃদ্ধি হৈছে, আজি যলৈকে যাওঁ আজি বেলেগ-বেলেগ ধৰণৰ নিৰ্মাণ কাৰ্য হৈছে। নতুন-নতুন ফ্লাইঅভাৰ হৈছে, সৌন্দৰ্যবৰ্ধন হৈছে, আমাৰ সুউচ্চ গগনচুম্বী অট্টালিকাবিলাক হৈছে। কিন্তু গুৱাহাটীৰ চাৰিত্ৰিক বৈশিষ্ট্য আমি কেনেধৰণে দাঙি ধৰিম? গুৱাহাটী কেৱল এখন কংক্ৰিটৰ জংঘল হিচাপে পৰিগণিত হ'ব? নে গুৱাহাটীৰ যিটো সত্তা, সেই সত্তাটোক আমি দাঙি ধৰিবলৈ চেষ্টা কৰিম? গতিকে ইয়াত এটা নতুন ধাৰণা গা কৰি উঠিছে, সেই গাটো হ'ল যে গুৱাহাটীক আমি পাৰ্পল চিটী (Purple City) হিচাপে পৰিগণিত কৰিম। কিয় পাৰ্পল চিটী? ইয়াত বহুতে প্ৰশ্ন কৰিছে, পাৰ্পল চিটী, বেঙুনীবুলিয়া ? মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ স্বীকৃত ফুল হ'ল, যেনেকে আমাৰ ৰাজ্যিক পশুধনৰ স্বীকৃত হ'ল এশিঙীয়া গঁড়, ঠিক তেনেধৰণে আমাৰ অসমৰ স্বীকৃত ফুল হ'ল কপৌ ফুল। কপৌ ফুলৰ যিটো প্ৰজাতি অসমত পায়, সেই প্ৰজাতিটো ঠিক অন্যত নাপাবও পাৰে আৰু সেই কপৌ ফুলটোক Rhynchostylis retusa বুলি কয়। সেই কপৌ ফুল শুদ্ধ বগা নহয়, সেই কপৌ ফুলৰ ৰং হ'ল বেঙুনীয়া আৰু সেই ৰংটোক সৰোগত কৰি আমি গুৱাহাটীক বেঙুনীয়া ধৰণেৰে সৈতে বেঙুনীয়া বুলিয়া হিচাপে আমি প্ৰতিষ্ঠাপন কৰিব খুজিছোঁ। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীক বেঙুনীয়া ৰঙে কেনেকৈ ৰক্ষা কৰিছিল, সেইটো ইতিহাসত লিপিবদ্ধ আছে। শৰাইঘাটৰ যুদ্ধৰ আগে আগে আহোম নৌসেনাই যিবোৰ নাও নিৰ্মাণ কৰিছিল, স্বৰ্গদেউ প্ৰতাপ সিংহই আহোমৰ নৌসেনাক সজাই পৰাইছিল আৰু তেতিয়াই মীৰজুমলাৰ আক্ৰমণৰ পিছতো আহোম নৌসেনাই যেতিয়া প্ৰতিপক্ষক, মোগলৰ আক্ৰমণ প্ৰতিহত কৰিবৰ কাৰণে যিবোৰ নাও ব্যৱহাৰ কৰিছিল, প্ৰত্যেকখন নাৱেই আজাৰ গছৰ কাঠেৰে নিৰ্মিত আছিল। যেতিয়া শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনৰ নেতৃত্বত ইফালে উত্তৰপাৰত আতন বুঢ়াগোহাঁয়ে বাহৰ

পাতি আছে, ৰাম সিংহৰ মোগলৰ বাহিনীক পৰাস্ত কৰিবৰ কাৰণে যি গেৰিলা ৱাৰফেয়াৰ (Guerrilla warfare) বা গেৰিলা যুদ্ধৰ প্ৰৱৰ্তন কৰিলে আহোম নৌসেনাই, নৌখালবিলাকত খালৈ যুদ্ধ কৰিলে আৰু এই আজাৰ কাঠৰ নাৱেৰে সৈতে তেওঁলোকে যুদ্ধ কৰি মোগল সৈন্য বাহিনীক পৰাস্ত কৰি ইটাখুলি ৰণত তেওঁলোকে মানাহৰ পাৰলৈকে ঠেলি পঠিয়ালে। এই আজাৰ গছ মধ্য অসমৰ পাহাৰৰ আৰু গুৱাহাটীৰ চাৰিওফালে আছিল । হাজাৰ হাজাৰ নাও প্ৰস্তুত কৰিবৰ কাৰণে আজাৰৰ কাঠ ব্যৱহাৰ কৰা হৈছিল। অধ্যক্ষ মহোদয়, আজাৰ গছ আমাৰ থলুৱা প্ৰজাতিৰ গছ। আজাৰ গছৰ এটা ডাঙৰ গু**ণ** হ'ল ই মাটি খামোচ মাৰি ধৰিব পাৰে। আজাৰ গছৰ পাতৰ ঔষধি গুনো আছে। আজাৰ গছৰ ফুলো বেঙুনীয়া ৰঙৰ। সেই কাৰণে মই ক'ব খুজিছো যে, আজি আমি গুৱাহাটীক কি বুলি প্ৰতিষ্ঠা কৰিম। আমি গুৱাহাটীৰ চাৰিত্ৰিক বৈ**শিষ্ট** যদি বিচাৰো তেনেহ'লে কিদৰে গুৱাহাটীক আমি প্ৰতিষ্ঠা কৰিম। গেলা, বোকা পানী, প্লাষ্টিক পলিথিনেৰে ভৰ্তি, বানপানীসিক্ত এখন কংক্ৰিটৰ জংঘল হিচাপে প্ৰতিষ্ঠা কৰিম , নে আমি ৰৌদ্ৰজ্বল পুৱাৰ দৰে এক উদ্যমিতাৰে সৈতে , আশা**সু**ধীয়া উদ্যমিতাৰে সৈতে যুগে যুগে অনা**দি** কালৰ পৰাই গুৱাহাটী যেনেদৰে পৰিচিত হৈ আছে নিজৰ সত্বাৰে সৈতে আৰু এই সত্বা আৰু বৈ**শিষ্ট** দাঙি ধৰাৰ বাবে আমি যিটো বেঙুনীয়াবুলীয়া ৰং যিটো বোলাব বিচাৰিছো – এইটো এটা কেৱল ৰং নহয়, এইটো হ'ল এটা নতুন উদ্যম, এইটো এটা নতুন আকাং**ক্ষা** , আৰু গুৱাহাটীক সৰ্বান্তকৰণে বাসযোগ্য এক মহানগৰী হিচাপে প্ৰতিষ্ঠিত কৰিবৰ বাবে আমি চেষ্টা কৰাটো উচিত বুলি ভাবি মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**ডঃতপন দাস, ডিমৰীয়া** ঃ অধ্যক্ষ মহোদয় মাননীয় বিধায়ক গৰাকীয়ে বক্তব্যত যিটো ডিমৰীয়াৰ কথা উল্লেখ কৰিছে মই ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া চহৰ ও নগৰ উন্নয়**ন** পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰ উত্তৰ ।

**শ্ৰীকৌশিক ৰয়, মন্ত্ৰী, চহৰ ও নগৰ উন্নয়ন বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াই গুৱাহাটী চহৰক পাৰ্পল চিটিৰ ধাৰণাৰে এক সুপৰিকল্পিত নগৰ বিকাশৰ দিশত চৰকাৰে গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহৰ বিষয়ে সদনক অৱগত কৰা – এই আলোচনাৰ আঁত ধৰি মই ক'ব বিচাৰো যে, গুৱাহাটী পৌৰ নিগমে সিদ্ধান্ত লৈছিল যে, গুৱাহাটী চহৰক বেঙুনীয়া চহৰ হিচাপে আমি আগবঢ়াব পাৰো। বেঙুনীয়া চহৰৰ ধাৰণা সন্দৰ্ভত লাভ কৰা জাননীৰ ওপৰত মই ক'ব বিচাৰো যে, ৰাজ্যখনৰ চহকী সাংস্কৃতিক আৰু ঐতিহ্যৰ প্ৰতীক হিচাপে পৰিগণিত অসমৰ ৰাজ্যিক ফুল কপৌফুলৰ পাতল বেঙুনীয়া ৰঙটো বিবেচনা কৰি গুৱাহাটীক বেঙুনীয়া চহৰ বা **Purple City** ৰূপে গঢ় দিয়াৰ বাবে গুৱাহাটী পৌৰ নিগমে এক পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ জনসাধাৰণৰ প্ৰতি পাতল বেঙুনীয়া ৰংটো নিজৰ নিজৰ চুবুৰী, নিজৰ নিজৰ পদু**লি** জিলিকাই তোলাৰ বাবে এক আহ্বানৰ যোগে অনুপ্ৰানিত কৰাৰ এক প্ৰয়াস কৰা হৈছে। আমাৰ গুৱাহাটী পৌৰনিগমৰ এটা প্ৰতিনিধি দল কেইমাহ মান আগতে ৰাজস্থানৰ ৰাজধানী জয়পুৰলৈ গৈছিল। আমি জয়পুৰ পিংক চিটি বুলি আমি সকলোৱে জানো। এই ধাৰণাৰ আধাৰতে গুৱাহাটী পৌৰনিগমে সিদ্ধান্ত ল'লে আৰু সেই সন্দৰ্ভত আয়োজিত এখন সাধাৰণ সভাত গুৱাহাটী পৌৰ নিগমৰ পাৰিষদসকলে, গুৱাহাটীৰ সকলো ৱাৰ্ডৰ নাগৰিক সমিতি , উন্নয়**ন** সমিতি তথা স্থানীয় ৰাজহুৱা সমিতিয়ে আৰু অন্যান্য অংশগ্ৰহণকাৰী গোটসমূহে স্বেচ্ছামূলকভাৱে কপৌফিলৰ ৰঙটো স্বচ্ছতা আৰু সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে অৰ্ন্তভূক্ত কৰি গুৱাহাটীক এখন বেঙুনীয়া চহৰ হিচাপে গঢ়ি তোলাৰ দিশত অৰিহণা যোগাবলৈ সিদ্ধান্ত লোৱা হ'ল। এই পদক্ষেপৰ লগত সংগতি ৰাখি গুৱাহাটীৰ ৬০ টা ৱাৰ্ডত গুৱাহাটী স্বচ্ছতা প্ৰতিযোগিতা আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত প্ৰতিখন ৱাৰ্ডত থকা নাগৰিক আৰু উন্নয়ণ সমিতিকে আদি কৰি বিভিন্ন ৰাজহুৱা অনুষ্ঠানত অংশ গ্ৰহণ সুনিশ্চিত কৰাৰ বাবে গুৱাহাটী পৌৰনিগমে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। আমি ইতিমধ্যে এই আহ্বানক গুৱাহাটীৰ নাগৰিকে ব্যাপক আদৰণি জনোৱাৰ লগতে

প্ৰায় ৩৫০ খন উন্নয়**ন** সমিতিয়ে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনৰ লক্ষ্য হৈছে যে, অংশগ্ৰহণ কাৰী সমিতিসকলোৰ মাজত প**ৰি**চ্ছন্ন**ন**তা সৌন্দৰ্য্য বৰ্দ্ধন অনামেয় দিশত এখন সুস্থ প্ৰতিযোগিতা গঢ়ি তোলা আৰু ৰাইজৰ সক্ৰিয় অংশগ্ৰহণে নিজৰ নিজৰ চুবুৰীসমূহক পৰিস্কাৰ প**ৰি**চ্ছন্ন**ন**তা কৰি ৰখা। এই প্ৰতিযোগিতাৰ মাধ্যমেৰে ৰাইজৰ মাজত ৰাজহুৱা সম্পদসমূহৰ ওপৰত সাময়িক দায়বদ্ধতাৰ মনোভাৱ সৃষ্টিকৰণৰ এটা প্ৰয়াস কৰা হৈছে। ইয়াৰ লগতে আমাৰ গুৱাহাটী পৌৰ নিগমে ৬০ টা ৱাৰ্ডৰ ৬ টা ডিভিজনৰ প্ৰত্যেক ডিভিজনতে প্ৰথম , দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰৰ লগতে কনচেশ্যন কৰাৰ ব্যৱস্থাও তেওলোকে কৰিছে। ৫ লাখ টকাৰ পুৰস্কাৰ আমি যাতে দিব পাৰো তাৰো এটা ব্যৱস্থা লোৱা হৈছে। ইয়াতে ১৫০ মাৰ্কৰ প্ৰতিযোগিতা হ'ব। ১০০ নম্বৰ থাকিব **Cleanliness and Waste segregation** ওপৰত আৰু ৫০ নম্বৰ থাকিব বেঙুনীয়া ৰঙটোৰ বাবে। অৰ্থাৎ আমাৰ ঘৰত-গেটত আৰু ৱালত এই বেঙুনীয়া ৰঙটো লগাব পাৰো তাৰ বাবে এনেধৰণৰ ব্যৱস্থা লোৱা হৈছে। লগতে গুৱাহাটী পৌৰ নিগমে গুৱাহাটীতে পাৰ্পল চিটিৰ কনচেপ্টটো আগবঢ়োৱাৰ বাবে আজাৰ গছ ৰুৱাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰ লগে লগে গুৱাহাটীৰ ২০ খন **Fly Over** ত **vertical garden** ৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। আমাৰ গুৱাহাটীখনক পাৰ্পল চিটি হিচাপে গঢ় দিয়াৰ বাবে মাননীয় বিধায়ক গৰাকীয়ে ৩০১ ত যিটো বক্তব্য উত্থাপন কৰিলে তাৰ বাবে ধন্যবাদ জনাইছো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী, অসম ঃ** অধ্যক্ষ মহোদয়, ইয়াতে মই দুটা বিষয় যোগ কৰি দিছো। সন্মানীয় সদস্য প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াই কপৌ**ফু**লৰ ৰং ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত যিটো পৰামৰ্শ দিছে পৌৰ নিগমে এই ক্ষেত্ৰত ব্যৱস্থা লৈছে। মই লোক নিৰ্মাণ বিভাগক ক'ম য'ত য'ত নান্দনিক সৌন্দৰ্য্যৰ লগত বিসংগতি নাথাকে তেনেকুৱা বি**ল্ডিং** বিলাক যিমান পাৰে কপৌফুলৰ আৰ্হিত বা কপৌফুলৰ ৰঙেৰে কৰক। আমাৰ বন বিভাগে এটা ব্যৱস্থা লৈছে যে, গুৱাহাটীৰ গোটেই ৰিং ৰোডটোত আজাৰ গছ প্লেনটেশ্যন কৰিব। খুব কম দিনৰ

ভিতৰতে আমি খানাপাৰাৰ পৰা জালুকবাৰীলৈকে কেৱল আজাৰ গছ প্লেনটেশ্যন কৰাৰ সিদ্ধান্ত লৈছো। **National Highway** বা যাক আমি ৰিং ৰোড বুলি কওঁ তাৰ নান্দনিক সৌন্দৰ্য্য বৃদ্ধি কৰিব। অধ্যক্ষ মহোদয়, যোৱা পৰহি যোৰাবাটত আমি এটা কৃত্ৰিম বান পানীৰ পৰিবেশ দেখিছেলো। এই ক্ষেত্ৰত আমি সদনক জনাব বিচাৰিছো যে, গুৱাহাটী ৰিং ৰোড পৰিকল্পনাই যোৰাবাটৰ কৃত্ৰিম বান পানীৰ পৰা আমি যাতে সকাহ পাওঁ তাৰ বাবে ৰিং ৰোডৰ মাষ্টাৰ প্লেনত ১৫০ কোটি টকা আবন্টণ কৰি থোৱা হৈছে। এতিয়া কনছালটেন্টে আৰু ড্ৰ'ইং বনাই আছে। মই ইতিমধ্যে কনছালটেন্টক কৈছো যে, ড্ৰ'ইংখন আই আই টি গুৱাহাটীৰ পৰা এপ্ৰোভ কৰি ল'ব। মই ভাবো যে ৰিং ৰোড নিৰ্মাণৰ কাম আগবঢ়াৰ লগে লগে যোৰাবাটত যোৱা পৰহি আমি যিখিনি অসুবিধা দেখিছিলো সেইখিনিও আমি আঁতৰ কৰিব পাৰো। আমাৰ ডিমৰীয়া সমষ্টিৰ বিধায়ক আৰু দিশপুৰ সমষ্টিৰ বিধায়ক ইয়াত উপস্থিত  আছে। যোৰাবাট যিহেতু অসম আৰু মেঘালয়ৰ কেন্দ্ৰবিন্দু সেই বাবে তাত বিভিন্ন কাৰণত  ট্ৰেফিক জাম হৈ আছে বা আগলৈ থাকিব। গতিকে **ডি**গাৰুৰ পৰা নাৰেংগীলৈ অহা ৰাস্তাটো ফ'ৰ লেইন কৰিব বিচাৰিছো জাগীৰোড বা আনফালৰ পৰা অহা মানুহ বা যান -বাহনৰ  এটা অল্টাৰনেটিভ ব্যৱস্থা হয়। এই ক্ষেত্ৰত মই দুয়োগৰাকী বিধায়কৰে সহযোগিতা কাম**না** কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এইটো সুন্দৰ পদক্ষেপ। আমি আজাৰ গছক লৈ স্বগীৰ্য় খগেন মহন্তৰ গানত  শুনিছো- যে এজাৰ ফুলা দেখি বেজাৰ কিয় ক**ৰা**।  এতিয়া ২০২৬-২৭ বৰ্ষৰ বাজেটৰ ওপৰত সাধাৰণ আলোচনাৰ। মই  ডাঃ জয়প্ৰকাশ দাস ডাঙৰীয়াক বক্তব্য আগবঢ়াবলৈ অনুৰোধ জনালো।

**ড° জয়প্ৰকাশ দাস, নাওঁবৈচাঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো যে  কালি দিয়া কথা আছিলে নাপালো, আজি হঠাতে আপুনি পুনৰ চিঠি এখন দি দিলে তাৰ কাৰণে ধন্যবাদ জনাইছো। মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক মোৰ ফালৰ পৰা অভিনন্দন জ্ঞাপন কৰিছো কাৰণ তেখেতে প্ৰথমবাৰৰ কাৰণে বাজেটখন দাখিল কৰিছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়,

মই ক’ব বিচাৰিছো যে এই বাজেটখন, এই যিখন বাজেট দাখিল কৰা হৈছে, এই বাজেটখনত নতুনত্ব একোৱেই নাই। এইখনক ৰাইজে আলোচনা কৰিছে যে বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰি আৰু ৰাইজে এনেকুৱা পৰ্য্যায়লৈকে কৈছে গৈ যে এইখনত নতুন বটলত পুৰণি যুঠীয়া ভৰাই দিছে বুলি কোৱা হৈছে। কিয়নো মাননীয় অধ্যক্ষ মহোদয়, মই ২০২৫-২৬ ৰ বাজেট শ্ৰীমতী অজন্তা নেওগ বাইদেউৰে দিয়া আৰু ২০২৬-২৭ ত শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই দিয়া বাজেটখন পঢ়িছিলো তেতিয়া মই দেখিছিলো বেছি সংখ্যক কথাই কপি পেষ্ট হৈ আছে, কিন্তু মাননীয় অধ্যক্ষ মহোদয় মাননীয় বিত্ত মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই কৌটিল্যৰ অতিথি বুলি কৈছে যে যেতিয়া ৰজা সুখী হয়, তেতিয়া প্ৰজা সুখী হয়। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, অসমত এতিয়া প্ৰজাৰ সুখ ক’ত ? য’ত ১০৫ টকাত পেট্ৰলৰ দাম হৈছে, য’ত গড়াখহনীয়াৰ কাৰণে ঘৰ যোৱাৰ পাছতো পইছা কেইটা সময়মতে নাপায়, য’ত এজাক বৰষুণতেই গুৱাহাটীত বানপানী হৈ যায়, মানুহ ওলাব নোৱাৰে। মই ভাবো এই উক্তিটো আচল অৰ্থত মিলা নাই। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই বাজেট চাইজৰ কথা কৈছে যে বাজেট চাইজ বাঢ়িছে আৰু এইটো ২০১৫-১৬ ৰ লগত তুলনা কৰি আছে। কিন্তু তেখেতে ২০২৫-২৬ ৰ লগত এই বস্তুটো তুলনা কৰা নাই আৰু আমি যেতিয়া দেখো তেখেতে দিয়া যিটো বাজেটখনত ২০২৫-২৬ ৰ লগত যেতিয়া তুলনা কৰো আমি দেখা পাওঁ যে যিটো আমাৰ Non tax revenue কৰবিহীন যিটো ৰাজহ, যিটো আমাৰ চৰকাৰ এখনে অসমৰ ৰাইজৰ পৰা নহয় যিবিলাক শিল, বালি বা কয়লা এই বিলাকৰ পৰা তুলিব পাৰে সেইটো এইবাৰ যোৱা বাৰ ৮০০০ ৰ পৰা এইবাৰ ৬০০০ কৰি দিছে। তাৰ মানে যোৱাবাৰত কৈ এইবাৰ কিয় তেওঁলোকে ১৯০০ কোটি টকা কমালে সেইটোত এটা আমি অলপ সন্দেহ প্ৰকাশ কৰিছো। কাৰণ ৰাজকোষলৈ অহা পইছাটো কিয় কমিছে, এইটো আমি এটা সন্দেহ প্ৰকাশ কৰিছো। দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, ২০২৫-২৬ ত যিটো Finance Commission ৰ যিটো কথা কোৱা হৈছে তাত যোৱা বাৰ ২০২৫-২৬ ত কৈ এইবাৰ কমাই দিয়া

হৈছে। যোৱাবাৰ মই exactly figure টো পাহৰিলো কিন্তু মই এটা কথা স্পষ্টকৈ জানো যে Finance Commission যোৱাবাৰ যিখন ২০২৫-২৬ ৰ যিমান পইছা তেওঁলোকে ধৰিছিলে এইবাৰ কিন্তু তাতকৈ কমাই ধৰিছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, Per capita income ৰ কথা বাঢ়িছে বুলি কৈছে, কিন্তু মাননীয় অধ্যক্ষ মহোদয় Per capita income ৰ কথা ২০১৫-১৬ ৰ লগত তুলনা কৰিছে, ২০২৬-২৭ ত কিন্তু আমাৰ growth টোৰ কথাটো তুলনা কৰা নাই। যিটো growth ২০১৫-১৬ ত আমাৰ ১৭ শতাংশলৈকে গৈছিলে, কিন্তু এইবাৰ আমি যিটো অনুভৱ কৰিছো ২০২৫-২৬ ত ১০-১১ শতাংশতে সীমিত হৈ আছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সততে আহি কয় যে A for Assam কিন্তু যদি A for Assam বুলি কয় কিন্তু এইবাৰ আমি যিখেন বাজেট দেখিলো তাত যিটো Central Sponsored Scheme ৰ কথা কোৱা হৈছে ক্ৰমান্বয়ভাৱে ২০২২-২৩ ৰ পৰা মাননীয় শ্ৰী মতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যিখন বাজেট দাখিল কৰিছিল তাত স্পষ্টভাৱে লিখা আছে Central Scheme বিলাক প্ৰত্যেক বছৰে বছৰে কমাই আহি আছে। সেইকাৰণে মাননী্য় অধ্যক্ষ মহোদয়, মই এই বাজেটখনত এটা কথা অনুভৱ কৰিছো যে এইবাৰ বাজেটত বহু বিভাগক বাজেটৰ allocation টো কাটি দিয়া হৈছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈছো চৰকাৰে কৈছে ২ লাখ নিবনুৱা কথা সমস্যাৰ দিম বুলি। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ইয়াতো স্পষ্টকৈ কোৱা নাই যে কোনটো বিভাগত কিমান তেওঁলোকে নতুনকৈ চৰকাৰী চাকৰি তেওঁলোকে আনিব বা কেৱল স্বাস্থ্য বিভাগতে job creation ৰ কথাটো কেৱল স্বাস্থ্য বিভাগতে ৩৩,০০০ (তেত্ৰিছ হাজাৰ) ৰ কথা কৈছে, কিন্তু বাকী কতো কোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, এটা অত্যন্ত দুখৰ কথা যে এইবাৰ মাননী্য় বিত্ত মন্ত্ৰী মহোদয়ে, ডঃ বাণীকান্ত কাঁকতি যিটো স্কুটী বিতৰণৰ কথাটো, এই স্কুটী বিতৰণৰ যোগেদি আমাৰ ছাত্ৰী সকলক যিটো আমাক এটা উদগনি দিয়া হয়, এইবাৰ কিন্তু অকপটে তেখতে স্বীকাৰ কৰিছে যে আমি এই স্কুটী বিতৰণটো অহা বছৰৰ পৰা বন্ধ কৰিম। এইটো খুব দুৰ্ভাগ্যজনক। মাননীয়

অধ্যক্ষ মহোদয়, এইখন বিজেপি চৰকাৰে সততে নামঘৰ, সত্ৰৰ কথা কয়। কিন্তু এইবাৰ খুব দুখেৰে কৈছো যে এইখন বাজেটত অসম দৰ্শন যিটো নামঘৰ, সত্ৰৰ কথা তাত কিন্তু কোনো বাজেট allocation কৰা দেখা নাপালো। মাননীয় অধ্যক্ষ মহোদয়, ২০২৬ চনৰ যিখন ঘোষণা পত্ৰ বিজেপিত তাত চাহ শ্ৰমিক সকলৰ নিম্নতম মজুৰি ৫০০ টকালৈ দিয়াৰ কথা কৈছিলে। কিন্তু এইবাৰ তাৰ কোনোধৰণৰ উল্লেখ কৰা দেখা নাপালো। মিছন বসুন্ধৰা-৪ ৰ কথা কৈছে কিন্তু মিছন বসুন্ধৰা ক্ষেত্ৰত Scheduled Caste, Scheduled Tribe কোনোধৰণৰ কিন্তু ইয়াত উল্লেখ নাথাকিল । Advantage Assam ৰ কথা প্ৰায়ে কৈ থাকে, Advantage Assam ত আমি তিনি চাৰি বছৰৰ পৰা শুনি আছো কিন্তু কেৱল জাগীৰোডৰ Semi Conductor আৰু Assam Valley Fertilizer তে সীমিত হৈ আছে বুলি আমি অনুভৱ কৰিছো । বেছি দীঘলীয়া নকও, মাননীয় অধ্যক্ষ মহোদয়, মোৰ এষাৰ কথা মনত আছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন বিদ্যালয়ৰ পৰা পঢ়িছিলে, কটন মহাবিদ্যালয় সেইখন বিশ্ববিদ্যালয় হ'ল । সেইখন বিশ্ববিদ্যালয় South East Asia ত সকলোতকৈ এক নম্বৰ University বনাম বুলি কৈছিলে । কিন্তু খুব দুৰ্ভাগ্যৰে আমি কৈছো এইবাৰ কিন্তু কটন University ত এক টকা ও পইছা এইখন বাজেটত উল্লেখ নাই। মাননীয় অধ্যক্ষ মহোদয়, খিলঞ্জীয়া ভূমিপুত্ৰ কৈৱৰ্ত সকল বা Scheduled Caste ৰ বিষয়ে এইখন বাজেটত কিন্তু Scheduled Caste শব্দটো উল্লেখ নথকাটো আমি উদ্বেগ প্ৰকাশ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এইখন বাজেটত গুৱাহাটী মেট্ৰৰ কথা কোৱা হৈছে, সপোণ দেখুওৱা হৈছে। কিন্তু অধ্যক্ষ মহোদয়, গুৱাহাটী মেট্ৰ'ৰ কথাটোত আমি তেওঁলোকক ধন্যবাদ জনাইছো, কিন্তু গুৱাহাটীৰ বানপানীৰ সমস্যাটো কেতিয়া সমাধান কৰিব, তাৰ ওপৰত কি বাজেট allocation হ'ল সেইটো কথা কিন্তু এইখন বাজেটত কোনোধৰণৰ উল্লেখ নাই।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**ড° জয়প্ৰকাশ দাস, নাওঁবৈচাঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি ভালকৈ পঢ়ি আহিছিলো আজি আপুনি হঠাতে দিলে কাৰণে মোৰ আৰু কবলৈ থাকি গ'ল।

সাঁত মিনিট সময় আছিলে চাৰি মিনিটতে ক'ব দিলে, কিন্তু মই এটা কথা কৈছো যে ৰাইজে আলোচনা কৰিছে মাননীয় বিত্ত মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়া এইখন বাজেট ২০২৫-২৬ খনৰ কপি পেষ্ট হৈছে বুলি কৈছে। এইখিনি কৈ এইকণ সুবিধা দিয়াৰ কাৰণে মই ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বক্তব্য ৰাখিব। বিত্ত মন্ত্ৰী ডাঙৰীয়াই শেষত ৰাখিব আৰু চলি থাকিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, পোনপ্ৰথমে অসম চৰকাৰৰ ২০২৬-২৭ চনৰ বিত্তীয় বৰ্ষৰ বাজেট উপস্থাপন কৰাৰ বাবে সন্মানীয় বিত্ত মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক অভিনন্দন জনাইছো আৰু বিত্ত মন্ত্ৰী হিচাপে এইয়া তেখেতৰ প্ৰথমবাৰৰ বাজেট। মই বাজেটখনৰ যাতে সুন্দৰ ৰূপায়ণ হয় তাৰ বাবে তেখেতক আগতীয়াকৈ শুভেচ্ছা যাচিছো। অধ্যক্ষ মহোদয়, দুই তিনিটা কথা সদনত আলোচনা হৈছে যে এই বাজেটখন মাননীয় শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়াৰ বাজেটৰ কপি পেষ্ট। মাননীয় অধ্যক্ষ মহোদয়, কপি পেষ্টেইটো হ'ব কাৰণ দুয়োখনে বিজেপি চৰকাৰ। অধ্যক্ষ মহোদয়, যদি অসমত কংগ্ৰেছ চৰকাৰ আহিলহেতেন তেতিয়াহলে হিমন্ত বিশ্ব শৰ্মাৰ বাজেট, অজন্তা নেওগৰ বাজেট আৰু জয়ন্ত মল্ল বৰুৱাৰ বাজেট তিনিখন বেলেগ বেলেগ হ'লহেতেন। কিন্তু যিহেতু যোৱা দহটা বছৰ অসমৰ ৰাইজে আমাক সুবিধা দিলে আৰু এইবাৰো আমাক চৰকাৰ গঠন কৰিব দিলে। So it is a vote for continuity. অৰ্থাৎ আমি যিবিলাক আঁচনি হাতত লৈছিলো তাত মানুহে সন্তুষ্টি প্ৰকাশ কৰিছে আৰু মানুহে আমাক আশীৰ্বাদ দিছে যে তোমালোকে যোৱা দহটা বছৰত যিখিনি কাম কৰি আছিলা সেই কামখিনি অহা পাঁচ বছৰত আগুৱাই লৈ যোৱা। অৰ্থাৎ, Last election was not a vote for change, last election was vote for continuity আৰু আমি কেনেকে continuity কৰিছো অধ্যক্ষ মহোদয়, ২০১৬ চনত অসমৰ বিত্ত মন্ত্ৰী হিচাপে বিজেপি NDA চৰকাৰৰ প্ৰথমখন বাজেট দিয়াৰ মোৰ সৌভাগ্য হৈছিল। তাত

আমি আৰম্ভ কৰিছিলো যে বাজেটত ১৮ টা ফ্লেগশ্বিপ স্কীম থাকিব। কাৰণ ভাগৱত গীতাৰো ১৮ টা অধ্যায় আছে। সেই পৰম্পৰাক আমি যোৱা ১১ বছৰ maintain কৰিছো আৰু এই বছৰো মাননীয় বিত্ত মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই maintain কৰিছে আৰু অহা চাৰি বছৰলৈ যেতিয়া শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই বাজেট দিব তাত হিমন্ত বিশ্ব শৰ্মা আৰু অজন্তা নেওগ ৰ বিত্তীয় বাজেটৰ কপি পেষ্ট আপোনালোকে দেখি থাকিব। গতিকে আমি কিবা এটা বেলেগ কৰিব তাত নোৱাৰো। দ্বিতীয়তে ইয়াত কোৱা হৈছে যে বাজেটত অসম চৰকাৰৰ একোৱেই নাই সকলো কেন্দ্ৰীয় চৰকাৰৰে। সেই কাৰণে অধ্যক্ষ মহোদয় আমি নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ জনাওঁ যে নৰেন্দ্ৰ মোডী ডাঙৰীয়াই অসমৰ বিত্তীয় অৱস্থা যিমান তাতকৈ আমাক বেছিকৈ সপোন দেখিবলৈ সাহস দিছে। অসমৰ বিত্তীয় অৱস্থাৰে কেতিয়াও কাজিৰঙাৰ ওপৰত elevated corridor বনোৱাৰ সপোন অহা ৫০ বছৰলৈ আমি দেখিব নোৱাৰিলোহেঁতেন। যদি নৰেন্দ্ৰ মোডী ডাঙৰীয়া নাথাকিলেহেঁতেন, তেতিয়াহ'লে নুমলীগড় আৰু গহপুৰৰ মাজত tunnel ৰ কল্পনা আমি ১০০ বছৰলৈ কৰিব নোৱাৰিলোহেঁতেন। আমাৰ লগত যদি প্ৰধান মন্ত্ৰী ডাঙৰীয়া আৰু অমিত শ্বাহ ডাঙৰীয়া নাথাকিলেহেঁতেন তেতিয়া অসমত এই শান্তিৰ পৰিৱেশ আমি কল্পনাও কৰিব নোৱাৰিলোহেঁতেন। সেইকাৰণেই আমি যেতিয়া ৰাইজৰ মাজলৈ গৈছিলো তেতিয়া ভোট প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াকে দিবলৈ কৈছিলো .......interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** চাৰ, মাজত মাতিব পাৰি নে নোৱাৰি?

**মাননীয় অধ্যক্ষঃ** নোৱাৰি।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত বিধান সভাৰ নিৰ্বাচনত আমি বিজয়ী হৈছিলো। গতিকে এই বাজেটৰ পাতে পাতে double engine government অৰ্থাৎ দুয়োখন চৰকাৰৰ কল্পনা, দুয়োখন চৰকাৰৰ সহযোগিতা আৰু হাতত হাত ধৰি অসমক

ভাৰতৰ ভিতৰত এখন চহকী ৰাজ্যলৈ ৰূপান্তৰ কৰাৰ কল্পনা সদায়ে বিৰাজমান হৈ থাকিব।  ইয়াত কিছুমান আঁচনি ৰাজ্য চৰকাৰৰ আৰু কিছুমান আঁচনি কেন্দ্ৰীয় চৰকাৰৰ । আমি দুয়োখন চৰকাৰ একেই। ইয়াৰ ফলত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সংঘাত নাথাকিব, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সহযোগিতা থাকিব আৰু তাৰ বিষয়ে এই বাজেটৰ পাতে পাতে উল্লেখ কৰা হৈছে। মই মন্ত্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াক অভিনন্দন জনাইছো যে মুখ্যমন্ত্ৰী হিচাপে মোৰ কল্পনাৰ লগতে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ অসমৰ প্ৰতি থকা সৎ ভাৱক সংমিশ্ৰণ কৰি অসমক আগুৱাই লৈ যোৱাৰ কল্পনা তেখেতে এই বাজেটত ৰাখিছে আৰু তাৰ বাবে সদনত তেওঁ নিশ্চিতভাৱে ধন্যবাদৰ পাত্ৰ। অধ্যক্ষ মহোদয়, সমগ্ৰ দিশটো নিৰ্ভৰ কৰে যে মানুহে অসমক কেনেকৈ চাব। আমি অসমৰ ভাল কথা ক'ম নে বেয়া কথা ক'ম এইটো মানুহৰ taste ৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াতে বহি অসমৰ কি কি হোৱা নাই সেই বিষয়ে মই তিনি দিন ক'ব পাৰো। বহুত হোৱা নাই কিন্তু এজন গৌৰৱী অসমীয়া হিচাপে অসমত কি কি হৈছে সেই কথাখিনি কোৱাৰ বাবে মই prefer কৰিম। ই মানুহৰ মানসিকতাৰ ওপৰত যে .......interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** কি কি হোৱা নাই সেইখিনি কওঁক।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈয়ে থাকে। তেখেতে ৰাতি facebook ত দি দিছে যে এনেকৈ কৈ থাকিব। গতিকে এইটো তেওঁৰ part of habit. কিছুমান মানুহৰ অভ্যাস চিধা কৰিব নোৱাৰি। তেওঁ facebook তে লিখি আছে যে মুখ্যমন্ত্ৰীয়ে ডেৰ ঘণ্টা কথা ক'ব, মই কিমান ক'ম? মই ১০২ জন সদস্যৰ নেতা, গতিকে মইতো সময় পামেই। এইটো গণতন্ত্ৰ। অধ্যক্ষ মহোদয় কাৰোবাৰ লগত নিজক তুলনা কৰাৰ আগতে যোগ্যতা আহৰণ কৰি ল'ব লাগে। সেইখিনিৰ কাৰণে মই বেয়া নাপাও। সেই কাৰণে মাজে মাজে খোৰাক দি থাকিব নহ'লে dull হৈ যাব। মাজে মাজে

খোৰাক চলি থকাত মোৰ কোনো আপত্তি নাই। কেৱল লাইনৰ বাহিৰত গ'লে আসন আপোনাৰ। অধ্যক্ষ মহোদয়, এজন মানুহৰ দৃষ্টি ভংগীত নিৰ্ভৰ কৰে যে মই অসমৰ বেয়া কথা কওঁ নে ভাল কথা কওঁ। অসমৰ কি কি হোৱা নাই। এজন মানুহে আমেৰিকাত গৈ আমেৰিকাৰ হস্পিতালবোৰৰ ফটো লৈ আহি সদায় সমালোচনা কৰিব পাৰিব যে গুৱাহাটী মেডিকেল কলেজত কি কি নাই। আমেৰিকাৰ Johns Hopskin Hospitalৰ লগত আমি নিজক তুলনা কৰিব নোৱাৰো। কিন্তু অধ্যক্ষ মহোদয়, আন এজন মানুহে ১০ বছৰ আগৰ গুৱাহাটী মেডিকেল কলেজৰ ফটো লৈ এতিয়াৰ গুৱাহাটী মেডিকেল কলেজৰ ফটো দি ক'ব যে ১০ বছৰ আগত গুৱাহাটী মেডিকেল কলেজৰ অৱস্থা এনেকুৱা আছিল আৰু আজি ১০ বছৰ পাছত গুৱাহাটী মেডিকেল কলেজৰ অৱস্থা এনেকুৱা হ'ল। বিৰোধী পক্ষৰ সদস্যসকলে কৈছে যে আমাৰ পইচা নাই, অসমৰ SOPD ত একো নাই কিন্তু যিদিনাখনেই মই লগ পাওঁ সেইদিনাই মোক কয় যে এইটো ৰাস্তা বনাই দিব লাগে সেইটো ৰাস্তা বনাই দিব লাগে। তাৰ মানে সদনত কয় যে চৰকাৰৰ টকা নাই, একো কৰিব নোৱাৰে কিন্তু যেতিয়া বিধান সভাৰ ৰুমত লগ পায় তেতিয়া সকলোৱে মোক কয় যে চাৰ আপুনিয়েই কৰিব পাৰিব, এইটো PM-DevINE, NESIDS ত আনি দিয়ক তাৰ মানে অন্তৰত অযুত বিশ্বাস আছে যে এইখন চৰকাৰেই পাৰিব। তাত কোনো অসুবিধা নাই .......interruptions....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** চাৰ, মোৰ এটা বিশ্বাস আছে যে অসমৰ সকলো পথাৰতেই পানী যোগানৰ ব্যৱস্থা এই চৰকাৰে কৰিব পাৰিব। অসমৰ পানী যোগানৰ ব্যৱস্থা .......interruptions....

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰীঃ** মই ডেৰ ঘণ্টা ক'ম বুলি আপুনি আপত্তি কৰিছিল। আপুনি যদি এনেকৈ থাকে তেন্তে মই তিনি ঘণ্টা ক'ম। গতিকে আপুনি শুনি থাকিব লাগিব। আপুনি কিয় entertain ৰ সামগ্ৰী এটা হ'ব খোজে? আপুনি আমোদৰ বিষয় কিয় হ'ব খোজে? দুয়োজনে লগ লাগিলেতো পিন্টু-মিন্টু যেন লাগে। সেইদিনাখনে ঘুতুংকৈ ক'লা কাপোৰ পিন্ধি আহি কথা-বাৰ্তা নোহোৱাকৈয়ে গুছি গ'ল। মই বুজিয়েই নাপালো কিয় সোমালে কিয় ওলাই

গ’ল। অধ্যক্ষ মহোদয়, মই এটাই কথা ক’ম যে বাজেটৰ বক্তব্য serious বক্তব্য। আমি ধেমালি কৰি থাকিব পাৰিম । এতিয়া মই কথাখিনি ক’লে পিছত সকলোৰে সহায় হ’ব । অধ্যক্ষ মহোদয়, এটা জাগতিক ঘটনা আপুনি কি দৃষ্টিভংগীৰে চাব? স্বাভাৱিকভাৱে আমি শাসকীয় পক্ষৰ সদস্যই অসমৰ ভাল কথাবোৰ ক’ম যে অসমত কিমান পৰিৱৰ্তন হ’ল, কিমান ভাল হ’ল। আমি আজি বিধান সভাৰ যিটো বিল্ডিঙত বহি আছো, আগতে গুদাম আছিল। আজি এই বিধান সভাৰ চৌহদটোৱে এখন পৰিৱৰ্তিত অসমক প্ৰতিনিধিত্ব কৰে । তেনেকৈ মই হাজাৰটা উদাহৰণ দেখাব পাৰিম যে অসমৰ পৰিৱৰ্তন যোৱা ১০ টা বছৰত আমি পোৱা পৰিৱৰ্তন। যদি পৰিৱৰ্তন নাথাকিলেহেঁতেন অসমৰ মানুহে এনেকৈ ১০২ জন বিধায়কক জিকাই ইয়াত কেতিয়াও পঠাই নিদিলেহেঁতেন। মই অসমবাসী ৰাইজক আকৌ এবাৰ কৃতজ্ঞতা জনাইছো আৰু মই আশ্বাস দিছো যে অহা ৫ টা বছৰ আমি দিনে নিশাই পৰিশ্ৰম কৰি অসমখনৰ উন্নয়নৰ বাবে আকৌ এবাৰ নিজকে উৎসৰ্গিত কৰিম । অধ্যক্ষ মহোদয়, মই দুটা উদাহৰণেৰে আগবাঢ়িম । পৰৱৰ্তী সময়ত মই বাজেটৰ ওপৰত ক’ম। এইবাৰ মন্ত্ৰীসভাৰ portfolio দিয়াৰ আগতে ৰাতিপুৱা মই পীযুষ হাজৰিকা ডাঙৰীয়াক ফোন কৰি সুধিছিলো যে তেখেতে আগৰ বিভাগতে থাকিব বিচাৰে নে কৃষি আৰু জলসিঞ্চন একেলগ কৰি ল’ব বিচাৰে? তেতিয়া তেওঁ এক ছেকেণ্ডো নষ্ট নকৰি কৈছিল যে কৃষি আৰু জলসিঞ্চন একেলগ কৰিলে তেওঁ ভাল পাব । আমি সদনৰ ভিতৰত কৃষি, জলসিঞ্চনৰ কথা কৈছো। আকৌ বাহিৰত কৈছে যে পীযুষ হাজৰিকাৰ পাখি কাটি দিলে। কৃষি আৰু জলসিঞ্চন মন্ত্ৰীৰ দৰে ডাঙৰ দপ্তৰ দুটাৰ যেতিয়া পাখি কটাৰ লগত তুলনা কৰে তাৰ মানে সেই ব্যক্তিজনে কৃষি আৰু জলসিঞ্চনৰ উন্নতি বিচাৰে সেয়া তেওঁৰ নিকৃষ্ট মানসিকতাই তাক প্ৰতিনিধিত্ব কৰে । মোৰ আজিও মনত আছে চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৈছিল যে তেওঁ কৃষি মন্ত্ৰী পোৱাটোৱেই তেওঁৰ জীৱনৰ আটাইতকৈ সৌভাগ্য আছিল। অসমৰ সীমিত সম্পদৰ মাজত কি কৰিব পাৰি বা নোৱাৰি সেয়া বেলেগ কথা কিন্তু কৃষি আৰু জলসিঞ্চন বিভাগক যেতিয়া

কোনোবাই পাখি কটাৰ লগত তুলনা কৰে তেতিয়া তেনেকুৱা নিকৃষ্ট মানসিকতাৰ লগত আমি competition কৰিব নোৱাৰো। কাৰণ আমাৰ নিজৰ নিজৰ reservation আছে , আমাৰ restriction আছে। আমি কেনেকৈ তাৰ লগত competition কৰিম । মাননীয় অধ্যক্ষ মহোদয়, অসমৰ Multidimensional poverty দৰিদ্ৰতা। ২০১৫ চনত যেতিয়া নীতি আয়োগে বা তেতিয়াৰ Planning Commission য়ে প্ৰথম ডাটা দিছিল অসমক দৰিদ্ৰতা Multidimensional poverty আছিল 32.67% তাৰমানে আমি যদি ১০০ জন ব্যক্তি আছো, তাৰ ৩৩ জন ব্যক্তি দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বাস কৰে। মাননীয় অধ্যক্ষ মহোদয়, আজি অসমৰ Multidimensional poverty হৈছে 14.47, ২০ শতাংশ লোকক , ২০ শতাংশ পৰিয়ালক দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰাৰ কৃতিত্ব এইখন চৰকাৰে নিশ্চিতভাৱে ল'ব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, When you attack poverty, আপুনি যেতিয়া poverty ক আক্ৰমণ কৰিব, তাৰ world wise তাৰ recognized formula হৈছে direct cash benefit transfer. কাৰণ মাননীয় অধ্যক্ষ মহোদয়, you don't have time. আপুনি ক'ব পাৰে কৃষি কৰক, জলসিঞ্চন কৰক, ক্ষুদ্ৰ উদ্যোগ কৰক, মধ্যমীয়া উদ্যোগ কৰক, মাননীয় অধ্যক্ষ মহোদয়, over a period of 50 years এনেকুৱা infrastructure হ'ব পাৰে। অসমত আজি আমি কিমান জলসিঞ্চন কৰো। Max to max আমি কিমান টকাৰ বাজেট দিব পাৰিম মাননীয় অধ্যক্ষ মহোদয়। আজি এজন সদস্যই কৈছে প্ৰতিখন গাঁৱতে জলসিঞ্চন কৰক। ধুনীয়াকৈ কৰিব পাৰি। ৫ বছৰত ৰাষ্টা নবনাও, ৫ বছৰত স্কুল নবনাওঁ, ৫ বছৰত নিযুক্তি নিদিওঁ আন একো কাম নকৰো, কেৱল irrigation কৰো। That is one approach. আনটো approach হৈছে যে আমি জলসিঞ্চনত বেছি টকা আৱণ্টন কৰিম you give priority যদি মই priority ও দিও, দেৰ লাখ টকাৰ বাজেটখনত আমি কিমান Priority দিব পাৰো। তাৰমানে জলসিঞ্চন, কৃষি, ক্ষুদ্ৰ উদ্যোগ, মজলীয়া উদ্যোগ এই ধৰণৰ ব্যৱস্থাৰে যদি দৰিদ্ৰতাক আক্ৰমণ কৰিবলৈ যাওঁ it will take 20 years. 70 years স্বাধীনতাৰ পিছত আমি ৭০ বছেৰ অপেক্ষা কৰিলো যে

অসমত দৰিদ্ৰতাৰ সীমাৰেখা কেতিয়া single digital লৈ আহিব ? কংগ্ৰেছ fail, কিয়, কাৰণ কংগ্ৰেছৰ দিনত bank account নাছিল, কংগ্ৰছৰ দিনত আধাৰ নাছিল । ইচ্ছা থাকিলেও ৰাজীৱ গান্ধী ডাঙৰীয়াই কৈছিল যে মই ১০০ টকা পঠালে ১০ টকাহে হিতাধিকাৰীজনে পায়, ৯০ টকা ৰাষ্টাত নোহোৱা হয়। এইটো মোৰ বক্তব্য নহয়, ৰাজীৱ গান্ধী ডাঙৰীয়াই এই কথা উল্লেখ কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, ২০১৫-১৬ ৰ পৰা ২০২৬ ৰ ভিতৰত যোৱা ১০ বছৰত অসমত যদি Multidimensional poverty 32.67 ৰ পৰা it has reduce to 14% আৰু আজি হয়তো নীতি আয়োগৰ নতুন যদি সমীক্ষা ওলাই, we will be at single digit, মই নিশ্চিত। ইয়াত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে direct cash benefit transfer. অৰ্থাৎ দুখীয়া লোকসকলৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে টকা জমা দিয়া। মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই আঁচনি বিলাকৰ ভিতৰত মোৰ study নহয়, Academic কেইবাখনো papers ওলাইছে, যে অৰুণোদয়ে আটাইতকৈ ডাঙৰ ভূমিকা গ্ৰহণ কৰিছে অসমত দৰিদ্ৰতা সীমাৰেখা হ্ৰাস কৰাৰ ক্ষেত্ৰত। মাননীয় অধ্যক্ষ মহোদয়, আমি যদি NFSS 5 আৰু 6 ৰ মাজত অসমৰ পৰিৱৰ্তন দেখো, কিষান সন্মান নিধি, নিযুত মইনা, অৰুণোদয়, প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ বিনামূলীয়া চাউল, এই গোটেই আঁচনি বিলাকে আজি প্ৰত্যক্ষভাৱে দৰিদ্ৰতাক আক্ৰমণ কৰিছে । মই কেতিয়াবা আচৰিত হওঁ যে বামপন্থীত বিশ্বাস কৰা ব্যক্তিসকলে যেতিয়া অৰুণোদয় আঁচনিখনক আক্ৰমণ কৰে । মাননীয় অধ্যক্ষ মহোদয়, অৰুণোদয়ৰ দৰে আঁচনি যেতিয়ালৈকে কৃষি, জলসিঞ্চনে এটা পৰ্য্যায় নাপায়। বানপানীৰ সমস্যা যেতিয়ালৈকে আমি সমাধান কৰিব নোৱাৰো, যেতিয়ালৈকে আমি Multiple topping আৰম্ভ কৰিব নোৱাৰো, আমি সেই মূহুৰ্তলৈকে দৰিদ্ৰতাৰ সীমাৰেখা বা দৰিদ্ৰতাৰ সৈতে যুঁজিবৰ কাৰণে poverty ৰ সৈতে fight কৰিবৰ কাৰণে direct cash benefit transfer ইয়াৰ আপুনি সহায় ল'বই লাগিব । মাননীয় অধ্যক্ষ মহোদয়, মই এটা ডাঙৰ সাফল্যৰ কথা ক'ম । আমি যেতিয়া নিযুত মইনা আঁচনিখন আৰম্ভ কৰিছিলো, প্ৰথম বছৰ ২ লাখ ৭০ হাজাৰ student য়ে এই

আঁচনিখনৰ সুবিধা পাইছিল। যোৱা বছৰ প্ৰায় চাৰে ৩ লাখ  student য়ে এই আঁচনিখনৰ সুবিধা পালে আৰু এইবাৰ মোক কোৱা হৈছে যে ই চাৰে চাৰি লাখ পাব। ই সংখ্যা নহয়, অধ্যক্ষ মহোদয়, this is a number. যে অসমৰ কলেজত ছোৱালীয়ে পঢ়াৰ সংখ্যা কি ধৰণে বৃদ্ধি পাইছে। টকা কাক দিছো impotant নহয়, আজি অসমৰ মহাবিদ্যালয়ত ছাত্ৰীৰ সংখ্যা দ্ৰুতগতিত বাঢ়িবলৈ আৰম্ভ কৰিছে আৰু ছাত্ৰীৰ সংখ্যা যেতিয়া বাঢ়ে, বাল্যবিবাহ বন্ধ হয়, ছাত্ৰীৰ সংখ্যা যেতিয়া শিক্ষানুষ্ঠানত বাঢ়ে ই জনসংখ্যা নিয়ন্ত্ৰণ কৰে আৰু ছাত্ৰীৰ সংখ্যা যেতিয়া সমাজত বাঢ়ে, ই সমাজত সমতাৰ সৃষ্টি কৰে, নাৰীক অধিকাৰ প্ৰদান কৰে। মাননীয় অধ্যক্ষ মহোদয়, এখন সৰু ৰাজ্য হিচাপে আমি অত্যন্ত এখন সৰু ৰাজ্য । আমাৰ  GDP ৫ লাখ, ৬ লাখ, ৭ লাখ আৰু তাৰ তুলনাত পশ্চিমবংগ, মহাৰাষ্ট্ৰ, তেওঁলোকৰ GDP হৈছে ২০ লাখ কোটি টকাতকৈ বেছি। অসমৰ দৰে এখন সৰু ৰাজ্যত মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ টা বছৰৰ অবিৰত সংগ্ৰামৰ পিছত আমি কেইবাটাও চমকপ্ৰদ সাফল্য লাভ কৰিছো। নিযুত মইনা, নিযুত বাবু, অৰুণোদয়ে দৰিদ্ৰতাক আক্ৰমণ কৰিছে, সমতাৰ সৃষ্টি কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, NFSS- 5 2019-21 ত ওলাইছিল, NFSS- 6 2026 published হৈছে। একপ্ৰকাৰ আমাৰ চৰকাৰখনৰ ৫ বছৰত যি যাত্ৰা তাৰ লগত NFSS ৰ  5 ৰ পৰা  NFSS 6  এই যাত্ৰা সমান্তৰালভাৱে আগবাঢ়িছে। মাননীয় অধ্যক্ষ মহোদয়, Maternal Mortality.

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** চাৰ, মই এটা কথা সুধিব খুজিছো Multidimensional poverty index ত অসম ভাৰতৰ কেইনম্বৰত আছে। **ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী, অসমঃ** মাননীয় অধ্যক্ষ মহোদয়, নাম্বাৰৰ প্ৰতিযোগিতা কৰিবৰ কাৰণে.....(কথাৰ মাজত বাক-বিতণ্ডা)

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** আটাইতকৈ বেয়া position ৰ ভিতৰত বিহাৰ ১ নম্বৰ, অসম ৬ নম্বৰ।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী, অসমঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬ নম্বৰত হোৱাতো কিমান ডাঙৰ ভাগ্যৰ কথা। আলফা বানপানী, Tribal movement

আৰু এই গোটেই পৰিৱেশৰ মাজত ভাৰতৰ ভিতৰত যদি তলৰ পৰা ৬ নম্বৰ হৈছো সাফল্য নহয় জানো ? পিছত আপুনি চাব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** বিহাৰ, মেঘালয়, ঝাৰখণ্ড,উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশৰ পাছতে অসম। আটাইতকৈ দুখীয়া ৰাজ্য । গোটেই ভাৰতবৰ্ষৰ ভিতৰত ৬ নম্বৰ দুখীয়া ৰাজ্য অসম।

**ড° হিমন্ত বিশ্ব শৰ্মা, ( মুখ্যমন্ত্ৰী )ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ধেমালি কৰি থকা লৈকে ঠিক আছে, চিৰিয়াচ কথাৰ পিছত। আজি মই মহাৰাষ্ট্ৰ, পশ্চিমবংগৰ লগত প্ৰতিযোগিতা কৰিব পাৰো নেকি ? মই কমাই কমাই একলৈকে আনিব পাৰো। আজি কংগ্ৰেছৰ দিনৰ ৩৩ ৰ পৰা মই ১৪ লৈ আনিছো। মই মোৰ লগত প্ৰতিযোগিতা কৰিব পাৰো।

**শ্ৰীঅখিল গগৈ, ( শিৱসাগৰ )ঃ** ভাৰতৰ সকলোতে হৈ গ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা, ( মুখ্যমন্ত্ৰী )ঃ** সেইকাৰণে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ জনাব লাগে যে তেওঁ ভাৰতৰ সকলো ৰাজ্যতেই provety কমাইছে।

**শ্ৰীঅখিল গগৈ, ( শিৱসাগৰ )ঃ** আমাৰ পজিশ্যন ভাল হোৱা নাই। ভাৰতৰ ভিতৰত ৬ নম্বৰত থকা আটাইতকৈ দুখীয়া ৰাজ্য হ'ল অসম।

**মাননীয় অধ্যক্ষঃ** Hon'ble Member Shri AKhil Gogoi is expelled from the House for the whole day.

**ড° হিমন্ত বিশ্ব শৰ্মা, ( মুখ্যমন্ত্ৰী )ঃ** আপুনি এটা নিজেই ইয়াৰ ডাঙৰ কাৰণ। কেনেকৈ আপুনি এটা কাৰণ মই কম। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমাৰ আজি maternal mortality 480 ৰ পৰা ৮৪ লৈ নামি আহিব পাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি যদি total fertility rate 1.9 ৰ পৰা আমি 1.6 লৈকে নামিব পাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মহিলাই, আপুনি চাব পাৰে যে আজি আমাৰ institutional delivery....

.............(সদনত হুলস্থূল)....................

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰঃ** অসম তল ফালৰ পৰা ৬ নম্বৰত আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, ( মুখ্যমন্ত্ৰী )**ঃ মাননীয় অধ্যক্ষ মহোদয়, দুখীয়া হয় কাৰণেই আপোনালোকৰ সহযোগিতা লাগে । ধনী হ'লেতো কথাই পাতিব নালাগে । আজি আমাৰ institutional delivery অৰ্থাৎ এগৰাকী মাতৃয়ে হস্পিতালত প্ৰসৱ কৰাৰ সংখ্যাত আমি আজি ৯০ অতিক্ৰম কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, NFSS 5 আৰু 6 ত কোৱা হৈছে যে আমাৰ বাল্য বিবাহ ৰোধ হৈছে আৰু আজি আমাক দেখুওৱা হৈছে যে প্ৰত্যেক গৰাকী ৯০.৭ শতাংশ মহিলাই স্বীকৃতিপ্ৰাপ্ত health worker ৰ সহায়তহে প্ৰসৱ কৰে। অৰ্থাৎ মাননীয় অধ্যক্ষ মহোদয়, আমি যদি এফালৰ পৰা চাব যাওঁ NFSS 5 আৰু 6 ত মাজত আমি প্ৰায় বিলাকতে ৰাষ্ট্ৰীয় সূচাংকক প্ৰথমবাৰৰ বাবে স্পৰ্শ কৰিবলৈ সক্ষম হৈছো। ইয়াৰ আগতে যোৱা ৭০ বছৰত কংগ্ৰেছ দলৰ চৰকাৰ বা আমাৰ চৰকাৰ, AGP চৰকাৰ যাৰেই চৰকাৰ নাথাকক কিয় আমি ৰাষ্ট্ৰীয় সূচাংকৰ পৰা বহুত দূৰত অৱস্থান কৰিছিলো। আজি প্ৰত্যেকটো পৰ্য্যায়তে ৰাষ্ট্ৰীয় সূচাংকক স্পৰ্শ কৰিবলৈ সক্ষম হৈছো । যোৱা পাঁচ বছৰত যি এক সফলতা আছিল সেই সফলতাক ভিত্তি হিচাপে লৈ আমি ২০২৬ চনৰ পৰা ২০৩১ চনলৈ আন এটা সোণসেৰীয়া যাত্ৰা হাতত লোৱাৰ বাবে এই বাজেটে দি আমি আমাৰ যাত্ৰা আৰম্ভ কৰিব খুজিছো । মাননীয় অধ্যক্ষ মহোদয়, আমি ক'ৰ পৰা আজি কলৈকে আহিব খুজিছো। আপুনি অৱগত যে সমগ্ৰ দেশ এই সময়ত West Asian Crisis আজিও তেলৰ মূল্য ৮৬ ডলাৰ প্ৰতি বেৰেলত আজিও বাঢ়ি গৈ আছে। এনে পৰিৱেশৰ মাজতো আমাৰ ৰাজ্য চৰকাৰে আমাৰ কৰ্মচাৰী সকলক ৬০ শতাংশ Dearness Allowance দিছো। এতিয়া তুলনা হ'ব যে অসম কেই নম্বৰত আছে। ভাৰতৰ মাত্ৰ তিনিখন ৰাজ্যই এই crisis ৰ মাজতো কৰ্মচাৰীক ৬০ শতাংশ Dearness Allowance দিছে। সেই কেইখন ৰাজ্য হৈছে হাৰিয়াণা, উৰিষ্যা আৰু অসম। মাননীয় অধ্যক্ষ মহোদয়, মোৰ ডাটাৰ উপৰিও হয়তো আৰু এখন-দুখন ৰাজ্যইও দিব পাৰে। কিন্তু majority of state আজি কোনেও সাহস কৰা নাই।

তাৰ মাজত আজি আমি চৰকাৰী কৰ্মচাৰীক up to date 60% Dearness Allowance দিবলৈ সক্ষম হৈছো। এনেকুৱা এটা অৱস্থা হৈছে, যে যদি দুমাহ-তিনিমাহ DA দিয়াত দেৰী হয় তেতিয়া আমাৰ কৰ্মচাৰী পৰিষদে তাতো আহি আপত্তি কৰে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মই বুজি পাওঁ যে যিটো সময়ত পশ্চিমবংগ আৰু ডাঙৰ ডাঙৰ ৰাজ্যবোৰে DA দিব পৰা নাই সেইসময়ত আমাৰ ৰাজ্য চৰকাৰে চৰকাৰী কৰ্মচাৰী সকলক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত আমি কেতিয়াও পিছ হুহুকি অহা নাই। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাজত সমস্যা কি ? অসমত বহুদিনৰ পৰা এটা বাওঁপন্থী চিন্তাধাৰা বিৰাজমান হৈ আছে। তেখেত সকলে ৰাজ্যখনক আগবাঢ়িব নিদিয়ে আৰু CPM state ত তেওঁলোকে মানুহ ৰাখিব বিচাৰে যাতে মানুহ ৰাস্তালৈ ওলাই আহে আৰু মানুহবোৰো আন্দোলনত লিপ্ত হয় আৰু তেওঁলোকে anarchy create কৰিব খোজে। যোৱা কেইটামান দিনত আপুনি যদি চায় যে, চৰকাৰে য'তেই এটা আঁচনি লৈছে তাতেই বাওঁপন্থী লোকসকলে বিৰোধিতা কৰাৰ চেষ্টা কৰিছে। সদনত আহি ক'ব যে, আমাক হস্পিতাল, ৰাস্তা, জলসিঞ্চন আৰু কৃষি লাগে। কিন্তু অসমৰ বিকাশৰ বাবে আমি য'তেই আঁচনি লৈছো তাতেই বিৰোধিতা কৰে। অসমৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি আমি অসমৰ বিকাশৰ ৰাস্তাত যাবই লাগিব। যদি আমি প্ৰতিযোগিতাত লিপ্ত নহওঁ অসম ৬ আৰু ৪১ নম্বৰত তলৰ পৰা থাকিব আৰু যদি আমি প্ৰতিযোগিতাত লিপ্ত হওঁ বা অসমত যদি আমি উন্নয়ণৰ প্ৰতিযোগিতাত লিপ্ত হওঁ আমি লাহে লাহে আমাৰ ৰাজ্যখনক আগুৱাই লৈ যাব পাৰিম। This is a era of competitive federalism. ভাৰত চৰকাৰে কাক সহায় কৰিব, যিখন ৰাজ্যই reform ৰ কথা ক'ব, যিখন ৰাজ্যই দেশক আগুৱাই লৈ যোৱাৰ কথা ক'ব, যিখন ৰাজ্যই ক'ব যে মই electricity surplus হ'ম, যিখন ৰাজ্যই ক'ব যে মই ১০০ শতাংশ literacy আনিম, যিখন ৰাজ্যই ক'ব যে মই উদ্যোগিকৰণ কৰিম, যিখন ৰাজ্যই ক'ব মই ৰপ্তানি কৰিম, যিখন ৰাজ্যই ভাৰতৰ বিকাশত সহযোগিতা বিচাৰিব খুজিব সেইখন ৰাজ্যক ভাৰত চৰকাৰে সহায় কৰিব। যিখন ৰাজ্যই ভাৰতবৰ্ষক আগুৱাই যাব নিদিব নিশ্চিতভাৱে

সেইখন ৰাজ্যক কোনো চৰকাৰে কেতিয়াও সহায় নকৰে। যেতিয়া সহায় নকৰিব আপুনি সদায় সকলো ফালৰ পৰা পিছপৰি থাকিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পূৰ্ব্বাঞ্চল আৰু উত্তৰ পূৰ্ব্বাঞ্চলত কেইবাটাও নতুন Political and Economic Development হৈছে ইমানদিনে উত্তৰ-পূবৰ ভিতৰত অসম আটাইতকৈ উন্নত প্ৰদেশ আছিল। আমাৰ যিখিনি সম্পদ আছিলে তাক আমি ব্যৱহাৰ কৰিছিলো আৰু অসমে স্বাভাৱিক ভাৱে উত্তৰ-পূবৰ আটাইতকৈ বিকশিত ৰাজ্যে হিচাপে স্থান লাভ কৰিছিল। এতিয়া অৰুণাচল প্ৰদেশত তাৰ ৰাইজ আৰু চৰকাৰ লগলাগি ৩০ হাজাৰ মেগাৱট electricity উৎপাদন কৰিব খুজিছে আৰু ইতিমধ্যে ১০ হাজাৰ মেগাৱট electricity উৎপাদনৰ কাম আৰম্ভ হৈছে। ৩০ হেজাৰ মেগাৱাট বিদ্যুৎ উপাদনৰ পৰিকল্পনা কৰা হৈছে কতো এটা আন্দোলন নাই, কতো এটা প্ৰতিবাদ নাই, কতো এটা হুলস্থুল নাই। ১০ বছৰৰ ভিতৰত এই আটাইবোৰ জলবিদ্যুৎ প্ৰকল্প  যদি সম্পূৰ্ণ হয় তেতিয়া হ'লে আৰুনাচল প্ৰদেশৰ GDP অসমতকৈ দুগুন আগবাঢ়ি যাব। আজি আৰুনাচল প্ৰদেশ এই কাম কেনেকৈ কৰিব পাৰিলে? কিন্তু আমি যদি সৰু Flyover এখন বনাব বিচাৰো তেতিয়া তাত গছ কটা নকটাক লৈ আমি দুবছৰ বিতৰ্ক কৰিব লাগে। অধ্যক্ষ মহোদয়, অৰুনাচল প্ৰদেশে আজি ৩০ হেজাৰ মেগাৱাট শক্তি উৎপাদন কৰাৰ ক্ষেত্ৰত আগবাঢ়িছে। চীনক প্ৰতিযোগীতা কৰি চীনতকৈ ডাঙৰ শক্তি প্ৰকল্প আৰম্ভ কৰিছে। আৰু গাওঁ rehabilitation কৰিছে। মানুহে নিজৰ গাওঁৰ পৰা উঠি গৈছে। অৰুণাচলৰ বিকাশৰ বাবে আমি আমাৰ গাওঁ সলনি কৰাত কোনো আপত্তি নাই। আজিৰ পৰা ১০ বছৰৰ ভিতৰত যদি অৰুনাচলৰ বিকাশৰ গতি যদি অব্যাহত থাকে তেতিয়া হ'লে অৰুণাচল প্ৰদেশ উত্তৰপূবৰ আটাইতকৈ চহকী ৰাজ্যত পৰিগণিত হব৷ অন্ধ্ৰপ্ৰদেশ যদিও পূৰণা ৰাজ্য  কিন্তু ৰাজধানী টেলেংগানা নতুন সেই কাৰণে অন্ধ্ৰপ্ৰদেশ পুৰণা হৈও নতুন এখন ৰাজ্য। অন্ধ্ৰপ্ৰদেশ চৰকাৰে সিদ্ধান্ত ললে যে আমাৰ নতুন ৰাজধানী অমৰাবতী আমি নিৰ্মাণ কৰিম। চন্দ্ৰ বাবু নাইডু ডাঙৰীয়াই ২৭ খন গাওঁৰ মানুহক কলে যে আপোনালোকৰ মাটিবোৰ এৰি দিয়ক আৰু যেতিয়া অমৰাৱতী হব তেতিয়া

আপোনালোকক মই ব্যৱসায়ীক ভাৱে উন্নত plot ওভোতাই দিম। মই বিধান সভাৰ প্ৰতিনিধি দলক কেতিয়াবা অমৰাৱতীলৈ যাৱৰ বাবে অনুৰোধ কৰিম। অমৰাৱতীৰ উন্নয়নৰ বাবে, নিজৰ ৰাজ্যৰ এখন ৰাজধানী হওঁক তাৰ উন্নয়নৰ বাবে কৃষকে ৩০ হেজাৰ একৰ মাটি চৰকাৰক হাহিমুখে গতাই দিলে। আজি অমৰাৱতী নিৰ্মাণ হৈছে আৰু চন্দ্ৰবাবু নাইডুৱে কৈছে যে যেতিয়া ইয়াত ৰাজধানী হব, ৰাজধানীৰ মাজত প্ৰতি একৰ মাটিৰ বিপৰীতে ইমানখিনি develop মাটি আমি কৃষকক ওভোতাই দিম। আৰু যেতিয়া লৈকে কৃষক সকলে এই মাটি নাপাব বছৰি তেওঁলোকক এটা Annuity দিম। আমাৰ ৰাজ্যৰ জনসাধাৰণৰ মাজত উন্নয়নৰ প্ৰতি যেতিয়ালৈকে আমি এটা positive বাৰ্তা দিব নোৱাৰো, যেতিয়া লৈকে অসমৰ মানুহক আমি সচা কথা নকম, যে এই ৰাজ্যখনত যদি আমি উদ্যোগ আনিব নোৱাৰো, এই ৰাজ্যখনত যদি আমি বিদুৎ উৎপাদন কৰিব নোৱাৰো, এই ৰাজ্যখনত যদি আমি Semi Conductor ৰ Evolution আনিব নোৱাৰো, এই ৰাজ্যখনত যদি আমি Artificial Intelligence ৰ কাম কৰিব নোৱাৰো, ইয়াত যদি বিশ্ব মানৰ বিশ্ববিদ্যালয়ত পাতিব নোৱাৰো We do not have any future. ভাৰতবৰ্ষৰ Competitive Federalism ত আমি বহুত পিছুৱাই যাব লাগিব। আজি অসমত কি হৈছে ? প্ৰথমতে আমি কম আমাক flyover নালাগে আৰু যেতিয়া flyover খন নিৰ্মাণ হব তেতিয়া আমি কম আমাক ফটো আকিবলৈ ভাল ঠাই দিব লাগিব। আমাৰ ৰাজ্যখনক আমি ভাল পাবলৈ শিকিব লাগিব। আমাৰ ৰাজ্যখনক যদি আমি ভাল পাবলৈ নিশিকো, অসমত যদি আমি সাৰৰ প্ৰকল্প কৰিব নোৱাৰো, Semi Conductor আনিব নোৱাৰো, উপগ্ৰহীয় চহৰ যদি বনাব নোৱাৰো, নতুন Petro Chemical Complex যদি কৰিব নোৱাৰো, অসমত যদি Quantum Computer, Artificial Intelligence আনিব নোৱাৰো আমাৰ ৰাজ্যখন কেনেকৈ আগোৱাই লৈ যাম। আজি আমাৰ অসমত ৬০০ মেগাৱাট Pump Storage এটা কৰিবলৈ আমি যুদ্ধ কৰিব লাগে। মই অৰুনাচলৰ মুখ্যমন্ত্ৰীক শুধিছিলো যে প্ৰেমা ভাই ৩০ হেজাৰ মেগাৱাটৰ কাম আপুনি কেনেকৈ কৰিব, আন্দোলন কৰিটো শেষ হৈ যাব। তেখেতে কলে নহয়

দাদা আমাৰ মানুহে সুন্দৰ ভাৱে আমাক সহযোগীতা কৰি আছে। আমাৰ বিধান সভাত আমি চিন্তা কৰিব লাগিব যে ৰাজ্যখনক লৈ আমি এটা Negativity Create কৰিম নে ৰাজ্যখনক লৈ এটা positivity create কৰিম। যোৱা ৫ বছৰত আমাৰ ৰাজ্যখনৰ চাৰিওফালে আমি এটা ইতিবাচক পৰিবেশ সৃষ্টি কৰাৰ বাবে আমি কাম কৰিছো। আমাৰ চৰকাৰক কেতিয়াবা অভিযুক্ত কৰা হয় যে ৰাজহুৱা শিক্ষা ব্যৱস্থা আপোনালোকে শক্তিশালী কৰক ।অধ্যক্ষ মহোদয়, অসমৰ দৰে এখন দুখীয়া ৰাজ্যত যোৱা ৫ বছৰত আমি ৮১ হেজাৰ নিয়ুক্তি দিছো শিক্ষা বিভাগত। তাত কৈ বেছিকৈ কৰাৰ বাবে আমাৰ সামৰ্থ কত। পেট্ৰলৰ ওপৰত আমি এটকাও বেচি লব নোৱাৰো। আমি কোনো সামগ্ৰীৰ ওপৰত যোৱা ১০ টা বছৰত এটকাও আমি অতিৰিক্ত টকা লব নোৱাৰো । বিৰোধীয়ে কৈছে আপোনালোকৰ বাজেট খন কিয় বঢ়া নাই। নিশ্চিত ভাৱে বাজেট বাঢ়িব। কিন্তু বাজেট বাঢ়িবৰ কাৰণে আমাক Growth লাগিব আৰু Growth কেতিয়া আহিব। যেতিয়া আমাৰ ৰাজ্যখনত উদ্যোগী কৰণ কৰিব পাৰিম, আমাৰ ৰাজ্যত কৃষিৰ পৰিবৰ্তন কৰিব পাৰিম, বানপানীক আমি ৰোধ কৰিব পাৰিম । আৰু আমাৰ ৰাজ্যখন শিক্ষাত আধুনিকৰণ কৰিব পাৰিম । এই বাজেট খনে অসমলৈ এটা positivity বা এটা ইতিবাচক বাৰ্তা পঠিয়াবলৈ চেষ্টা কৰিছে। অসমৰ দৰে ৰাজ্য এখনে বাজেটত প্ৰথম বাৰৰ বাবে উল্লেখ কৰিছো যে নিৰ্বাচনৰ পিছত যেতিয়া ৰাইজক প্ৰতিশ্ৰুতি দিয়া হয় সেই প্ৰতিশ্ৰুতি বিলাক চৰকাৰে মনত নেপেলাই , বিৰোধী পক্ষই মনত পেলাই দিয়ে আপুনি নিৰ্বাচনৰ সময়ত এনেকৈ কৈছিল। মই এটা পৰম্পৰা আৰম্ভ কৰিছিলো সেইটো মই শেষ কৰিব পাৰো বা নোৱাৰো। প্ৰতিশ্ৰুতি বিলাক দিনত সদায় মনত পেলাই থাকো । মই ইয়াত আলোচনাত কাকোয়ে দেখা নাই যে মুখ্যমন্ত্ৰী বা বিত্ত মন্ত্ৰীক ধন্যবাদ জনাম। কেনেকৈ ২ লাখ চাকৰী দিব আপোনালোকে । দিম বুলি কলে দিব পাৰিব জানো । তাৰ মাজতো যে আপোনালোকে ২ লাখ চাকৰি দিম বুলি কৈছে তাৰ বাবে আমি আপোনালোকক ধন্যবাদ জনাইছো । যদি ইমান সহজে চাকৰি দিব পাৰিলেহেতেন তেতিয়া হলে তৰুণ গগৈ, প্ৰফুল্ল মহন্ত, হিতেশ্বৰ শইকীয়াই দিলে

হেতেন। আজি অসমৰ দৰে এখন দুখীয়া ৰাজ্যই পন কৰিছে যোৱা ৫ বছৰত আমি ২ লাখ চৰকাৰী চাকৰি দিবৰ বাবে আমি চেষ্টা কৰিলো। হব লাগিছিল কি ? আমি ২ লাখ চাকৰিৰ বিষয়টোৰ পৰা আতৰি যাব লাগিছিল। বিৰোধী পক্ষই আমাক মনত পেলাব লাগিছিল যে আপোনালোকে ২ লাখ চাকৰি দিম বুলি কৈছিল কিন্তু বাজেটত একোয়ে নকৰিলে। কিন্তু আজি তাৰ ওলোটা হৈছে। আমি কৈছো যে আমি ২ লাখ চাকৰি দিম। অধ্যক্ষ মহোদয়, যোৱা দুটা মাহ বাজেট নথকাৰ বাবে চৰকাৰী আঁচনি বিলাক বন্ধ হৈ আছিল। বিৰোধী পক্ষই আমাক কব লাগিছিল যে আপোনালোকে অৰুনোদয় জৰিয়তে জিকি আহিলে অৰুনোদয় কেতিয়াৰ পৰা  দিব। বিৰোধী পক্ষই আমাক কব লাগিছিল দাইল চেনী কেতিয়াৰ পৰা দিব। বিৰোধী পক্ষই কব লাগিছিল নিযুত মইনা নিযুত বাবু কেতিয়াৰ পৰা দিব। আমি বিৰোধী পক্ষক কবলৈ সুযোগ দিয়া নাই। আমি কৈছো যে আহা আগষ্ট মাহৰ পৰা সকলো আঁচনি আৰম্ভ হব। মাননীয় অধ্যক্ষ মহোদয়, this is called accountability যে মানুহে আমাক প্ৰশ্ন কৰাৰ আগতে আমি মানুহক কৈছো যে আপোনালোকক আমি দিয়া প্ৰতিশ্ৰুতি আমাৰ মনত আছে। লংকালৈ গ'লে ৰাৱণ হয়, কিন্তু আমি কৈছোঁ নহয়, লংকা লৈ গ'লেও আমি ৰাম হৈ উভতি আহিম। লংকালৈ ৰামো গৈছিল, কিন্তু ৰাম আযোধ্যালৈ ৰাম হৈ যে উভতি আহিছিল। আৰু আমিও প্ৰচেষ্টা কৰিছো যে চৰকাৰৰ মাজত থাকি শাসনত আহি প্ৰতিশ্ৰুতি পাহৰি নহয়, আমি এই পবিত্ৰ সদনৰ আগত আমি দিয়া প্ৰতিশ্ৰুতিবোৰ মনত পেলাব খুজিছো।

মাননীয় অধ্যক্ষ মহোদয়, মই বিৰোধী পক্ষত আৰু আমাৰ সকলোৰে মই বক্তব্য শুনিছো। মাননীয় অধ্যক্ষ মহোদয়, অকণমান হ'লেও প্ৰধানমন্ত্ৰী মোডীক আমি ধন্যবাদ নজনাম জানো। কাজিৰঙাৰ ওপৰত এলিভেটেড কৰিড'ৰ, নুমলীগড়ৰ মাজত টানেল, মিচন চাৰিআলিৰ পৰা বাইহাটা চাৰিআলিলৈ four way। আজি আমাৰ বাজেটত আমি উল্লেখ কৰিছো যে air ways, highways আৰু railways -এই তিনিওটা ক্ষেত্ৰকে মিলি আমি অহা পাঁচ বছৰত প্ৰায় ২ লাখ কোটি টকা খৰছ কৰিব খুজিছো, মাননীয় অধ্যক্ষ মহোদয়।

এতিয়া প্ৰশ্ন আহিব লাগিছিল যে ২ লাখ কোটি খৰছ কৰিব পৰা সক্ষমতা আপোনালোকৰ আছে নে নাই ? মাননীয় অধ্যক্ষ মহোদয়, যিখন ৰাজ্যত আমি এটা টকাও অতিৰিক্ত কৰ ল'ব নোৱাৰো। সেইখন ৰাজ্যত আজি আমি কল্পনা কৰিছো, সাহস কৰিছো যে ভাৰতৰ চৰকাৰক খুজিয়ে হওঁক বা আন কাৰোবাৰ ওচৰত হাত পাতিয়ে হওঁক, আমি ২ লাখ কোটি টকা ইয়াত capital investment কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আমি accountability ৰ যিমানখিনি উদাহৰণ দেখুৱাব পাৰোঁ, আমি তাকেই উদাহৰণ দেখুৱাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, এইখন House তে মাননীয় সদস্য অখিল গগৈয়ে কৈছিল "আপোনালোকে small hydro project নকৰে কিয়?" মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটত আমি উল্লেখ কৰিলোঁ যে আমি কাৰ্বি লাংপি কৰিম, Middle-1, Middle-2, ধনশিৰী, লুংলি, দিয়াজ দিহিং, বৰডিকৰাই, আমৰিং, জেনাম, কাৰাং, দেছাং, আমফাই আদিত 137 MW ৰ small hydro project কৰিম । চৰকাৰকতো ধন্যবাদ দিয়াৰ সাহস নাই, তেওঁৰেই কোৱা কথা আছিল তিনি বছৰ আগত যে "small hydro কিয় নকৰে?" মই যোৱা দুবছৰ Department ৰ মানুহক ক'লো, "ক'ৰবাত যদি এক megawatt-ৰো সুবিধা আছে, মোক list খন দিয়ক।'' আজি আমি খুচিখুচিকৈ শেষলৈকে- ৪ megawatt, ৩ megawatt ত য'ত আছে, তাৰো আজি আমি small hydro project কৰিব খুজিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, power surplus হ'বৰ কাৰণে we committed Rs. 77,000 crores । মাননীয় অধ্যক্ষ মহোদয়, কোনখন House ত কোনজন মুখ্যমন্ত্ৰী বা কোনজন বিত্ত মন্ত্ৰীয়ে আজিলৈকে এই পৱিত্ৰ সদনত কৈছিল যে আমি অসমত 8,457 MW electricity সৃষ্টি কৰিম। আজি আমাৰ production কিমান, মাননীয় অধ্যক্ষ মহোদয়? 450 MW । 450 MW electricity-ৰ পৰা আমি 8,457 MWলৈ যোৱাৰ কল্পনা কৰিছোঁ। এইখন দুখীয়া অসমে ইয়াতকৈ কি ডাঙৰ কল্পনা কৰিব পাৰে, মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াতকৈ কেনেকৈ ডাঙৰ কল্পনা কৰিব পাৰো। আজি 70 years ত মোৰ আগতে অসমত ১৪ জন

মুখ্যমন্ত্ৰী আছিল। গোটই ১৪ জন মুখ্যমন্ত্ৰীৰ দিনত power generate হৈছিল 450 MW আৰু আজি আমি ইয়াত সাহসেৰে কৈছো যে we will be a power surplus state আৰু আমি 8,457 MW electricity সৃষ্টি কৰিম। আজি, মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো, এই কথাবোৰ কোনেও নজনা নহয়। যেতিয়া আমি দিল্লীলৈ যাওঁ, সকলোৱে এবাৰ Gurgaon লৈকে যাওঁ, সকলোৱে এবাৰ Noida লৈকে যাওঁ, আমি সকলোৱে গুজৰাটত গ'লে আহমেদাবাদলৈকে যাওঁ, অন্ধ্ৰত গ'লে Amaravati লৈকে যাওঁ, পাঞ্জাবত গ'লে Mohali বা Chandigarh লৈ যাওঁ। সকলোৱে জানে যে এখন ৰাজ্যত যদি growth আহিব লাগে, growth will come only from urbanization আৰু growth আহিলে ৰাজকোষত টকা আহে। সেই টকা দুখীয়া মানুহৰ বিকাশৰ কাৰণে যাব পাৰে, শিক্ষাৰ বিকাশৰ কাৰণে যাব পাৰে, সংস্কৃতিৰ বিকাশৰ কাৰণে যাব পাৰে, স্বাস্থ্যৰ বিকাশৰ কাৰণে যাব পাৰে। আমি যদি growth ৰাজ্যখনলৈ নানো, আমি যদি ৰাজ্যখনত বিকাশ নানো, তেতিয়াহলে ৰাজ্যখনত দৰিদ্ৰতাৰ বিৰুদ্ধে কেনেকৈ যুঁজিব ? আজি যদি আমি left model চাওঁ, left model of economy , পশ্চিমবংগ, কেৰালা আৰু ত্ৰিপুৰাত Left ৰ শাসন ব্যৱস্থা আছিল। আজি পৰিৱৰ্তন হ'ল, কিন্তু পৰিবৰ্তন হলেও যদি আপোনালোকে model চাব পাৰে, তাত এতিয়াও বহুত গাওঁ আছে, তেওঁলোকে মানুহক দুখীয়া কৰি ৰাখি, The strategy was what? Strategy আছিল যে class war হ'ব লাগে। What is the Left ideology? যে there should be a class war, Class war কেতিয়া হ'ব? যেতিয়া মানুহৰ মাজত continuously নোপোৱাৰ বেদনা create কৰি থাকিব, তেতিয়া people will attack the affluent class। কিন্তু what is our economy? যে কোনোবা যদি affluent হৈছে, দুখীয়া মানুহ এজনকো আমি উঠাই আনিম, সমান ধনী হোৱাৰ সুবিধা দিম। আমি দুখীয়া মানুহ এজনৰো ঘৰত চাকৰি দিম, দুখীয়া মানুহ এজনকো উদ্যোগত সুবিধা দিম, so that he can climbin the class ladder । Left য়ে বিচাৰে যে দুখীয়া মানুহ দুখীয়াই থাকক, এটা সময়ত অতিষ্ঠ হৈ যাতে তেওঁলোক ৰাজপথলৈ ওলাই আহিব পাৰে। But this is not our

philosophy I সেইকাৰণে Haryana ই satellite city বনালে, Delhi য়ে satellite city বনালে, Mumbaiয়ে Navi Mumbai বনালে, Andhraই Amaravati বনালে, Telanganaই New Hyderabad বনালে। আজি আমি অসমত satellite city আনিব খুজিছোঁ, যাতে কোনেও এই গুৱাহাটীখনতে ঘৰ বনাব নালাগে। ঘৰ বনাব, university কৰিব, industry কৰিব ক'তো ঠাইলৈ যাব নালাগে; আমি একেটা ঠাইতে তেওঁলোকক সুবিধা দিম। ইয়াত কৈছে satellite city কিয় লাগে? মাননীয় অধ্যক্ষ মহোদয়, যদি Noida নহ'লহেঁতেন, উত্তৰ প্ৰদেশ হ'লহেতেন নেকি ? আজি আমি কিয় ৬ নম্বৰত আছো ? যদি Gurgaon নাথাকিলহেঁতেন, Haryana ২ নম্বৰলৈকে যাব পাৰিলহেঁতেন নেকি? আজি যদি Navi Mumbai নাথাকিলেহেঁতেন, আজি Mumbai বা Maharashtra হ'ব পাৰিলহেঁতেন নেকি? আজি মানুহে ক'ব লাগিছিল যে চৰকাৰে প্ৰথমবাৰ satellite city কৰিব খুজিছে, আমি আদৰণি জনাইছো। আমি মুখ্যমন্ত্ৰীক ক'ম যে যাৰ পৰা মাটি ল'ব, তাক ভালকৈ টকা-পইচা দিয়ক, ৰাইজৰ কষ্ট হ'ব নালাগে। কিন্তু গুৱাহাটীত satellite city এখন আমাক দৰকাৰ, নহ'লে আমি ইয়াতে কৃত্ৰিম বানপানীৰ মাজত সদায় থাকিব লাগিব। আমি কি কৰোঁ উল্টাই? যে কেনেকৈ satellite city খন নহওঁক, যাতে চৰকাৰৰ হাতত টকা নাহে, চৰকাৰৰ হাতত পুঁজি নাহে। চৰকাৰৰ ওচৰত সকলোৱে দাবী লৈ আহিব যে মোক ৰাস্তা দিয়ক, মোক বিটিচিত টকা দিয়ক, মোক কাৰ্বি আংলঙত দিয়ক, মোক Dima Hasao ত দিয়ক। চৰকাৰে টকা দিব নোৱাৰিব আৰু এটা নতুন আন্দোলনে অসমখনক আকৌ এবাৰ অস্থিৰতাৰ ফালে লৈ যাব।

মাননীয় অধ্যক্ষ মহোদয়, মানুহৰ সীমা বাঢ়িছে। মই যেতিয়া বিত্তমন্ত্ৰী আছিলোঁ, BTC হৈছিল, তেতিয়া আমি 300 কোটি টকা দিছিলোঁ। আজি তেওঁলোকৰ প্ৰয়োজন আছে, বছৰত অতি কমেও 2,000 কোটি টকা তেওঁলোকক লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত যদি টকা নাই, মই ক'ৰ পৰা টকা আনিম? মোৰ হাতলৈ অহা টকাৰ ৰাস্তা কোনোবাইতো খুলি দিব লাগিব। যদি

আজি আমি satellite city কৰিব নোৱাৰোঁ, Adani-Ambani-ক যদি আমি মাটিব দিব নোৱাৰোঁ, তেন্তে rule কৰক—ভাৰতবৰ্ষৰ কোনো ৰাজ্যতেই Adani-Ambani যাব নালাগে। Adani-Ambaniয়ে উড়িষ্যাত 10 lakh/20 lakh crore টকা খৰচ কৰিব, তাৰ হাজাৰ হাজাৰ ল'ৰাই উদ্যোগত চাকৰি পাব আৰু অসমৰ ল'ৰাবিলাকে তাত চাকৰি কৰিবলৈ যাব আৰু মই শ্ৰদ্ধাঞ্জলি আঁচনিৰে তেওঁলোকৰ মৃতদেহ অসমলৈকে উভতাই আনি থাকিম। ইয়াত কি মুখ্যমন্ত্ৰী হিচাপে মই সেইয়া কাম কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী হৈছোঁ নেকি? অসমত উদ্যোগ হ'ব নালাগে, কেৰালাৰ উদ্যোগ হওক, হায়দৰাবাদত উদ্যোগ হওক, গুজৰাটত উদ্যোগ হওক, অসমৰ চাহ বাগিছাৰ ল'ৰা-ছোৱালীবিলাক, অসমৰ যুৱ প্ৰজন্ম তাতে কাম কৰিবলৈ যাব। বেমাৰত মৃত্যু হ'ব আৰু আমি বাজেটত শ্ৰদ্ধাঞ্জলি আঁচনি ঘোষণা কৰিম dead body উভতাই অনাৰ বাবে। সেয়া নেকি মোৰ ভাগ্য, অধ্যক্ষ মহোদয়? অধ্যক্ষ মহোদয়, আমি পৰিৱৰ্তন হ'ব লাগিব। Adani-Ambaniক হয় আমেৰিকালৈকে পঠাই দিয়ক, নহ'লে Adani-Ambaniয়ে যদি গুজৰাটত refinery বনাইছে, অসমতো বনাব লাগিব। তাৰ পৰিৱেশ সৃষ্টি কৰক। কি অদ্ভুত কথা! ক'তো Adani-Ambaniক আনিবৰ কাৰণে দহ বছৰৰ প্ৰচেষ্টা কৰিব লাগে। আমাৰ বামপন্থীসকলে কৰবাত যদি সৰু মাটি এদোখৰ থাকে, তাত Adani-Ambani ৰ  বুলি ভাৱে। হাৰে, এই ধৰণৰ এটা ব্যৱস্থাৰে তেওঁলোকে মানুহৰ মাজত এটা বিদ্ৰোহৰ ভাৱ সৃষ্টি কৰিব খোজে। আজি গুৱাহাটী Airport হ'ল। গুৱাহাটী Airportততো প্ৰত্যেকজন অসমীয়া ল'ৰাই চাকৰি কৰে। যদি Adaniয়ে ইমান ডাঙৰ গুৱাহাটী Airportটো নবনালে হেতেন তেন্তে 500 ল'ৰাই চাকৰি তাত পালেহেঁতেন নেকি? সদায়তো এনে এটা সৰু Airportতেই থাকিব লাগিলেহেঁতেন। 100 জনেই worker থাকিলেহেঁতেন। অধ্যক্ষ মহোদয়, আজি আমি আগবাঢ়ি যোৱা দেশৰ আমি যদি modelবিলাক চাব নোৱাৰোঁ, ৰাইজে দাবী কৰিব লাগিছিল যে গুৱাহাটীখন ঠেক হৈ গৈছে। উত্তৰ-প্ৰদেশত যদি Noida বনাব পাৰে, Haryanaই যদি Gurgaon বনাব পাৰে, গুৱাহাটীয়ে কিয় নতুন city এখন বনাব নোৱাৰে? কিন্তু ইয়াত দুই এজন মানুহে, ৰাইজটো আমাৰ লগতে

আছে, দুই এজন মানুহে এনেকুৱা এটা পৰিৱেশ সৃষ্টি কৰে যেতিয়ালৈকে আন্দোলন নহয়, খুচি থাকে, খুচি থাকে । TV যাব, portal যাব, যে আন্দোলন এটা create কৰিবই লাগিব। এতিয়া আন্দোলন নাই, মানুহে নিজে সহযোগিতা কৰিছে Satellite City হ'ব লাগে, তাৰ কাৰণে মনত কষ্টও পাইছে যে কেনেকৈ ড° হিমন্ত বিশ্ব শৰ্মাই manage কৰি ল'লে। অধ্যক্ষ মহোদয়, আমি ৰাইজৰ লগত কেতিয়াও discriminate নকৰো, আজি আপোনালোকে চাব, গুৱাহাটীত মানুহে কৈছে আমাৰ এৰিয়াত পানী হয়। পানী সকলোতে হৈছে। গুজৰাটৰ model কি, Orissaৰ model কি? পানী হোৱা অঞ্চলত তেওঁলোকে বা urban য'ত planning ভাল নাই তেওঁলোকে LPA (Local Planning Area) লৈ আহিব। ৰাইজক কব গোটেই মাটি চৰকাৰক দি দিয়ক। চৰকাৰে সেই মাটিডোখৰ drainage, ৰাস্তা, স্কুল, street light সকলো নিৰ্মাণ কৰি developed মাটি আকৌ publicক উভতাই দিয়ে। আৰু ইয়াৰ আইন আছে উৰিষ্যা, গুজৰাট সকলোতে Local Area Planning, তেওঁলোকে নতুন city declare কৰে। আজি যদি আমাক চৰকাৰক গোটেই নবীননগৰখন দি দিয়ে, যিটো উৰিষ্যাত দি দিয়ে, গুজৰাটত দি দিয়ে, আমি তাত planning কৰিব পাৰিম, তাত drainage কৰিব পাৰিম, তাত ৰাস্তা বনাব পাৰিম আৰু developed মাটি ৰাইজক আমি উভতাই দিব পাৰিম। These are the model. কিন্তু আজি যদি মই এই modelটো মানি লওঁ, তেতিয়া ক'ব হিমন্ত বিশ্ব শৰ্মাই তাতে নিজৰ ঘৈণীয়েকক মাটি দিব গৈছে, আমাক মাটি দিব গৈছে, হূলস্থূল লগাই দিব। কিন্তু আজি উৰিষ্যাত, মই এটা কথা হাউচক কম অধ্যক্ষ মহোদয়, গুজৰাট আৰু উৰিষ্যাত আপুনি আমাৰ team পঠিয়াব লাগে, Local Area Planning method চাব লাগে। তাত Assembly আইন কৰিছে, চৰকাৰে যিকোনো areaত Local Area Planning declare কৰিব পাৰে। যে আজি আমি গোটেই চান্দমাৰিখন Local Area Planningৰ বাবে ল'ম। চান্দমাৰীৰ গোটেই মাটি Governmentয়ে pool কৰিব, মানুহক ঘৰৰ ভাড়া দিব সেইকেইদিনৰ বাবে, demolish হ'ব, নতুনকৈ ৰাস্তা বনাব, drain বনাব আৰু মানুহক আকৌ মাটি উভতাই দিব। আগত যদি 5 bigha মাটি আছিল, 3 bigha

মাটি পাব, but it will be developed. লগত ক'ব যে আগতে আপুনি 2 storeys বনাব পাৰিছিল, now you construct 7 storeys. Ultimately, মানুহৰ লাভ হয়। আজি আমাৰ ইয়াতো আমি Local Area Planning ৰ Bill পাছ্ কৰি থৈছোঁ, কিন্তু কৰাৰটো আমাৰ সাহস নাই। Developmentৰ model আছে, Amaravati model, Land Pooling model, Gurgaon, Noida, উৰিষ্যাত মই সদায় দেখো যিবাৰে যাওঁ, নতুন area এটা develop হয়। মই driverক সোধোঁ যে কেনেকৈ হ'ল তেতিয়া তেওঁ কয় চাহাব ইয়াত Local Area Planning আইন আহিছে। ক'তোতো আন্দোলন নাই, ক'তো বিৰোধিতা নাই। আজি যদি আমি আমাৰ দেশৰ মই আমেৰিকা, ইংলেণ্ডৰ কথা কোৱা নাই, আমাৰ দেশৰ modelবিলাক যদি আমি নাচাওঁ আৰু ৰাইজক যদি আমি positive কথা নকওঁ, তেতিয়াহলে আমি ক'ৰ পৰা আমাৰ ৰাজ্যখনৰ পৰিৱৰ্তন কৰিব পাৰিম, অধ্যক্ষ মহোদয়? এই বাজেটত আমি সৰু এখন Satellite City, যাক Satellite City বুলি ক'বলৈ লাজো লাগে। মাত্ৰ 4,000 bigha মাটি আমি জোগাৰ কৰি তাত কিবা এটা কৰিব খুজিছোঁ, যাতে অসমত hospital আহিব পাৰে, school আহিব পাৰে, ল'ৰা-ছোৱালীয়ে চৰকাৰী চাকৰিৰ উপৰিও আজি বেচৰকাৰী খণ্ডত চাকৰি পাব পাৰে। মোক হিচাপ কৰি দেখুৱাইছোঁ যে এই 4,000 bigha মাটিত যদি আমি এখন Satellite City কৰিব পাৰোঁ, 1 lakh ল'ৰা-ছোৱালীয়ে তাত কাম পাব। অধ্যক্ষ মহোদয়, তাতো আমি উলিয়াম। আৰু ৰাইজে দিব খোজে। দিব খোজা ৰাইজক গৈ এতিয়া মানুহে সোধে কিয় দিছে, কিয় দিছে? সেই ধৰণৰ যিটো negativity, তাৰ বিৰুদ্ধে এইখন বিধানসভাত অধ্যক্ষ মহোদয়, মাত মাতিব লাগিব। আজি অৰুণাচলে যদি 30,000 MW electricity উৎপাদন কৰাৰ কথা ক'ব পাৰে, আমি এখন সৰু Satellite City বনোৱাৰ কথা আমি ক'ব নোৱাৰোঁ, অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে ভূটান আমাৰ এখন বন্ধু দেশ। ভূটানত পানী আছে। ভূটানৰ পানীৰে উন্নত irrigationৰে আমি বাক্সা, তামুলপুৰ, তাতে দলবান্ধৰ জৰিয়তে তামুলপুৰত ইতিমধ্যে পানী আনিছে যিমান পাৰে। চৰকাৰে ওদালগুৰি, তামোলপুৰ, বাক্সা, কোকৰাঝাৰ, চিৰাং আটাইকেইখন জিলাৰে সমগ্ৰ অৰ্থনীতি

পৰিবৰ্তন কৰিব পাৰে, আমি যদি pipe ৰে irrigation আনিব পাৰোঁ। আজি আমি প্ৰথমবাৰৰ বাবে ইয়াত উল্লেখ কৰিছোঁ। পাৰো, নোৱাৰোঁ, অধ্যক্ষ মহোদয়, প্ৰথমবাৰৰ বাবে আমি উল্লেখ কৰিছোঁ যে আমি 365 দিন পানী থকা ভূটান আৰু অৰুণাচল প্ৰদেশৰ পৰা আমি pipeদি পানী আনি জলসিঞ্চনৰ ব্যৱস্থা কৰিম। ইয়াত কৃষক নেতাবিলাকেতো এটাও শব্দ নক'লে যে ভাল কৰিছে বুলি। ক'ৰ পৰা ক'লাকাপোৰ, বগা কাপোৰ এইটোৱে মতলব কৰি থাকে যে কেনেকৈ কয় যাতে দুটা portal, TVত উঠিব পাৰে? আৰু একো কথা নাই। অধ্যক্ষ মহোদয়, আপুনি আচৰিত হ'ব, যি মানুহে অৰুণোদয়ৰ বিৰোধিতা কৰিছে, অসম মালা, অসম দৰ্শনৰ বিৰোধিতা কৰিছে, এইবাৰ নিজৰ বিধানসভা সমষ্টিত জিকিবৰ কাৰণে প্ৰতিটো নামঘৰতে 1.5 lakh, 1.5 lakh নগদ টকা দিছে। ক'ৰ পৰা পাইছে মই নাজানো। 1.5 lakh টকা নগদ দিছে। আমিতো অসম দৰ্শনৰ চেক দিছোঁ। আজি যদি ক'ব লাগে judicial inquiry কৰিব লাগে। মই ready আছোঁ। 1.5 lakh টকা নগদ দিছে। তাৰমানে কোনোবা পুঁজি পতিয়েতো এইটো block কৰিবই লাগিব, back কৰিবই লাগিব অসমৰ উন্নতিত বাধা আনিবৰ কাৰণে। These are design. টকা কোনেও এনেই নিদিয়ে। টকা কিয় দিছে? যাতে artificially অসমৰ মানুহক আন্দোলনৰ ফালে লৈ যাব পাৰে। যেনেকৈ আগতে nuclear power হ'ব দিয়া নাছিলে, hydro power হ'ব দিয়া নাছিলে, ভাৰতবৰ্ষখনক পিছুৱাই ৰাখিছিল। There is a lobby. এই lobbies বিলাকে পইচা নিদিলে এজন চেন্দেল পিন্ধা বিধায়কে নামঘৰত দিব 1.5 lakh । 1.5 lakh নগদ টকা ক'ত পালে আপুনি মোক কওঁক অধ্যক্ষ মহোদয় । Cash পইচা অধ্যক্ষ মহোদয়, নগদ টকা, আমিয়ে সাহস নকৰো, অধ্যক্ষ মহোদয়, ২৫ বছৰ বিধায়ক হৈ থকাৰ পিছতো। পাছতো । অধ্যক্ষ মহোদয়, প্ৰথমবাৰৰ বাবে আমি কৃষি আৰু জলসিঞ্চনৰ মাজত এইখন বাজেটত এটা সামঞ্জস্য আনিছো । আমাৰ ইয়াত কণীৰ ছিণ্ডিকেট হৈছে, বাহিৰৰ পৰা অহা কণীত পইচা লৈছে। 'বাহুৱলী'তো আমাৰ ভিতৰৰ কণী। তাত কোনে পইচা লৈছে ?আজি অসমৰ ভিতৰত লাহে-লাহে দাবী কি হ'ব লাগিছিল যে কণীৰ উৎপাদন অসমত ইমান আত্মনিৰ্ভৰশীল কৰক যে

শ্ৰীৰামপুৰ গেটেদি এটাও কণী আহিব নোৱাৰে। সেইটো দাবী নাই। কণী কেইটা দেখুৱাই ফুৰিছে যাতে বেপাৰীজনে ৰাতি তেওঁৰ লগত কথা পাতে। ইয়াৰ মিনিং কি অধ্যক্ষ মহোদয় ? আজি আমি গোটেই বিধায়ক সকলে ক'ব লাগে যে ১২৬ টা সমষ্টিত আমি ১ লাখকৈ কণী উৎপাদনৰ একো একোটা উদ্যোগ স্থাপন কৰিম। চৰকাৰে আমাক তাৰবাবে ২০ লাখ টকাকৈ ৰাজ সাহাৰ্য্য দিয়ক। এক ৰাতিৰ ভিতৰতে আমি কণীত আত্মনিৰ্ভৰশীল হৈ উঠিম।

অধ্যক্ষ মহোদয়, মই এটা বেলেগ economy কৈছো। শ্ৰীৰামপুৰেদি কণী আহিব, তাত কোনোবাই টেক্স লৈছে, তাৰমানে অহা কণীৰ দাম বেছি হ'ব। তাৰমানে বাহুৱলীয়ে যেতিয়া কণী বিক্ৰী কৰিব, কম দামত বিক্ৰী কৰিব পাৰিব। গতিকে মই বিচাৰো চৰকাৰে নিজে নিজেই বাহিৰৰ পৰা অহা কণীৰ পৰা টেক্স লগাই দিয়ক যাতে ভিতৰৰ পৰা কণী ব্যৱসায়ী সকলে কণী নিৰ্মাণ কৰিব পাৰে। তাকে নকৰি সস্তীয়া জনপ্ৰিয়তা লাভ কৰিববলৈ চেষ্টা কৰিছে। অধ্যক্ষ মহোদয়, এনেধৰণে আমি আমাৰ ৰাজ্যখনক কেতিয়াও আগবঢ়াই লৈ যাব নোৱাৰো। আমি আমাৰ চিন্তা-ধাৰা পৰিৱৰ্তন কৰিববই লাগিব। এইখন বাজেটে এক নতুন চিন্তা-ধাৰাৰ উদ্বেগ ঘটাইছে যে আমি কৃষি জলসিঞ্চনক একত্ৰিত কৰিম, এজন মন্ত্ৰীক দায়িত্ব দিম আৰু সেই মন্ত্ৰীজনক আমি অনুপ্ৰাণিত কৰিম। ওলোটাই আমি কি কৈছো পাখি কাটি দিম, এয়া হৈছে ধাৰণা। অধ্যক্ষ মহোদয়, আমি অসমত যেতিয়া মেডিকেল কলেজ নিৰ্মাণ কৰিছিলো তেতিয়া একেবোৰ মানুহেই আপত্তি কৰিছিল। যোৰহাটত মেডিকেল কলেজ নিৰ্মাণ কৰিববলৈ গৈ মই কিমান অপমানৰ সন্মুখীন হৈছিলো সেইটো মোৰ ৰাজনৈতিক জীৱনৰ আন এটা ডাঙৰ স্মৃতি। সিদিনাখন আমি হিচাপ কৰিছিলো যে ২০৩০ ত, এবছৰত আমাৰ ডাক্টৰ উৎপাদন হ'ব ২৪০০। একেলেথাৰিয়ে ১০০০, ১২০০, ১৬০০ এনেদৰে ডাক্টৰ উৎপাদন হৈয়ে থাকিব আৰু ২০৩৪ লৈকে আমি ডাক্টৰক চাকৰী দিব নোৱাৰিম। কাৰণ প্ৰতিবছৰে ২০০০ লৰা-ছোৱালীক আমি ক'ৰ পৰা চাকৰী দিম ? আমি আৰম্ভ কৰিলো যে নহয়, আমি sub-centre সমূহত ডাক্টৰ দিম যাতে অসম প্ৰথম হ'ব পাৰে। ইমানদিন বিধান সভাত প্ৰশ্ন আছিল যে নাৰ্চ

দিব লাগে কিন্তু আমি কৈছো যে আমি ডাক্টৰ দিম। অধ্যক্ষ মহোদয়, আমি এটা সপোন দেখিছো । হ'ব পাৰে আমি ১০০০ দিলো, ১৫০০ দিলো, মোৰ পিছৰ চৰকাৰে বাকীখিনি  পূৰা কৰিব। অসমত আমি নতুন চিন্তাৰ আৰম্ভণি কৰিম। আজিলৈকেতো কোনেও কৰা নাছিল । এতিয়া তেওঁলোকে কৈছে বাজেটখন গতানুগতিক।  অধ্যক্ষ মহোদয়, গতানুগতিক বাজেটত ANM ত ডাক্টৰ দিয়াৰ কথা কোনোবাই ক'ব পাৰে নেকি? গতানুগতিক বাজেটত এখন জিলাত এখন Engineering College, এখন Medical College, এখন বিশ্ববিদ্যালয় দিয়াৰ সপোন এখন দুখীয়া ৰাজ্যই দেখিব পাৰে নেকি ? অধ্যক্ষ মহোদয়, আমি সাহস কৰিছো। যোৱাকালিও মই বজালী সমষ্টিৰ বিধায়কৰ ভাষণ শুনি আছিলো। তেওঁ বেয়াও কোৱা নাই যে ৰাইজে দাবী কৰিছিল যে বজালীত মেডিকেল কলেজ এখন লাগে। এজন মানুহেও দাবী কৰা নাছিল। ধৰ্মেশ্বৰ ৰায়ক ভোটত জিকাব লাগে, মিটিঙত যাব লাগে, ভোট দিব লাগে। মই নিজেই কৈছিলো যে বজালীত এখন মেডিকেল কলেজ আমি কৰিম । তাৰ আগতে এখনে memorandum আছিলে যে বজালী University গ'লে তাত এখন বিজ্ঞান কলেজ লাগে। সেইখন ৰাইজৰ memorandum আছিল । কিন্তু বজালীত মেডিকেল কলেজৰ সপোন বি.জে.পি. চৰকাৰৰ আছিল । অধ্যক্ষ মহোদয়, আপুনিও মিটিঙত আছিল । অধ্যক্ষ মহোদয়, মই আপোনাক কৈছিলো যে আপুনি announce কৰি দিয়ক, মাটি দিব পাৰিবতো? বোলে দিয়ক, পাৰিম আমি । অৰ্থ্যাৎ আজি এই সপোনবিলাক বিৰোধীয়ে দাবী কৰা নাই যে মোৰ জিলাত এখন বিশ্ববিদ্যালয় দিয়ক  বা মেডিকেল কলেজ দিয়ক। চৰকাৰে কৈছে যে আপোনাৰ জিলাত আমি এখন মেডিকেল কলেজ, এখন ইঞ্জিনিয়াৰিং কলেজ, এখন বিশ্ববিদ্যালয় দিম। এইটো গতানুগতিক নেকি? ই যদি গতানুগতিক, তেতিয়াহ'লে মই ক'ব লাগিব যে প্ৰতিখন জিলাত মই একো একোটা space station আনি দিম । তেতিয়াহে অগতানুগতিক হ'ব।

অধ্যক্ষ মহোদয়, যদি হাইলাকান্দিৰ দৰে জিলাত, ইমানদিনে বঞ্চিত কৰি থোৱা এখন জিলাত আমি যদি মেডিকেল কলেজৰ কথা ক'ব পাৰো, আজি

মানকাচাৰত আলোচনা হৈছে, এই ৫ বছৰত ভিতৰত আমি মানকাচাৰতো এখন মেডিকেল কলেজ কৰিম বুলি। এই কথাটো কোনেও কল্পনাই কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, চাওঁতে চাওঁতে অসমৰ ২৭ খন কলেজ, autonomous college হ'ল, চাওঁতে চাওঁতে অসমৰ প্ৰতিখন জিলাতে একোখনকৈ বিশ্ববিদ্যালয় হ'ল। কোকৰাঝাৰৰ দৰে স্থানত দুখন বিশ্ববিদ্যালয় হ'ল। চাওঁতে চাওঁতে অসমত প্ৰতিখন জিলাত এখনকৈ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হ'ল, বৰাকৰ ওপৰত দলং হ'ল। এইখনেই মোৰ দুখীয়া অসম। ''দুখীয়াৰ ভঙা-পঁজা '' বুলি নলিনীবালা দেৱীয়ে লিখি থৈ গৈছিল। তাক আজি আমি সজাবৰ বাবে চেষ্টা কৰিছো। আজি দুখীয়াৰ পৰা ধনী হ'বলৈ চেষ্টা কৰিছো। অধ্যক্ষ মহোদয়, আমি সপোন দেখিছো। আমি সাৰ-কাৰখানা আৰু semi conductor ৰ বাবেতো একো দেখা নাই। অধ্যক্ষ মহোদয়, আমি semi conductor যে দেখিবলৈ পাইছো আমাৰ জীৱনত, কংগ্ৰেছে চেষ্টা কৰিও নিৰ্মাণ কৰিব নোৱাৰা সাৰ-কাৰখানাৰ যে নিৰ্মাণ আমি দেখিবলৈ পাইছো, semi conductor আৰু অধ্যক্ষ মহোদয়! এতিয়া কৈছে আমি মাত্ৰ এটা semi conductor হে দেখিছো। যদি এনেকৈ কথা কয়, কালি যদি ঘৰে-ঘৰে এতুলাকৈ সোণ দিওঁ তেতিয়া ক'ব দুতুলাকৈ কিয় দিয়া নাই? গতিকে অধ্যক্ষ মহোদয়, মই বিৰোধী পক্ষৰ সদস্য সকলক আহ্বান জনাওঁ, বিমল বৰা ডাঙৰীয়াকো আহ্বান জনাওঁ, তিনিলাখ কোটি টকাৰ বিনিয়োগত প্ৰতিটো স্থানতে আপোনালোক যাব লাগে। আপোনালোক গ'লে উদ্যোগপতি সকলে সাহস পাব যে অসমত চৰকাৰী পক্ষৰ লগতে বিৰোধী পক্ষও আমাৰ লগত আছে। তিনিলাখ কোটি টকাৰ বিনিয়োগ অসমত আৰম্ভ হৈছে। যদি মোক অলপ পৰিৱেশ নিৰ্মাণ কৰি দিয়ে, অহা ৫ বছৰত আমি ৫ ৰ পৰা ১০ লাখ কোটি টকাৰ বিনিয়োগ আনিব পাৰিম।

অধ্যক্ষ মহোদয়, কাজিৰঙাত এখন 5 star হৈছে, মানুহে ভাল পাব লাগে যে টকা দিব পৰা tourist আহিব। টকা কোনে পাব? টকা পাব হাতীৰ মাউতে, জীপ ছাফাৰীয়ে, তাৰ দোকানীয়ে, তাৰ ৰাইজে পাব। বেলেগ ৰাজ্যক মাতি আনে। জিম কৰ্বেট পাৰ্কৰ ভিতৰত 5 star বনাইছে, গুজৰাটত ফৰেষ্টৰ ভিতৰত

5 star বনাইছে, কেনিয়াত ফৰেষ্টৰ ভিতৰত Airport বনাইছে  আৰু অধ্যক্ষ মহোদয়, মোৰ কাৰণে মাত্ৰ এখন 5 star দিবৰ কাৰণে য'ত মানুহে টকা খৰছ কৰিম বুলি কৈছে তাৰবাবেও মই সংগ্ৰাম কৰি আছো। আজি কোনেও বিচৰা নাই যে কাজিৰঙাত জীপ ছাফাৰীসকলে বৰ্তমানৰ ১২০০ টকাৰ ঠাইত ২০০০ টকা পাওঁক, কাজিৰঙাৰ আৰু উৎপাদন হওঁক । তেওঁলোকে বিচাৰিছে যে কাজিৰঙাৰ জীপ ছাফাৰীকেইটা তেনেদৰে দুখীয়া হৈ থাকক । কাৰণ 5 star আহিলেতো ধনী মানুহো আহিব, পইচা বেছি দিব, দুখীয়া হৈ থাকিলেহে আন্দোলন হ'ব, ধনী হ'লেতো আন্দোলন নহ'ব। আজি মই আচৰিত হওঁ যে মানুহে আবেদন কৰিব লাগিছিলে এই বাওঁপন্থীসকলে যে চৰকাৰেনো আপোনাক কিয় এৰেষ্ট কৰিব লাগে? আপুনিয়ে নেতৃত্ব লওঁক, এখন 5 star অনাৰ কাৰণে, আপুনিও আধাৰশিলা কৰক । যিখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কাজিৰঙাৰ দৰে UNESCO Heritage  site ত এখন Five Star অনাৰ বাবে সংগ্ৰাম কৰিব লাগে। তেওঁ কিমান দিনে ৰাতিয়ে অসমৰ বাবে কষ্ট কৰিব লাগিব অনাগত দিনত আপুনি মাত্ৰ কল্পনা কৰক। মইতো আচৰিত হওঁ আজি এই বিলাক নতুন কথা নহয়, সুন্দৰ বনত Five Star আছে l Jim Corbett ত Five Star আছে, Ranthambore ত Five Star আছে, কোনখন  Tourist place ত Five Star হোটেল নাই ? আজি চিলংত Five Star  হোটেল আছে, চেৰাপুঞ্জীত Five Star hotel আছে।  আমাৰ কাজিৰঙাত কিয় Five Star hotel থাকিব নালাগে ? পৰ্য্যটক আহিব নালাগে ? পৰ্য্যটন এনেকুৱা এটা উদ্যোগ যি উদ্যোগ আহিলে প্ৰদুষণ হয়, নে খেতিয়কে মাটি দিব লাগে, একো কৰিব নালাগে, মানুহকেইজন পৰ্য্যটন মানে অসমত টকা খৰচ কৰিব আহে। আমি GST পাম, হাজাৰজনে উদ্যোগ পাব । আপোনালোকে কওঁক যে কাৰোবাৰ যদি মাটি গৈছে আপোনালোকে ক্ষতিপূৰণ ১০ লাখৰ ঠাইত ২০ লাখ দিম । তাতটো কাৰো আপত্তি নাই অধ্যক্ষ মহোদয়, যদি কাৰোবাৰ সঁচাই মাটি গৈছে, আন এটা ঠাইত মাটি দিয়ক। কিন্তু আমি Five Star hotel খন বিচাৰো। আমি ইয়াত কিয় কৈছো আদানি কিয় আহিব Five Star hotel কৰিব ? অধ্যক্ষ মহোদয় আদানিয়ে যদি

Five Star নবনায় মোৰ বনাবৰ কাৰণে পইচা নাই অধ্যক্ষ মহোদয়, নে আপুনি বনাব পাৰিবনে মই বনাব পাৰিম ? Five Star টো পইচা থকা মানুহে বনাব লাগিব । আজি যদি পৰিৱৰ্তন নহয় অধ্যক্ষ মহোদয়, ১০ বছৰৰ পিছত অৰুনাচলতকৈ আমি পিছত যাব লাগিব। পশ্চিমবংগত এতিয়া যিটো বিকাশৰ গতি লৈছে, আমি যোৱা ৫ বছৰত পশ্চিমবংগৰ লগত প্ৰতিযোগিতা কৰি আছিলো । এতিয়া যদি আমি উদ্যোগ আনিব নোৱাৰো আমি পিছুৱাই যাম । অধ্যক্ষ মহোদয়, চাপৰত আমি যেতিয়া Thermal power Plant আনিছিলো তাত এভেকশ্যন কৰিবলগীয়া হৈছিল। যেতিয়া Thermal power Plant ৰ সুনানি ল'ব গ'ল, তেতিয়া সকলো মানুহে ক'লে যে আমি আদৰণি জনাইছো আমাৰ বিৰোধিতা নাই। একেবোৰে মানুহ, মানুহে বুজি পালে যে এই Thermal power Plant ৰ পৰা ইয়াতে ২০০ খন ট্ৰাক চলিব , ১০ হাজাৰ মানুহে কৰ্ম সংস্থাপন পাব আৰু অসম বিদ্যুৎত আত্মনিৰ্ভৰ হ'ব। অধ্যক্ষ মহোদয় মই বিৰোধী দলৰ উপ দলপতিক অনুৰোধ কৰিম যে আপুনি চাপৰত যাব দেখা পাব। ওমৰাংচুত ১০ হাজাৰ কোটি টকাৰ চিমেন্ট উদ্যোগ দেখা পাব। আপোনালোকে বাওঁপন্থী বা Instagram ত চাই থাকি লাভ নাই , Real World ত আহক। Instagram ৰ মতে আমি ইলেকশ্যনত হাৰিব লাগিছিল, ১০২ টা আমি কিয় পালো, আমি Reel World ত আছো। আমি Real ত নাই। অধ্যক্ষ মহোদয় আমি মিশ্যন বসুন্ধৰাৰ কথা আলোচনা কৰো , আমি স্বীকাৰ কৰো হয়, ১,২,৩ ত আমি ৫ লাখ মানুহক মাটি দিলো। কিন্তু এতিয়াওটো মানুহ আছে যিয়ে মাটি পোৱা নাই। আমি কৈছো আকৌ ৪ আৰম্ভ কৰিম, ৪ কৰিম ৫ কৰিম ৬ কৰিম যুঁজি থাকিম। এদিনটো সমস্যা সমাধান হ'ব । আজি চৰ অঞ্চলৰ পৰা বিধায়ক আহিছে, প্ৰথমবাৰৰ কাৰণে আমি কৈছো যে চৰত আমি ছাৰ্ভে কৰিম । আপোনালোকে সাহসেৰে আদৰণি জনাব পৰা নাই, কিয় ? আপোনালোকৰ ৰাজনীতি মাতব্বৰৰ ওপৰত নিৰ্ভৰ । আপোনালোকৰ ৰাজনীতি দুখীয়া শোষিত মানুহৰ ওপৰত নিৰ্ভৰশীল নহয়, বি জে পি চৰকাৰ অধ্যক্ষ মহোদয়, কংগ্ৰেছ নহয় বি জে পি চৰকাৰে কৈছে যে চৰৰ মাটি আমি ছাৰ্ভে কৰিম। কাৰ সাহস আছিল বাহিৰত গৈ কৈছে

উচ্ছেদ হ’ব নালাগে, কিয় মাটিৰ পট্টা নিদিম ?  মাটিৰ পট্টা নিদিলেটো উচ্ছেদ হ’বই। আমাৰ লগত সহযোগিতা কৰক যে বসুন্ধৰাৰ জৰিয়তে প্ৰকৃত ভাৰতীয় নাগৰিকক আমি মাটি দিওঁ । আমাৰটো কোনো আপত্তি নাই অধ্যক্ষ মহোদয়, কোনোবা যদি প্ৰকৃত ভাৰতীয় নাগৰিক। এজনেওটো  তাৰ পৰামৰ্শ নিদিলে, আমাৰ মজিবুৰ ৰহমানক বাদ দি। পৰামৰ্শই নাহিল আপোনালোকৰ পৰা। মই জয়ন্ত মল্ল বৰুৱাক কৈ গৈছিলো যে আমাৰ minority MLA সকলে বসুন্ধৰাৰ ওপৰত পৰামৰ্শ দিব, আপুনি নোট কৰিব। মই সুধিলো, নোট কিবা হ'ল নেকি, reply দিব লাগে। তেতিয়া ক’লে যে কোনেও টো একো নকলে, কেৱল দলগাৱঁৰ বিধায়কে ক’লে। অধ্যক্ষ মহোদয়, আজি আমি বিচাৰিছো যে  মিশ্যন বসুন্ধৰাক আমি নতুন ৰূপত সজাই তোলো যাতে, মৰান, মটক আজি আমি ইমানলৈকে plan কৰিছো যে forest ত কেৱল tribal ক মাটিৰ পট্টা দিব পাৰি। আমি এইবাৰ আগুৱাই গৈ চিন্তা কৰিছো যে নহয়, মৰাণ মটকৰ দৰে খিলঞ্জীয়া জাতি জনগোষ্ঠীকো লাগিলে আইন সংশোধন কৰি হ’লেও আমি forest ত অধিকাৰ দিম। অধ্যক্ষ মহোদয়, এই কথাবিলাক কোনে চিন্তা কৰিছে ? আজি অসমৰ খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ কথা কোনে চিন্তা কৰিছে ? যোৱা ১০ বছৰত BJP য়ে, Tribal Agenda ক আমি সন্মুখত আনিব পাৰিলো। যোৱা ১০ বছৰত BJP য়ে জনজাতীয় কল্যাণৰ বিষয়বস্তুটোক বিধান সভাৰ কেন্দ্ৰবিন্দুলৈকে লৈ আহিলে। আগতেটো কোনেও কল্পনা কৰা নাছিল অধ্যক্ষ মহোদয়। আজি আমি সকলোৱে কওঁ যে অসমৰ ল’ৰাক উদ্যোগী কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় এইটো শ্লোগান আছিল, উদ্যোগী কৰিব লাগে। কিন্তু উদ্যোগটো এনেই নহয়, তাৰ কাৰণে টকা দিব লাগিব। আমি বিধান সভাৰ নিৰ্বাচনৰ সময়ত কৈছিলো যে  ১০ লাখ ল'ৰা - ছোৱালীক আমি ২ লাখ কৈ  টকা দিম যাতে তেওঁলোক স্বাৱলম্বী হ’ব পাৰে। তাৰ কাৰণে এটা detail Road-map আছে, কেনেকৈ training হয়, কেনেকৈ scheme হয়, কেনেকৈ আঁচনি আহে আৰু তাৰ পাছত তেওঁলোকে আমি প্ৰধান মন্ত্ৰীৰ মুদ্ৰা আঁচনিৰ  সৈতে সহযোগিতা কৰিব । কোনো এজনেও  আদৰণি নজনালে অধ্যক্ষ মহোদয়। আজি এজন বিধায়কে

কৈছে মোৰ সমষ্টিত মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি দিব লাগ, তাৰ আগতে নিৰ্বাচনৰ  আগত কি কৈছে যে ভোট কিনিবৰ কাৰণে Self help group ক টকা দি আছে। অধ্যক্ষ মহোদয়, আপোনালোকে বেয়া পাব কাৰণে আপোনালোকৰ সমষ্টিত দিয়া নাই, ভোট কিনা কামটো আপোনালোকৰ সমষ্টিত কিয় কৰো ? আজি কৈছে লাগে বুলি, মই ভাল পাইছো । আজি কংগ্ৰেছ দলৰ বিধায়ক এজনে শেষত হলেও মানি ল'লে যে মহিলা উদ্যমিতা এটা ভাল আঁচনি আছিল। আজি স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। ইমান দিনে তেওঁলোকৰ নেতাজনে কিন্তু বাহিৰে ভিতৰে  কি কৈ আছিল, প্ৰথম ক'লে ক'ত দিব টকা ? পিছত টকা দিওঁতে ক'লে, নহয়, নহয় ভোট কিনাৰ কাৰণে। আজি ক'লে যে মহিলা উদ্যমিতা এটা ভাল আঁচনি, মোৰ সমষ্টিটো দিব লাগে। নিশ্চিতভাৱে এই মাহতে দিয়া হ'ব। আজি স্বীকাৰ কৰিলে অধ্যক্ষ মহোদয়। আজি অৱশেষত স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। অধ্যক্ষ মহোদয়, লাখপতি বাইদেউ, আজি আমি কি কৈছো, কোনেও আলোচনাই নকৰিলে, মই গোটেই আলোচনা পঢ়িলো। Self help Group ৰ মহিলাক যদি ব্যক্তিগত ভাৱে তেওঁলোকে লোন লয়, আমি Stamp paper ৰ ১ টকাও   ফিজ তেওঁলোকৰ পৰা ন'লওঁ । আমি কি ক'লো যে  আমি এটা Credit Guarantee Fund কৰিম, যাতে group হিচাপে টকা ল'ব পাৰে, ব্যক্তিগত হিচাপেও টকা ল'ব পাৰে । এইখন অসমত অধ্যক্ষ মহোদয়, আমাৰ প্ৰচেষ্টাত  ৯ লাখ মহিলা আজি লাখপতি বাইদেউ হ'ল এদিন আমাক জোকাইছিল ইয়াত কিছুমানে ।  মই আকৌ Reel ৰ World ত যাওঁ, কিছুমানে আমাৰ লাখপতি বাইদেউ সকলক জোকাই গান লিখে। বিভিন্ন ধৰণে অপমান কৰাৰ চেষ্টা কৰে। অধ্যক্ষ মহোদয়, ৯ লাখ অসমীয়া মহিলা আজি লাখপতি। আমি ১০ হাজাৰ টকাকৈ দিলো, আৰু  নিশ্চিত ভাৱে মই ভাবো, ভগৱানে মোক শক্তি দিব যাতে ২৫ হাজাৰটোও  দিব পাৰো । অধ্যক্ষ মাহাদয়, আমাৰ প্ৰতিশ্ৰুতি আমিয়েই মনত পেলাই আছো। আগতে কোনো চৰকাৰ নাছিল, সকলোৱে নিৰ্বাচনৰ সময়ত দিয়া কথাবোৰ পাহৰাব   যত্ন  কৰে । কিন্তু আজি আমি ইয়াতে মনত পেলাইছো, অধ্যক্ষ মহোদয় ইয়াত কৈছে সত্ৰৰ কথা নাই। যেতিয়া আমি সত্ৰ

কাক বুজি নাপাওঁ, তেতিয়াটো সত্ৰৰ কথা কৈ লাভ নাই। মধুপুৰ সত্ৰ, সত্ৰ নহয় নেকি অধ্যক্ষ ডাঙৰীয়া ? আজি এইখন চৰকাৰে কৈছে শ্ৰীমন্ত শংকৰদেৱৰ আৰ্বিভাৱ ক্ষেত্ৰ পৰিকল্পনা সম্পূৰ্ণ হোৱাৰ পিছত, এতিয়া আমি তেওঁৰ তিৰুভাৱ ক্ষেত্ৰলৈকে যাম  আৰু মধুপুৰত গৈ আমি প্ৰকল্প নিৰ্মাণ কৰিম। এইখন চৰকাৰে কৈছে  সত্ৰ আয়োগ নিৰ্মাণ কৰিম। এইখন চৰকাৰে কৈছে লাচিত বৰফুকনক আমি বিশ্বজগত সভালৈ লৈ যাম। এইখন চৰকাৰে কৈছে অধ্যক্ষ মহোদয় বিহুক আমি ৰাষ্ট্ৰীয় মঞ্চলৈ লৈ যাম। এইখন চৰকাৰে কৈছে যে বিহুক আমি ইউনেস্ক'ৰ ৱৰ্ল্ড হেৰিটেজ কৰিম। মাজুলীৰ বৈষ্ণৱ সংস্কৃতিক আমি ৱৰ্ল্ড হেৰিটেজ কৰাৰ বাবে চেষ্টা কৰিম। সত্ৰ আৰু বৈষ্ণৱী সংস্কৃতি বেলেগ নহয়। সেইটো স্বাভাৱিক চেষ্টা কৰিছে বিৰোধী পক্ষই সত্ৰৰ বাবে মাত মাতিছে মই ভাল পাইছো, কিন্তু সত্ৰ আৰু বৈষ্ণৱী পৰম্পৰা যে একেই, এইখিনি কথা বুজি পাবৰ কাৰণে তেওঁলোকক অলপ সময় লাগিব আৰু তেতিয়া বুজি পাব, যেতিয়া একাংশ ভোটাৰৰ পৰা আমি ওলাই আহিব পাৰো, তুষ্টিকৰণৰ পৰা আমি ওলাই আহিব পাৰো, তেতিয়াহে আমি সত্ৰ কাক কয় নিশ্চিতভাৱে বুজি পাব পাৰিম। অধ্যক্ষ মহোদয়, আমি আকৌ মনত পেলাই দিলো যে নিৰ্বাচনৰ আগতে কৈছিলো চাহ জনগোষ্ঠীক আমি মাটিৰ পট্টা দিম। আমি পাহৰিব লাগিছিল, কিন্তু আমি ওলোটাই মনত পেলালো, এতিয়া ৩০ হাজাৰক দিয়া হ'ল, এই বছৰত ডেৰ লাখক দিম, আৰু দুবছৰ তিনিবছৰ ভিতৰত ৩ লাখক দি আমি শেষ কৰিম। আজি নিয়মমতে ৰূপজ্যোতি কুৰ্মী, ধীৰাজ গোৱালাই আমাক ক'ব লাগিছিল যে আপোনালোকে মাটি পট্টা দিম বুলি কৈছিল বাজেটত দেখোন একো উল্লেখ নাই। আমিতো সুযোগ দিয়া নাই অধ্যক্ষ মহোদয়, কাৰণ চাহ জনজাতিৰ কল্যাণ আমাৰ বাবে পলিটিকেল শ্লোগান নহয়ে, আমাৰ বাবে ৰাজনৈতিক তপস্যা। অধ্যক্ষ মহোদয়, আজি আমাৰ বাজেটত আমি কৰ্মচাৰী সকলৰ বাবে আজি ইয়াত কৈছে OPS লাগে। কৰ্মচাৰী পৰিষদৰ আজিকালি যিবিলাক নতুন কৰ্মী আছে, তেওঁলোকেটো NPS ত থাকিব বিচাৰে  ওলোটাই। পৰিবৰ্তিত কথাবিলাক আমি বুজিয়ে নাপাওঁ। এতিয়া যে ডেৰ লাখ, এক লাখ ষাঠি হাজাৰ ল'ৰা

ছোৱালীয়ে চাকৰি পালে, তেওঁলোককো NPS লাগে। কাৰণ after retirement OPS তকৈ  NPS য়ে বহুত বেছি টকা দিব আৰু যাক OPS লাগে তাৰ কাৰণে আমি UPS কৰি দিছো যে NPS লাগিলে NPS লৈকে যাওক, UPS লাগিলে UPS ত যাওক। এতিয়া মোক সোধে OPS কেতিয়া কৰিব কওঁক ? যেতিয়া আমি NPS UPS সকলো কৰিয়ে দিলো, কৰিব কি বাকী  থাকিল?  হ'ব পাৰে যে কিছুমান ভেঞ্চাৰ স্কুলৰ শিক্ষক প্ৰাদেশীকিকৰণ হৈছিল, দুবছৰ বা তিনি বছৰ চাকৰি কৰিলে, তেওঁলোকে সুবিধা পোৱা নাই অৱসৰত, সেই বিষয়টো আলোচনা হ'ব পাৰে। আমিতো কেতিয়াও বেয়া নাপাও। আজি আমি ইয়াত ক'লো যে ভেঞ্চাৰ স্কুলৰ শিক্ষকসকলে কলে যে date of appointment সলনি হ'ব লাগে। আমিতো ৰাইজৰ কথাই হাউচত কৈছো যে হয় প্ৰাদেশীকিকৰণ আইনৰ আমি সংশোধন আনিম। ২০১০ চনটোক আমি  ২০১৩, ২০১৪, ২০১৫ যি কৰিব লাগে আমি কৰিম।  আমিতো ৰাইজৰ কথাই এইখন বাজেটত কৈছো, যদি ৰাইজৰ কথা নাই কাৰ কথা আছে অধ্যক্ষ মহোদয়। ইয়াত চাহ জনজাতিৰ কথা আছে, জনজাতিৰ কথা আছে, ভেঞ্চাৰ স্কুলৰ শিক্ষকৰ কথা আছে, কৰ্মচাৰীৰ কথা আছে, উদ্যোগৰ কথা আছে, শিক্ষাৰ কথা আছে, নিবনুৱা যুৱক যুৱতীৰ কথা আছে। এই বাজেটখন আমাৰ সমাজৰ প্ৰতিফলন নহয় জানো অধ্যক্ষ মহোদয় ? অধ্যক্ষ মহোদয়, এই বাজেটৰ পাতত আমি ক'লো আজি মই ভাল পালোহেতেন যে এজন বিৰোধী পক্ষৰ সদস্যই যদি ক'লেহেতেন আপুনি ছেটেলাইট আনিব বিচাৰিছিল কিমান আগবাঢ়িছে ? আপুনি প্ৰ'টন থেৰাপি আনিব বিচাৰিছিল কিমান আগবাঢ়িছে ? যোৱা বাজেটত আপুনি OTT ৰ কথা কৈছিল কিমান আগবাঢ়িছে ? আমি উত্তৰ দি ভাল পালোহেতেন অধ্যক্ষ মহোদয়। কোনেও প্ৰশ্নই নুশুধিলে ? আমিতো উত্তৰ দিলোহেতেন যে ছেটেলাইটৰ টেণ্ডাৰ হৈছে, প্ৰ'টন টি. ভি.  দুই এদিনতে অৰ্ডাৰ দিম, প্ৰ'টন ৰেডিয়েশ্যনৰ আমি দুই এদিনতে অৰ্ডাৰ দিম, OTT আমি দুই এদিনতে উদ্বোধন কৰিম , আমিতো উত্তৰ দিলোহেতেন। আজি বিৰোধী পক্ষৰ উত্তৰ পঢ়িব সময় নাই, কোন দৰ্জীৰ তাত,

কোন tailor ৰ তাত কিমান জোখৰ ক'লা কাপোৰ আছে সেই কথা চিন্তা কৰি আছে।

**( *সদনত উফৰি অহা বক্তব্য* — চাৰ আমি, কোনো দৰ্জীৰ তাত, কোন *tailor* ৰ তাত যোৱা নাই*)***

আপুনি কিয় গাত পাতি লৈছে, যাৰ গাত লাগিব লাগে তাৰ গাত লাগিছে । অধ্যক্ষ মহোদয়, এই বাজেট খনত অসমক প্ৰতিযোগিতাৰ পৰিৱেশৰ মাজত অসমক উজলাই তোলাৰ প্ৰচেষ্টা কৰা হৈছে। ইয়াত কোনোবাই কৈছে বাজেট ডেৰ লাখ কোটি আছিল, এইবাৰ বাজেটৰ চাইজ কমিছে মই টেকনিকেল উত্তৰ দিয়াৰ আগতে, প্ৰথম প্ৰশ্নটো সুধিম সম্পদ ক'ৰ পৰা আহিব ? জয়ন্ত মল্ল বৰুৱাই ঘৰৰ পৰাতো আনিব নোৱাৰে । সম্পদ সৃষ্টিৰ কাৰণে উদ্যোগ হ'ব লাগিব, সম্পদ সৃষ্টিৰ কাৰণে বিকাশ হ'ব লাগিব, যদি এফালে কয় সম্পদ আহিব নালাগে, বিকাশ আহিব নালাগে, আদানি আহিব নালাগে, আম্বানি আহিব নালাগে, আনফালে কয় মোক ৰাস্তা দিয়ক, হাস্পতাল দিয়ক তাৰমানে আমি ক'ৰপৰা টকাটো পাম অধ্যক্ষ মহোদয়। অসমত আমি growth আনিবই লাগিব । আজি ৰিজাৰ্ভ বেংকে কৈছে যে Assam is the fastest growing state আমি growth আনিবই লাগিব । জাগীৰোডৰ এটা semi-conductor ৰে মোৰ ভোক নপলাই,, টাইৱান সৰু প্ৰদেশ এখনত গোটেই বিশ্বৰ semi-conductor টাইৱানৰ পৰা যায় । আমি কিয় কল্পনা কৰিব নোৱাৰো যে জাগীৰোড আমাৰ ভৱিষ্যতৰ টাইৱান হ'ব। আজি প্ৰশ্ন আহিব লাগিছিল যে এটা semi-conductor আপুনি আনিলে বাৰু দ্বিতীয়টো কেতিয়া আনিব ? তেতিয়াহে মোৰ ভাল লাগিলেহেতেন যে নহয়, আমি পৰিৱৰ্তন হৈছো। আমাক উন্নতি লাগে অধ্যক্ষ মহোদয়, অসমৰ উন্নতিক বিৰোধিতা কৰা সকলক মই এটা বাৰ্তা পঠাব বিচাৰো । অহা পাঁচটা বছৰত আমি অসমৰ বাবে ধুমুহাৰ দৰে কাম কৰিম । আপোনালোকে বাধাৰ প্ৰাচীৰ সৃষ্টি কৰিব, অসমৰ ৰাইজৰ আশীৰ্বাদত সেই বাধাৰ প্ৰাচীৰ আমি ভাঙি চিঙি শেষ কৰিম । অধ্যক্ষ মহোদয় প্ৰত্যাহ্বানৰ বাবে আমি ভয় নকৰো ।প্ৰত্যাহ্বানৰ মাজতো মথাউৰি পকী হ'ব, আমাৰ সমষ্টিৰ ৰাস্তাও হ'ব, আমাৰ

স্কুলো হ'ব, নিবনুৱা যুৱক যুৱতীয়ে কৰ্ম সংস্থাপনো পাব। অসমৰ অশ্বমেধৰ ঘোঁৰা ইয়াক ধৰি ৰাখিব পৰা নাযায় অধ্যক্ষ মহোদয়। ৰাইজে উত্তৰ দিলে ১০২ জন বিধায়কেৰে ৰাইজে আমাক আশীৰ্বাদ দিলে যে এতিয়া কাম কৰক আৰু কাম কৰাৰ কাৰণে আমি ভোট দিছো। অধ্যক্ষ মহোদয় নিশ্চিতভাৱে ৰাইজৰ আশীৰ্বাদৰ নিৰ্মালী আমি শিৰত লৈ অসমৰ ৰাইজৰ বাবে কাম কৰিম, অসমৰ ৰাইজক আগুৱাই লৈ যোৱাৰ বাবে আমি নিজক আকৌ এবাৰ সমৰ্পণ কৰিম। বিধায়ক সকললৈ মোৰ তিনিটা, চাৰিটা পৰামৰ্শ আছে অধ্যক্ষ মহোদয়। অসমক আমি কণী, মাছ আৰু মাংসৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তুলিব পাৰো। ছিণ্ডিকেট শব্দটোৱে নোহোৱা হৈ যাব অধ্যক্ষ মহোদয়। শ্ৰীৰামপুৰেদি এইবিলাক আহিবই নালাগে। ছিণ্ডিকেট শব্দটো নোহোৱা কৰাৰ একমাত্ৰ উত্তৰ হৈছে আত্মনিৰ্ভৰ অসম। যেতিয়া অসম আত্মনিৰ্ভৰ হ'ব, ৰাজ্যত বাহিৰৰ পৰা একো সম্পদ আহিব নোৱাৰিব। মই অনুৰোধ কৰিম যে সৰুকৈ হ'লেও আত্মনিৰ্ভৰশীলতাৰ কেইটামান অনুষ্ঠান আমি আমাৰ সমষ্টিত গঢ়ি তুলিব লাগিব। ৫০ হাজাৰ কণী উৎপাদন, অমৃত সৰোবোৰৰ দৰে আঁচনিৰ জৰিয়তে মাছৰ ওপৰত আত্মনিৰ্ভৰ, গাহৰি পালনৰ জৰিয়তে আত্মনিৰ্ভৰ। প্ৰতিজন বিধায়কে আমি যেনেকৈ আত্মনিৰ্ভৰ অসমৰ কথা কৈছো, আমি কথা পাতো আমি কেনেকৈ আত্মনিৰ্ভৰ ৰঙীয়া বনাব পাৰো, আমি কেনেকৈ আত্মনিৰ্ভৰশীল তামুলপুৰ, আমি কেনেকৈ আত্মনিৰ্ভৰশীল কলীয়াবৰ, আত্মনিৰ্ভৰশীল কমলপুৰ, আত্মনিৰ্ভৰশীল সোণাৰি, আত্মনিৰ্ভৰশীল মাৰ্ঘেৰিতা বনাব পাৰো। আমাৰ সমষ্টিলৈ এক লিটাৰ গাখীৰো বাহিৰৰ পৰা নাহিব। দুগ্ধ সমবায় সমিতি কৰিম। অখিল গগৈ ডাঙৰীয়াই কৈছে আমি ছয় নম্বৰত। হয় অধ্যক্ষ মহোদয়, একেলগে এতিয়া প্ৰতিযোগিতা কৰো যে আমূলক আমি পৰাজিত কৰিম আৰু আমি এক নম্বৰত যাম দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত। আজি আমূলে যদি দৈনিক আজি আমূলে যদি ডেইলি ৮০ ৮০ লাখৰ পৰা ডেৰ কোটি লিটাৰ গাখীৰ উৎপাদন কৰিব পাৰে, আমি অসমত অন্তত: ৫০খন নিত্যানন্দ কেনেকে গঢ়ি তুলিব নোৱাৰো। Definitely আমি পাৰিম, অধ্যক্ষ মহোদয়। মই আশা কৰিম, যে আত্মনিৰ্ভৰ

ভাৰত, আত্মনিৰ্ভৰ অসম আৰু মোৰ আত্মনিৰ্ভৰ সমষ্টি। মোৰ সমষ্টিত কাষৰ সমষ্টিৰ পৰা গাখীৰ নাহিব, মোৰ সমষ্টিত কাষৰ সমষ্টিৰ পৰা কণী নাহিব, মোৰ সমষ্টিত কাষৰ সমষ্টিৰ পৰা মাছ নাহিব, মোৰ সমষ্টিত কাষৰ সমষ্টিৰ পৰা আলু নাহিব, চবজি নাহিব, একো নাহিব, সকলো মোৰ সমষ্টিতে নিৰ্মাণ হ'ব। মই আমাৰ যুৱ বিধায়কসকল, আন সকলোকে আত্মনিৰ্ভৰ সমষ্টিৰ এই প্ৰতিযোগিতালৈ আহ্বান জনাওঁ। চৰকাৰৰ পৰা যি সহায় লাগে আমি নিশ্চিতভাৱে সহায় কৰিম। বিধায়কসকলক অনুৰোধ কৰিম চৰকাৰৰ উন্নয়নমূলক আঁচনিৰ বাবে, প্ৰয়োজনীয় ভূমি— চৰকাৰৰ ভূমিটো নাই, ৰাইজৰ পৰাই ল'ব লাগিব, ৰাইজে উচিত মূল্য পাব, ৰাইজে অংশীদাৰিত্ব পাব। আমি যাতে আঁচনি আহিলে ৰাইজৰ সহযোগিতাৰ পৰিৱেশ এটা নিৰ্মাণ কৰিব পাৰো। অহা পাঁচ বছৰ আমাৰ বাবে crucial হ'ব। বিগত পাঁচ বছৰত আমি এটা পৃষ্ঠভূমি নিৰ্মাণ কৰিলো। অহা পাঁচ বছৰত আমি যদি আগুৱাই যাব বিচাৰো আমি আৰু দুগুণ কাম কৰিব লাগিব। প্ৰতিটো সমষ্টিৰ পৰা সহযোগীতাৰ বিনম্ৰ প্ৰাৰ্থনা কৰিলো। অধ্যক্ষ মহোদয়, আমাৰ অসমত জিলাই জিলাই মেডিকেল কলেজ হ’ব। কিন্তু মোৰ জিলাৰ ল’ৰা-ছোৱালীয়ে সেইখন মেডিকেল কলেজত পঢ়িব নে নাই ? গোৱালপাৰাত মেডিকেল কলেজ হ’ব, ক’ৰ ল’ৰা-ছোৱালীয়ে পঢ়িব? ধেমাজিত মেডিকেল কলেজ হ’ব, কোন ল’ৰা-ছোৱালীয়ে পঢ়িব? মইতো বিচাৰো ৰাইজে কওঁক যে আমাৰ সমষ্টিৰ চাকৰি আমাৰ ল’ৰাই পাব লাগিব। মইতো বিচাৰো সেই আন্দোলনটোক আৰু সক্ৰিয় কৰক যে মোৰ জিলাৰ ল’ৰাই হে মোৰ মেডিকেল কলেজত পঢ়িব। কিন্তু সেই আন্দোলনটো ৰাস্তাৰ আন্দোলন নহয়, সেই আন্দোলনটো শিক্ষাৰ আন্দোলন হ'ব লাগিব। আমি যুৱ আয়োগ গঠন কৰিছো। আমাৰ সমষ্টিত কেনেকৈ আমি Medical ৰ বাবে ল'ৰা-ছোৱালীক training দিব পাৰো, engineering ৰ বাবে, IIT ৰ বাবে training দিব পাৰো, AIIMS ৰ বাবে training  কৰিব পাৰো, UPSC ৰ বাবে training কৰিব পাৰো। প্ৰত্যেকটো

সমষ্টিৰ বিধায়কে এই ক্ষেত্ৰত নিজৰ contribution আগবঢ়াব। কাৰণ আমি অসমৰ ভাগ্য পৰিৱৰ্তন কৰিবই লাগিব। অধ্যক্ষ মহোদয়, আজি কৈছে যে ৩০% হে ৰাজ্য চৰকাৰৰ পুঁজি। অধ্যক্ষ মহোদয়, কোন মুখ্যমন্ত্ৰীয়ে নিবিচাৰে যে ১০০% ৰাজ্য চৰকাৰৰ পুঁজি হওঁক। কোন মুখ্যমন্ত্ৰীয়ে নিবিচাৰে ! কিন্তু দূৰ্ভাগ্যৰ পৰা সৌভাগ্যৰ এই যাত্ৰাত আমি সকলোৱে সহযোগীতা কৰিব লাগিব। মইতো দুখ পাওঁ, যে প্ৰতি মাহৰ ১০ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকাটো নহালৈকে আমি কৰ্মচাৰীক দৰমহা দিব নোৱাৰিছিলো। আজি অন্তত: সেই বদনাম আমাৰ মূৰত নাই। আজি আমি নিজৰ দৰমহাখিনি নিজেই দিব পাৰো। যেতিয়ালৈকে ১০ তাৰিখে মোদী ডাঙৰীয়াই টকা নপঠায় আমি পেঞ্চনকেইটাও নিজে দিব নোৱাৰো। কিন্তু আমাৰ পূৰ্বপুৰুষসকলে কৈ গৈছিল— "সকলো আছিল, সকলো আছে, নুবুজো নলওঁ গম।" আমাৰ সকলো আছে, অধ্যক্ষ মহোদয়। মাত্ৰ আন্দোলন, বিপ্লৱ, বাধা — এইবিলাকৰ পৰিৱৰ্তে এটা প্ৰগতিশীল, আধুনিক আৰু নিজৰ ঐতিহ্যৰ ওপৰত বিশ্বাস থকা এটা শক্তিশালী জাতিলৈ আমি ৰূপান্তৰ হ'ব লাগিব। অধ্যক্ষ মহোদয়, মই বিশ্বাস কৰো এই বিধানসভাই এখন আত্মনিৰ্ভৰ অসমৰ যাত্ৰা আৰু the standard of discussion, আজি ইয়াত আহিব লাগিছিল, অধ্যক্ষ মহোদয়, মই বিচাৰো Andhra Pradesh become new hub of quantum computer- আমাৰ বিধানসভাত প্ৰশ্ন আহিব লাগিছিল, যে ৰাজ্য চৰকাৰে এই দিশত কি কাম কৰি আছে ? Hydrogen ৰ ট্ৰেইন চলি আছে, আমি ইয়াত আলোচনা কৰিব লাগিছিল। এদিন অন্তত: কোনোবা এজন বিধায়কে ক'ব লাগিছিল যে semiconductor ৰ বিষয়ে শুনি আছো, এই গোটেই process টো এটা ভাল বক্তব্যৰে বুজাই দিয়কচোন, যাতে আমিও তাত সহযোগীতা কৰিব পাৰো। আজি অৰুণাচল যদি আগবঢ়ি গৈছে পাৰে আমি কেনেকে আগবাঢ়িব পাৰো? পশ্চিমবংগ, উৰিষ্যাত বহুতবিলাক আজিকালি portal আছে। মোৰতো দুখ লাগি থাকে, উৰিষ্যাত প্ৰতি সপ্তাহতে ১০ হাজাৰ কোটি টকা বিনিয়োগৰ চুক্তি স্বাক্ষৰ হয়। মোৰ ৰাতি টোপনি নাহে। ৰাতি ২ টা বজাত Chief Secretary লৈ এই WhatsApp, tweets বিলাক পঠাই পঠাই দিওঁ। অধ্যক্ষ মহোদয়, বিদেশী

কোম্পানী এটাৰ লগত আদানীয়ে উৰিষ্যাত এক লাখ কোটি  টকা বিনিয়োগৰ এটা চুক্তিত স্বাক্ষৰ কৰিলে। এটা না আন্দোলন না হুলস্থূল। এক লাখ কোটি  টকা যদি বিনিয়োগ হয় সেইখন ৰাজ্যৰ GDP will be increased by 2%. মইতো ৰাতি এইবিলাকে চাই থাকো  ২ টা-৩ টা লৈকে,  ক'ত,  কোনে কি আমাৰ investment আনিলে। আমাৰ দৃষ্টিভংগীৰ পৰিবৰ্তন হ'ব লাগিব। বিধানসভাত যদি ভাবো, যে নহয় ক’ৰবাৰ পৰা টকা আহে ! টকা ক'ৰো পৰা নাহে। টকা যেনেকৈ পৰিয়ালত পিতৃয়ে শ্ৰমেৰে উপাৰ্জন কৰি ঘৰলৈকে টকা আনে, তেনেকৈ এখন ৰাজ্যতো জনসাধাৰণে কপালৰ ঘাম মাটিত পেলাই ৰাজ্যলৈ পুঁজি আনিব লাগিব। সকলো লাগে আমাক, কিয় নালাগে ? দলং লাগে, বাঁহৰ দলং পকী হ'ব লাগে, কাঠৰ দলং হ'ব লাগে, PM- DevINE হ'ব লাগে, NESIDS পাব লাগে, বিশ্ববিদ্যালয় পাব লাগে, থানা পাব লাগে, circle পাব লাগে, আমি সকলো পাব লাগে। কিন্তু আমাৰ ৰাজ্যখনত যদি বিকাশ নহয়, সূৰ্যই যদি গৰম দি, ৰ'দ দি নদীৰ পানী শোষণ কৰি নলয়, তেতিয়াহ'লে মানুহে কেতিয়াও বৰষুণ নাপাব। সূৰ্যৰ গৰমত আমি কষ্ট পাওঁ, কেতিয়াবা সূৰ্যক গালিও পাৰোঁ। কিন্তু গৰম এই কাৰণে হয় - সূৰ্যই জানে খেতি-পথাৰৰ কাৰণে মই এতিয়া পানী দিব লাগিব আৰু সেই কাৰণে পানী শোষণ কৰি লৈ যেতিয়া মেঘৰ সৃষ্টি হয়, মেঘে আকৌ বৰষুণ দি আমাৰ পৰা লৈ যোৱা পানী আমাকেই উভতাই দিয়ে। This is the circulation. ৰাইজে বিকাশৰ ৰাস্তা পোনাব লাগিব। বিকাশ ৰাজ্যত হ'ব লাগিব আৰু লক্ষ্মী যেতিয়া ৰাজ্যত প্ৰৱেশ কৰে, তেতিয়াহ'লে তাত দৰিদ্ৰতা থাকিব নোৱাৰে। অধ্যক্ষ মহোদয়, মই আশা কৰো আমাৰ ৰাজ্যত 14% এতিয়া দৰিদ্ৰতা আছে, by next five years মোৰ লক্ষ্য হৈছে to brought o it down to 5%, যাতে মাত্ৰ ৫% আমি দৰিদ্ৰতাৰ তলত জনসাধাৰণক ৰাখিব পাৰো। প্ৰত্যেকজন ল'ৰা-ছোৱালীয়ে যাতে স্কুল-কলেজলৈকে যাব পাৰে। প্ৰত্যেকজন যুৱক-যুৱতীয়ে নিজৰ আশা-আকাংক্ষা আমাৰ ৰাজ্যখনতেই পূৰ্ণ কৰাৰ সুযোগ-সুবিধা পাব পাৰে। আমাক এনেকুৱা নালাগে যে flyover খন হ'লে গছ কাটা। আজিকালি গছ কাটিব নালাগে, অধ্যক্ষ মহোদয়। মোৰ ঘৰৰ সন্মুখত মই নিজে এটা পৰিকল্পনা কৰিছিলো, মোৰ ঘৰৰ

সন্মুখত মই ১০০ ডাল গছ ডাঙৰ কৰিছো, অধ্যক্ষ মহোদয়। গোটেইকেইডাল গছ মই এখন ঠাইৰপৰা উঠাই আনি ইয়াত লগাইছিলো। আমাৰ মনটো বিকাশ কৰিব লাগিব যে চৰকাৰক ক'ব লাগে যে কাটা -নাকাটা নহয়; আপোনালোকে ক'ত translocation কৰিব, কওঁক। কাটাৰ দিন গ'লগৈ। যদি আমাৰ জীৱন এইটো হয় যে প্ৰথমতে উৰণীয়া সেঁতু কৰিব নিদিম, উৰণীয়া সেঁতুখন হ'ব, তাৰ পিছত ক'ত photo আঁকিব দিম তাৰ কাৰণে চৰকাৰৰ লগত কাজিয়া কৰিম। প্ৰথম দিনাই ক'ব লাগিছিল যে আমি photo আঁকিম, উৰণীয়া সেঁতুখন এনেকৈ বনাওঁক যাতে সেইখন আমি art gallery লৈ ৰূপান্তৰ কৰিব পাৰো। আমি তেনেকুৱাই design কৰিলো হেতেঁন ! যদি উদ্দেশ্য সেইটোৱেই আছিল। তাৰমানে এচাম মানুহ আছে, য'ত ত'ত যেনেকৈ নহওঁক, ক'ৰবাত কিবা এটা লগাই থাকিব। চৰকাৰ কঠোৰ হ'ব । কাৰণ এইখন চৰকাৰে অজস্ৰ ৰাইজৰ আৰ্শীবাদ লৈ শাসনত আহিছে। আমি অসমক উন্নতিৰ পথত লৈ যাবই লাগিব। এইকাৰণেই এই সদনৰ জৰিয়তে মই এটা বাৰ্তা পঠিয়াব বিচাৰিছো যে উন্নয়ণৰ বিৰুদ্ধে যিসকলে মাত মাতি অসমখনক পিছুৱাই লৈ যাব চেষ্টা কৰে তেওঁলোকৰ লগত আমি কেতিয়াওঁ compromise নকৰো। আমি তেওঁলোকক হাতে-হাত ধৰি অসমক ভাৰতৰ এখন সৰ্ব্ব শ্ৰেষ্ঠ ৰাজ্যলৈ ৰূপান্তৰ কৰা যাত্ৰাত আমাৰ সহযোগী হোৱাৰ বাবে আহ্বান কৰিম  আৰু এনেকৈয়ে আমি ৰূপান্তৰৰ নতুন অসমৰ ইতিহাস লিখিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া। ইয়াৰ মাজতে মই এটা কথা ক'ব বিচাৰিছো । আমাৰ যিহেতু ভালেকেইগৰাকী বিধায়কৰ বাজেটৰ ওপৰত ক'বলগীয়া  আছে আৰু মাননীয় মন্ত্ৰী মহোদয়ৰো উত্তৰ দিবলগীয়া আছে। সেয়েহে ২:০০ বজাৰ সময়টো extend কৰিব লাগিব। গতিকে আমাৰ বিধায়ক সকলৰ কাৰণে ভিতৰতে lunch ৰ ব্যৱস্থা কৰা হৈছে আৰু বিধায়কসকলৰ সহযোগীসকলে নিউ হোষ্টেলত যাব পাৰিব । আমাৰ বৰ্তমান সদন continuous চলি থাকিব। এতিয়া বাজেটৰ ওপৰত মাননীয় সদস্য বিজয় কুমাৰ গুপ্তা ডাঙৰীয়াই বক্তব্য ৰাখিব। আপোনাক ৪ মানিট সময় দিয়া হ'ল।

**শ্ৰী বিজয় কুমাৰ গুপ্তা, ( মধ্য গুৱাহাটী ) :** Hon'ble Speaker Sir,me aaj Garimamoi Sadan me Barsh 2026-27 ke historical Budget ko swaget karne ke lie apar garb ke aur kritaghata ke sath khara hou jise hamare Bitta Mantri Shri Jayanta Malla Baruah ne sandar dhang se prastut kiya hai. Ye kebal bittiya biboran nehi hai, ek vision document hai. Jo Assam ke logo dura ek naya karyakal ke liye hamare sarkar ko jataye goye pobitra janadesh ka samman karta hai. Hamare maniya CM Dr. Himanta Biswa Sarma aur jasaswi PM Narendra Modi ji ka driha aur paribortan kari netritya me yeh Budget ek surakshit aur bikashit Assam ka marg ko majbuti se prashath karta hai. Hon'ble Speaker Sir, mere koyi sammanit bidhayak ne pehle hamare 2 lakh cr. Ke Budget ke bishal akar, abhutpurba rojgar season swasth sewa tatha buniadi dhase mai hamare aitihasik kodmo ko bahut prabhbsali dhang se prakash dala hai. Isliya mai un akro ko nehi dahraonga iske bajah is sadan ka dhyan Budget ke atma ke aur akorshit karna chahunga. Ek aisha Budget jo hamere Hamare maniya CM Dr. Himanta Biswa Sarma ji ke dur darsi netritya mai hamere sanskritik gaurav, hamere sanskritik akhandata aur hamere techniki niyoti ko phir se prabhabit korte hai. Agar ham apne joro ko kho de tou swache bikash ka koi matlab nehi rahega. Mujhe batate huye bohut garv houta hai ki 25 December, 2026 ko Mission Basundhara 4.0 suru korne ki ghusana korte hai. Yei charan ek mahatyapurna suraxa upai pesh korta hai. Yei sunichit korna hai ki bhumi abantan sirf un logo ko kiya jai jinka poribar kom se kom tin pirio se Assam mai reh rahe hai. Jo hamare swadeshi samuday ke adhikaro ko surakshit korega. Iske alaba hum apne pobitra virasat ko ghar bapash la rahe hai. Mujhe yei dekhkor khushi ho rahe hai ki 16th sadi ki Brindavani Vastra ko London ke British Museum se

sarbojanik pradarshan ke liye Assam laya jayega. Hum mahan Lachit Borphukan, swahid Kushal Kuwar par biswastariya bebosayik feature filmo ka promotion humare swahid ko amar bona rahe hai. Yei budget sabit karta hai ki ek bikosit Assam woh hai jo aapni samridhi ki nip por majbuti se khare hu kar asman sune ka housla rakhte hai. Eis sarkar ke pass samajik akhandata ko lagu korne ka sahash hai. Yei Budget Mahila Swastikaran aur langik nayai ke liye samjhota na aapna ne ka rukh apnata hai. Yei sposta rup se adesh deta hai ki pani ganda korne wala koi bhi byakti sarkari kalyankari Yojna ke labh uthane ka apatra hoga. Ek kadam aur aage bahrate hue hum Assam sarkari sewa ki niyomo ka sangsudhan kar rahe hai ki yeih sunichit kar sake ki bahu bibah korne wale kisi bhi sarkari karmchari ko sewa se barkhast kar sake. Yei kebal prasason nehi hai. Yeh sahasik aur nirnayok samajik sudhar hai. Jab ki hum apne samajik tane-bane ka suraksha kar rahe hai, hum sath hi Assam ko bhabishya ke aur le ja rahe hai. Mere sathiyo ne sarko ke bare mein baat ki lekin mein Lokpriya Gopinath Bordoloi International Airport ke Aas paas bikasit kiye ja rahe Aerotropolis pe prakash dalna chah raha hoon. Yeh 100% sarkari summit wala Shehri Bikash Kendra, Byabasayik nibesh aur yuvao ke rojgar ke liye ek vishal adhunik ban jayega . 1 lakh employment aur 4 hajar bigha land ke madhyam se yuva o ko rojgar de payenge. Humare krishi me aye kranti ko dekhiye . Hum paramparik khetiyo se aage barh rahe hai. Assam ab safalta purbak premium tea ka utpadon kar rahe hai jiska pehla khet Guwahati Tea Auction Centre mein praai 3 hajar per kg mein bik gayi hai. Apne kisano ko aur samarthan dene ke liye hum purani sinchayi proyogo ko adhunik kaushal aur specialized pipe distribution me badal rahe hai jiske liye 4 hajar crore ka

bhari nibesh kiya ja raha hai. Assam ab sirf dusro ka barabari karne ka koshish nehi kar rahe hai. Hum desh ka netritwa kar rahe hai. JAICA ke sath sajidari mein hum apne rajyo ko bharatke Agroni Semi Conductor ke hub mein sthapit karne ke liye Assam Semi Conductor Eco System ASEMI launch kar rahe hai aur aage jake Assam Bharat ke pehli rajyo Summit wali prithvi Ablokan upagraha pane ke sath satmo sitaro tak pahach sakte hai. Speaker Sir, humara buniyadi dhacha bhabya pariwartan ke paas ek yug ka gawah ban raha hai. Pariwartankari Guwahati Ring Road, Silchar High Speed Corridor se lekar pratisthit Majuli –Jorhat Bridge tak hum Brahmaputra aur Barak ghatiyo ko bhoutik aur aarthik rup se ek jut kar rahe hai. Iske atirikt Jal bidyut, Char, Thermal yojana pe Rs. 77,353 crore se adhik abhutpurbak nibesh pipeline ke sath Assam ek bidyut abhishesth power surplus rajya aur purbattar ka harit urja hub banne ke liya nirnayak kadam utha raha hai. Speaker Sir, ye kewal Eit (brick), bridge and sarko ka budget nehi hai. Yeh ek sanskritik rup se surakshit, samajik rup se nyaypurb aur takniki rup se sarvacch Assam ka Khaka hai. Mein garv se aur pure dil se iss aitihasik budget ka samarthan karta hoon. Speaker Sir, rajya sarkar pehli bar Asomiya cinema, Lok sangeet, documentary, sahitya natak ko aur rajya ke samuh sanskriti ko basak ko duniya ke samne sakaratmak aur shuddha rup se pesh karne ke liye samarpit khud ka OTT Platorm ka prastab rakha hai. Mananiyo CM ko mein dhanyabad karna chahta hoon ki Guwahati Centre ko separate revenue circle de karke manoniyo CM ne jo ek prasangsaniyo kadam uthaya hai uske liye mein antarik dhanyabad deta hoon. Guwahati Metro Rail ka jo planning hai uske liye bhi mein manoniyo mukhyamantri ko dhanyabad deta hoon. Ant mein yeh budget

humare durast gaon aur chay bagano mein  pal rahe prati ek baccho keliye atoot baada hai. Yeh sunicchit karta hai ki bharat 2047 mein apna swatantrata k shatabdi manayega tab Assam desh ke shresth paanch rajya mein shaan se khada hoga. Mein puri dil se iss aitihasik budget ka swagat aur samarthan karta hoon. Dhanyabad. Joi Aai Asom.

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া নুৰুল হুদা ডাঙৰীয়াই ক'ব।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) :** মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ ৮৩ নং পৃষ্ঠাত জলসম্পদ বিভাগ, জীৱন আৰু জীৱিকাৰ সুৰক্ষা। ইয়াত ১,৬৭০ কোটি টকাৰ প্ৰস্তাৱ দিছে, ভাল পাইছো। কিন্তু অধ্যক্ষ মহোদয়, ইয়াত জীৱন আৰু জীৱিকাৰ কথা উল্লেখ কৰা নাই। জীৱন আৰু জীৱিকাৰ কথা কৈছে, জীৱন কেনেকৈ সুৰক্ষিত হৈ থাকিব, জীৱিকা কেনেকৈ সুৰক্ষিত হৈ থাকিব সেই কথাবিলাক উল্লেখ নাই। মোৰ ৰূপহী বিধানসভা সমষ্টিত ছাৰ, ২ নং বৰঘুলি, ৩ নং বৰঘুলি, ভুড়বান্ধা, ভুড়বান্ধা ৪ নম্বৰ ১, ২, ৩, ৪, বগামুখ ১, ২, ৩, ভুড়বান্ধা, বজাৰগাঁও, চিতলমাৰী পথাৰ, কাটিমাৰী, তাত ২০ হাজাৰ বিঘা মাটি এই যোৱা ২০ টা বছৰত ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াই খহাই লৈ গৈছে। আজি এইসকল লোকৰ ম্যাদী পট্টাৰ মাটি, মোক পট্টাবিলাক দিছে ছাৰ। দম হৈ আছে, দুটা ফাইল পুৰা ভৰ্তি হৈ আছে। এই লোকসকলৰ ম্যাদী পট্টাৰ মাটি গৰাখহনীয়াৰ ফলত সৰ্বস্বান্ত হৈ অ'ত ত'ত মানুহখিনি আছে, কিন্তু মানুহখিনিৰ পুনৰ সংস্থাপনৰ সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰা নাই।  গতিকে এই যে ১,৬৭০ কোটি টকাৰ প্ৰস্তাৱ দিছে, মই এইটোৱেই আশা কৰিম যে এই টকাখিনিৰ ভিতৰত এই লোকসকলক পুনৰ সংস্থাপনৰ সাহাৰ্য্য দিয়াৰ যেন ব্যৱস্থা কৰে। অধ্যক্ষ মহোদয়, আমাৰ পৃষ্ঠা নম্বৰ ৬৪ ত অসম চুক্তিৰ কথা কৈছে। অসম চুক্তি ৰূপায়ণৰ অসম চুক্তিৰ ৫ নং দফা, আৰু এই ৫ নং দফাত উল্লেখ আছে যে ১৯৭১ চনৰ ২৪ মাৰ্চ হ'ল বিদেশী বিতাড়নৰ ভিত্তি বৰ্ষ। নাগৰিকত্বৰ ভিত্তি বৰ্ষ হ'ল ১৯৭১ চনৰ ২৪ মাৰ্চ। উচ্চতম ন্যায়ালয়েও এইটো ৰায় দিছে। অধ্যক্ষ মহোদয়, দুখৰ কথা আমাৰ যে বিদেশী ন্যায়াধীকৰণ আছে, এই বিদেশী

ন্যায়াধীকৰণৰ কিছুমান মেম্বাৰে এইটো আওকাণ কৰি তেওঁলোকে যধে-মধে কিছুমান অৰ্ডাৰ ইছ্যু কৰি আছে। মোৰ বিধানসভা সমষ্টিত জাহানৰা বেগম, কেচ নম্বৰ WP(C) 7546/19, মমতাজ বেগম, কেচ নম্বৰ WP(C) 8171/90 এইটো গুৱাহাটী হাইকোৰ্টত আপীল কৰিছিল। বিদেশী ন্যায়াধীকৰণে কোনো কাগজ-পত্ৰ নোচোৱাকৈ তেওঁলোক, তেওঁৰ ককাদেউতা, তেওঁৰ দেউতা, তেওঁৰ গোটেই পৰিয়াল তেওঁলোকৰ স্বদেশী ভাৰতীয় নাগৰিক, এই জীয়াৰীজন, এই ছোৱালীজনী বিদেশী বুলি ঘোষণা কৰিছে, কিন্তু কোনো ধৰণৰ ভালকৈ তদন্ত নকৰাকৈ। গুৱাহাটী উচ্চ ন্যায়ালয়ত তেওঁলোকে আপীল কৰাৰ পিছত উচ্চ ন্যায়ালয়ৰ পৰা এটা নিৰ্দেশ দিলে। যিহেতু এইটো আসোৱাহপূৰ্ণ এটা নিৰ্দেশ দিছে, গতিকে এইটো Set aside কৰি পুনৰ বিবেচনাৰ কাৰণে আকৌ বিদেশী ন্যায়াধীকৰণলৈ পঠিয়াই দিলে। বিদেশী ন্যায়াধীকৰণে ২৯ মে' তাৰিখে তেওঁলোকক জাননী দিলে হাজিৰ হ'বৰ কাৰণে। ২৯ মে' ঈদ-উল-ফিতৰ থকাৰ কাৰণে তেওঁলোক ৩০ তাৰিখে হাজিৰ হ'ল। ৩০ তাৰিখে হাজিৰ হোৱাৰ লগে লগে দুয়োজনীকে বোৰ্ডাৰ পুলিচক গতাই দিলে। বোৰ্ডাৰ পুলিচে ডিটেনচন কেম্পত লৈ গুচি গ'ল। এজন ব্যক্তিক এৰেষ্ট কৰিবলগীয়া হ'লে প্ৰথমে তেওঁক জনাব লাগিব কিহৰ কাৰণে এৰেষ্ট কৰিলে। এই বিদেশী ন্যায়াধীকৰণৰ ৪ নম্বৰ নগৰ, ৪ নম্বৰৰ সদস্যজনে তেওঁলোকক এই কথাটো নজনালে। এৰেষ্ট কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত মেজিষ্ট্ৰেটৰ ওচৰত হাজিৰ কৰি তেওঁৰ ষ্টেটমেণ্টটো ল'ব লাগে, মেজিষ্ট্ৰেটৰ ওচৰত হাজিৰ কৰাব লাগে। সেইটোও তেওঁ নকৰিলে। এইটো নকৰাৰ কাৰণে তেওঁ ভাৰতীয় সংবিধানৰ Article 22 তেওঁলোক অবজ্ঞা কৰিছে এই বিদেশী ন্যায়াধিকৰণৰ সদস্যজনে। গতিকে এই বিসংগতিপূৰ্ণ ৰায়সমূহ দি তেওঁলোকৰ চাকৰিবোৰ Contractual বছৰে বছৰে তেওঁলোকৰ Contractual ভিত্তিত তেওঁলোকে পায়, গতিকে যধে-মধে কিছুমান নিৰ্দেশ দি ভাৰতীয় নাগৰিকসকলক হাৰাশাস্তি কৰা হৈ আছে। গতিকে চৰকাৰে এইটোত চকু দিব লাগে যাতে বিদেশী ন্যায়াধীকৰণে, বিদেশী যিসকল আছে বহিষ্কাৰ কৰক। ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিছত যিসকল আহিছে তেওঁলোকক বহিষ্কাৰ কৰক আমাৰ

কোনো আপত্তি নাই। কিন্তু ইয়াৰ আগৰ যিসকল আছে তেওঁলোক স্বদেশী আৰু সেই স্বদেশী সকলক যাতে হাৰাশাস্তি কৰিব নোৱাৰে তাৰ কাৰণে এটা বিধি-ব্যৱস্থা ল'ব লাগে। আজি গুৱাহাটী হাইকোৰ্টে যিটো কৈছে, হাইকোৰ্টে অৰ্ডাৰ দিছে আৰু সেই হাইকোৰ্টৰ অৰ্ডাৰ নমনাকৈ তেওঁ আকৌ তেওঁলোকক Deport কৰি দিছে। deport কৰিবৰ কাৰণে কিছুমান আইন আছে ছাৰ। আমাৰ ন্যায়াধীকৰণে অৰ্ডাৰ দিয়াৰ পিছত ৰাজ্য চৰকাৰে আমাৰ ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ক জনাব। ভাৰতৰ বৈদেশিক মন্ত্ৰালয়ে যদি বাংলাদেশী অৰ্ডাৰ দিছে তেতিয়াহ'লে বাংলাদেশ চৰকাৰৰ লগত, বাংলাদেশ বিদেশ মন্ত্ৰালয়ৰ লগত আলোচনা কৰি আমাৰ প্ৰত্যাৱৰ্তন চুক্তি সাপেক্ষে ক'ত যাব সেইটো ঠিকনা সম্পূৰ্ণ কৰি তেওঁক deport কৰিব লাগে। কিন্তু সেইটো নকৰি যধে-মধে নি বৰ্ডাৰ পাৰ কৰি থৈ আহিছে। এইটো কিন্তু মানৱ অধিকাৰ উলংঘা হৈছে ছাৰ। গতিকে এই কথাখিনি মই আপোনাৰ জৰিয়তে মই দৃষ্টিগোচৰ কৰিছোঁ আমাৰ চৰকাৰক যাতে এইটোত এটা সুদৃষ্টি নিক্ষেপ কৰে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । এতিয়া বি পি এফৰ মাননীয় সদস্য শ্ৰী পানীৰাম ব্ৰহ্ম। আপোনাৰ ৪ মিনিট দিয়া হৈছে।

**শ্ৰী পানীৰাম ব্ৰহ্ম, চিদলী-চিৰাংঃ** Hon’ble Speaker Sir, Thank you so much for giving me an opportunity to participate in the Budget Sessions. Hon’ble Speaker Sir, the Budget for the 2026 and 2027 placed by the Hon’ble Finance Minister is target oriented and inspiring for all round development of the state. I am very much happy to have such a best Budget for common people as a whole here in the state. I thank our Hon’ble Chief Minister and Finance Minister for this budget. I am very satisfied and support this budget. Well, Hon’ble Speaker, while supporting the budget, I want to propose a project of my constituency. This is 19 Sidli-Chirang Assembly constituency. Hon’ble Sir, আপুনিতো জানে আই নদীৰ কথাটো। The Aie river is flowing from Bhutan through my

constituency. It has been a sorrow of Chirang district now. Major erosion has been taking place since long. 100 of village and 1000 of area of paddy field, homestayed land, have been eroded. More than 3 km from Bengtol to Roimari area have been eroded on both side. Hon’ble Sir, if it is not protect the erosion, half of the Chirang district will be reduced to barren land.  Hon’ble Speaker Sir, **এই মাটিখন মানে আই নদীতেই সব মানে যাবো।** Hon’ble Speaker Sir, I therefore would like to request our Finance Minister for proper survey by the Water Resource department and have a good fund in this budget for the protection of Aie river. Thank you, sir.

**মাননীয় অধ্যক্ষঃ** Thank you. এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, পাকাবেতবাৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বাজেট বিতৰ্কত ভাগ লোৱাৰ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। যিহেতু সময় মাত্ৰ পাঁচ মিনিট দিছে, গতিকে ক'বলৈ গ'লে বহুত সময় লাগিব। মই একেবাৰে চমুকৈ কিছুসংখ্যক বিষয়ৰ ওপৰত ক'ব বিচাৰিছো। মাননীয় বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়া প্ৰথমবাৰৰ বাবে বাজেট দাখিল কৰিছে, তাৰ বাবে অভিনন্দন জনাইছো। এই বাজেটত own source ৰাজ্যখনৰ আমাৰ নিজস্ব ইনকাম ৩৬ শতাংশ আৰু চেন্ট্ৰেল গভৰ্মেন্টৰ ফালৰ পৰা ৬৪ শতাংশ আশা কৰি মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট দাখিল কৰিছে। গতিকে বাজেটৰ ওপৰত অলপ আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাষণ দি গ'ল। ভাষণত বহুত আক্ষেপো প্ৰকাশ কৰিলে। আমি বক্তব্য দুই এজনে দিছিলো বেছি সংখ্যকেই দিয়া নাই, আমাৰ ফালৰ পৰা কিছু উত্থাপন নোহোৱাৰ কথাও ক'লে। নিশ্চিতভাৱে সেইখিনি উত্থাপন কৰাৰ সময় যিহেতু কম, বৰ বেছি সুবিধা নাপাম। তথাপি ৰাজ্যখনৰ সকলো ক্ষেত্ৰতে কি কি সুযোগ-সুবিধা লাগে তাৰ কাৰণে উত্থাপন কৰাৰ চেষ্টা কৰিম কিন্তু মূল বিষয় বাজেটৰ ফাইনেন্সিয়েল মেটাৰখনত মই অলপ যাব বিচাৰিছো। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াৰ জ্ঞাতাৰ্থে

জনাব বিচাৰিছো যে আমি যদি debt total যোৱাবাৰ ২০২৫-২৬ ৰ বাজেটৰ যদি total expenditure repayment ৰ debt ত যাওঁ, তেতিয়া তেওঁলোকে একচুৱেল বাজেটত কৈছিল যে ৯৩৪৩ কোটি । কিন্তু যেতিয়া আমি revised ত যাওঁ ২০২৫-২৬ ত দেখিছিলো debt টো হৈ গৈছিল ৩০,৮৪৩। গতিকে যেতিয়া ২০২৫-২৬ ত ৯০০০ ৰ পৰা গৈ ২৩০ শতাংশ বাঢ়ি গৈছিল, এইবাৰ ২০২৬-২৭ ত তেওঁলোকে কৈছে যে total expenditure debt ৰ কথা কৈছে ৮,৬৮৫। গতিকে এইটো যদি আমি দেখোঁ আৰু আগৰ যদি আমি revised ২০২৫-২৬ ৰ revised estimate ত দেখোঁ ৭২ শতাংশ  কম তেওঁলোকে ধৰিছে অৰ্থাৎ এই গোটেই debt টো বহু পাৰ্চেন্ট ৰিভাইজড এষ্টিমেটত গৈ ২০২৬-২৭ ত বাঢ়ি যাব। ঠিক তেনেকৈ Fiscal deficit তটো যদি দেখোঁ, ২০২৫-২৬ ৰ বাজেটত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে উল্লেখ কৰিছিল ৩.৭ ৰ কথা, কিন্তু ৰিভাইচত গৈ ফিস্কেল ডেফিচিটতো ৩.৭ ৰ পৰা ৬.৭ পাইছিল গৈ । এইবাৰ যদি আমি আকৌ চাওঁ মাননীয় বিত্তমন্ত্ৰী শ্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াই ২০২৬-২৭ত ফিস্কেল ডেফিচিটৰ ক্ষেত্ৰত জিএছডিপিৰ যিটো পাৰ্চেন্টেজৰ কথা কৈছে, ৩.০% ৰ কথা কৈছে। অৰ্থাৎ ৩.৭ ৰ পৰা ৬.৭ হ'ল ২০২৫-২৬ ত । এইবাৰ ৩ ৰ পৰা এই ফিস্কেল ডেফিচিটটো হয়তো আমি ভাবো যে আগৰ পৰিসংখ্যাৰ তুলনাত ৭ ৰ ওপৰত যাব। এয়া আমাৰ ৰাজ্যখনৰ কাৰণে  অশনি সংকেট । মই বিত্তমন্ত্ৰী ডাঙৰীয়াক জনাইছোঁ যে এইটো এটা ৰাজ্যখনৰ বাবে বেয়া প্ৰভাৱ পৰিব । ইয়াৰ লগে-লগে আমি যদি বেলেগ ক্ষেত্ৰখিনৰ কথা কওঁ তেন্তে দেখো যে ইয়াতে আগতে ২০২৫-২৬ ৰ ৰিভাইচ এষ্টিমেটত তেওঁলোকে যিখিনি খৰচ কৰিছিল, তাত এডুকেচন চেক্টৰত তেওঁলোকে ২৭,৪৩৩ কোটি টকা খৰচ কৰিছিল আৰু এইবাৰ ২০২৬-২৭ত তেওঁলোকে ২৫,৮৭৩ কোটি টকা, অৰ্থাৎ ২০২৫-২৬তকৈ এইবাৰ Education, Sports, Art & Culture ত ৬% কমকৈ খৰচ কৰাৰ কথা তেওঁলোকে বাজেট এষ্টিমেটত কৈছে। ঠিক তেনেকৈ Social Welfare and Nutrition ৰ কাৰণে ২০২৫-২৬তকৈ তেওঁলোকে ৩৮% কমকৈ খৰচ কৰাৰ কথা তেওঁলোকে কৈছে। ট্ৰেন্সপ'ৰ্টত তেওঁলোকে ২৮% কমকৈ খৰচ কৰাৰ কথা

কৈছে ২০২৫-২৬ ৰ বাজেটতকৈ। Health and Family Welfare Sector ত তেওঁলোকে ১৬% যোৱা বাজেটতকৈ কমকৈ খৰচ কৰাৰ কথা কৈছে। তেওঁলোকে Rural Development ত, যিটো অত্যন্ত দৰকাৰী, তাতে যোৱা বাজেটতকৈ এইবাৰ ১২% কমকৈ খৰচ কৰাৰ কথা কৈছে। Urban Development ত তেওঁলোকে বেছিকৈ খৰচ কৰাৰ কথা কৈছে। Agriculture and Allied Activities ত তেওঁলোকে যোৱা বাজেটতকৈ ১৯% কমকৈ খৰচ কৰাৰ কথা কৈছে। Welfare SC, ST, OBC and Minorities ৰ ক্ষেত্ৰত তেওঁলোকে যোৱা বাজেটতকৈ ২০% কমকৈ খৰচ কৰাৰ কথা কৈছে। Water Supply and Sanitation ৰ কাৰণে তেওঁলোকে ৪২% যোৱা বাজেটতকৈ কমকৈ খৰচ কৰাৰ কথা এই বাজেটখনত উল্লেখ কৰিছে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, তাৰ লগে লগে আমি দেখোঁ যে বাজেটত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আয়ৰ কথা কৈছে। আমি লোকেল বডীৰ কথা যদি উল্লেখ কৰো, PRI ৰ কথা যদি উল্লেখ কৰো, তেনেহ'লে দেখিম যে ৰাজ্যখনৰ যিধৰণে আয় হ'ব লাগিছিল, সেই লোকেল বডীৰ জৰিয়তে আয় কৰাৰ ক্ষেত্ৰখনতো ৰাজ্যখন কিন্তু ব্যৰ্থ হৈছে। অৰ্থাৎ তাতেও যদি আমি দেখো ৪% কমকৈ বিগত বছৰৰ তুলনাত আয় কৰি আছে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, এই কথাখিনি আপোনাৰ জৰিয়তে জনালোঁ। তাৰ লগে-লগে আৰু কেইটামান কথা মই উল্লেখ কৰিব বিচাৰিছোঁ। এইবাৰ যদি Health Sector ৰ কথা মই উল্লেখ কৰোঁ, গোটেই দেশখনৰ লগত যদি আমাৰ ৰাজ্যখন তুলনা কৰো, বাজেটত Health Sector ত তেওঁলোকে ৬.২ শতাংশ ব্যয় কৰে আৰু আমাৰ ৰাজ্য চৰকাৰখনে এইবাৰ ৬.১ ব্যয় কৰাৰ কথা কৈছে। হয়তো নকৰিবও পাৰে, কেৱল ঘোষণা হে কৰিছে। ঠিক তেনেকৈ যদি আমি এগ্ৰিকালচাৰৰ চেক্টৰটোৰ কথা কওঁ, গোটেই দেশখনৰ যদি ৰাজ্যবিলাকৰ হিচাপ লওঁ, এটা গড় হিচাপত ৫.৭% তেওঁলোকে খৰচ কৰে আৰু এইবাৰৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেটত উল্লেখ কৰিছে যে এগ্ৰিকালচাৰ চেক্টৰত ৩.৭% হে তেওঁলোকে খৰচ কৰিব। Irrigation ৰ কথা যদি আমি কওঁ, গোটেই দেশখনত Irrigation ত ৩.৪% গড় হিচাপত খৰচ কৰে। আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই এইবাৰ

বাজেটত উল্লেখ কৰিছে কেৱল ২.০% হে খৰচ কৰিব। এনেকৈ যদি এটাৰ পিছত আনটো দেখুৱাও, নিশ্চিতভাৱে সকলো ক্ষেত্ৰতে যেনে Rural Sector ত যদি দেখোঁ গোটেই দেশখনত ৪.৯% তেওঁলোকে খৰচ কৰি আছে আৰু আমাৰ অসমত বিত্তমন্ত্ৰী ডাঙৰীয়াই ৩.৪% খৰচ কৰিব বিচাৰিছে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া মই আৰু মাত্ৰ এক/দুই মিনিট সময় লৈছো আপোনাৰ পৰা কাৰণ আমি গোটেই বাজেটৰ ফাইনেঞ্চিয়েল কথাখিনি ক'ব লাগিব। তাৰ লগতে কিছু কথা ক'ব বিচাৰিছোঁ। ভেঞ্চাৰ স্কুলৰ ক্ষেত্ৰত কোৱা হৈছে যে বৰ্তমান ৮,০০০ ভেঞ্চাৰ স্কুলয়ে আবেদন কৰিছে। এই ভেঞ্চাৰ স্কুলসমূহ কেতিয়া তেওঁলোকে কৰিব? বসুন্ধৰা ৪ আৰম্ভ কৰিছে। বসুন্ধৰা ১, ২, ৩ ত কোনো সংখ্যালঘু মানুহক, মুছলমান হওক বা যিয়েই হওক ১, ২, ৩ ত কেতিয়াও লোৱা নাছিল। বসুন্ধৰাৰ পৰা তেওঁলোকে কেতিয়াও বেনিফিট পোৱা নাছিল। গতিকে বসুন্ধৰা ৪ ত যাতে কোনো সংখ্যালঘুসকলক, ভাৰতীয় মানুখিনিক, অসমত বসবাস কৰা সকলো মানুহকে যাতে সামৰি লয়, তাৰ কাৰণে অনুৰোধ জনাইছোঁ। বিজেপি দলে চাহ জনগোষ্ঠীৰ মানুহৰ কথা কৈছে আৰু যি ঘোষণা কৰিছিল নিৰ্বাচনৰ সময়ত, সেই ঘোষণা কিন্তু বাজেটত উল্লেখ নাই। চাহ জনগোষ্ঠীৰ মজুৰি বৃদ্ধিৰ কৰাৰ কথা ইয়াত উল্লেখ নাই। আজি মৎস্যৰ কথা কৈছে, দুগ্ধৰ কথা কৈছে, মাংসৰ কথা কৈছে, কণীৰ কথা কৈছে, অসমে এইখিনি কৰিব পাৰে, বাৰে বাৰে এই বিধানসভাত আমি কৈ আহিছোঁ, কিন্তু যিধৰণে ডিপাৰ্টমেণ্টে সহযোগিতা কৰিব লাগে, বাজেটত যিধৰণে পুঁজিৰ কথা থাকিব লাগিছিল  সেইধৰণে পুঁজি নাই। কিন্তু অসমৰ ৰাইজৰ মৎস্যৰ উৎপাদনৰ কথাকে কওঁক, দুগ্ধৰ কথাকে কওক, মাংসৰ কথাকে কওক, কণীৰ কথাকে কওক, সজাগ লাভ কৰিছে। বিত্তমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে  অসমত মাছৰ যথেষ্ট উৎপাদন হয়। মাছৰ পোপাল কৰে। সেই মাছ যেতিয়া বজাৰলৈ লৈ যাব বিচাৰে, তেতিয়া বজাৰলৈ লৈ যাবলগা সেই মাছৰ গাড়ীসমূহৰ পৰা পুলিচ আৰু এম ভি আই য়ে টকা লয়। মোৰ পয়াগুছি সমষ্টিৰ পৰা যিবিলাক অঞ্চলৰ মাছ বজাৰলৈ যায়, তাৰ পৰা সেই টকাসমূহ সংগ্ৰহ কৰে। এইক্ষেত্ৰত নিশ্চিতভাৱে ধ্যান দিব। গতিকে এনেকৈ

প্ৰত্যেকটো ডিপাৰ্টমেণ্টৰ ক্ষেত্ৰত বিভাগে যিধৰণে পদক্ষেপ লৈছে, সেই পদক্ষেপখিনি কাৰ্যকৰী কৰক। তাৰে আহ্বান জনাই মই মোৰ বাজেট বক্তব্যখিনি ইয়াতে সামৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । আপোনালোকৰ প্ৰত্যেক জনেই নিজৰ বক্তব্য সময়খিনি বেছি বঢ়াই লয় । মানননীয় দলপতীয়েও বহুত সময় ল'লে । যিকিনহওক, এতিয়া মাননীয় সদস্য ড° তপন দাস। আপুনি তিনি মিনিটত ক'ব আৰু ভাৰতীয় জনতা পাৰ্টীৰ বিধায়কসকলে পাৰ্লিয়ামেন্টৰী এফায়াৰ্ছ মিনিষ্টাৰৰ লগত কথা পাতিব।

**ড° তপন দাস, ডিমৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা সময়ত অশান্ত অগ্নিগৰ্ভা পৰিৱেশৰ পৰা আজি এই চালে চকুৰোৱা উন্নয়ন আৰু সমৃদ্ধিৰে ভৰা যাত্ৰামুখী অসমৰ গতিপথ সিমান মসৃণ অথবা সৰল নাছিল। তথাপিও কথাৰে নহয় বন্ধু কামতে পৰিচয়, নীতি সাৰোগত কৰি দেশৰ ভিতৰত অন্যতম গতিশীল, সুদক্ষ, কৰ্মদক্ষ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী প্ৰচেষ্টাৰ বাবে আমাৰ মাতৃভূমিখন আকৌ এবাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা দেৱে কৈ যোৱাৰ নিচিনা, "বাজক দবা বাজক শংখ বাজক মৃদং-খোল, অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল। মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়া সদনত যি বাজেট দাখিল কৰিলে, তাৰ সমৰ্থনত মই বক্তব্য ৰাখিবলৈ উলাইছোঁ। আমাৰ মতে এই বাজেটখন এখন উন্নত অসম, আত্মনিৰ্ভৰ অসম আৰু ভৱিষ্যতৰ আগবঢ়া এখন বাজেট বুলি আমি অভিহিত কৰিছোঁ। মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটত উল্লেখ আছে CM-AAA ৰ কথা। CM-AAA ৰ জৰিয়তে আমাৰ যুৱক-যুৱতীসকল, মহিলাসকল আত্মনিৰ্ভৰ হৈছে। যাৰ ফলত মৎস্য পালন বৃদ্ধি হৈছে, গাহৰি পালন বৃদ্ধি হৈছে। লগতে মহিলাসকলে বিউটি পাৰ্লাৰ, টেইলৰিং ত আগবাঢ়ি গৈছে। এই আত্মনিৰ্ভৰ, CM-AAA ৰ যি আত্মনিৰ্ভৰ অভিযান, এই আত্মনিৰ্ভৰ এটা আঁচনিয়েই নহয়, ই আমাৰ যুৱক-যুৱতীসকলৰ স্বাভিমান। আমাৰ এই বাজেটত প্ৰ'টন থেৰাপীৰ কথা কোৱা হৈছে। HIV AIDS ত আক্ৰান্ত

মহিলা ব্যক্তিক ১ লাখকৈ টকা দিয়াৰ কথা কৈছে। মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ১ লাখ চাকৰি দিম বুলি কোৱা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা সময়ছোৱাত ১ লাখ ৬৪ হাজাৰ চাকৰি দিছে আৰু নতুনকৈ ২ লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। এতিয়া যিসকলে চাকৰি পাইছে, এই চাকৰি হৈছে মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে চাকৰি আৰু আগতে কি আছিল অধ্যক্ষ মহোদয়? আগতে আছিল যাৰ হাতত পইচা আছে, তেওঁৰ হাততে চাকৰি আছিল। আজিকালি প্ৰতিটো সমষ্টিতে যিসকল আমাৰ ছাত্ৰ-ছাত্ৰীসকল আছে, শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলে তেখেতসকলে ভালকৈ পঢ়িছে। তেওঁলোকৰ আৰ্থিক অৱস্থা যিয়েই নহওঁক কিয়, তেওঁলোক এটা কথা নিশ্চিত যে তেওঁলোকৰ শিক্ষা যদি ভালকৈ থাকে, তেওঁলোকে এটা টকা খৰচ নোহোৱাকৈও চাকৰি পাব। এই আত্মনিৰ্ভৰ CM-AAA আৰু আমাৰ চাকৰিৰ বিষয়টো আমাৰ বিৰোধীসকল লগতে আমাৰ বিৰোধী দলপতি ডাঙৰীয়াও ইতিমধ্যে কৈছিলে যে চাকৰিৰ বিষয়ত এইখন বাজেটত কোনো ধৰণৰ উল্লেখ নাই। বন্ধুবৰ জাকিৰ হুছেইন, আমাৰ বিৰোধী বিধায়কেও ইতিমধ্যে এই বাজেটখনৰ সমালোচনা কৰিছে। মই তেখেতসকলক আহ্বান জনাওঁ, তেখেতসকলে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ মাননীয় শ্ৰী জয়ন্ত মল্লবৰুৱা ডাঙৰীয়া যিখন বাজেট আনিছে, সেই বাজেটখনৰ বিষয়ে বেছি সমালোচনা নকৰাই ভাল। তেওঁলোকে যদি বেছিকৈ সমালোচনা কৰে, তেখেতসকলৰ ঘৰত পৰিয়ালে চাহ নিদিয়া এটা অৱস্থা আহি পৰিব। কিয়নো অসমখন যিধৰণে উন্নতি হৈছে, অসমখন যিধৰণে আগবাঢ়ি গৈছে, তাক যদি সমালোচনা কৰি থাকে, তেওঁলোকৰ পৰিয়ালতে চাহ নিদিয়া অৱস্থা এটা আহি পৰিব বুলি মই ভাবো। আমাৰ ডিমৰীয়া সমষ্টিৰ বিধায়ক হিচাপে মোৰ দৃঢ় আশা যে এই বাজেটত ঘোষণা কৰা আন্তঃগাঁথনি উন্নয়ন, কৃষিৰ আধুনিকীকৰণ, যুৱ দক্ষতা বিকাশ, উদ্যোগ স্থাপন আৰু ডিজিটেল শাসনৰ ফলত ডিমৰীয়া সমষ্টিৰ ৰাইজেও লাভ কৰিব। ইয়াৰ লগতে আমাৰ যি ৰিং ৰোড আৰু ৰিং ৰোডৰ লগত ঐতিহাসিক যি মেট্ৰ' ৰে'লৰ কথা কৈছে । বাজেটত এইখিনি উল্লেখ কৰা বাবে মই আদৰণি জনাইছো । অধ্যক্ষ

মহোদয়, ছেটেলাইট চিটিৰ কথা কোৱা হৈছে যি কথা আগতে আমি কেতিয়াও ভাবিব পৰা নাছিলো –এইখিনি আমি বাজেটত পাইছো। আমাৰ বিহু দিল্লীত যি বহলভাৱে পতাৰ কথা কৈছে আমি তাকো আদৰণি জনাইছো । মুখ্যমন্ত্ৰী মহোদয়ে আত্মনিৰ্ভৰশীল হোৱাৰ কথা ভাষণত উল্লেখ কৰিছে। মই বিত্ত মন্ত্ৰী মহোদয়ক আহ্বান জনাম আমাৰ ডিমৰীয়া অঞ্চলত প্ৰতিটো জাতি জনগোষ্ঠী আছে আৰু ভাৰতবৰ্ষৰ ভিতৰত সকলোতকৈ শিপিনী অসমত বেছি আছে বুলি জানো। আমাৰ ডিমৰীয়া অঞ্চলত যাতে এটা শিপিনী বিপ্লৱ কৰিব পাৰে , যাতে আমাৰ এই অঞ্চলৰ মহিলাসকলে বোৱা-কটা কৰি গামোছা, ৰিহা, মেখেলা – চাদৰ ইত্যাদি উৎপাদন কৰিব পাৰে তাৰ বাবে আহ্বান জনাই এই বাজেটক পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য সামৰিছো। জয় আই অসম।

মাননীয় অধ্যক্ষ ঃ এতিয়া দুটা বাজিল, দুগৰাকী বিধায়কৰ বক্তব্য আছো দলীয়ভাৱে যিসকলে ক'লে তেওঁলোকে এলোটেড টাইম ইতিমধ্যে পাই গৈছে। বিধায়ক দুগৰাকীৰ পিছত ৰূপালী লাংথাচাই ক'ব ৩ মিনিট। ৫ মিনিট ক'ব আব্দুৰ ৰহিম আহমেদে। তাৰ পিছত বিত্ত মন্ত্ৰী ডাওঁৰীয়াই বক্তব্য ৰাখিব। এতিয়া ৰূপালী লাংথাচাক ক'বলৈ অনুৰোধ জনালো।

**শ্ৰীমতী ৰূপালী লাংথাচা, হাফলং ঃ** धन्यवाद, अध्यक्ष महोदय।
मैं माननीय मुख्यमंत्री आदरणीय डॉ .हिमंत बिस्वा सरमा जी के नेतृत्व में हमारे असम के वित्त मंत्री श्री जयंत मल्ल बरुआ जी द्वारा प्रस्तुत वर्ष 2026– 27के बजट की सराहना करती हूँ। मैं मानती हूँ कि यह बजट 2026– 27एक संतुलित बजट है। इसमें महिला सशक्तिकरण से लेकर युवा सशक्तिकरण के साथ-साथ असम प्रदेश के समग्र विकास को एकाग्रता दी गई है।

अध्यक्ष महोदय, मैं विशेष रूप से उस घोषणा का उल्लेख करना चाहूँगी, जिसमें प्रत्येक सी एच सी )CHC) में एक-एक एम.बी.बी.एस .डॉक्टर देने की बात कही गई है। इससे मैं बहुत प्रभावित हुई हूँ, क्योंकि जिस विधानसभा क्षेत्र का मैं प्रतिनिधित्व करती हूँ, वह एक पहाड़ी क्षेत्र है, जहाँ लगभग 90% पहाड़ हैं। जब स्वास्थ्य संबंधी समस्या होती है, तब अस्पताल जाने में लोगों को बहुत कठिनाई होती है। यदि प्रत्येक सी एच सी में एक-एक एम.बी.बी.एस .डॉक्टर रहेंगे, तो सभी गाँवों के लोगों को सुविधा मिलेगी। इससे असम के साथ-साथ दिमा हासाव के हर निवासियों को भी लाभ मिलेगा।

अध्यक्ष महोदय, मैं हमारे माननीय मुख्यमंत्री जी और वित्त मंत्री जी को धन्यवाद देना चाहूँगी कि उन्होंने दिमा हासाव के मोनोलिथ जार, जो इंडोनेशिया तथा अन्य देशों में भी पाए जाते हैं, उन्हें पहचान देते हुए उनके संरक्षण )Preservation) और सुरक्षा )Protection) के लिए पहल की है। इसके लिए मैं उनका आभार व्यक्त करती हूँ। मेरा मानना है कि यदि इन मोनोलिथ जारों का संरक्षण किया जाएगा, तो देश-विदेश से शोधकर्ता तथा पर्यटक यहाँ आयेंगे। यह एक महत्वपूर्ण पर्यटन स्थल के रूप में विकसित हो सकता है।

अध्यक्ष महोदय, दिमा हासाव में पर्यटन की अपार संभावनाएँ हैं। यहाँ सुंदर पहाड़, हरियाली, झरने तथा वाटर एडवेंचर गतिविधियाँ उपलब्ध हैं। Jet Ski, Speed Boat जैसी गतिविधियाँ और एडवेंचर पर्यटन आज बहुत लोकप्रिय हो रहे हैं। असम सरकार ने इन क्षेत्रों के विकास के लिए जो निधि )Fund Allocation) का प्रावधान किया है, उसके लिए मैं सरकार का हार्दिक धन्यवाद करती हूँ।

इसी प्रकार, पॉपुलर सिटी प्रोजेक्ट में दिमा हासाव को शामिल करने तथा हाफलोंग और उमरांग्सो में स्टार होटल बनाने की घोषणा के लिए भी मैं मुख्यमंत्री जी और वित्त मंत्री जी का हृदय से धन्यवाद करती हूँ। इससे जिले का आधारभूत ढाँचा )Infrastructure) विकसित होगा, रोजगार के अवसर बढ़ेंगे तथा दिमा हासाव स्वायत्त परिषद )Autonomous Council) के राजस्व में भी वृद्धि होगी।

दिमा हासाव के जो युवा अपनी पढ़ाई पूरी करके रोजगार की प्रतीक्षा कर रहे हैं, उनके लिए भी यह बजट नई संभावनाएँ लेकर आया है।

अध्यक्ष महोदय, असम डिजास्टर हिल एरिया रोड डेवलपमेंट प्रोजेक्ट, जिसे विश्व बैंक का सहयोग प्राप्त है, उसके अंतर्गत दिमा हासावके लिए 3000करोड़ रुपये से अधिक की परियोजनाएँ स्वीकृत की गई हैं। इसके लिए भी मैं सरकार का धन्यवाद करती हूँ। अधिकांश परियोजनाओं के टेंडर हो चुके हैं, कुछ टेंडर प्रक्रिया में हैं और शेष परियोजनाओं की डीपीआर )DPR) प्रस्तुत की जा चुकी है। जब ये परियोजनाएँ शुरू होंगी, तब दिमा हासावकी सड़क संपर्क तथा आवागमन संबंधी समस्याओं का काफी हद तक समाधान हो जाएगा। थेंक यु सर ।

**माननीय अध्यক্ষ** ঃ Thank you. बहुत-बहुत धन्यवाद। आज जिन भी विधायकों ने हिन्दी में भाषण रखा है, उन्होंने हमसे कहा था, इसलिए असम विधानसभा में हिन्दी भी Introduce की गई है। तो सभी को धन्यवाद।

এতিয়া মই , আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ আহ্বান জনালো। আপোনাৰ সময় ৫ মিনিট , তাৰ পিছত বিত্ত মন্ত্ৰী ডাঙৰীয়াই বক্তব্য ৰাখিব।

**শ্ৰীআব্দুৰ ৰহিম আহমেদ , চেঙা** ঃ ধন্যবাদ অধ্যক্ষ মহোদয়, অলপ আগতে দীৰ্ঘ সময় বাজেটৰ ওপৰত যি বক্তব্য ৰাখিলে তাত কিছু কথা ব্যক্ত কৰিছে। আমি আটাইয়ে জানো যে তৰুন গগৈ চৰকাৰ যেতিয়া ২০০১ চনত শাসনৰ গাদীত আহিছিলে তাৰ আগৰ অসমৰ কি ভয়ানক অৰ্থনৈতিক পৰিস্থিতি , সামাজিক, ৰাজনৈতিক পৰিস্থিত কি আছিল আমি সকলোৱে জানো আৰু কেইটামান কম্পাৰেটিভ আলোচনা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বক্তব্য বা বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ ভাষণতো আহিছে। মই তাৰে দুটামান কথা **code** কৰিব খুজিছো কাৰণ ২০০০ চনত অগপৰ শাসনৰ সময়ত আমাৰ পাৰ কেপিটা ইনকাম আছিল মাত্ৰ ১২ হাজাৰ টকা। তৰুন গগৈ ডাঙৰীয়াৰ চৰকাৰ এৰাৰ সময়ত এই পাৰ কেপিটা ইনকাম ৪ টাইম বৃদ্ধি হৈছিল – ৬০,৮১৭ টকা। দ্বিতীয়তে ইয়াত বাজেটৰ খৰচ দেখুওৱা হৈছে ২০১৪-১৫ চনত ৫৮ পাৰ্চেন্ট বাজেট খৰচ হৈছিলে আৰু বৰ্তমান ৮৫ পাৰ্চেন্ট। কিন্তু ২০১৪-১৫ চনত আমি জানো তেতিয়া চৰকাৰ অলপ অস্থিৰ অৱস্থাত আছিল। তৰুন গগৈ ডাঙৰীয়াৰ চৰকাৰৰ ভিতৰত বিসম্বাদ আছিল । গতিকে সেই বছৰটোৰ বাদেই বাকী পৰিসংখ্যা আপোনালোকে চাব ২০১২-১৩, ২০১৪-১৫ দুয়োটাতে প্ৰায় ৭৬ – ৭২ পাৰ্চেন্ট বাজেট খৰচ কিন্তু তৰুণ গগৈ চৰকাৰৰ দিনত কৰিবলৈ সক্ষম হৈছে। ঠিক তেনেকৈ **GSDP Growth** ৰ যিটো ৰেট ২০১৫-১৬ চনত তৰুণ গগৈ ডাঙৰীয়াই চৰকাৰ এৰাৰ সময়ত ১৬.৪৭ পাৰ্চেন্ট আছিল , ফৰ্থ টাইম। আৰু ২০০১ চনত যেতিয়া তৰুণ গগৈ ডাঙৰীয়া শাসনৰ গাদীত আহিছিল মাত্ৰ ৪.০৭ পাৰ্চেন্টহে আছিল। সেই কাৰণে কৈছো আজি যে যিটো উন্নয়ণৰ ধাৰা , আজি অসমৰ এই অশান্ত জৰ্জৰ পৰিবেশ, কৰ্মচাৰী দৰমহা নোপোৱাৰ এক অৱস্থা আছিল তাৰ পৰা এতিয়া এই শান্ত পৰিবেশটোৰ ফাউণ্ডেশ্যনটো তৰুণ গগৈ ডাঙৰীয়াই গঢ়ি থৈ গৈছিল। সেইকাৰণে আজি ইমান ডাঙৰ বাজেট আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই দাখিল কৰিব পাৰিছে। বাজেট ৩ গুণ বৃদ্ধি কৰা বুলি কৈছে। কিন্তু হয়, তথাপি আমি দুটা কথা চাব লাগিব – আমি কেপিটেল এক্সপেণ্ডিচাৰ কিমান কৰিছো আৰু ৰেভিনিউ এক্সপেণ্ডিচাৰ কিমান কৰিছো, সেই

ৰেচিঅ'টো আমি যদি মেইনটেইন কৰিব নোৱাৰো, অসমৰ দৰে ৰাজ্যৰ ৰাজহ কালেকশ্যন সীমিত আৰু ইয়াত লিকেজ আছে অধ্যক্ষ মহোদয়। বিত্ত মন্ত্ৰী ডাঙৰীয়া বন মন্ত্ৰীৰ দায়িত্বও লৈছে- যোৱাকালি আমি কেইগৰাকীমান বিধায়কে কথা পাতি আছিলো – বন বিভাগতে যদি এই লিকেজসমূহ চালি-জাৰি চায়, তেন্তে অন্তত ১০,০০০ কোটিৰ ওপৰত বছৰি revenue চৰকাৰৰ আহিব। আজি যদি এই চিণ্ডিকেটৰ কথা আহে সেইখিনি যদি সুনিয়ন্ত্ৰণ কৰি বহিঃৰাজ্যৰ পৰা কয়লা, কাঠ আহে এইবোৰ যদি legalized কৰি যদি আমি চৰকাৰে যথোপযোক্ত tax আহৰণ কৰিব পাৰো আমাৰ যথেষ্ট revenue collection হ'ব। গতিকে মই দীঘলীয়াকে কব খোজা নাই, উচ্চ শিক্ষাৰ কথা ইয়াতে কৈছে বিশ্ববিদ্যালয়ৰ কথা বা আমাৰ মেডিকেল কলেজৰ প্ৰত্যেকটো জিলাত ইঞ্জিনীয়াৰিং কলেজৰ কথা কৈছে কিন্তু আমাৰ স্কুলীয়া শিক্ষাৰ foundation অত্যন্ত বেয়া। এতিয়া দহ হাজাৰ বিদ্যালয়ত পি টি আৰ নাই, ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক নাই এই বিষয়টো কোৱা নাই। আজি শিক্ষকসকলৰ গুৰু দক্ষিণা আঁচনি দি বিদায় দিব লগা হৈছে। At the same time যি বিলাক শিক্ষকৰ পদ নিয়মীয়াকৰণ কৰিছিলে একাংশ same school ত পি টি আৰ নথকাৰ কাৰণে বিদায় দিছে। আজি তেওঁলোকক কিয় অন্য দহ হাজাৰ বিদ্যালয়ত শিক্ষক নাই তেওঁলোকক সেই বিদ্যালয় সমূহত নিযুক্তি কিয় দিব পৰা নগ'ল ছাৰ। গতিকে এইকাৰণে কৈছো আমাৰ স্বাস্থ্য খণ্ডত প্ৰত্যেকটো চাব চেন্টাৰত চিকিৎসকৰ কথা কৈছে। এতিয়াও চাব চেন্টাৰত আন্তঃগাঁথনিৰ যথেষ্ট অভাৱ। কৰ্মচাৰীয়ে নাই..........গতিকে ঠিক তেনেকৈ জলসিঞ্চন, এগ্ৰিকালছাৰ ৭০ শতাংশ মানুহ আমাৰ কৃষিৰ লগত জড়িত। গতিকে আমি যদি আৰু অধিক মনোনিবেশ কৰো। কাৰণ পয়ত্ৰিছ লাখ পঞ্জীভূত নিবনুৱা, দুই লাখ চাকৰি দিয়াৰ কথা কৈছে,আমি ধন্যবাদ দিম থিক আছে কিন্তু পয়ত্ৰিছ লাখৰ ওপৰত পঞ্জীভূত নিবনুৱা আছে। গতিকে চৰকাৰী চাকৰি একমাত্ৰ আমাৰ অৱলম্বন হ'ব নোৱাৰে কৃষি ক্ষেত্ৰত আমি জলসিঞ্চনৰ সুব্যৱস্থা কৰি আমি কৃষিৰ ক্ষেত্ৰত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰি শিক্ষিত নিবনুৱাক আমি ছাৰ GDP Growth কৰাৰ আটাইতকৈ ডাঙৰ মাধ্যম হৈছে

agriculture আমাৰ দেশত। গতিকে সেইটো চেক্টৰত আমি অধিক মনোনিবেশ কৰিব লাগিব। গতিকে মই মোৰ সমষ্টিৰ দুটামান কথা ক'বলৈ খুজিছো ছাৰ। গোটেই বিভাগৰ কথা কবলৈ গলে বহু সময় লাগিব। পাঁচ মিনিট কৈছিলে মাত্ৰ এটা মিনিটত ছাৰ- মোৰ দুটা উন্নয়ন খণ্ড, এটা চেঙা ব্লক চৰত ন টা পঞ্চায়ত। প্ৰত্যেকটো পঞ্চায়তে গৰাখহনীয়াৰ সৃষ্টি হৈছে। আজি গৰাখহনীয়াৰ কাৰণে আমি মুখ্য অভিযন্তা বিভাগীয় কাৰ্য্যবাহী অভিযন্তাক আমি কথাবোৰ অৱগত কৰাৰ লগে লগে তেওঁলোকে কি কয় লিখি লয়, স্কীম দিব খোজে নেক্সত বাৰিষাৰ পিছত ছাৰ স্কীম ধৰিব খোজে। কিন্তু সেইটো নিয়ম হ'ব নালাগে ছাৰ temporary measurement ৰ কাৰণে আজি এই বিভাগটো সষ্টম থাকিব লাগে যেতিয়া বানপানী ভাঙি যাব ধৰে প্ৰত্যেকটো নদী কাষৰীয়া সমষ্টিত ছাৰ অলপ হলেও পাৰ্কোপাইন, জিঅ' বেগৰ ব্যৱস্থা কৰি আমি তাৎক্ষণিকভাৱে যদি temporary কামখিনি কৰিব পাৰো তেনেহলে পিছলৈ ডাঙৰ ডাঙৰ আঁচনিবোৰ আমি নললেও চলে ছাৰ। আৰু এনেকুৱা এটা অৱস্থা হৈছে ছাৰ যে মোৰ সমষ্টিত ৰৌ মাৰি গাওঁ পথাৰৰ পৰা একেবাৰে চেনিমাৰি ভাগুৰি পৰা বাঘবৰলৈকে মথাউৰি বিভিন্ন ঠাইত চিঙি যোৱাৰ উপক্ৰম হৈছে। তাতে ছাৰ ADB ৰ এটা ডাঙৰ ফাণ্ড ইতিমধ্যে sanction হৈ আছে কিন্তু দুৰ্ভাগ্যৰ কথা এতিয়া temporary কাম কৰি আমি মথাউৰিটো বচাই ৰাখিব নোৱাৰা এটা অৱস্থা হৈছে। সেইকাৰণে কৈছো যে আমি এই বিষয়বোৰ বিশেষকৈ আমাৰ জলসম্পদ বিভাগটো আৰু অলপ বাজেট বঢ়াই দিয়াৰ ব্যৱস্থা কৰি দিব লাগে ছাৰ। গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো এই বিষয়বোৰ চালি জাৰি চাব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰত্যেকখন জিলাতে এখনকৈ দলংৰ কথা কৈছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই। গতিকে সেই হিচাপে বৰপেটা জিলাত আমাৰ দুটা সম্পূৰ্ণ ব্লক দুয়োফালে অৱস্থান কৰিছে ছাৰ। চেঙা ব্লক আৰু গোমা ফুলবাৰী ব্লক। গতিকে ব্ৰহ্মপুত্ৰৰ ওপৰত বৰপেটা জিলাত কোনো দলং নাই, এখন ছাৰ ব্ৰহ্মপুত্ৰৰ ওপৰত দলং আৰু জলজলী নদীৰ ওপৰত ছাৰ মই এখন দলংৰ দাবী জনাও আৰু ছাৰ delimitation ৰ পিছত এনেকুৱা সমষ্টি পুনৰ গঠন হৈছে

administrative unit বোৰ এটা সমষ্টিত গুছি গৈছে, কোনোবা এটা সমষ্টিত এটাও administrative unit নাই। সেইকাৰণে চক্ৰ বিষয়াৰ কাৰ্য্যালয়, উন্নয়ন খণ্ডৰ কাৰ্য্যালয় গোটেই কেইটা ডেভলপমেন্ট অফিচ বিলাকৰ কাৰ্য্যালয় যাতে এই পাঁচ বছৰত চৰকাৰৰ সময়ত যাতে প্ৰত্যেকটো সমষ্টিত মই কেৱল চেঙা বুলি কোৱা নাই যাতে দিয়াৰ ব্যৱস্থা কৰে তাৰ কাৰণে যাতে বাজেটত বিভাগীয়ভাৱে ধন ধাৰ্য্য কৰে তাৰ কাৰণে মই আহ্বান জনাইছো আৰু বাজেটৰ ওপৰত মোক কোৱাৰ সুযোগ দিয়াৰ কাৰণে আমাৰ অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বাজেট বিতৰ্কত উত্তৰ প্ৰদান কৰিব মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, বিত্ত মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা তিনি দিন ধৰি আমাৰ শ্ৰদ্ধাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী চিন্তা চৰ্চাৰে এই সদনত উত্থাপন কৰা বাজেটৰ ওপৰত যোৱা তিনি দিনে আমাৰ চৰকাৰৰ পক্ষ আৰু বিৰোধী পক্ষৰ বিধায়কসকলে বিভিন্ন ধৰণৰ বক্তব্য প্ৰদান কৰিলে । মই বক্তব্য প্ৰদান কৰা প্ৰতি গৰাকী বিধায়ককে ধন্যবাদ জ্ঞাপন কৰিছো । এই বাজেটৰ বক্তব্যত অংশগ্ৰহণ কৰিছিল আমাৰ সন্মানীয় বিধায়ক শ্ৰী পল্লৱ লোচন দাস, শ্ৰী ওৱাজেদ আলী চৌধুৰী, শ্ৰী ভৰেশ কলিতা, শ্ৰী পৃথ্বীৰাজ ৰাভা, শ্ৰী ৰবিৰাম নাৰ্জাৰী, শ্ৰী মৃণাল শইকীয়া, শ্ৰী অখিল গগৈ, শ্ৰী তুলিৰাম ৰংহাং, শ্ৰী শ্বেৰমান আলী আহমেদ, শ্ৰী বদৰুদ্দিন আজমল, শ্ৰী মানৱ ডেকা, শ্ৰী ৰূপেশ গোৱালা, শ্ৰী ধৰ্মেশ্বৰ ৰয়, শ্ৰী দিপ্লুৰঞ্জন শৰ্মা, শ্ৰী শোভাৰাম বসুমতাৰী, শ্ৰী ৰূপজ্যোতি কুৰ্মী, ডাঃ মিলন দাস, শ্ৰী এ কে ৰশ্চিদ আলম, শ্ৰী ঋষিৰাজ হাজৰিকা, শ্ৰী দীপক কুমাৰ দাস, শ্ৰী নৱ কুমাৰ দলে, শ্ৰী থানেশ্বৰ বসুমতাৰী, শ্ৰী বিশ্বজিৎ ফুকন, শ্ৰী আফতাব উদ্দিন মুল্লাহ, ড° জয়প্ৰকাশ দাস, আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, শ্ৰী বিজয় কুমাৰ গুপ্তা, শ্ৰী নুৰুল হুদা, শ্ৰী পানীৰাম ব্ৰহ্ম, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, ড° তপন দাস, শ্ৰী মতী ৰূপালী লাংথাছা আৰু শ্ৰী আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়া ৩৫ গৰাকী

সন্মানীয় সদস্যই বাজেট বিতৰ্কত অংশগ্ৰহণ কৰিলে। মই সকলোকে ধন্যবাদ দিছো। নিশ্চয়কৈ চৰকাৰী পক্ষৰ বিধায়ক সকলে ভাল বুলি কৈছে, আৰু বিৰোধী পক্ষই বিৰোধিতা কৰিব লাগে কাৰণে বিৰোধিতা কৰি কিছু কথা কৈছে। কিন্তু মনত কথাৰ ওপৰত বুজা যায় যে তেখেতসকলৰ মনটো সেই বাজেটখনে যে তেখেতসকলৰ সমষ্টি আৰু অঞ্চলটো বহুত প্ৰভাৱ পেলাব। সেই কথাও কিন্তু পাকে প্ৰকাৰে স্বীকাৰ কৰিছে। গতিকে মই সকলোকে ধন্যবাদ দিছো। আমাৰ সন্মানীয় বিৰোধী দলৰ দলপতি শ্ৰী ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই বাজেটৰ বিতৰ্কত ঋণৰ বোজাৰ ওপৰত তেখেতে কিছু কথা কৈছিলে। মই নিশ্চয়কৈ তেখেতৰ কথাখিনি স্পষ্টকৈ এটা কথা কৈ থও যে আমাৰ ঋণ লোৱাৰ যিটো এটা প্ৰণালী এই ঋণ লোৱাৰ কাৰণে এটা প্ৰণালীবদ্ধ প্ৰক্ৰিয়া আছে। এইটো নহয় যে জধে মধে ঋণ লব পাৰি। তাৰ কোনো প্লেনিং নোহোৱাকৈ ঋণ লব পাৰি এনেকুৱা কথা নহয়। ঋণ লোৱাৰ কাৰণে এটা প্ৰণালীবদ্ধ প্ৰক্ৰিয়া আছে। ভাৰতীয় ৰিজাৰ্ভ বেংক বা ভাৰত চৰকাৰৰ বিত্ত বিভাগৰ অনুমোদন সাপেক্ষে আমি ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ ওপৰত ভিত্তি কৰি ঋণ লোৱা যায় আৰু ঋণ লোৱাৰ এটা উচ্চ সীমা থাকে। গতিকে নিশ্চয়কৈ যোৱা কেইবছৰমানৰ পৰা আমি দেখিছো যে বিৰোধী দল সমূহৰ বা বিৰোধী সকলে যেতিয়াই আলোচনা কৰে তেতিয়া অকল ঋণ লোৱাৰ কথা কয়, যে ঋণ ল'লে চৰকাৰখন ধাৰত পোত গৈছে এনেকুৱা ধৰণৰ কিছুমান অবান্তৰ কথা ৰাইজক এটা বিপথে পৰিচালিত কৰিবৰ কাৰণে কয়। সেই একেই ধাৰা আগত ৰাখি আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কথাখিনি কৈছে মই তেখেতক স্পষ্টতাৰে এটা কথা কওঁ যে ইয়াত ঋণ লবৰ কাৰণে এখন Borrowing calendar, repayment schedule থাকিব আৰু Borrowing calendar, repayment schedule সমূহ যাতে এনেকৈ কৰা হয় যাতে ঋণ সমূহ আমি ঘূৰাই দিয়াত কেতিয়াও অসুবিধা নহয়। আজিলৈকে অসমে আনকি বিৰোধী দলপতিয়ে কোৱা বা তেখেতে প্ৰতিনিধিত্ব চৰকাৰখনেও লোৱা ঋণো আজি আমাৰ চৰকাৰে সুন্দৰভাৱে ঘূৰাই দি আছে। কোনো ঋণ ঘূৰাই দিবলৈ অসুবিধা হোৱা নাই আৰু আমি ঋণ লওতেই ইয়াত

Borrowing calendar, repayment schedule ইত্যাদি সকলো আলোচনা কৰি ঋণ লোৱা হয়। সেই কাৰণে মই ভাবো যে এই ঋণ যে লোৱাৰ ওপৰত এনেই কিছুমান পৰ্য্যালোচনা কৰি অৰ্থনীতিবিদ সকলে যিটো কথা কয় অৰ্থনীতিৰ নিয়মে যিটো কথা কয় সেই নিয়মৰ ভিতৰত আমি আছো । আজি আপোনালোকে এই কথাটো জানিব যে আনকি বিৰোধী দলৰ দলপতি ডাঙৰীয়াই এই কথাটো ক'ব খুজিছিলে যে ঋণৰ বিপৰীতে মুলধনী ব্যয় বেছি হৈছে বুলি। আনকি এনেকুৱা কথা কৈছে যে অনা উৎপাদনকাৰী কামত, প্ৰচাৰৰ কামত ঋণ লৈ খৰছ কৰিছে। কিন্তু আজিলৈকে আমাৰ বাজেট সমূহত বা আমাৰ খৰছৰ হিচাপত চাব এতিয়াও প্ৰতি বছৰে লোৱা ঋণৰ বিপৰীতে মূলধনী ব্যয় যদি চোৱা যায় সদায় মূলধনী ব্যয় বেছি হৈ থাকে ওপৰত থাকে। তাৰমানে এই কথাটো এনেই ৰাইজক কৈ দিব নালাগে। যিটো সঁচা কথা সেইটো ৰাইজক কওক । গতিকে সমালোচনা কৰিব, সমালোচনা কৰিবৰ কাৰণে যিখিনি সমালোচনা কৰিব পৰা কথা আছে নিশ্চয়কৈ ওৱাজেদ আলী চৌধুৰী ডাঙৰীয়াই বানপানীৰ কথা উল্লেখ নাই বুলি কৈছে । আজি গৌৰৱ কৰিম যে এতিয়া বানপানীৰ কথাৰ পৰা গৈ কৃষি জলসিঞ্চনলৈ যাব পৰা হ'লো। যোৱা ৫ বছৰে বানমুক্ত অসমৰ কথা কোৱা হৈছিল। বানমুক্ত অসমৰ বাবে নতুন নতুন মথাউৰি নিৰ্মাণ কৰা হ'ল। Road cum embankment strengthening কৰা হ'ল। বিভিন্ন ঠাইত মথাউৰিবোৰৰ সশক্তিকৰণ কৰি মথাউৰি আৰু ৰাস্তা বনাই আমি যথেষ্ট পৰিমাণে বানপানী নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হ'লো। পানী যেতিয়া বাঢ়িব তেতিয়া নদী আৰু মথাউৰিৰ মাজৰ যিখিনি ঠাই সেইখিনিত বানপানী হ'বই। আগতে মথাউৰি ভাঙি যোৱা মথাউৰিৰ সিটো পাৰে পানী হোৱাৰ যি প্ৰৱণতা আছিল সেইবোৰ এতিয়া  কমি আহিছে। সেয়েহে এইবাৰ চৰকাৰখনে কৃষি আৰু জলসিঞ্চনক একত্ৰীকৰণ কৰি কেনেদৰে কৃষিখণ্ডৰ উন্নয়ন কেনেকৈ কৰিব পাৰি তাৰ ওপৰত গুৰুত্ব দিছে ।  আমাৰ বিৰোধী দলৰ নেতাগৰাকীয়ে কৃষক বিৰোধী বুলি এটা শব্দ ক'লে। কিন্তু মই নাভাৱো যে কৃষি আৰু জলসিঞ্চনক একত্ৰিত কৰি তেনেধৰণৰ উন্নয়নৰ পৰিকল্পনা কৰা হৈছে। এই বাজেটখনত ৪

হাজাৰ কোটি টকাৰ ব্যয়ৰ কথা জলসিঞ্চন শিতানৰ বাবে কোৰা হৈছে। এই বছৰ আমি ২০০ কোটি টকা বাজেটত আৱণ্টন দিছো। অসমত pipe irrigation ৰ কথা পৰিকল্পনা কৰা হৈছে। অসমত বিভিন্ন সময়ত Solar Irrigation, Spot irrigation ত কাম কৰা হৈছিল যিবোৰ খুব বেছি ফলপ্ৰসূ আছিল। Open drain বনাইও অসমত irrigation কৰা হৈছিল। বিভিন্ন সময়ত বিভিন্ন ধৰণৰ বোকা মাটিৰে নলাবোৰ বন্ধ হৈ যায়। সেয়েহে এইবাৰ চৰকাৰখনে পৰিকল্পনা কৰিছে যে মাটিৰ তলেৰে পাইপ লৈ গৈ irrigation কৰিব পাৰে নেকি ? আমাৰ চৰকাৰখনে pressure pipe irrigation ৰ কথা কৈছে। লগতে কৈছে যে যি সমূহ নদীত বাৰ মাহে পানী থাকে তেনেকুৱা নদীসমূহ চিনাক্ত কৰি তাৰ পৰা যাতে পথাৰত জলসিঞ্চন কৰিব পাৰে। আনহাতে ভূটান আৰু অৰুণাচলৰ পাদ দেশত য'ত পানীৰ উৎস আছে, তাৰ পৰাও আমি কেনেকৈ জলসিঞ্চন কৰি খেতি-পথাৰত কৃষকে বাৰ মাহে দুটা-তিনিটাকৈ খেতি কৰিব পৰাৰ পৰিৱেশ সৃষ্টি কৰাৰ পৰিকল্পনা কৰা হৈছে। আজিৰ তাৰিখত প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল খেতি সম্ভৱেই নহয়। Global Warming ৰ পৰিৱেশৰ বাবে য'ত আগতে বৰষুণ হৈছিল তাত খৰাং হৈছে আৰু য'ত খৰাং হৈছিল তাত বৰষুণ হ'বলৈ ধৰিছে। এটা পৰিৱৰ্তন হৈছে। গতিকে প্ৰকৃতিৰ ওপৰত এতিয়া নিৰ্ভৰশীল হ'ব নোৱাৰে। সেয়েহে এনেধৰণৰ irrigation ৰ কথাৰে আমাৰ বাজেটখন কৃষকৰ বাবে এখন বন্ধু বাজেট। কৃষকে কেনেকৈ বাৰ মাহে খেতি কৰিব পাৰে, কেনেকৈ তেওঁলোকে বাৰ মাহে আয়ৰ উৎস বঢ়াব পাৰে, তেনেধৰণৰ চিন্তা বাজেটত কৰা হৈছে। আমাৰ ৰাজ্যখন কৃষি প্ৰধান ৰাজ্য। কৃষি আৰু জলসিঞ্চনক গুৰুত্ব দিয়াৰ লগে লগে তাক উপলুঙা কৰা মানুহো আছে। যদি আপোনালোকে ভিতৰলৈকে চায়, তেতিয়া গম পাব যে বাজেটখনে কি ভিজন লৈ কাম কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰশাসনিক, ৰাজনৈতিক, অসমৰ সমাজ জীৱনৰ ওপৰত অভিজ্ঞতাৰ দূৰদৰ্শী চিন্তা-চৰ্চ্চাৰে আমি বাজেটখন বিধান সভাৰ মজিয়ালৈ আনিছো। ২০১৬ চনত আমাৰ চৰকাৰ আৰম্ভ হোৱাৰ পৰা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই বিত্তমন্ত্ৰী হিচাপে ভাষণ দিয়াৰ সেই

ধাৰাবাহিকতাটো আজিও আছে। ২০১৬ চনত আৰম্ভ হোৱা অষ্টাদশী মুকুতাৰ উন্নয়ণী মালাৰ ধাৰাবাহিকতা আজিৰ এই বাজেটতো আছে। আমি সেই ধাৰাবাহিকতাৰে আজিও কাম কৰিছো। যোৱা সময়ছোৱাত হয়তো বানমুক্ত অসমৰ কথা আছিল, কিন্তু এইবাৰ আমি কৈছো যে জলসিঞ্চিত অসম। এইবাৰ আমি কৈছো যে জলসিঞ্চন আৰু কৃষিৰ সমন্বয়ৰে কৃষকৰ বিকাশ ..... interruption .....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী) :** জলসিঞ্চন আৰু জলসম্পদ বিভাগত পইচাটো বঢ়াই দিয়ক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, বিত্ত মন্ত্ৰীঃ** নিশ্চয়কৈ। সেইকাৰণে আজি এইখন বাজেটে ৪০০০ কোটি টকা জলসিঞ্চনত ব্যয় কৰাৰ কথা কৈছে। এই বাজেটখনে জলসিঞ্চনক আটাইতকৈ বেছি গুৰুত্ব দিছে ..... interruption .....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী) :** যোৱাবাৰতকৈ কম ধৰিছে। যোৱাবাৰ মুঠ বাজেটৰ ..... interruption .....

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, (বীৰছিং জাৰোৱা) :** এইবাৰ বাজেট যোৱাবাৰতকৈ কম দিছে। ..... interruption .....

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, বিত্ত মন্ত্ৰীঃ** এই বাজেটখন হ'ল অহা মাৰ্চ মাহলৈ। অহা মাৰ্চ মাহলৈ আমি এই বাজেটৰ ৫ বছৰৰ পৰিকল্পনাৰে ক'ত কোনটো নদীত বাৰ মাহে পানী পাওঁ তাৰ বাবে অধ্যয়ন, পৰিকল্পনা, DPR বনাব লাগিব। এইখিনিৰ বাবেহে এইখিনি খৰচ। আপোনালোকে কিয় ভাৱি ল'লে যে এইবাৰেই ৫০০০ কোটি টকা ধৰিব লাগিব। এই যে অবাস্তৱ কথাবোৰ কয়..... interruption .....

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (পাকাবেতবাৰী) :** আমিতো এইখন বাজেটৰ ওপৰতে বক্তৃতা দিব লাগিব। ..... interruption .....

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, বিত্ত মন্ত্ৰীঃ** বাজেটৰ বক্তৃতাত লিখা আছে যে আমি মুঠ ৪০০০ কোটি টকা জলসিঞ্চনৰ বাবে খৰচ কৰিম। ৪০০০ কোটি টকাৰ ২০০

কোটি টকা খৰচ কৰাটো আ্মাৰ এই বছৰৰ পৰিকল্পনা। ইয়াৰ বাবে DPR বনাব লাগিব, কোনটো নদীৰ পৰা পানী আহিব, কোনটো নদীত বাৰ মাহে পানী থাকিব, ভূটান, অৰুণাচলৰ পাদ দেশৰ ক'ৰ পৰা পানী আনিম এই কথাবোৰৰ বাবে বাজেটৰ প্ৰয়োজন। এই বাজেটখনত ৫ বছৰৰ পৰিকল্পনাৰ কথা কোৱা হৈছে। বাজেটৰ ওপৰত বাহিৰত গৈ আটাইতকৈ ঋণাত্মক কথা কোৱা বিধায়ক গৰাকীক আজি মাননীয় অধ্যক্ষ মহোদয়ে বাহিৰত থৈ দিলে। ইয়াত এটা কথা কয় , ৰাইজৰ আগত বেলেগ কয়। কিন্তু তেখেতে বাজেটখন ভালকৈ পঢ়িলে নে নাই মোৰ সেইটোৰ ওপৰতো সন্দেহ আছে। তেখেতে ইয়াত বাজেটৰ বক্তব্য দিলে তাত তেওঁ যিখিনি কথা ক'লে তাৰ পইন্টকেইটা মই লিখি ৰাখিলো। তেখেতে ৫ টা পইন্ট ক'লে যাৰ ওপৰত গুৰুত্ব দিব লাগে । ৫ টা পইন্টৰ ভিতৰত জলসিঞ্চনৰ বিষয়ে ক'লে। ১০০% মাটিত খেতি হ'ব লাগে। পাহাৰত কঠাল গছ ৰুব লাগে । কিন্তু তেওঁ বাজেটখন পঢ়িলে নে নাই কিয়নো জলসিঞ্চনত আটাইতকৈ বেছি গুৰুত্ব দিয়া হ'ল। জলসিঞ্চনৰ পৰিকল্পনা কৰি ১০০% খেতি কেনেকৈ কৰিব পাৰি, দুটা-তিনিটাকৈ খেতি কেনেকৈ কৰিব পাৰি তাৰ কথাই এই বাজেটত আছে। তেওঁ বাজেটখন পঢ়িলে নে নাই মই নাজানিলো। তেওঁ পাহাৰত কঠাল গছ ৰোৱাৰ কথা কৈছে কিন্তু আমি aerial seedling ৰ কথা কৈছো। অসমৰ বিভিন্ন পাহাৰ, চৰ, বিভিন্ন দুৰ্গম ঠাই য'ত যাব নোৱাৰি তাতো যাতে ড্ৰোনেৰে গৈ গুটি সিচি বনাঞ্চল কৰিব তাৰ কথাই এই বাজেটত কোৱা হৈছে। আমি কঠাল গছ ৰোৱাই নহয়, গোটেই পাহাৰ, চৰ বনানীকৰণ কৰাৰ কথা কৈছো। তেওঁ দ্বিতীয়তে কৈছে যে প্ৰত্যেক গাঁৱত উদ্যোগ স্থাপন কৰিব লাগে কিন্তু মাননীয় মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসমৰ দ্বাৰা ২-৫ লাখকৈ টকা যে দিয়া হৈছে সেয়া গাঁৱত উদ্যোগ কৰাৰ বাবেই দিয়া হৈছে। প্ৰতিগৰাকী মহিলাক যে ১০ হাজাৰকৈ টকা দিছো সেইয়া গাঁৱত উদ্যোগ স্থাপন কৰাৰ বাবেই দিছো। তেওঁলোকে আচাৰ বনাওঁক, সুন্দৰকৈ তাঁত-শালত মেখেলা চাদৰ, বিহুৱান বনাওক। গাঁৱত উদ্যোগ স্থাপনৰ কথা তেওঁ ক'বই নালাগে। আজিৰ তাৰিখত ৩০ লাখ মহিলাক মহিলা উদ্যমিতাৰ বাবে টকা দিয়া হৈছে।

আজিৰ তাৰিখত ১ লাখ যুৱক-যুৱতীক আমি ২ লাখৰ পৰা ৫ লাখ টকা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসমৰ বাবে দিছো। এইখন বাজেটত কৈছো যে অহা ৫ বছৰত ১০ লাখ যুৱক-যুৱতীক আমি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসমৰ কাৰণে টকা দিম। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসমটো গাঁৱৰ উদ্যোগ নহয় নেকি? তেওঁৰ উদ্যোগটো আকৌ বেলেগ। তেওঁ চাগে এনে ধৰণৰ উদ্যোগ বিচাৰিছে যিটো বন্ধ হৈ গ'লে তেওঁ যাতে গৈ ধৰ্ণা দিব পাৰে, গণ্ডগোল কৰিব পাৰে। মোৰ অনুভৱ তেওঁক চাগে এই পইণ্টকেইটা কোনোবাই লিখি দিছিল, তেওঁ সেইকেইটা কৈ দিলে, সেইটোৱে যে backfire কৰিব তেওঁ গম পোৱা নাই। তৃতীয়তে লাগে যে নগৰকেন্দ্ৰিক উদ্যোগীকৰণ। আমি satellite city কৰি আছো, তাতকৈ আৰু নগৰকেন্দ্ৰিক উদ্যোগীকৰণ ক'ত লাগে। মই বুজি নাপালো যে তেওঁ বাজেটটো বুজি পোৱা নাই। আমাৰ বাজেটত নয়দা, গুৰগাওঁৰ দৰে city বনোৱাৰ কথা কোৱা হৈছে। তেওঁ ক'ত কি বিচাৰি নাপাই এইটো কোনোবাই লেখি দিয়া কথাটো ইয়াত পঢ়ি গ'ল। তাৰ পিছত পেছাদাৰী অসম লাগে বুলি কৈছে। Skill development কৰিব লাগে। মুখ্যমন্ত্ৰীৰ CM-Flight ৰ অধীনত সকলো Skill ৰ কাৰণে, জাপানী জাৰ্মান আদি ভাষা শিকিবৰ কাৰণে, spoken English শিকিবৰ কাৰণে ডেৰ লাখ টকাকৈ দিয়াৰ পিছত, আজি প্ৰতিখন নাৰ্চিং স্কুলত নাৰ্চ সকলক spoken English, Japanese শিকাৰ কথা কোৱাৰ পিছত আৰু কি Skill developmentৰ কথা ক'ব লাগে? এইখন বাজেটত Skill developmentৰ কথা স্পষ্টভাৱে আছে। তেওঁ কৈছে পেছাদাৰী অসম। পেছাদাৰী অসম মানে কি? আন্দোলন কৰা অসম নেকি? আন্দোলনৰ পেছাৰ অসম কৰিব লাগে নেকি? আন্দোলনৰ পেছাৰ অসমৰ কথা বাজেটত কোৱা নাই। আমি কৈছো যে আন্দোলন বৰ্জিত অসমৰ মানুহে খেতি কৰি পেছা কৰা অসম। খেতিক পেছা হিচাপে লোৱা অসম। অসমৰ মানুহে খেতি কৰি পেছা কৰা অসম। খেতিক পেছা হিচাপে লোৱা অসম। অসমৰ মানুহে spoken english কৰি পঢ়াশুনা কৰা অসম। অসমৰ মানুহে জাপানীজ ভাষা শিকি পঢ়াশুনা কৰা অসম। অসমৰ মানুহে বিভিন্ন skill, Skill University বনাই আছে এইখন চৰকাৰে। ১ হাজাৰ

কোটি টকা খৰছ কৰি মঙ্গলদৈত  Skill University কৰিছে। অহাবছৰৰ পৰা Skill University  ৰ মোটামুটি পাঠ্যক্ৰম আৰম্ভ হ'ব। এইখন চৰকাৰে Skill University বনোৱাৰ সময়ত পেছাদাৰী অসমৰ কথা  তেওঁ ক'ব লাগে নেকি ? পেছাদাৰী অসম আমিতো কৰিয়েই আছো। তেওঁক কোনে লিখি দিলে মই বুজি নাপালো। তাৰ পাছত ক'লে বজাৰ দখল কৰিব পাৰো। কাৰ বা বজাৰ দখল কৰিব লাগে ? পৃথিৱীৰ বজাৰ দখল কৰিব পাৰে, এনেকুৱাই ক'লে নেকি ? এৰি , মুগা ভোট জলকীয়াৰ বজাৰ দখল, ইমান বছৰে অগৰৰ কথা কোনে কৈছিল ? আজি অগৰৰ উদ্যোগ কেইটামান পৰিয়ালৰ হাতত আছিল । কেইটামান পৰিয়ালে অগৰৰ উদ্যোগটো বিদেশলৈ লৈ গৈ আজি চলাই আছিল । আজি আমি সেই অগৰ উদ্যোগক সৰলীকৰণ কৰি অসমৰ কৃষকেও যাতে এই অগৰ উদ্যোগৰ জৰিয়তে নিজৰ কৃষকৰ এটা task force বনাই ৩-৪ জনকৈ মন্ত্ৰীক দায়িত্ব দিয়া এটা  task force বনাই কেনেকৈ ইয়াক উন্নত কৰিব পাৰি। আজি অগৰ উদ্যোগৰ কাৰণে  গোলাঘাটত trade center বনোৱা হৈছে। সেই trade center টোক কেনেকৈ কাৰ্য্যক্ষম কৰিব পাৰি ? Tea auction center যেনেকুৱা তেনেকৈ অগৰক  auction কৰি বস্তু বেছিব পাৰো নেকি ? আজি অগৰক যেনেকৈ tea testing  ৰ কাৰণে তেনেকৈ যোৰহাটৰ research laboratory, অগৰক testing কৰি তাৰ  quality  নিৰ্ভৰ কৰি তেনেকুৱা ধৰণৰ  export ৰ কাৰণে অগৰ আনিব পাৰি নেকি এইধৰণৰ কথা আমি কৈছো। আজি তেজপুৰৰ লিচুৰ পৰা, এৰি মুগাৰ মিছন চেনেহজৰী, এৰি মুগা ৰ কথা কৈছে যে এৰি-মুগা, ভোট জলকীয়া আদিৰ বজাৰ দখল কৰে। মিছন চেনেহজৰী এইখন চৰকাৰে আনিছে। বাজেটতো লিখাই আছে মিছন চেনেহজৰী। এৰি-মুগাৰ কাম আমি কেনেকৈ কৰিম। তেজপুৰৰ লিচুৰ পৰা, ভোট জলকীয়াৰ পৰা, অসমৰ আদাৰ পৰা, অসমৰ হালধীৰ পৰা কেনেকৈ  export কৰিব পাৰি, এই কথাবিলাক বাজেটত লিখা আছে। তেওঁক কোনোবা মানুহে লিখি দিলে, তেওঁ নপঢ়িলে। আহি ইয়াত কৈ গ'ল। ৫ টা  পইণ্ট ক'লে এইকেইটা হ'ব লাগে। আমি এই গোটেই ৫ টা পইণ্ট কৰি থলো। কৰি থোৱাতোকে এইকেইটা নকৰা বুলি ক'ব

খুজিলে। গতিকে প্ৰথম কথা হ'ল যে, বাজেটখন পঢ়িব লাগে। তেখেতৰ এটা স্বভাৱেই আছে যে আধা পঢ়ে। আধাতে থাকে। পিছৰফালে নপঢ়ে। হৈচৈ কৰা যিটো বস্তু, সেই হৈচৈ কৰিব লাগে। আধা পঢ়ি শেষ কৰি থৈ দিয়ে। সেই কাৰণে নপঢ়িলে চাগে, গম নাপালে। যি নহওঁক, তেখেতে আমাৰ কথা যেতিয়া কৈছে মই তেখেতক ধন্যবাদো দিছো, আমাৰ কথাখিনি কৈছে। এতিয়া আমাৰ শ্ৰী জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই এটা কথা কৈছে যে কিছু কিছু ক্ষেত্ৰত তেখেতে আজি কৈছে যে তেওঁৰ তাৰ পৰা অহা মাছৰ গাড়ী অহাত অসুবিধা হয়। এতিয়া চাওঁক, আপুনি ক'লে যে অসমৰ ৰাজহ বন বিভাগত বহুত বঢ়াব পৰা যায়৷ আমাৰ আব্দুৰ ৰহিম ডাঙৰীয়াই কৈছে, মই তেখেতসকলক ধন্যবাদ দিছো। আমি যেতিয়া ৰাজহ বৃদ্ধিৰ কাৰণে কাম কৰিম, ৰাজহ বৃদ্ধিৰ কাৰণে যেতিয়া চৰকাৰে online ৰ portal ত গৈ TP পাবৰ কাৰণে online ত পইচা জমা দি TP ল'ব, সেই পদ্ধতিতোক পিছত গৈ আকৌ বিৰোধিতা নকৰিব। মই online ত কৰি দিলো। online ত এতিয়া TP পাব। Ground TP online ত পাব। অসমৰ বাহিৰৰ পৰা অহা শিল-বালি ,পাথৰ যি আছে সকলোৱে Treasury ৰ online ত পইচা জমা দি তেওঁলোকে শিলৰ ওপৰত ২০০ টকা royalty , বালিৰ ওপৰত ১৪০ টকা royalty, royalty দিয়ক, GST দিয়ক সুন্দৰভাৱে কৰক আমাৰ কৰিবলগীয়া একো নাই।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী)ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, মাছৰ ক্ষেত্ৰত কোনো GST tax নাই, সেইটো অবৈধভাৱে সংগ্ৰহ কৰে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, ( বিত্ত, বন ও পৰিৱেশ বিভাগৰ মন্ত্ৰী)ঃ** মই মাছৰটো কৈ আছো। এতিয়া কথা হ'ল যে এইধৰণৰ কামবিলাক যেতিয়া আমি কৰিলো, বহুত মানুহৰ দোকান বন্ধ হ'ল। কাৰণ এই মানুহবিলাকে এই দোকানবিলাক লৈ চলি আছিল। দোকান বন্ধ হোৱাৰ কাৰণে এইকেইদিন উচতাই আছে মই দেখিছো। উজনি অসমৰ ক'ৰবাত যোৱা পৰহি মই আন্দোলন কৰা দেখিছো। তেখেতসকলক মাতি আনি সুধিব বিচাৰিছো যে ৰাষ্টাই-ঘাটে,পুলিচ, কাৰোবাক, ইটো-সিটো পইচা দিয়াতকৈ চৰকাৰক পইচা দি সুন্দৰকৈ TP উলিয়াই লওঁক

আৰু ৰাস্তাৰে free হৈ যাওঁক, বুকু ফিন্দাই লৈ যাওঁক যে মই এইটো ব্যৱসায় কৰো, স্পষ্টকৈ চৰকাৰক ৰাজহ দিছো, চৰকাৰক GST দিছো, চৰকাৰক Revenue দিছো আৰু সুন্দৰভাৱে বস্তু লৈ গৈছো। তাত কেনেকৈ বাধা দিয়ে চাওঁ। আপোনাৰ যদি মাছৰ ব্যৱসায়টো ন্যায়গতভাৱে কৰিছে, কিবা অসুবিধা যদি আছে, চৰকাৰক জনাওঁক। চৰকাৰ আপোনাৰ লগত আছে। এতিয়া মাছৰ ব্যৱসায়টোত যদি কিবা ২ নম্বৰী কৰি ৰাস্তাই-ঘাটে পইচা দি গৈ আছে, তাকতো আমি বচাব নোৱাৰো। সি যদি কিবা ২ নম্বৰী কৰি গৈ থাকে, মাছৰ লগত যদি ড্ৰাগছো নিয়ে আৰু ৰাস্তাই ৰাস্তাই পইচা দিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (পাকাবেতবাৰী)ঃ** ১ নম্বৰী বেপাৰী।

(সদনত কথাৰ মাজত বাক-বিতণ্ডা)

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, (চেঙা)ঃ** ফৰেষ্টৰ লিকেজ বহুত আছে চাৰ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (বিত্ত, বন ও পৰিৱেশ বিভাগৰ মন্ত্ৰী)ঃ** নিশ্চয়কৈ বিৰোধী দলৰ সদস্য সকলৰ যিটো ফৰেষ্টৰ লিকেজৰ কথা কৈছে আমি সম্পূৰ্ণৰূপে তাৰ ওপৰতে কাম কৰি আছো। আজি আপোনাৰ অঞ্চলতে হওঁক, অসমতে হওঁক, এতিয়ালৈকে প্ৰায় ৩০০ তকৈ ওপৰত কাঠৰ মিল আমি জব্দ কৰিছো বিভিন্ন সময়ত আমি seized কৰি কাঠ আনিছো। এইটো মাত্ৰ ১৫ দিনৰ কথা। এইটো চলি থাকিব। এনেকুৱা নহয় যে, এইটো বন্ধ হৈ যাব। ৩০০ কাঠৰ মিল আৰু অজস্ৰ আৰু আটাইতকৈ ডাঙৰ কথা হ'ল যে within 45 days ত এই যিমান বস্তু জব্দ কৰি অনা হ'ল all auction কৰি দিয়া হ'ব। এনেকুৱা নহয় যে আমাৰ ডিভিজনত পেলাই থম। অহা ৪৫ দিনৰ ভিতৰত এই গোটেইবিলাক বস্তু auction কৰি দি দিম। গতিকে আমি এটা system লৈ যাব বিচাৰিছো। এই system টোত বিৰোধী দলৰ বিধায়ক সকলোৱে সহযোগিতা কৰক। আপোনালোকে সহযোগিতা কৰক। আজি অসমৰ বিভিন্ন ঠাইত অসমৰ বাহিৰৰ পৰা আজি আমি Minor Mineral Concession Rule খন আমি amendment কৰিছো যে কি amendment কৰিছো যে বিভিন্ন সময়ত অসমৰ

বাহিৰৰ পৰা শিল বালি ইত্যাদি আদি আহে। এই শিল বালিবিলাক কেতিয়াবা আমি দেখা পাওঁ যে E-way Bill লৈ আহিব লাগে বাহিৰৰ পৰা আহিলে তেওঁলোকে E-way Bill লৈ নাহে। তেওঁলোকে GST payment নকৰে। এই ধৰণৰ অসুবিধাৰ কাৰণে তেওঁলোকক চোৰা-চিতা কৰিবলগীয়া হয়, তেতিয়া এটা দীঘলীয়া পদ্ধতিত বহুত fine দিবলগীয়া হয়। এতিয়া আমি কৈছো যে কোনোবা মানুহে E-way Bill নোহোৱাকৈ আহিছে কিবা কাৰণত আৰু তেওঁৰ E-way bill ত আমি যেতিয়া চেক কৰিছো আৰু তেওঁৰ royalty ইত্যাদিত খেলিমেলি পাইছো তেতিয়া আমাৰ অসমৰ যিটো ৰাজহ, সেই ৰাজহতো দি অসমৰ যিটো ৰাজহ তাৰ ওপৰত DMFT, MMDR দিয়াৰ SMED , GST দিয়ক আৰু সুন্দৰভাৱে যি product য়ে হওঁক তাত কোনো অসুবিধা হ'বলৈ দিয়া নাই। অসমৰ যিখিনি ৰাজহ, সেইখিনি দি দিয়ক। কিন্তু ৰাজহ নিদিয়াকৈ এই ধৰণৰ ব্যৱস্থা নহ'ব। আজি মইতো এইকেইটা দিন আমাৰ যিসকলে আমাৰ বহুত ডাঙৰ ৰাজহ লিকেজৰ কথা কৈ আছে, মোৰ তাত যিখিনি তথ্য আছে মই সদনত জনাই থওঁ, নহ'লে কেইদিনমানৰ পাছত political কৰা বুলি হাহাকাৰ কৰিব। আজি মোৰ তাত তথ্য আছে, যে যিখন অৰ্কিড পাৰ্ক অখিল গগৈ ডাঙৰীয়াই চলাই আছে, সেই অৰ্কিড পাৰ্কৰ এন্ট্ৰি ফিজৰ ওপৰত দিব লাগে, সেইটো GST ত বহুত ডাঙৰ ঘোটালা আছে। মোৰ তাত তথ্য আছে। সেইজন মানুহৰ কি নৈতিক অধিকাৰ আছে, যে যিখন অৰ্কিড পাৰ্ক চলাই থকা GST ফাকি দিয়ে, GST চুৰি কৰে, সেই মানুহজনৰ নৈতিক অধিকাৰ আছে নেকি ? মই এজন বিত্ত মন্ত্ৰী হিচাপে কৈ আছো। এতিয়া মই যদি তৎক্ষণাত GST ৰ অফিচাৰক ৰেট মাৰিবলৈ পঠাই দিওঁ, লগে লগে political কৰি পেলাব যে আমাৰ পলিটিকেল কৰিছে, বিৰোধীক হাৰাশাস্তি কৰিছে, সেই কাৰণে মই সময়লৈ ৰৈ আছো। আপোনালোকৰ পৰা সমৰ্থন-সন্মতি কি ল'ম, যে আপেনালোকে সন্মতি দিয়ক, সন্মতি দিলেই কালিয়েই অফিচাৰ পঠিয়াই দিম। অসম বিধান সভাই সন্মতি দিয়ক। বিৰোধী দল সকলে দিয়ক। ৰাইজৰ দলৰ বিধায়ক আছে, আপোনালোকৰ ৰাইজৰ দলৰ

নেতাই GST ফাঁকি দিয়া অভিযোগ আহিছে। কওঁক ৰেট কৰিব লাগে বুলি। আপুনি স্পষ্টতাৰে কওঁক।

**শ্ৰী মেহবুব মোক্তাৰ, ধিংঃ** মন্ত্ৰী মহোদয় এইটো সমবায় পৰিচালনা কৰিছে। (সদনত কথাৰ বাক-বিতণ্ডা)

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (বিত্ত, বন ও পৰিৱেশ ইত্যাদি বিভাগৰ মন্ত্ৰী)ঃ** ঠিক আছে। সমবায়খনেক ভাঙি দিছো। সমবায় খনলৈ পঠিয়াওঁ। স্পষ্টকৈ কওঁক সমবায় খনলৈ যাব নালাগে বুলি। সমবায় GST দিব লাগিব। সমবায় GST দিব মাফ নহয়, GST দিব লাগিব। **(সদনত কথাৰ বাক-বিতণ্ডা)** আপুনি স্পষ্টাক কওঁক, যে আপুনি ৰাইজৰ দলৰ বিধায়ক হিচাপে কৈছো যে আমাৰ সভাপতি জড়িত থকা এই অৰ্কিড পাৰ্কখন সমবায় হ'লেও GST ৰেট মাৰক।

**শ্ৰী মেহবুব মোক্তাৰ, (ধিং)ঃ** আমাৰ সভাপতি এইকামৰ লগত জড়িত নাই। (সদনত কথাৰ বাক-বিতণ্ডা)

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (বিত্ত, বন ও পৰিৱেশ ইত্যাদি বিভাগৰ মন্ত্ৰী)ঃ** মই আপোনালোকৰ পৰা permission ল'ব বিচাৰিছো। অসম বিধান সভাই permission দিয়ক। বিশেষকৈ আপুনি স্পষ্টতাৰে কওঁক। তেখেত নাই, আপুনিয়ে কওঁক যে হয়, আমাৰ সভাপতি হ'লে তেওঁৰ তাত যাব পাৰে। জি. এচ .টি ৰেট মাৰিব পাৰে।

(সদনত কথাৰ বাক-বিতণ্ডা)

**শ্ৰীমেহবুব মোক্তাৰ, (ধিং)ঃ** মই জনাত আমাৰ সভাপতি কোনো অবৈধ কামৰ লগত জড়িত নাই।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, ( বিত্তমন্ত্ৰী) ঃ** GST ফাঁকি দিয়াতকৈ আৰু ডাঙৰ ৰাষ্ট্ৰ দোষ আৰু কি আছে।

**শ্ৰী মেহবুব মুখতাৰ, ধিং:** অসমত চিণ্ডিকেট বন্ধ হ'ব লাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, ( বিত্তমন্ত্ৰী )ঃ** যিজন মানুহে ৰাজহ ফাঁকি দিয়ে তাতকৈ ডাঙৰ ৰাষ্ট্ৰদোহী কাম কি আছে কওঁক ? আজি ইয়াত আপোনালোকে কৈছে যে চৰকাৰে বাজেট বঢ়াব লাগে , ক'ৰ পৰা বঢ়াব । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্টকৈ কৈছে যে চৰকাৰৰ ৰাজহ বৃদ্ধি হ'লে হে বাজেট বাঢ়িব । আজিৰ তাৰিখত আমাৰ own source 36%. আমি নিজে চৰকাৰে ৰাজহ সংগ্ৰহ কৰো ৩৬ শতাংশ। এইবাৰ আমি লক্ষ্য লৈছো যে আমি ২০৩১ চনলৈকে own source 50% লৈকে যাম। আমি সাহসেৰে কৈছো যে own source 50% লৈকে যাম । যোৱা মাহত বিত্ত মন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পিছত এটা মাহত আমি যোৱা ২০২৫ চনৰ জুন আৰু ২০২৬ চনৰ জুনৰ মাজত প্ৰায় ৫০ শতাংশ GST increase হৈছে। আজি প্ৰতিটো মূহুৰ্ত্তত আমি এইধৰণে কামখিনি কৰিবলৈ চেষ্টা কৰিছো। কিন্তু ৰাজহ ফাঁকি দিয়া মানুহ বিলাকে যদি ইয়াত ডাঙৰ কথা কয় লাভ নাই । যদি ২০৩১ চনত আমি ৫০ শতাংশ own source কৰিব পাৰো, own source বাঢ়িলে বাজেটৰ পৰিমাণ ও বাঢ়িব। আপোনালোকে যেনেদৰে কৈ আছে যে জলসিঞ্চন, কৃষি ক্ষেত্ৰত আৰু পইচা দিয়ক, গৰাখহনীয়াৰ কাৰণে পইচা দিয়ক । গৰাখহনীয়াৰ কাৰণে মইটো জানো যে পাৰ্কুপাইন বা এনেকুৱা ধৰণৰ emergency কাৰণে বাজেটত ব্যৱস্থা আগতে আছিল আৰু এতিয়াও আছে । গতিকে এনেধৰণৰ কাম বিলাক তেতিয়া কৰিব পাৰিম যেতিয়া ৰাজহ আহিব , যেতিয়া ৰাজহৰ leakage বিলাক বন্ধ হ'ব। ৰাজহ leakage বন্ধ কৰিবৰ কাৰণে আজি আমি এই কাম বিলাক কৰিছো। বন বিভাগৰ ৰাজহ যোৱা কালিও আমি মণিটৰ কৰি আছো যে বাহিৰৰ পৰা অহা প্ৰডাক্ট বিলাকত আমি কেনেকৈ brown trip কৰিব পাৰো। মহল বিলাকৰ প্ৰত্যেকখন গাড়ীত GPS লগোৱাৰ কথা কৈছো, weighbridge ৰ কথা কৈছো। এইবিলাক আইনতে আছে। ২০১৪-২০১২ চনৰ আইনতে লিখা আছে যে প্ৰত্যেক মহলতে এখন weighbridge থাকিব লাগিব । আমাৰ অসমত এনেকুৱা এটাও মহল নাই য'ত weighbridge আছে। এইবোৰ কৰা হোৱা নাছিল। কাৰণ এই leakage বিলাকক চলি থাকিবলৈ দিয়াৰ এটা আনুষ্ঠানিকতাৰ দৰে চলি আছিল। আজি এই মহল বিলাকত কৰিব যোৱাৰ

লগে লগে এটা ৰিয়েকশ্যন হ'ব। বিভিন্নজনে বিভিন্ন কথা ক'ব। অলপ আগতে মাননীয় বিধায়ক সুৰেন ফুকন ডাঙৰীয়াই মোৰ ওচৰত আহি কৈছে যে আমাৰ তাত কেইজনমান ল'ৰাই আপোনাৰ কথা বেয়া বেয়াকৈ শ্লোগান দি গৈছে। চৰকাৰৰ ঘৰত ৰাজহ আনিবৰ কাৰণে যদি মোক কোনোবাই গালিও পাৰিছে সেইটো মই আৰ্শীবাদ হিচাপে ল'ম। মইটো মোৰ ৰাজহৰ কথা কোৱা নাই। চৰকাৰৰ ঘৰত অনলাইনেৰে ৰাজহ জমা দিবলৈ কোৱা ব্যৱস্থাটোত যদি কোনোবাই মোক গালি পাৰে মই তাক আনন্দেৰে গ্ৰহণ কৰিম। গালি পাৰক তাত কি অসুবিধা আছে। এইদৰে চৰকাৰৰ ৰাজহ যদি বঢ়াই দিব পাৰো। যোৱাবছৰ আমাৰ চৰকাৰৰ 6th Schedule ক বাদ দি ৬০০ কোটি টকা বন বিভাগৰ ৰাজহ আহিছিল। মই আজিও বিশ্বাস কৰো যে এইবছৰ আমি অকনমান ভালকৈ যদি চেষ্টা কৰিব পাৰো অতি কমেও ১২০০ ৰ পৰা ১৫০০ কোটি টকা আহিব। দুগুণ হৈ যাব পাৰে। এইটো মই বিশ্বাস কৰো যে ৬০০ কোটি টকা দুগুণ হ'ব পাৰে। এই দুগুণ কৰিবৰ কাৰণে কাম কৰোতে আপোনালোকে সমালোচনা নহয়, সহায় কৰিব লাগিব। আমাৰ ৰাইজৰ দলৰ মাননীয় বিধায়ক গৰাকীৰ এতিয়াও কোৱাৰ সাহস নহ'ল যে তেখেতৰ দলৰ সভাপতি গৰাকীৰ তাত GST raid কৰিব লাগে, চাব লাগে।

**শ্ৰী মেহবুব মুখতাৰ, ( ধিং ):** মাননীয় মন্ত্ৰী ডাঙৰীয়া, অসমত চিণ্ডিকেট বন্ধ হ'ব লাগে। মূল্য বৃদ্ধি ৰোধ কৰি ৰাইজক সকাহ দিব লাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, ( বিত্তমন্ত্ৰী )ঃ** মইটো বিচাৰি আছো যে মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই যিটো চিণ্ডিকেটৰ কথা কৰে সেইটো ক'ত কৰে। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমৰ মানুহে কণী, মাছ, মাংস উৎপাদন কৰক। বাহিৰৰ পৰা বস্তু আহিব লগীয়া নহ'লে ক'ত চিণ্ডিকেটৰ কথা আছে। আমি এইখন বাজেটৰ কথাহে কৈছো। আমি বাজেটত কি কৈছো যে অসমত মাছ, কণী, মাংস self sufficient হওঁক। তেতিয়াটো বাহিৰৰ পৰা বস্তু আহিব লগীয়াই নাথাকে। বাহিৰৰ পৰা বস্তু নাহিলে এই যে আপুনি সমালোচনা বা মিছা কথা ক'ব নোৱাৰে। আমিয়েই কৈ আছো যে মাছ-মাংসৰ প্ৰডাকশ্যন

বঢ়াওক, এগ্ৰিকালচাৰৰ প্ৰডাকশ্যন বঢ়াওক, বাহিৰৰ পৰা একো বস্তু আহিব নালাগে। জলসিঞ্চন ভালকৈ কৰি এগ্ৰি প্ৰডাক্ট বঢ়াওক। আমিটো বাজেটত সেইটোৱে কৈছো। আপোনালোকে হে ধৰ্ণা-আন্দোলন আদি কৰি থাকে। আপোনালোকে সেইদিনাখন কলা কাপোৰ কিয় পিন্ধি আহিলে যে কাজিৰঙাত হায়াটৰ এখন হোটেল হৈ আছে। কাজিৰঙা আজি বিশ্বৰ আগশাৰীৰ Tourist destination. কাজিৰঙাৰ দৰে ঠাইত আজিৰ তাৰিখত এখনো 5 star হোটেল নাই। হায়াটৰ দৰে এটা নামী অনুষ্ঠানে তাত হোটেল বনাব আপোনালোকে তাৰ বিৰোধিতা কৰি তাত হোটেল বনোৱা বন্ধ কৰি মুখত কলা কাপোৰ বান্ধি বোৰ্খা লগাই আহিছে। কালি আপোনালোক দুগৰাকীয়ে হায়াটৰ হোটেলখন বন্ধ কৰিবলৈ কিয় আহিল। হায়াটৰ হোটেলখন বন্ধ কৰি তাৰ পৰা আপোনালোকে পোৱা চিণ্ডিকেটটো কৰি আছে। আপোনালোকে ভাবিছে তাত বনোৱা মানুহে কমিশ্যন বা পইচা দিব। আপোনালোকে এনেকৈয়ে চলি আছে। এই blackmailing টো আপোনালোকে অসমত চলাই আছে। অসমৰ মানুহক আপোনালোকে এনেকৈয়ে blackmailing কৰি আছে। এই blackmailing বোৰ চলাবৰ কাৰণে আপোনালোকক বস্তুটো লাগে। আপোনালোকে ইমান লাজ লগাকৈ আৰু মুকলিকৈ এনেকুৱা কামবোৰ নকৰিব। কাজিৰঙাত হায়াটে দুখনকৈ হোটেল বনাব বিচাৰিছে, বনাবলৈ দিয়ক। তাত গৈ এবাৰ Ranganathittu Bird চাই আহিব, জিম কৰবেটত গৈ এবাৰ চাই আহিব। বিভিন্ন ৰাষ্ট্ৰীয় উদ্যানবোৰত কেনেকুৱা ধৰণৰ হোটেল আছে আৰু কেনেকুৱা ধৰণৰ সুবিধা আছে, এইবোৰ অসমত হ'ব নালাগে নেকি ? অসমৰ কাজিৰঙাত হায়াটৰ .হোটেল এখন থাকিব নালাগে নেকি ? অসমৰ মানাহত এইবাৰ আমি হোটেল বনাব লাগে বুলি কৈছো। মানাহ, উমৰাংছু, হাফলং এইবোৰ ঠাইত যদি হোটেল হয় আমাৰ মাননীয়া সদস্যা শ্ৰীমতী ৰূপালী লাংথাছা ডাঙৰীয়াণীয়ে কৈছে যে আমাৰ পৰ্য্যটনৰ বহুত সম্ভাৱনা আছে। সকলোৱে স্বীকাৰ কৰে উমৰাংছু, ডিমা হাচাও লৈ যিয়ে যায় তাত প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্য দেখিলে সকলো মোহিত হৈ যায়। সৌন্দৰ্য্য চাবৰ কাৰণে যিয়ে আহিব তাত থাকিবৰ কাৰণে তাত অলপ

হ'লেও সুবিধা দিব লাগিব। আজি আমি কৈছো যে 33% capital subsidy দি তাত আমি হোটেল বনাবলৈ উৎসাহ যোগাইছো । মানাহত যদি কোনোবাই হোটেল বনাই তাৰ কাৰণে আমি 33% subsidy দিম আৰু state GST refund দিম। এতিয়া আমি হোটেল বনোৱাৰ কথা ক'লে আপোনালোকে মুখত কলা কাপোৰ পিন্ধি আহি বোৰ্খা পিন্ধি আহি হাউচত সোমাই যায় আৰু ইয়াত আন্দোলন কৰিব যায়। ইয়াত এটা কথা কয় আৰু বাহিৰত মিডিয়াৰ আগত এটা কথা কয়। ইয়াত বাজেটৰ ওপৰত যিকেইটা পইন্ট ক'লে সেই পইন্ট কেইটাৰ ওপৰত মই কৈয়ে দিলো। কিন্তু বাহিৰত গৈ ওলোটা কথা কয়। সদায় কিবা এটা অদ্ভূত কৰি থাকে। কেতিয়াবা ঠেলাত আহে, কেতিয়াবা ৰিক্সাত আহি এটা পৰিৱেশৰ সৃষ্টি কৰি বিধায়ক সকলক উপলুঙা কৰি দিয়ে। বিধায়ক সকলক লৈ মানুহে কিবা এটা আশা কৰে যে আমাৰ বিধায়কজনে এনেকুৱা কাম কৰিব। আমাৰ এই ১২৬ জন বিধায়কক আপোনালোক দুজন লগ হৈ উপলুঙা কৰি পেলালে । বিধায়কসকলক joker কৰি পেলালে। আপুনি joker হওঁক আমাৰ ক'বলগীয়া নাই। আপুনি joker আপোনাৰ নেতা joker. কিন্তু আমি সকলো joker নহয়। বাহিৰত বিধায়কসকলক সমালোচনা কৰিবলৈ ললে যে বিধায়কসকল এনেকুৱা নেকি ? অসমত এনেকুৱা কিছুমান মানুহ আছে যে সেই মানুহবোৰক প্ৰশংসা কৰি Facebook ত আপডেট দিয়ে। মই যোৱাকালি দেখিছো যে অসমৰ এজন বিখ্যাত সাংবাদিকে তেওঁৰ Facebook ত অখিল গগৈ বহুত বৰ্ণনা দি আপডেট দিছে । মই ভাবিছো এই মানুহবোৰৰ ইমান অধঃপতন হৈছে যে সেই মানুহবোৰক ইমান প্ৰশংসা কৰে। সেই মানুহবোৰে ক'ব লাগে যে ৰাষ্ট্ৰখনৰ স্বাৰ্থত এইবিলাক কেতিয়াও ভাল কাম নহয়। সেইকাৰণে মই আশা কৰো যে আমাৰ বাজেটখনত কি আছে আৰু বাজেটৰ বক্তব্যত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোটামোটিকৈ সকলোখিনি দিশেই চুই গৈছে । মই আৰু তাক পুনৰোক্তি কৰিব বিচৰা নাই। এই বাজেটখনে অসমৰ প্ৰতিটো অঞ্চলক চুই যাব পৰাকৈ, প্ৰতিটো চেক্টৰক চুই যাব পৰাকৈ চিন্তা কৰিছে । এই বাজেটখনে পৰিকল্পনা কৰিছে যে আমি নিজস্ব ৰাজহ কেনেদৰে বঢ়াব পাৰো। এই বাজেটত

আছে যে আমি ২০৩১ চনলৈকে ৫০ শতাংশ state own revenue কৰিব পাৰো নেকি । তাৰ কাৰণে আপোনালোকে সহায় কৰিব লাগিব , তাৰ কাৰণে আপোনালোকে চিন্তা কৰিব লাগিব। মই ভাবো যে সচেতন বিৰোধী দলৰ নেতা সকলে নিশ্চয়কৈ আমাক এই কথা বিলাকত সহায় কৰিব। হয়, আমাৰ অভাৱ আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্টকৈ কৈছে যে অভাৱৰ বিষয়ে ক'বলৈ গ'লে তিনি ঘন্টা নহয়, তিনি দিনো কৈ থাকিব পাৰিব। আমাৰ ইমান অভাৱ আছে। কিন্তু এইখন অসমে, এখন দুখীয়া অসমে এই কথা বিলাক ভাবিব পৰা হৈছে যে প্ৰতিটো চাব চেন্টাৰত একোজনকৈ MBBS Doctor থাকিব। এইখন বাজেটত ৩৩ হাজাৰ স্বাস্থ্য বিভাগৰ পদ সৃষ্টি কৰাৰ কথা কৈছে। যাৰ কাৰণে মুখ্য সচিবৰ নেতৃত্বত কমিটি গঠন কৰি দিয়া হৈছিল। আমি ২ লাখ চাকৰি কেনেকৈ দিম তাৰ কাৰণে কমিটি বনাই পৰিকল্পনা কৰা হৈছে। আমাৰ পৰিকল্পনা এইটো যে অহা পাঁচ বছৰত আমি কেনেকৈ প্ৰতিটো চাব চেন্টাৰত একোজনকৈ ডাক্তৰ দিব পাৰো। MPW ৰে চাব চেন্টাৰ চলিছিল। নাৰ্চ ও নাথাকে। কৰ'বাত ANM, GNM একোগৰকীকৈ থাকে। চাবচেন্টাৰ বিলাক এনেকুৱা আছিল। এতিয়া সেই চাব চেন্টাৰবোৰত একোজনকৈ MBBS Doctor, তাত adequate nursing staff, MPW adequate staff ৰে এটা Health Centre বনোৱা হ'ব বুলি এই বাজেটত উল্লেখ কৰিছে। স্বয়ং সম্পূৰ্ণ Health Centre বনোৱাৰ কথা এই বাজেটে কৈছে। অসমৰ দৰে দুখীয়া ৰাজ্য এখনে ইয়াতকৈ কি ডাঙৰ কথা চিন্তা কৰিব পাৰে। এই সপোনটো যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দেখিছে। মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত এই কথাবিলাক যে আজি আহিছে সেইটো অসমৰ কাৰণে এটা ডাঙৰ কথা। আজি অসমত ২ লাখ যুৱক-যুৱতীক যিখন ৰাজ্যৰ গোটেই বাজেটৰ expenditure ৰ আমি ৩৬ শতাংশ কেৱল own source. এইখন চৰকাৰে ইমান ডাঙৰ revenue expenditure কৰিব পাৰে নে নোৱাৰে তাৰ বহুত বিশ্লেষণৰো কথা আছে। তাৰ পিছতো আমাৰ চৰকাৰে কৈছে অসমৰ নতুন প্ৰজন্মৰ সংস্থাপনৰ স্বাৰ্থত আমি ২ লাখ চৰকাৰী চাকৰি বা চৰকাৰৰ বিভিন্ন প্ৰতিস্থানত আমি নিযুক্তি দিম। অলপ আগত মাননীয়

সদস্য শ্ৰী আব্দুৰ ৰহিম ডাঙৰীয়াই কৈছে ৩৫ লাখ পঞ্চীয়ন কৃত নিবনুৱা থকা বুলি কৈছে । মইও এটা সময়ত স্কীল বিভাগৰ মন্ত্ৰী আছিলো আৰু এই পঞ্চীয়নটো কেনেকৈ কৰে সেইটো মই জানো। কথাটো হ'ল যে চৰকাৰী চাকৰী নোপোৱা প্ৰতিজন মানুহকে আমি যদি নিবনুৱা বুলি কব খোজো তেতিয়া তেনেকুৱা নিবনুৱা ওলাই থাকিব। আমি ২ লাখ চৰকাৰী চাকৰি দিম তাৰ লগত ১০ লাখ মুখ্যমন্ত্ৰী আত্ম নিৰ্ভৰ অসম দিম। তাৰ মানে ১০ লাখ মুখ্যমন্ত্ৰী আত্ম নিৰ্ভৰ অসম পোৱা মানুহ খিনিয়ে কৰ্ম সংস্থাপন নাপালে নেকি ? যোৱা বাৰ যেনেকৈ ১ লাখ ৬৪ হাজাৰে চাকৰি পালে। সেই সময়ত আমাৰ অখিল গগৈ ডাঙৰীয়াই কৈছিল ক'ত দিব পাৰিব কেনেকৈ দিব ইত্যাদি । যেতিয়া আমি বিজ্ঞাপন দি এইটো বিভাগত ইমান সেইটো বিভাগত ইমান, তেনেকৈ দি দি ১ লাখ ৬৪ হেজাৰ নিয়ুক্তি দি দেখুৱাই দিলো। তাৰ পিছত তেখেতে মাত মাতিবলৈ বাদ দিলে। এই বাৰ আমি কৈছো ২ লাখ নিযুক্তি দিম তাৰ লগত ১০ লাখ যুৱক-যুৱতীক মুখ্যমন্ত্ৰী আত্ম নিৰ্ভৰ অসম আৰু তাৰ লগত ৩০ লাখ মহিলাক উদ্যমিতাৰ কাৰণে আৰু ২৫ লাখকৈ দিব পাৰি নেকি সেইটো আমি চিন্তা কৰিছো। এইবাৰ আমি ৩০ লাখক দিলো। অহা বাৰো সেই ৩০ লাখক আৰু ২৫ হেজাৰকৈ দি তেওঁলোকক আৰু উদ্যমিতা আগবঢ়াব পাৰি নেকি এই বোৰ বাজেটৰ সপোন, এই বোৰ কথা বাজেটত কোৱা হৈছে । আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমৰ দৰে ৰাজ্যত DBT আজি ৩৪ শতাংশৰ পৰা ১৪ শতাংশলৈ লৈ অহা হল। ২০ শতাংশ আমাৰ দৰিদ্ৰতাৰ হাৰ কমাই অনা হ'ল কাৰণ এই DBT ৰ জৰিয়তে। হয় কিছুমান কামৰ জৰিয়তে যেতিয়া মানুহৰ অৰ্থনৈতিক উন্নয়ন হব তাৰ বাবে সময় লাগিব। আজি প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ২০১৪ চনত ভাৰতৰ দায়িত্ব লোৱাৰ পিছত যেতিয়া জন ধন একাউন্টৰ কথা কোৱা হৈছিল তেতিয়া মানুহে উপলুঙা কৰিছিল জন ধন একাউন্টৰ কথা কোৱাৰ বাবে। চৰকাৰে কিবা বেংক একাউন্ট খোলা আঁচনি লোৱাৰ বাবে বহুতে হাঁহিছিল। স্বচ্ছ ভাৰতৰ কথা কোৱাতে বহুতে উপলুঙা কৰিছিল। কিন্তু সেই স্বচ্ছ ভাৰতৰ কাৰণে অসমত ৮ লাখ চাহ বাগানৰ কৰ্মচাৰী সকলৰ কৰণে বেংক

একাউন্ট আহি গৈছিল। আজি অসমত ৮ লাখ বাগানৰ কৰ্মচাৰীয়ে জন ধন একাউন্টৰ কাৰণে বেংকৰ ওচৰ পাইছে। সেই লোক সকলক আমি ২৫০০ টকাৰ পৰা ৫০০০ টকা লৈকে দিবলৈ সক্ষম হৈছো কাৰণ তেওঁলোক বেংক ব্যৱস্থাত আহিছে। নহলে ১০০ টকা পঠালে ১৫ টকাহে পালে হেঁতেন আমাৰ কিছুমান বিৰোধী সদস্যই কোৱাৰ দৰে। আজি প্ৰত্যক্ষ ৫০০০ টকা পঠাইছো যদি শ্ৰমিক জনৰ একাউন্টত সোমাই গৈছে। আজি ১২৫০ টকা দিছো যদি ১২৫০ টকাই আই মাতৃ সকলৰ একাউন্টত সোমাই গৈছে। তেনেকৈ ১০ হেজাৰ টকা দিছো যদি ১০ হেজাৰ টকাই পাইছে। এই যে বেংক ব্যৱস্থাত DBT কৰা হৈছে এইটো আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বৰে আগবাঢ়ি অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমত DBT ৰ জৰিয়তে যি আমুল পৰিবৰ্তনৰ চেষ্টা কৰিলে তাৰ ফলত অসমত দৰিদ্ৰতাৰ সীমা, দৰিদ্ৰতাৰ সংখ্যা ৩৪ পৰা ১৪ শতাংশলৈ আহিলে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে বাজেটত যি ধৰণৰ পৰিকল্পনাৰে আগবাঢ়িছো যাতে আমি একক সংখ্যাত আনিব পাৰো, ৫ শতাংশলৈ আনিব পাৰো। সেইহে হৈছে আমাৰ বাজেটৰ লক্ষ্য। এইখন বাজেটক যদি কোনোবাই, ঠিক আছে বিৰোধিয়ে বিৰোধিতাৰ খাতিৰত সমালোচনা কৰিব, যদি আমাৰ কৰবাত ভুল আছে যদিহে গঠন মূলক সমালোচনা কৰিছে তাক আমি নিশ্চত ভাৱে গ্ৰহণ কৰিম। আপোনালোকৰ গঠনমূলক সমালোচনাৰ কাৰণে আমি প্ৰস্তুত। কিন্তু যিখন বাজেটে অসমত ভবিষ্যতৰ কাৰণে এনেকুৱা সপোন দেখুৱাব পাৰে , যিখন বাজেটে পাহাৰ ভৈয়ামকে ধৰি, ব্ৰহ্মপুত্ৰ বৰাককে ধৰি, আজি ডিব্ৰুগড়ৰ দৰে ঠাইত ৫০০ কোটি টকা খৰছ কৰি দ্বিতীয় ৰাজধানী নিৰ্মাণৰ কথা কোৱা হৈছে। শিলচৰত অসম সচিবালয়ত হব। ইয়াতকৈ ডাঙৰ অসম খনক সংযোগ কৰাৰ কি ব্যৱস্থা থাকিব পাৰে। এটা সময় আছিল বৰাকৰ মানুহে গুৱাহাটীলৈ আহিলে অসমলৈ অহা বুলি কৈছিল। আজিৰ বৰাকভেলীৰ মানুহে বৰাকভেলীত থাকি অসম সচিবালয় সুবিধা পাব তেনেকুৱা কথা আজি চিন্তা কৰিব পৰা হৈছে। আগতে ডিব্ৰুগড়ৰ মানুহে সৰু কাম এটাৰ বাবে অসম সচিবালয়লৈ আহি মুখ্যমন্ত্ৰীক লগ পাবৰ

বাবে হোটেলত ২/৩ দিন থাকি টকা খৰছ্ কৰিব লগা হৈছিল। আজি ডিব্ৰুগড়লৈ প্ৰতিমাহে মুখ্যমন্ত্ৰী যায়। তাত তেনেকুৱা এটা আন্তঃগাঠনি নিৰ্মাণ কৰা হৈছে। বিধান সভাৰ অধিবেশনো যাতে তাত হব পাৰে তেনেকুৱা বিধান সভাৰ সচিবালয়ৰ কথাও কোৱা হৈছে । আমাৰ মুখ্যমন্ত্ৰীয়ে এনেকুৱা ধৰণৰ পৰিকল্পনাৰে অসম খনক একত্ৰিত কৰাৰ চিন্তা কৰিছে। এইবোৰ বাজেট খনৰ ইতিবাচক কথা এইবোৰ আমি বুজিব লাগিব । ২০১৬ চনত আমাৰ চৰকাৰ হওতে যিবোৰ কথা আমি কৈছিলো সেইমতে কাম কৰাৰ বাবে ৰাইজে ২০২১ চনত আমাক আশীৰ্বাদ দিছে আৰু ২০২৬ চনতো আমাক ১০২ খন আসনেৰে আমাক জিকাই আনিছে। সেইদিনা তেখেতে মাইক্ৰ ফাইনেঞ্চৰ ওপৰত ডাঙৰ ভাষণ দিছে । যেতিয়া মই তথ্য সহকাৰে বুজাই দিলো কিয় আমি মাইক্ৰ ফাইনেঞ্চৰ ঋণ ৰেহাই দিছিলো আৰু এই ৰেহাইয়ে যাতে আমাৰ জনমুৰি আয় বৃদ্ধি কৰি আমাৰ দুখীয়া আই মাতৃ সকলক সকাহ দিলো সেই কথাটো মই বুজাই দিছিলো । কিন্তু আমি ধনী মানুহ চাকৰীয়াল মানুহ তেওঁলোকক ৰেহাই দি চৰকাৰৰ পইছা অবাৰত খৰছ কৰিব নোৱাৰো কাৰণ প্ৰতিটো টকাত আমাৰ ৰাইজৰ ওচৰত দায়বদ্ধতা আছে। আৰু আমি যাতে ৰাইজক উত্তৰ দিব পাৰো তাৰ বাবে ৰাইজৰ টকা আমি সুন্দৰ ভাৱে খৰচ কৰিছো। আমি প্ৰতিটো সময়তে চৰকাৰৰ অলাগতিয়াল খৰছ কেনেকৈ কমাব পাৰো তাৰ চিন্তা কৰা হৈছে। আমাৰ সদস্য আব্দুল ৰহিম ডাঙৰীয়াই তৰুণ গগৈ চৰকাৰৰ তথ্য দিছে। তৰুণ গগৈ চৰকাৰৰ দিনত অসমত মূলধনী ব্যয় হৈছিল ৩ হেজাৰ কোটি টকাতকৈ কম ২৭০৯ কোটি টকা। আজি এইখন অসমে যোৱা বছৰ মূলধনী ব্যয় কৰিছো ২৬ হেজাৰ কোটি টকা। এইবাৰ আমাৰ পৰিকল্পনা আছে যে এই মূলধনী ব্যয় ৩৫ হেজাৰ কোটি টকালৈ বৃদ্ধি কৰা। কাৰণ মূলধনী ব্যয় হলেহে ৰাজ্যখনৰ আন্তঃগাঠনি উন্নয়ন হব আৰু ৰাজ্যখনৰ উন্নয়ন হ'ব। প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ আশীৰ্বাদৰ কাৰণে অসমে আজি এলিভেটেদ কৰিডৰ পাবলৈ সক্ষম হৈছে। আজিৰ ব্ৰহ্মপুত্ৰ নদীৰ তলত সুৰংগ ৰাস্তা নিৰ্মাণ হৈ আছে। আমি কেতিয়াবা ভাবিছিলো নেকি যে দীঘলী পুখুৰীৰ পাৰত Flyover ত উঠিম আৰু বামুনি

মৈদামত নামিম। অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেনেকুৱা কল্পনাক বাস্তবায়িত কৰিলে। আমি যেতিয়া বি বৰুৱা ক'লেজত পঢ়িছিলো আৰু যেতিয়া পানবজাৰৰ কটন ক'লেজলৈ গৈছিলো আমি কেতিয়াও ভৱা নাছিলো যে দীঘলী পুখুৰীৰৰ পাৰত Flyover উঠিম আৰু বামুনি মৈদামত নামিম, সেইদিন অসমত আহিব আমি ভৱাই নাছিলো। কিন্তু আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াক বাস্তৱ কৰিলে মাত্ৰ ২ বছৰৰ ভিতৰত এনেকুৱা এখন Flyover নিৰ্মাণ কৰি ৰাইজক দেখুৱাই দিলে। অসমৰ থলুৱা ঠিকাদাৰে ৮/৯ মাহৰ ভিতৰত Flyover বনাব পৰা হ'ল। আগতে আমি যেনেকৈ উলুৱাৰীৰ Flyover নিৰ্মাণ কৰা দেখিছো, আমি ক'লেজত পঢ়ি থকা সময়তে নিৰ্মাণ আৰম্ভ কৰিছিল আমাৰ ক'লেজত পঢ়া শেষ হৈ গল ৮/৯ বছৰলৈকে সম্পূৰ্ণ হোৱা দেখা নাপালো। এইয়াই আছিল অসমৰ পৰিবেশ। সেই পৰিবেশৰ পৰা এতিয়া অসমৰ ঠিকাদাৰে সচিবালয়ৰ সন্মুখত ৯ মাহতে Flyover নিৰ্মাণ কৰিলে। এইবোৰে হৈছে অসমৰ পৰিবৰ্তন। অসমৰ ৰাইজৰ অৰ্থনৈতিক উন্নয়ন হৈছে আগতে শতকৰা ৫ জন মানুহে গাড়ী কিনিছিল এতিয়া শতকৰা ৯০ জন মানুহে গাড়ী কিনে। শতকৰা ৯০ জন মানুহে যেতিয়া গাড়ী কিনিব তেতিয়া যানজট বাঢ়িব। গতিকে আমি নতুনকৈ আৰু ৰাস্তা Flyover নিৰ্মাণ কৰিব লাগিব। আগতে অসমত কিমান জন মানুহৰ গাড়ী আছিল আজি প্ৰায় সংখ্যক মানুহৰে গাড়ী আছে। গতিকে যানজঁট বাঢ়িবই। এতিয়া মানুহৰ অৰ্থনৈতিক উন্নয়ন হৈছে সেই কাৰণে দৰিদ্ৰতা ৩৪ শতাংশৰ পৰা ১৪ শতাংশলৈ নামি আহিছে। আজিৰ তাৰিখত ভাৰতীয় ৰিৰ্জাভ বেংকে কবলৈ বাধ্য হৈছে যে ভাৰতৰ ভিতৰত দ্ৰুত ভাৱে উন্নয়ন হোৱা অৰ্থনীতি হৈছে অসম। এইবোৰ কাৰ কাৰণে সম্ভৱ হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সবল নেতৃত্বৰ কাৰণে, দূৰদৰ্শী নেতৃত্বৰ কাৰণে। তেখেতৰ সবল দূৰদৰ্শী নেতৃত্বৰে মই বিধান সভাত যোৱা ১০ তাৰিখে যিখন বাজেট দিছিলো, যোৱা ৩ দিন ধৰি সকলোৱে আলোচনা কৰিলে, মই ভাৱো যে বিৰোধী দলে বিৰোধিতাৰ সাৰ প্ৰাপ্ত দুই এটা কথা ক'ব লাগিব, এইটো কৈছে, মই বেয়া পোৱা নাই আৰু আমাৰ যদি কৰবাত ভুল আছে আঙুলিয়াই দিয়ক, আমি তাতো আছো। কিন্তু অসমৰ জনসাধাৰণে অসমৰ প্ৰতিজন মানুহে

যিধৰণৰ আশা-আকাংক্ষা কৰি আমাক ১০২ খন আসনত বিজয় কৰি চৰকাৰ গঠন কৰিবলৈ দিছিল, সেই আশা-আকাংক্ষা পূৰণ কৰিব পৰা বুলি ৰাইজে বিশ্বাস কৰিছে  আৰু মই ভাৱো যে এতিয়া আমাৰ দায়িত্ব বাঢ়িলে। অসমৰ ৰাইজৰ আশা-আকাংক্ষা প্ৰতিফলিত কৰা এখন বাজেট কৰা হ'ল । এই বাজেটখন অহা পাঁচ বছৰৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দুৰদৰ্শী চিন্তা । ইয়াক বাস্তৱত ৰূপায়ণ কৰিবৰ কাৰণে আমি দিনে ৰাতিয়ে কাম কৰিব লাগিব , প্ৰতিটো মুহুৰ্তত আমি কাম কৰি সফল কৰিব লাগিব। আজি বাজেট ব্যয় ৮৫ শতাংশলৈকে গৈছো। আমাৰ লক্ষ্য হ'ব যে ১০০ শতাংশ বাজেট ব্যয় কেনেকৈ কৰিব পাৰো। যিখন ৰাজ্যই ৪০, ৪৫ মানে ৫০ শতাংশ বাজেট ব্যয় আছিল, ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত চৰকাৰ অহাৰ আগলৈকে, সেইখন ৰাজ্যই আজি ৮৫ শতাংশলৈ বাজেট ব্যয় কৰিবলৈ সক্ষম হৈছে , এখন বাস্তাৱধৰ্মী বাজেট । কিয়নো বাস্তৱত খৰছ কৰিব পাৰো তেনেকুৱা ধৰণৰ বাজেট  আৰু আমাৰ লক্ষ্য হ'ল যে অহাবাৰৰ বাজেটখনত ৯০ শতাংশ কেনেকৈ ব্যয় কৰিব পাৰো, ৯৫ শতাংশ কেনেকৈ ব্যয় কৰিব পাৰো, সেই ধৰণৰ চিন্তা কৰিব লাগিব আৰু মই ভাৱো যে অসমৰ ৰাইজৰ আৰ্শীবাদত, মুখ্যমন্ত্ৰী ড০ হিমন্ত্ বিশ্ব শৰ্মা ডাঙৰীয়াৰ দুৰদৰ্শী চিন্তা, মাৰ্গদৰ্শনেৰে আমি সুন্দৰভাৱে অসমৰ উন্নয়নৰ কাৰণে, অসমৰ বিকাশৰ কাৰণে যি বাজেট এই বিধানসভাত মই উত্থাপন কৰিছিলোঁ, সেই বাজেটৰ ওপৰত আপোনালোক সকলোৱে বিতৰ্ক কৰিলে। মই সকলোকে আন্তৰিক ধন্যবাদ জনাইছোঁ। আপোনালোকৰ  সু-পৰামৰ্শখিনি মই সম্পূৰ্ণ বাজেট বিতৰ্কত মাত্ৰ মাজত অলপ সময় বেলেগ এখন সভাৰ কাৰণে অনুপস্থিত আছিলো, কিন্তু  প্ৰায় আপোনালোকে কোৱা প্ৰতিটো কথাই মই লিখি ৰাখিছোঁ। আপোনালোকৰ সেই কথাবিলাকত  আমি ভাৱো যে এইটো আপুনি অসমৰ ৰাইজৰ কাৰণে কৈছে, অসমৰ বিকাশৰ কাৰণে কৈছে, বিৰোধী দলৰ প্ৰতিটো উপদেশক আমি সন্মানসহকাৰে লৈ কাম কৰিম ।  তাত কোনো অসুবিধা নাই। বিৰোধী দল বুলি আমি নকৰাকৈ থাকিম এনেকুৱা কথা নাই। আপোনালোকে কোৱা ভাল কথা, ভাল পৰামৰ্শ আমি সম্পূৰ্ণৰূপে গ্ৰহণ কৰিম।

কিন্তু নিজে GST ফাকি দি অসমৰ ৰাজহৰ আটাইতকৈ ডাঙৰ ক্ষতি কৰি, অসমত দেশদ্ৰোহিতাৰ দৰে কাম কৰি, ডাঙৰ ডাঙৰ কথা বিধান সভাৰ মজিয়াত, বাহিৰত টিভি চেনেলৰ সন্মুখত ক'ব, তেওঁলোকৰ মুখা খুলি দিয়াটোও আমাৰ দায়িত্ব, আৰু সেই মুখা আমি খুলি যাম। সেই ধৰণে আমি কাম কৰি যাম । গতিকে মই সকলোকে ধন্যবাদ জনাইছোঁ। আজি ৩৫ গৰাকী সন্মানীয় সদস্যই এই বিতৰ্কত অংশগ্ৰহণ কৰিছে। আটাইকেইগৰাকী সদস্যকে মই আন্তৰিক ধন্যবাদ জনাইছোঁ। ইয়াৰ লগতে অসম বিধানসভাৰ সকলো সদস্যক ধন্যবাদ দি আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াই সুন্দৰভাৱে আমাক এই বাজেট উত্থাপন কৰাৰ লগতে এই বিতৰ্ক আৰু সকলো দিশ সামৰি কথা কোৱাৰ সুবিধা দিলে তাৰ বাবে মাননীয় অধ্যক্ষ ডাঙৰীয়াকো ধন্যবাদ দি মই বাজেটৰ ওপৰত মোৰ বক্তব্য ইমানতে সমাৰণি মাৰিছোঁ।ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank you. The House adjourned till 9:30 A.M. on 22nd July, 2026.